পৰম্পৰা আৰু পৰিৱৰ্তনৰ দোমোজাত

আইতাৰ পাকঘৰ

সুপৰ্ণা লাহিড়ী বৰুৱা

পৰম্পৰা আৰু পৰিৱৰ্তনৰ দোমোজাত

আইতাৰ পাকঘৰ

পৰম্পৰা আৰু পৰিৱৰ্তনৰ দোমোজাত

আইতাৰ পাকঘৰ

সুপৰ্ণা লাহিড়ী বৰুৱা

এন এল পাব্লিকেশ্বনছ্
পাণবজাৰ, গুৱাহাটী - ৭৮১০০১

Parampara Aru Paribartanar Domojat Aaitar Pakghar
A collection of articles in Assamese
by **Suparna Lahiri Barua**
Published by N L Publications,
A.R.B. Road, Panbazar, Guwahati - 781001

First Edition : December, 2023 Price : ₹ 220.00

প্ৰকাশক ঃ
এন এল পাব্লিকেশ্বনছ্
আনন্দ ৰাম বৰুৱা পথ
পাণবজাৰ, গুৱাহাটী - ৭৮১০০১

© লেখিকা

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০২৩

ISBN : 978-93-85230-26-4

প্ৰচ্ছদ ঃ বিষ্ণু তামুলী

টাইপ চেটিং ঃ প্ৰদীপ বৰুৱা

মূল্য ঃ ২২০.০০ টকা

মুদ্ৰণ ঃ
থুলুংগা প্ৰিণ্টাৰ্ছ
কালাপাহাৰ, গুৱাহাটী-৭৮১০১৬

উছৰ্গা

সকলো প্ৰগতিশীল আইতাৰ কৰকমলত...

কৃতজ্ঞতাৰ একাষাৰ

'চুৰি হয়ে যাচ্ছে ৰান্নাঘৰ' মই লেখা বাংলা গ্ৰন্থখনি ঢাকাৰ (বাংলাদেশ) সুবৰ্ণ প্ৰকাশনৰ পৰা প্ৰকাশিত হৈছিল ২০২০ চনত। জীৱনসঙ্গী ভাস্কৰ বৰুৱাৰ অনুৰোধ ৰক্ষা কৰি নিজেই অসমীয়ালৈ ভাবানুবাদ কৰাৰ দায়িত্ব লৈছিলোঁ আৰু অৱশেষত 'পৰম্পৰা আৰু পৰিৱৰ্তনৰ দোমোজাত আইতাৰ পাকঘৰ' লিখা শেষ হ'ল। প্ৰতিনিয়ত উৎসাহ প্ৰদান কৰাৰ বাবে তেওঁৰ ওচৰত মই কৃতজ্ঞ। এই গ্ৰন্থখনি বুলিয়েই নহয় মোৰ প্ৰায়বোৰ গ্ৰন্থ লেখাৰ পৰিকল্পনাকালত মোৰ দাদা ড° সিদ্ধাৰ্থ লাহিড়ীৰ গুৰুত্বপূৰ্ণ বিশ্লেষণ, উৎসাহ, পৰামৰ্শই মোক গতিশীল হৈ থাকিবলৈ সহায় কৰে, গতিকে তেওঁৰ প্ৰতি মই চিৰকৃতজ্ঞ। গ্ৰন্থখন লিখি উলিওৱাত মই বহুজনৰ ওচৰত কৃতজ্ঞ। মোৰ সুহৃদ অদিতি বৰুৱা, দীপা বেজবৰুৱা, কবিতা ভাগৱতী, ৰঞ্জুমণি গগৈ, গীতাঞ্জলি সোণোৱাল, লইনু দাস সহ অসংখ্য বন্ধু-বান্ধৱীসকলৰ মৰম আৰু উৎসাহ অবিহনে এই গ্ৰন্থখন লিখা মোৰ বাবে সম্ভৱ নহ'লহেঁতেন। পুত্ৰ আকাশৰ প্ৰতি মই সদায় কৃতজ্ঞ। অসম প্ৰগতিশীল নাৰী সংস্থা, অসম মহিলা সংঘ, অসম গণতান্ত্ৰিক মহিলা সমিতি, অধ্যয়ন চক্ৰৰ দৰে সংগঠনৰ প্ৰতিগৰাকী ব্যক্তিৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক থকাৰ বাবে বিভিন্নভাৱে উৎসাহিত হৈছোঁ, তেওঁলোকলৈ কৃতজ্ঞতা জনালোঁ। মোৰ ননদ হীৰণ্য বৰুৱাই সৰ্বপ্ৰথম অসমীয়া ব্যঞ্জনৰ স'তে চিনাকি কৰাইছিল, তাইৰ আন্তৰিক মৰমৰ কথা সদায় মনত থাকিব। ডি.টি.পি. কৰিলে ইউনিভাৰ্চেল প্ৰিণ্ট টেক্‌ৰ স্বত্বাধিকাৰী শ্ৰীপ্ৰতুল কুমাৰ বৰ্মনে। এন এল পাব্লিকেশ্বনছ্‌ৰ স্বত্বাধিকাৰ শ্ৰদ্ধেয় অলক অধিকাৰীদেৱে পৰম আগ্ৰহেৰে গ্ৰন্থখন প্ৰকাশ কৰাৰ দায়িত্ব ল'লে, তেখেতক আৰু প্ৰকাশনটোৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

— লেখিকা

মুখবন্ধ

মানৱ সভ্যতাৰ ইতিহাসত খাদ্য সংগ্ৰহৰ পৰা খাদ্য উৎপাদনৰ প্ৰক্ৰিয়াৰ লগত নাৰীৰ সম্পৰ্ক অতি গভীৰ। প্ৰাচীন গুহাচিত্ৰবোৰত দেখিবলৈ পোৱা যায় কিছুমান চিত্ৰ, যেনে— হাতত ধনু লোৱা নাৰী চিকাৰ কৰিবলৈ ওলাইছে। মাছ মৰাৰ সৰু-সৰু জাল, জাকৈ প্ৰস্তুত কৰি আছে, গছৰ তলৰ পৰা ফল বুটলিছে, ইত্যাদি বিভিন্ন ধৰণৰ চিত্ৰবিলাকৰ পৰা আমি বুজি পাওঁ যে লিঙ্গ-বৈষম্য নথকা আদিম জীৱনতো নাৰী এগৰাকীয়ে দায়িত্বশীল সংগ্ৰাহিকাৰ ভূমিকা পালন কৰিবলৈ চেষ্টা কৰিছিল। তাৰ মূল কাৰণ আছিল সন্তানৰ দায়িত্ব। পৰিয়াল সৃষ্টিৰ আগতেও সন্তানৰ পৰিচয়, দায়িত্ব সকলো নাৰী নিৰ্ভৰ বিষয় আছিল। কালক্ৰমে দেখা গ'ল কৃষিকৰ্মৰ আৱিষ্কাৰক হৈ উঠিল নাৰীয়েই। প্ৰকৃতিক নিৰীক্ষণ কৰা, খাদ্য আৰু বিষৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰাৰ চেষ্টা কৰাৰ মাজেদিহে নাৰীয়ে নিজস্ব দায়িত্ব পালন কৰি আহিছে। পৰিয়াল সৃষ্টি আৰু একক বিবাহৰ ৰীতি-নীতিৰ মাজতে পাকঘৰ আৰু নাৰীৰ জীৱন সমাৰ্থক হৈ পৰিছে।

আধুনিক সমাজত খাদ্য বিশেষজ্ঞসকলে ক'ব বিচাৰে যে খাদ্য নিৰ্মাণ কলাৰ লগত সঙ্গীত নিৰ্মাণৰ এটি মিল বিচাৰি পোৱা যায়। ৰন্ধন প্ৰণালী ধ্ৰুপদী সংগীতৰ দৰে ৰাগ সম্পূৰ্ণ বিষয়। এটি ৰাগ নিৰ্মাণ কৰোঁতে জোড়, গদ, বন্দীশ, ঝালা, আৰোহন, অৱৰোহনৰ বিষয়টো যুক্ত হৈ থাকে, একেদৰে এটি আঞ্জা প্ৰস্তুত কৰোঁতে আৰম্ভণীৰ পৰা শেষলৈকে আৰোহন, অৱৰোহণৰ দৰে বিভিন্ন পৰ্যায় অতিক্ৰম কৰিহে যাব লাগে। শেষত পৰিয়ালৰ সকলো সদস্যৰ বাবে খাদ্যখিনি পৰিৱেশন কৰা আৰু লগে-ভাগে তৃপ্তিৰে এসাজ আহাৰ গ্ৰহণ কৰিব পাৰিলেহে ৰন্ধন কলাৰ যাত্ৰা সম্পূৰ্ণ হয়।

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে লিখিছিল— 'চিৰ কল্যাণময়ী তুমি ধন্য, দেশ বিদেশে বিতাৰিছ অন্ন'। বিশাল ভাৰতবৰ্ষৰ ভঁৰালৰ পৰা খাদ্য সামগ্ৰী পাশ্চাত্যৰ বজাৰলৈ গৈ উপস্থিত হৈছে, ভাৰতবৰ্ষ চিৰকল্যাণময়ী দেশ। ধনে-ধান্যে পৰিপূৰ্ণ

দেশ। প্ৰাচীন ভাৰতবৰ্ষৰ মুনি-ঋষিসকলে খাদ্য সম্পৰ্কীয় আলোচনা কৰিবলৈ বাৰে-বাৰে উল্লেখ কৰিছে খাদ্য সামগ্ৰীৰ মাজত থকা ছয়টি ৰসৰ কথা। মিঠা, তিতা, টেঙা, কেঁহা, নিমখীয়া, আৰু অম্ল এই ছয়বিধ ৰসৰ মাজতেই নিহিত হৈ থাকে খাদ্যৰসৰ চাবি-কাঠি।

সময়ৰ লগে-লগে খাদ্য সম্পৰ্কীয় ধ্যান-ধাৰণাৰ সলনি হ'ব ধৰিছে। আজি সমগ্ৰ বিশ্বত খাদ্য ৰাজনীতি হ'ল এটি গুৰুত্বপূৰ্ণ বিষয়। বিশ্ব পুঁজিবাদে খাদ্য সামগ্ৰীক প্ৰাকৃতিক সম্পদৰ পৰা মুক্ত বজাৰৰ পণ্য সামগ্ৰীলৈ ৰূপান্তৰিত কৰি পেলাইছে। ভাৰতবৰ্ষত ব্ৰিটিছ অনুপ্ৰৱেশৰ পূৰ্ববৰ্তী সময়ছোৱাত খাদ্য সম্পৰ্কীয় যি ধ্যান-ধাৰণা আছিল, প্ৰকৃতি নিৰ্ভৰ জীৱনশৈলীৰ সমাজ যেন চিৰসেউজীয়া পৃথিৱীৰ সেই ধাৰণাবোৰ সলনি হৈ গ'ল। খাদ্যাভ্যাস, খাদ্যশস্য উৎপাদনৰ প্ৰক্ৰিয়া, কৃষি ব্যৱস্থা সকলো পৰিৱৰ্তনৰ আঁৰত আছে খাদ্য শাসনতন্ত্ৰৰ ধাৰণা। বহুজাতিক কোম্পানীবোৰে এতিয়া খাদ্য সামগ্ৰীৰ একচেটিয়া মালিক হৈ উঠাৰ প্ৰতিযোগিতাত নামিছে। এতিয়া আঞ্চলিক খাদ্য বুলি কোনো কথা নাই। মুক্ত বজাৰৰ সামগ্ৰী সমগ্ৰ বিশ্বত ডেউকা মেলি উৰি যাব পাৰে। এই দেশৰ পিছপৰা সৰু চহৰৰ ল'ৰা-ছোৱালীবোৰে চাউমিন, বাৰ্গাৰ, পিজ্জাৰ নাম জানে। খাদ্যৰ নামতে অসংখ্য মিছা খাদ্যই (fake food) বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। নিজ নিজ মোবাইলত নিৰ্দিষ্ট অ্যাপ লোড কৰি বুটাম টিপিলেই খাদ্য আহি হাজিৰ হয়। তাত পৰিশ্ৰমৰ প্ৰশ্নই নুঠে। হাতত অলপ অৰ্থ থাকিলেই সেয়া সম্ভৱ। সন্তানসকলে ঠিক কি ধৰণৰ খাদ্য গ্ৰহণ কৰা উচিত, সেয়া ঠিক কৰি দিয়ে বজাৰে, নিৰ্দিষ্ট অ্যাপৰ জৰিয়তে। 'গুগল কোচ'। সেয়া ইতিবাচক নে নেতিবাচক, সেয়া মূল্যায়ন কৰাৰ অধিকাৰ হয়তো ব্যক্তিবিশেষৰ নাই, কিন্তু পৰিৱৰ্তনৰ ধাৰা অনুসৰণ কৰি বিশ্লেষণ কৰাৰ অধিকাৰ সকলো মানুহৰ আছে বুলি ভাবোঁ। এই অন্বেষণ হ'ল গ্ৰন্থখনিৰ মূল বিষয়। পৰম্পৰাগত খাদ্য আৰু মুক্ত বজাৰৰ আধুনিক খাদ্য পৰিভাষাৰ পিনে আমি গৈ আছোঁ। আমাৰ থলুৱা আহাৰ, আমাৰ জাতীয় সম্পদ, নিজৰ পৰম্পৰাগত খাদ্যাভ্যাস জীৱনৰ আদৰ্শ। এই কথাষাৰ পাহৰিলে জাতীয় অস্তিত্ব বিপন্ন হ'ব। খাদ্য সাৰ্বভৌমত্ব ৰক্ষাৰ সংগ্ৰামেই হ'ল আজিৰ তাৰিখত জাতিৰ অস্তিত্ব ৰক্ষাৰ সংকল্প, কিন্তু বাস্তৱ জীৱনত দেখা গৈছে যে আমাৰ চাৰিওপিনে স্থানীয়ভাৱে খাদ্য উৎপাদনৰ সংস্কৃতি নাইকিয়া হ'ব ধৰিছে। থলুৱা খাদ্য সামগ্ৰীৰ নাটনি দেখা গৈছে। পৰম্পৰাগত খাদ্য সামগ্ৰীৰ পৰিভাষা সলনি

হৈছে। ৰাতিপুৱাৰ জলপান, দৈ, আখৈ, কোমলচাউল, চিৰা, মুৰি, গুৰ, প্ৰাকৃতিকভাৱে গজি উঠা শাক-পাচলি, আনকি থলুৱা মাছ-মঙহ-কণী আদিৰ দৰে ব্যঞ্জনৰ যান্ত্ৰিক পদ্ধতিৰে প্ৰস্তুতৰ বাবে খাদ্যত পুষ্টিহীনতাত ভুগি আছে মানৱ জীৱন। বিশ্বায়নৰ ধামখুমীয়াত সমগ্ৰ বিশ্ব এখন গাওঁসদৃশ হ'লেও জলবায়ু আৰু ভৌগোলিকভাৱে অৱস্থিত ঠাইসমূহৰ নিজ নিজ বৈশিষ্ট্যৰে খাদ্যাভ্যাসো বেলেগ বেলেগ হোৱাটো স্বাভাৱিক। মানুহে পাহৰিব ধৰিছে যে খাদ্য হ'ল এটি নিৰ্দিষ্ট ভূখণ্ডৰ জনজীৱনৰ সাংস্কৃতিক, আৰ্থ-সামাজিক আনকি ৰাজনৈতিক অস্তিত্বৰ বাহক। আজি মুক্ত বজাৰৰ হোটেল, ৰেস্তোঁৰাত জিলিকি থকা থলুৱা খাদ্যই প্ৰমাণ কৰে আমি সমাজ-জীৱনৰ প্ৰতি দায়বদ্ধ নহয়, বৰং বজাৰ-জীৱনৰ প্ৰতিহে দায়বদ্ধ হৈ উঠিছোঁ। প্ৰতিটো মুহূৰ্তত সফল গ্ৰাহক হোৱাৰ সপোন দেখি আছোঁ। নিজস্ব পাকঘৰৰ বৈশিষ্ট্য হেৰুৱাবলৈ দ্বিধা কৰা নাই। নতুন পাকঘৰৰ সন্ধান কৰা প্ৰয়োজন বুলি অনুভৱ কৰোঁ। গ্ৰন্থখনি পঢ়ুৱৈসকলে পঢ়ি আশীৰ্বাদ দিলেহে অনুভৱ কৰিবলৈ সক্ষম হ'ম যে মোৰ প্ৰচেষ্টা সাৰ্থক হৈছে।

—সুপৰ্ণা লাহিড়ী বৰুৱা

সূচীপত্ৰ

- ভোগালীৰ সাধুকথা ॥ ১৩
- পাকঘৰ সৃষ্টিৰ কথকতা ॥ ১৭
- ধৰ্মগ্ৰন্থত খাদ্য উপাখ্যান ॥ ২২
- মেদবহুলতা বনাম ভোকাতুৰ সমাজ ॥ ২৮
- খাদ্য সাৰ্বভৌমত্ব ॥ ৩৩
- বিশ্বৰাজনীতিত পাকঘৰ ॥ ৩৯
- খাদ্য শাসনতন্ত্ৰ ॥ ৪৩
- নিপাত যাওক পাকঘৰ ॥ ৪৮
- প্ৰসঙ্গ ঃ সমূহীয়া পাকঘৰ ॥ ৫৫
- ভাসমান পাকঘৰ ॥ ৬০
- মোগলাই খানাৰ সন্ধানত ॥ ৬৭
- ফিউজন খাদ্য ॥ ৭৬
- জনজাতীয় পাকঘৰ ॥ ৮১
- আইতাৰ পাকঘৰত মাছৰ বাহাৰ ॥ ৮৯
- পাকঘৰৰ শ্ৰেণীবিভাজন ॥ ১০১
- আখলকেন্দ্ৰিক বিতৰ্ক ॥ ১১০
- নতুন পাকঘৰৰ সন্ধানত ॥ ১১৬

আমি নাৰী যদি অৰ্ধআকাশ

আমি নাৰী যদি হওঁ অৰ্ধআকাশ
তেনেহ'লে কিয় ঘৰৰ ভিতৰতে স্থান?
পাকঘৰ আৰু সন্তান প্ৰতিপালনৰ দায়িত্বৰ বাবে
চকাত বন্ধা এক নিৰ্ভৰযোগ্য যন্ত্ৰ!
তথাপিতো আকাশে হাত বাউলি মাতে,
উৰিবলৈ।
গৃহবন্দী জীৱনৰ পৰা মুক্তি বিচাৰি
আমি অৰ্ধআকাশবোৰে
মুক্তিৰ সমদলত আগবাঢ়ি যাওঁ
মজদুৰ কিষাণ ছাত্ৰসকলে একেলগে
মুক্তিৰ সমদলত আমি খোজ মিলাওঁ

(বিঃদ্ৰঃ— ভাৰতবৰ্ষৰ পূবপ্ৰান্তৰ নাৰীসকলৰ গীত, দেবশ্ৰী দেৱ বাংলা অনুবাদৰ পৰা অসমীয়া ৰূপান্তৰ।) — লেখিকা

ভোগালীৰ সাধুকথা

গুৱাহাটী মহানগৰীৰ এটি বিলাসবহুল এপাৰ্টমেণ্টৰ বেলকনিত বহি এগৰাকী আইতাকে তেওঁৰ মৰমৰ নাতিনীজনীক ঠিক যেন সাধুকথাৰ দৰে কৈ গৈছে তাহানিৰ ভোগালী উৎসৱৰ কথা। আচলতে মাজে-মাজে স্মৃতিৰ এখিলা পাত লুটিয়ালে আইতাৰ চকুৰ আগত ভাহি উঠে তেওঁৰ গাঁওখন। তেতিয়াহে ৰ'ব নোৱাৰাকৈ তেওঁ ক'ব ধৰে—

'অ' মইনা! জানানে, ককাই আঘোণৰ সোণোৱালী লখিমী আদৰি ভঁৰালত থৈহে কৃষিকৰ্মৰ সামৰণি মাৰিছিল। তাৰ পিছত আহিছিল বাপতিসাহোন মাঘ বিহু'।

— হয় আইতা, ইউটিউবত তাহানিৰ বিহু উৎসৱ চাইছোঁ দেই।

আইতাকৰ ধূসৰ চাৱনিত স্মৃতিমধুৰ ভোগালীৰ এক সুন্দৰ ছবি। ভোগালী বিহু আহিলেই প্ৰায় এমাহৰ আগৰ পৰাই ঢেঁকীৰ গুমগুমনিৰ লগতে, উস্'! ঘৰত কি যে উখল-মাখল পৰিৱেশ সৃষ্টি হ'ব ধৰিছিল! ইফালে পিঠা-পনা ভজাৰ কাম চলি আছে, আনফালে পুহ মাহ সোমোৱাৰ লগে লগে গাঁৱৰ চেমনীয়া, ডেকা ল'ৰাবোৰৰ ব্যস্ততা বাঢ়িছিল। মেজি আৰু ভেলাঘৰ সাজিব লাগে। খেৰ-নৰাৰে ওখকৈ মেজি সাজিবলৈ কিমান দিনৰ পৰা কাঠ-বাঁহ খৰিৰ ব্যৱস্থা কৰাৰ কাম আৰম্ভ হৈছিল। বৰ মেজি আৰু সৰু মেজি।

আইতাই এবাৰ দূৰণিলৈ চাই থাকে, আকৌ চকু মুদি দিয়ে। নাতিনীয়ে আৱিষ্কাৰ কৰে, বাৰ্ধক্যৰ সৌন্দৰ্যৰে পৰিপূৰ্ণ আইতাজনীৰ মুখমণ্ডলত অতীতৰ মেটমৰা স্মৃতিৰ ভঁৰাল যেন এতিয়াও জীৱন্ত হৈ আছে। তাই জানে এনেকুৱা উৎসৱৰ বতৰত আইতাকৰ নিজৰ ঘৰখনলৈ, ককালৈ মনত পৰে। তাৰ বাবেহে গুণগুণনিৰ দৰে তেওঁৰ মুখৰ পৰা অনৰ্গল বাহিৰ হৈ আহে স্মৃতিৰ কথাবোৰ। নাতিনীজনীয়ে শুনে, তথাপি তাইৰ বাবে সেয়া মাথোঁ ভোগালীৰ সাধুকথাহে। আইতাই যেন নতুন প্ৰজন্মৰ মনত তাহানিৰ হেঁপাহৰ ভোগালীৰ সুবাস বিলাই দিব বিচাৰে। ক'ব ধৰে— তুমি জানানে মইনা, মাঘ বিহুৰ মেজি জ্বলাই সকলো

অশুভ শক্তিক বিদায় দিব বিচাৰে, লগতে শুভ শক্তিৰ কামনা কৰিবলৈ শক্তি দিয়ে'।

'মাঘ বিহুৰ আটাইতকৈ আনন্দৰ বিষয় কি জানা! সেয়া হ'ল নিজ নিজ গাঁৱৰ ৰাইজে মিলি একেলগে ভোজ-ভাত খোৱা। উৰুকাৰ দুই-তিনি দিন আগৰ পৰাই গাঁওখনৰ সকলোৱে যিয়ে যেনেকৈ পাৰে শাক-পাচলি, পিঠা-পনা আনি মেজিৰ এফালে গোটাই থৈছিলোঁ। আমি সকলোৱে মিলি সমূহীয়াকৈ খাল-বিল, নদী, ৰাজহুৱা পুখুৰীত জাকৈ বাই, জাল মাৰি, মাছ-পুঠি মাৰিছিলোঁ। আকৌ ৰাজহাঁহ, পাতিহাঁহ গোটাই থৈছিলোঁ।

'উৰুকাৰ দিনা পুৱাৰে পৰা গাঁৱৰ জীয়ৰী-বোৱাৰী, ডেকা-বুঢ়া, ল'ৰা-ছোৱালী সকলোৰে কি যে ব্যস্ততা— লগে-ভাগে পাচলি কটা, মচলা বটি খাদ্যবিলাক প্ৰস্তুত কৰাৰ আয়োজন চলিছিল। আকৌ আবেলি পৰত সকলোৱে গোট খাই পিঠা-পনা, লাড়ু, চাহপানীৰ স'তে খাইছিলোঁ। লগতে বিহুনাম, দিহানাম, বৰগীত গাই নাচি-বাগি কত ধৰণৰ স্ফূৰ্তি-তামাচা কৰিছিলোঁ। আকৌ ৰাতি ভোজ-ভাত খোৱাৰ আগে আগে কলপাত সংগ্ৰহ কৰি আনিছিলোঁ। আজিৰ দৰে প্লাষ্টিকৰ থালিত খোৱা নাছিলোঁ নহয়। কলপাত পাৰিহে গৰম-গৰম জহা চাউলৰ ভাত, মাটিমাহৰ আঞ্জা, মাছৰ টেঙা, হাঁহৰ মাংস। কি যে মধুৰ দিন সেয়া! এতিয়া দেখোন মহানগৰী নিজম হৈ থাকে, বিহুৰ উদুলি-মুদুলি নাইকিয়া হ'ল।'

— কি যে কোৱা আইতা। গুৱাহাটীত কিমান যে বিহু-মেলা পাতে। আমি তাৰ পৰাহে পিঠা-পনা লৈ আনো। আমি দেখোন ইয়াত নিজৰ-নিজৰ ফ্লেটত সকলোৱে মিলি উৰুকাৰ পাৰ্টি কৰোঁ। ইয়াত আৰু মজিয়াত বহি ক'ত খাম। টেবুল-চকী ভাড়াত অনা হয়। হয় আইতা ভোজ-ভাতৰ ৰেছিপি অলপ বেলেগ হৈছে। মটকা বিৰিয়ানি, চিকেন বাটাৰ মচলা, পিজ্জা, চাওমিন, মম'। আৰু এটা কথা লগে-ভাগে এতিয়া বনাব কোনে। অৰ্ডাৰ দিলে বিশ মিনিটৰ ভিতৰতে খানা আহি যায়। সকলোৱে লগে-ভাগে খাঁও, নাচো। তুমিহে বেয়া পোৱা। অকল বিহু নাচ নহয়, আমি হিন্দী, ইংলিছ মিউজিকৰ লগতো নাচিব জানো।

আইতাৰ খং উঠি যায়। ক'ব ধৰে—

'হয়, তহঁতে এতিয়া মম', চাওমিন এইবিলাক খাই ভাল পোৱ। আমাৰ অসমীয়া আইৰ পাকঘৰত কিমানবিধৰ যে পিঠা আছে সেয়া নাজান। তিল পিঠা,

ঘিলা পিঠা, চুঙা পিঠা, সুতুলি পিঠা, তিলৰ লাড়ু, নাৰিকলৰ লাড়ু হয় নে?

অকল সেয়াই নহয়, ইমান ধুনীয়া আচাৰ-বিচাৰ আছে। সেয়াও এতিয়া লাহে-লাহে নাইকিয়া হ'ব ধৰিছে।

— কি আচাৰ-বিচাৰ?

— বিহুৰ দিনা ৰাতিপুৱাতে বাৰীত গছ বন্ধা পৰ্ব আৰম্ভ হৈছিল। ধানৰ খেৰ পকাই সৰু-সৰু ৰছীৰ দৰে কৰি বাৰীৰ গছবোৰ বন্ধা হৈছিল। লগতে ঘৰৰ খুঁটা, ভঁৰালৰ খুঁটাতো বন্ধা হৈছিল। আমি বিশ্বাস কৰিছিলোঁ যে গছ বান্ধিলে ঘৰ-বাৰীৰ পৰা অসূয়া-অপ্ৰীতিবোৰ আঁতৰি যায়। আমি 'মাঘ বন্ধা' বুলি কৈছিলোঁ।

— আইতা! এতিয়া দিন সলনি হ'ল। আগৰ নিচিনা বিহুৰ উৎসৱ বিচাৰিলে নহ'ব। এতিয়া আমি অলপ ভিন্ন ধৰণেৰে ভাবিবলৈ শিকিব লাগিব। আমি অকল অসমীয়া হৈ জীয়াই থাকিলে নহ'ব। আমি 'পেন ইণ্ডিয়ান' হৈ উঠিব বিচাৰোঁ।

— ইস্! মোৰ নাতিনীজনীয়ে কি কি যে কয়।

বিহু হ'ল অসমীয়া মানুহৰ প্ৰাণ। তহঁতৰ আধুনিকতাৰ ধামখুমীয়াত পৰি আমাৰ পুৰণিকলীয়া ঐতিহ্য হেৰুৱাব দেখোন। উৎসৱৰ লগত জড়িত হৈ থাকে সমন্বয়ৰ অনুভূতি, বন্ধুত্বৰ এনাজৰী। পিঠা-পনাৰ যোগেদি পাকঘৰৰ সংস্কৃতি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ বৈ-বৈ গৈ থাকে। কৃষিকৰ্মৰ পিছত মানুহৰ ঐক্যবদ্ধভাৱে আনন্দ প্ৰকাশৰ ইচ্ছাই হ'ল উৎসৱ। একেলগে আনন্দ ভাগ কৰি লোৱাৰ হেঁপাহ। তাৰ মাজতে নিহিত হৈ থাকে অনাগত কালৰ সুন্দৰ সপোন। তাহানিত আমি যে গাইছিলোঁ— 'হাঁহ হৈ চৰিম গৈ তোমাৰে পুখুৰীত / মাছ হৈ পৰিম গৈ তোমাৰ জালত / .....'

নাইবা 'তোমাৰ বাৰীৰ বাঁহগাজ তাৰে কৰোঁ খৰিছা।'

এতিয়া যে গীতবিলাকো নাই।

সকলো আইতাই চাগৈ মহানগৰীৰ ফ্লেটত থকা জীৱনৰ মাজত ঐক্যবদ্ধভাৱে জীৱন নিৰ্বাহ কৰাৰ যি আনন্দ, সেয়া বিচাৰি নেপায়। জীৱনৰ তিনিভাগ সময় গাঁৱত থকাৰ পিছত মহানগৰীত আহি নিগাজীকৈ বসবাস কৰিব লৈ এনেকুৱা অনুভৱ হয় যেন আধুনিক এক জে'লখানাত বসবাস কৰিবলগীয়া হৈছে। গাঁৱৰ অনেক স্মৃতিয়েই আমনি কৰে। ঢেঁকীৰ শব্দ, জুইকুৰা, তাহানিৰ চহা জীৱন। মনত পৰে নতুন বোৱাৰী হৈ আহি দেখা পাইছিলোঁ পুহমহীয়া জাৰত ৰাতিপুৱাতেই জুইকুৰা ধৰা হয়। প্ৰথমতে এচৰু পানী তুলি দিব লাগে

গৃহস্থই মুখ-হাত ধুব। তাৰ পিছত মস্ত কেটলীটোত চাহৰ পানী। হেঁপাহৰ চাহ কাপ, এতিয়া কাহিলি পুৱাতে শোৱাপাটি এৰিলেও চাহকাপৰ বাবে অপেক্ষা কৰিবলগীয়া হয়। আধুনিক 'মডুলাৰ কিট্‌চেন'ত সোমাই কিবা যেন থৰক্-বৰক্ লাগে। বিহু কাষ চাপি আহিলে মৰমৰ নাতিনীজনীৰ লগত আইতাকো হেৰাই যায় অতীতত। আছে স্মৃতিৰ মেটমৰা ভঁৰাল।

আধুনিক প্ৰজন্মৰ নাৰী, আইতাকৰ মৰমৰ নাতিনীজনীৰ বাবে তাহানিৰ বিহু মাথোঁ এক সাধুকথা। সৰুৰে পৰা তাই দেখিছে বজাৰত সকলো ধৰণৰ পিঠা-পনা পোৱা যায়। আজিকালি দোকানলৈ যাব নালাগে, অৰ্ডাৰ দিলেই হ'ল। বান্ধৱীৰ লগত বিভিন্ন ধৰণৰ পিঠা খাই থকা কিমান ফটো তুলি ভোগালীৰ ষ্টেটাছ আপ-লোড কৰে, আজলী মৰমলগা আইতাজনীয়ে গমেই নাপায়। নাতিনীয়ে মনে মনে ভাবে— এতিয়া স্মৃতিচাৰণ কৰি ইমান যে ভাল পাইছে, তেতিয়া চাগৈ পিঠা বনাই কিমান কষ্ট পাইছিল। গোটেই জীৱন পাকঘৰ চম্ভালি কঁকাল পৰি গ'ল, এতিয়াৰ সময় হ'লে আইতাই গম পালে হয় এটা 'ফুড অ্যাপ' ডাউনলোড কৰি ল'লে আমাৰ কাম সহজ হৈ যায়। ইমান কষ্ট কৰাৰ প্ৰয়োজন নাই নহয়। বৃহত্তৰ বজাৰ এখন আছে। তাত কি নাই! অন্তহীন সুখৰ কাৰবাৰ। এতিয়া আৰু বিহুৰ পিঠা বনাই সময় নষ্ট কিয় কৰিব লাগে, বেলেগ কাম নাই!

আইতা আৰু নাতিনীৰ কথোপকথন চলি থাকে। কোনটো জীৱন বেছি মূল্যৱান? সমাজ-জীৱনৰ পৰিধি চেৰাই গৈ থকা বজাৰ-জীৱনৰ মাজত সমাজ-জীৱনৰ আনন্দ পোৱা সম্ভৱ হয়নে বাৰু?

পাকঘৰ সৃষ্টিৰ কথকতা

মানুহ নামৰ বৰ্তমানৰ জীৱটো হ'ল ক্ৰমবিৱৰ্তনৰ এক পৰিণতি। স্মৰণাতীত কালৰ পৰা বৰ্তমান সময়লৈকে মানৱ সভ্যতাৰ জয়যাত্ৰাৰ কোনটো মুহূৰ্তৰ পৰা আধুনিক মানুহৰ আৱিৰ্ভাৱ ঘটিছিল, সেয়া সুনিশ্চিতভাৱে হয়তো কোৱা টান। নৃতাত্ত্বিক আৰু সমাজ বিজ্ঞানীসকলৰ ব্যাখ্যা অনুসৰি আদিম মানৱ সমাজত সকলো মানুহেই মিলিজুলি সমানে সকলো বস্তু সংগ্ৰহ বা উৎপাদন কৰি সমানে উপভোগ কৰিছিল। পাৰস্পৰিক সহযোগিতাৰ যোগেদি এটা সময়ত উৎপাদনৰ উপায় উন্নত কৰিছিল আৰু অধিক উৎপাদনৰ ব্যৱস্থা শিকিছিল। ইয়াৰ পিছত লাহে-লাহে মানৱ জাতিয়ে তেওঁলোকৰ প্ৰয়োজনাধিক শস্য উৎপাদনৰ কৌশলো আয়ত্ত কৰিব ধৰিলে। কৃষিকৰ্মই পূৰ্ণ বিকশিত অৱস্থা লাভ কৰাৰ পৰাহে সভ্যতাৰ কেনভাছত আধুনিক মানুহৰ অস্তিত্বৰ বিভিন্ন উৎপাদন, চিন্তা-চেতনা, সামাজিক-সাংস্কৃতিক অনুসন্ধিৎসু মনৰ উমান পোৱাৰ পৰিৱেশ ৰচনা হ'ল।

সভ্যতাৰ জখলাইদি মানৱ সমাজ বহু ওপৰলৈ উঠিল, সমাজ আৰু সংস্কৃতি গঢ় লৈ উঠিল, তাত অজস্ৰ পৰিৱৰ্তন আহিব ধৰিলে। এই পৰিৱৰ্তনৰ এটা ধাৰাবাহিকতা আছে। সমাজবিদ্, দাৰ্শনিক এল. এইচ. মৰ্গানে মানুহৰ এই ক্ৰমবিৱৰ্তনৰ যাত্ৰাক সভ্যতাৰ এটা গতিশীলতাৰ নিয়ম বুলি অভিহিত কৰিছিল। তেওঁ প্ৰকৃতিৰ অন্যান্য ইতৰ প্ৰাণীৰ পৰা পৃথক পৰিচয়েৰে গঢ় লৈ উঠাৰ পৰ্যায়ক্ৰমক তিনিটা স্তৰত বিভক্ত কৰিছিল। যথাক্ৰমে— বন্যাৱস্থা (Savagery), বৰ্বৰ বা অৰ্ধসভ্য (Barbarism) আৰু সভ্যতাৰ যুগ (Civilization)

বন্যাৱস্থা হ'ল প্ৰাথমিক স্তৰ, যিটো স্তৰত প্ৰকৃতিৰ পৰা যেনে অৱস্থাত আছে তেনে ধৰণেহে খাদ্য আহৰণ কৰি লৈছিল মানুহে। গুহাত বসবাস কৰিছিল, আত্মৰক্ষা আৰু খাদ্য আহৰণৰ সঁজুলিও কেইটামানহে আছিল। দ্বিতীয় যুগত অৰ্থাৎ বৰ্বৰ বা অৰ্ধসভ্য যুগত বনৰীয়া জন্তুক পোহ মনাই বংশ বৃদ্ধি কৰিবলৈ শিকিছিল। শস্য উৎপাদনৰ কামো অলপ অলপ আৰম্ভ কৰিছিল। ইয়াৰ পৰৱৰ্তী

পৰ্যায়ত অৰ্থাৎ তৃতীয় যুগৰ কাহিনী হ'ল সভ্যতাৰ আৰম্ভণীৰ যুগ। প্ৰকৃতিৰ উৎপাদিকা শক্তি বৃদ্ধি, পণ্য উৎপাদনৰ প্ৰচলন হ'ব ধৰে। বন্যযুগৰ দ্বিতীয় স্তৰতেই মানুহে জুইৰ ব্যৱহাৰ আৰু খাদ্য-সামগ্ৰী পুৰি খাবলৈ শিকি গৈছিল। তেতিয়া মানুহে খাদ্য অন্বেষণৰ ক্ষেত্ৰত মাছ আৰু কেঁকোৰা, শামুক লগতে পানীত থকা বিভিন্ন সৰু-সৰু জীৱ-জন্তুক খাদ্য-সামগ্ৰীৰূপে ব্যৱহাৰ বেছিকৈ কৰিছিল। জুইৰ আৱিষ্কাৰৰ পৰৱৰ্তী পৰ্যায়লৈকে মানুহৰ বোধশক্তি এনেকুৱা অৱস্থাত ক্ৰিয়া কৰিছিল যে জীয়াই থাকিবলৈ হ'লে খাদ্যৰ প্ৰয়োজন আৰু সেয়া প্ৰকৃতিৰ বুকুৰ পৰাই সংগ্ৰহ কৰিব পৰা যায়। তাৰ বাবে সবল আৰু দুৰ্বলৰ মাজত যুদ্ধৰো প্ৰয়োজন হ'ব পাৰে।

প্ৰাচীন গুহাচিত্ৰৰ পৰা আমি প্ৰাক্ঐতিহাসিক যুগৰ মানুহৰ খাদ্যাভ্যাস সম্পৰ্কে জানিবলৈ পাওঁ। তাহানিৰ মানুহে যেতিয়া চিকাৰলৈ গৈছিল, তাত নাৰী আৰু পুৰুষ বুলি কথা নাছিল। যৌথভাৱে নাৰী-পুৰুষে চিকাৰ কৰি ফুৰিছিল, আৰু দিনৰ শেষত গুহালৈ উভতি আহি বনৰীয়া জীৱ-জন্তু আৰু চিকাৰৰ ছবি আঁকিছিল।

গুহাচিত্ৰৰ বৃহত্তম আৱিষ্কাৰটো ১৯৪০ চনত দক্ষিণ-পশ্চিম ফ্ৰান্সৰ লাস্কো নামৰ অঞ্চলত একেবাৰে ঘটনাক্ৰমে হৈছিল। লাস্কোৰ গুহাবোৰত ছয়শৰো অধিক চিত্ৰ আৰু ১,৫০০ৰো অধিক পৃষ্ঠীয় ভাস্কৰ্য পোৱা গৈছে। চিত্ৰ ভাস্কৰ্যত থকা বিভিন্ন জন্তুবোৰৰ ভিতৰত দেখা গৈছিল যাঁড় গৰু, ক'লা ঘোঁৰা, ৰঙা আৰু ক'লা হৰিণ আদি প্ৰধান জন্তু। কিন্তু ভাৰতবৰ্ষৰ গুহাচিত্ৰবোৰত মানুহৰ প্ৰতিকৃতিহে ভৰি আছে। উৰিষ্যাৰ ৰায়গড় জিলাৰ সিংহানপুৰ, বিহাৰৰ ঝাৰখণ্ডৰ ঘাটশিলা, উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰ জিলা, কৰ্ণাটকৰ বেল্লাৰী জিলা, মধ্যপ্ৰদেশৰ ভীমবেটকাত গুহাচিত্ৰবোৰ দেখিবলৈ পোৱা যায়। যাৰ পৰা আমি এটা বিশেষ অঞ্চলতে হেজাৰ হেজাৰ বছৰ আগতে বসবাস কৰা বিভিন্ন ধৰণৰ জীৱ-জন্তুৰ কথা জানিবলৈ পাওঁ, অজস্ৰ চিকাৰৰ দৃশ্যৰ লগতে যাঁঠি, ধনু-কাঁড় আৰু ফান্দৰ স'তে চিকাৰৰ দৃশ্যও আছে। বন্যপ্ৰাণীৰ লগত যুঁজ দিয়া নাৰীৰ ছবিও দেখিবলৈ পোৱা যায়। গতিকে চিত্ৰবোৰৰ পৰা এই কথা স্পষ্টকৈ বুজা যায় যে তাহানিও খাদ্য সংগ্ৰহৰ ক্ষেত্ৰত কোনো ধৰণৰ কৰ্মবিভেদ নাছিল। যদিও খাদ্য সংগ্ৰহ কৰি খাদ্য গ্ৰহণৰ প্ৰক্ৰিয়াটোক খাদ্য সভ্যতাৰ অন্তৰ্ভূক্ত কৰিব নোৱাৰোঁ, বৰং পৰৱৰ্তী পৰ্যায়ত যেতিয়া দৃশ্যপট সলনি হ'ল, মাছ আৰু জুইৰ ব্যৱহাৰ ক'বলৈ গ'লে একালত

আৰম্ভ হ'ল, দুটাই যেন এটা আনটোৰ পৰিপূৰক হৈ উঠিল।

অকল জুইৰ ব্যৱহাৰ সঠিকভাৱে শিকি লোৱাৰ পিছৰ পৰা মানৱ জাতিয়ে পূৰ্ণমাত্ৰাত নিজৰ খাদ্য-সামগ্ৰী সৃষ্টিৰ প্ৰতি মনোযোগী হৈ উঠিব ধৰিলে। এইখিনি স্তৰৰ পৰাহে মানৱ জীৱন অন্যান্য ইতৰ প্ৰাণীসমূহৰ পৰা যে পৃথক আৰু উন্নত সেয়া প্ৰমাণিত হ'ল।

মানৱ সভ্যতাৰ বিকাশৰ বিভিন্ন পৰ্যায়তে নাৰীৰ এক উল্লেযোগ্য গুৰুত্বপূৰ্ণ ভূমিকা আছে। অকল সন্তান উৎপাদন নাইবা লালন-পালন নহয়, পৰিধানৰ বাবে বস্ত্ৰ তৈয়াৰ কৰা, থকাৰ বাবে তম্বু তৈয়াৰ কৰাৰ কামখিনিও নাৰীৰ দায়িত্বত আছিল। তেতিয়া গাঁওবিলাক তৈয়াৰ হোৱা নাছিল। মানুহৰ সৰু-সৰু গোটবিলাক যাক ক্লেন (Clan) নাইবা কোম বুলি ক'ব পৰা যায়, সেয়াই আছিল। এটা স্থানৰ পৰা আন এটা স্থানলৈ যোৱাৰ সময়ত তম্বুবিলাক ভাঙি নিজৰ লগত বহন কৰিবলগীয়া হৈছিল, সেই সকলো কামৰ দায়িত্ব নাৰীৰ আছিল। কৃষিকাৰ্য আৰম্ভণীৰ পিছত যেতিয়া নাঙলৰ আৱিষ্কাৰ হ'ল, প্ৰথম পৰ্যায়তে নাৰীয়ে কিন্তু সেই নাঙল টানি দিয়াৰ কামখিনিও কৰিছিল। তেতিয়া জুম খেতিৰ প্ৰচলন আছিল। কোৱা হয় এই জুম খেতিয়েই হ'ল আটাইতকৈ প্ৰাচীন কৃষি পদ্ধতি। এই খেতিৰ যোগেদি মানুহে সমূহীয়াভাৱে জীৱিকা নিৰ্বাহ কৰিছিল। গোটেই অঞ্চলৰ মানুহে প্ৰথমতে এটা অঞ্চল নিৰ্বাচন কৰি লৈছিল। তাৰ পিছত হাবি-বননি কাটি, জুই জ্বলাই পুৰি খেতিৰ উপযোগী কৰি তোলা হৈছিল। ভস্মীভূত হাবি-বননিৰ ছাঁইবোৰত বৰষুণ পৰিলে, মানুহবিলাকে একেলগে শস্যৰ গুটি সিঁচিবলৈ ধৰিছিল। শস্যৰ গুটিবোৰ মাটিৰ ওপৰত ছটিয়াই দিয়াৰ পৰা, মাটিখিনি সৰু কোৰ দি লাহে-লাহে খান্দি দিয়াৰ কামো যৌথভাৱে কৰা হৈছিল। পাশ্চাত্যৰ কৃষিবিদ্‌সকলে জুম খেতিক 'ফিমেল ফাৰমিং চিষ্টেম' বুলিও কয়। আজিৰ পৰা দহ-বাৰ হাজাৰমান বছৰ আগৰ কাহিনী এইবোৰ। উত্তৰ ইউৰোপক ঢাকি ৰখা বিশাল বৰফৰ আৱৰণ যেতিয়া আঁতৰিব ধৰিলে আৰু মানুহে জীৱিকাৰ নতুন সন্ধানো বিচাৰি পালে। তেতিয়া মাতৃসকলেই পোনপ্ৰথমে আৱিষ্কাৰ কৰিবলৈ সক্ষম হ'ল যে গছ ৰুইয়ো খাদ্য আহৰণ কৰিব পাৰি। পৃথিৱীৰ বিভিন্ন ঠাইৰ মানুহ সকলোৱে নিজৰ নিজৰ জীৱন নিৰ্বাহৰ নতুন পদ্ধতি আৰম্ভ কৰিব ধৰিলে। মধ্য আমেৰিকা, ভূমধ্য সাগৰৰ দক্ষিণ-পূব প্ৰান্তৰ আৰু দক্ষিণ এছিয়াৰ কিছুমান ঠাইত আদিম প্ৰকৃতিৰ কৃষিকাৰ্যৰ প্ৰত্নতাত্ত্বিক প্ৰমাণ পোৱা গৈছে। কোৱা হয়

কৃষিকৰ্মৰ জন্মস্থান আছিল পশ্চিম এছিয়াৰ পাহাৰুৱা অঞ্চলবোৰ, বৰ্তমান সময়ৰ ইজৰাইল, জৰ্ডান, ইৰাক, কাস্পিয়ান, অববাহিকা অঞ্চল, লগতে ইৰানৰ মালভূমি অঞ্চল, এতিয়াও যাক 'উৰ্বৰ কাঁচি অঞ্চল' (fertile cresent) বুলি কোৱা হয়। সমগ্ৰ অঞ্চলটোত তেতিয়া দুবিধ প্ৰধান খাদ্য শস্য উৎপাদন কৰা হৈছিল— ঘেঁহু আৰু যৱ। আচলতে সেই অঞ্চলটোত উৰ্বৰ মাটি আৰু কৃষিকাৰ্য কৰাৰ বাবে প্ৰয়োজনীয় সকলো উপাদানেই মজুত আছিল। কৃষিকাৰ্যৰ বিকাশৰ লগে লগে বিভিন্ন আহিলা সজাৰ ক্ষেত্ৰতো মানুহ সক্ৰিয় হৈ উঠিছিল।

তাহানিৰ পৃথিৱীত ঘেঁহু আজিৰ দৰে এবিধ শস্যজাত উদ্ভিদ নাছিল। পশ্চিম এছিয়াত প্ৰচুৰ পৰিমাণে উৎপাদিত বিভিন্ন ধৰণৰ বনৰীয়া ঘাঁহৰ ভিতৰত এবিধ ঘাঁহ জাতীয় উদ্ভিদ আছিল, কোনো এক অজ্ঞাত কাৰণত সেই বনৰীয়া ঘেঁহুৰ সৈতে 'গটগ্ৰাছৰ' (goat grass) বৰ্ণ সংকৰণ ঘটিল আৰু সাধাৰণ ঘেঁহুগছৰ উৎপত্তি হ'ল। অৰ্থাৎ এফালে মানুহৰ অন্বেষণ আৰু আনফালে প্ৰাকৃতিক উপাদানৰ সুন্দৰ মিলনৰ পৰাহে এই ধৰিত্ৰীৰ বুকুত কৃষি প্ৰক্ৰিয়াৰ সূত্ৰপাত হ'ল। কৃষি সভ্যতাই হ'ল খাদ্য সভ্যতাৰ সূচনা পৰ্ব।

ভাৰতবৰ্ষত খ্ৰীষ্টপূৰ্ব প্ৰায় ২৫০০ চনত সিন্ধু উপত্যকাত প্ৰথমবাৰৰ বাবে কৃষিকাৰ্য আৰম্ভ হৈছিল। কোৱা হয় যে সেই অঞ্চলৰ পলসুৱা মাটিৰ উৰ্বৰতা, লগতে অতিৰিক্ত বৰষুণ আৰু সিন্ধু নদীৰ পানীয়ে তাৰ বৃহত্তৰ অঞ্চলত বিভিন্ন ধৰণৰ কৃষিকৰ্মৰ বাবে এক অনুকূল পৰিৱেশৰ সৃষ্টি কৰিছিল। ইতিহাসবিদ্‌সকলৰ ব্যাখ্যা মতে সিন্ধু উপত্যকাৰ অৰ্থনীতি কৃষিভিত্তিক আছিল আৰু তাত ঘাইকৈ ঘেঁহু, যৱ, কপাহ, আৰু মটৰমাহৰ খেতিহে কৰিছিল। যি হওক কৃষিকাৰ্য শিকি লোৱাৰ পিছৰ পৰাহে স্থায়ীভাৱে বসবাস আৰু শস্য সাঁচি থোৱাৰ চিন্তাৰ উদ্ভৱ ঘটিল। মানুহে মাটিৰ পাত্ৰ নিৰ্মাণৰ কৌশলো শিকিব ল'লে। সাঁচি থোৱা শস্যৰ পৰা অলপ অলপকৈ খাদ্য নিৰ্মাণৰ চিন্তা আহিল। ক'ব পৰা যায় যে খাদ্য উৎপাদন, বণ্টন, নিৰ্মাণ সকলোখিনি সামৰি লৈহে পাকঘৰৰ যাত্ৰা আৰম্ভ হ'ল। এই যাত্ৰা এক সুদীৰ্ঘ সময়ৰ কথকতা। যাত্ৰা আৰম্ভ হৈছিল সমূহীয়াভাৱে চিকাৰ কৰা, মাছ মৰা, পুৰি খোৱা নাইবা শুকুৱাই সংৰক্ষণৰ মাজেদি, তাৰ পিছত লাহে লাহে যিমান উন্নত সভ্যতাৰ পিনে আগবাঢ়ি গৈছে খাদ্যৰ পৰিভাষাও পৰিৱৰ্তিত হৈ গৈ আছে। আজিৰ প্ৰযুক্তি নিৰ্ভৰ এই পৃথিৱীত খাদ্য বুলি ক'লে অকল প্ৰকৃতিপ্ৰদত্ত খাদ্য-সামগ্ৰী নহয় পেকেট খাদ্যকহে বুজায়। সাম্প্ৰতিক সময়তে খাদ্য দ্ৰব্য অকল

চহা জীৱনৰ বিষয়বস্তু হৈ থকা নাই। খাদ্য পৰ্যটন (Curinary Tourism) আজিৰ তাৰিখত বিশ্বব্যাপী এক লাভজনক উদ্যোগ। এই বিভাগৰ ভিতৰত আহি যায় পৰ্যটকবোৰে নতুন-নতুন স্থানত ফুৰিবলৈ গৈ বিশেষ অঞ্চলৰ পৰম্পৰাগত খাদ্য বিচাৰি ফুৰিবলগীয়া যাতে নহয়। সকলো সামগ্ৰী যেন হাততে পোৱা যায়। এতিয়া খাদ্য-সামগ্ৰী অকল প্ৰাকৃতিক সম্পদ নহয়, ব্যক্তিগত মালিকানাৰ লাভ আৰু ক্ষতিৰ অংকত পৰিণত হৈছে। এই পৰিৱৰ্তনৰ লগত খোজ মিলাই যাব লাগিব, তথাপি পৃথিৱীৰ সমস্ত মৰম-চেনেহ থূপ খাই থকা আইতাকৰ পাকঘৰৰ গোন্ধটোৰ স্মৃতি কেতিয়াও মচ নাখায়। ◈

ধৰ্মগ্ৰন্থত খাদ্য উপাখ্যান

মানৱ সভ্যতাৰ লগত ধৰ্মৰ বিষয়টো ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। তাহানিৰ মানুহে বিশ্বাস কৰিছিল যে আমাৰ চাৰিওফালে ঘটি থকা বিভিন্ন ঘটনাবোৰ এক অদৃশ্য শক্তিৰ দ্বাৰাহে নিয়ন্ত্ৰিত হৈ আছে।

সঘনাই ঘটি থকা প্ৰাকৃতিক দুৰ্যোগ, বেমাৰ-আজাৰবোৰৰ পৰা মুক্তি পাবলৈ হ'লে অদৃশ্য শক্তিৰ কৃপাদৃষ্টিৰ একান্ত প্ৰয়োজন। অদৃশ্য শক্তিৰ উদ্দেশ্যে পূজা-পাতল নিবেদনৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। এইখিনিতে এটি গুৰুত্বপূৰ্ণ তথ্য চকুত পৰে যে প্ৰাকৃতিক নিৰীক্ষণ কৰাৰ অভ্যাস মূলতঃ নাৰীৰ আছিল, একেদৰে প্ৰাকৃতিক শক্তিৰ উপাসনা কৰাৰ সাধনাও নাৰীয়ে শিকিছিল। পৃথিৱীত প্ৰতিষ্ঠানিক ধৰ্মৰ আৱিৰ্ভাৱৰ আগলৈকে প্ৰকৃতি বন্দনাৰ সময়ছোৱাত গছ-গছনি, নদী, পাহাৰ ইত্যাদিক বিভিন্ন দেৱ-দেৱীৰ প্ৰতীকৰূপে কল্পনা কৰিছিল। বিভিন্ন নামকৰণো কৰা হৈছিল। দৈনন্দিন জীৱনৰ সকলো সমস্যাৰ পৰা পৰিত্ৰাণ পোৱাৰ চেষ্টাত প্ৰাকৃতিক শক্তিৰ সন্মুখত শিৰনত কৰা প্ৰয়োজন, এই ভাবনা নাৰীৰ মনত উদয় হৈছিল। কাৰণ বাস্তৱ জীৱনৰ পৰাহে সকলোৱে গম পালে এই প্ৰকৃতিৰ মাজত নিহিত হৈ আছে দুটা শক্তি— শুভ শক্তি আৰু অশুভ শক্তি। শুভ শক্তি হ'ল মানুহৰ কল্যাণ চিন্তা কৰাৰ দেৱ-দেৱী আৰু অশুভ শক্তিৰ অৰ্থ হ'ল অদৃশ্য শক্তিৰ খং, ঘৃণাৰ বহিঃপ্ৰকাশ। লাহে লাহে প্ৰতিষ্ঠানিক ধৰ্মৰ আৱিৰ্ভাৱ ঘটিব ধৰিলে আৰু ধৰ্মবাণীৰ গুৰুত্ব বাঢ়িব ধৰিলে। সেয়া ভিন্ন প্ৰসংগ।

ভাৰতবৰ্ষ এখন বহু ধৰ্মাৱলম্বী মানুহৰ দেশ। আমি জানো আমাৰ দেশ সুদূৰ অতীজৰ পৰাই এখন ধৰ্মনিৰেপেক্ষ দেশ। ইয়াত বিভিন্ন ধৰ্মাৱলম্বী মানুহে একেলগে বসবাস কৰিছিল। ইয়াত কেতিয়াও এটি বিশেষ ধৰ্মৰ দৰ্শনেই সৰ্বশ্ৰেষ্ঠ দৰ্শন বুলি শিক্ষা দিয়াৰ ইতিহাস নাই। হিন্দু ধৰ্মৰ ইতিহাসৰ বৈশিষ্ট্য হ'ল সেয়া অন্যান্য ধৰ্মৰ দৰে কোনো এগৰাকী ব্যক্তি বিশেষৰ জীৱন কাহিনী নাইবা তেওঁৰ প্ৰচাৰ কৰা মতবাদ নহয়। এই ধৰ্মৰ প্ৰতিষ্ঠাপক বুলি কোনো এগৰাকী ব্যক্তিৰ

নাম শুনা নেযায়। শাক্ত-শৈৱ, বৈষ্ণৱৰ পৰা নব বৈষ্ণৱবাদৰ বিভিন্ন ধাৰা যেন নদীৰ দৰে বৈ গৈছে। কিন্তু আজিৰ পৰা হেজাৰ-হেজাৰ বছৰৰ আগতেই ঋষি-মুনিসকলে খাদ্য-অখাদ্যৰ এক নিৰ্দেশনা প্ৰণালী আগবঢ়াই থৈ গৈছে। দেখা যায় এই দেশৰ সকলো ধৰ্মগ্ৰন্থই খাদ্য বিষয়ক নিৰ্দেশ প্ৰদান কৰি গৈছে। কালক্ৰমে আৰ্থ সামজিক পৰিৱেশৰ দ্ৰুত পৰিৱৰ্তনৰ মাজত বিজ্ঞান আৰু ধৰ্মৰ সংঘাতময় পৰিৱেশ সৃষ্টি হৈছে যদিও মানুহে সকলো পৰিস্থিতিত পৰীক্ষা-নীৰিক্ষা আৰু যুক্তিনিৰ্ভৰ চিন্তাৰ প্ৰতিহে আস্থাশীল হৈ থিয় দিছে। সঠিক আৰু ভুল এই শব্দ দুটা যে আপেক্ষিক আৰু সময় নিৰ্ভৰৰ সেয়াও যেন প্ৰতিষ্ঠা কৰা সম্ভৱ হৈছে।

শাস্ত্ৰৰ প্ৰাথমিক বক্তব্য আছিল যে মানৱ জীৱন, জীৱ-জন্তু, পশু-পক্ষী সকলোৱে আহাৰ— নিদ্ৰা, ভয় আৰু মৈথুনৰ নিচিনা প্ৰকৃতিপ্ৰদত্ত বৈশিষ্ট্যৰ অধিকাৰী। এই চাৰিবিধ বৈশিষ্ট্যৰ পৰা কোনো জীৱই নিজৰ জীৱনকালত মুক্ত হ'ব নোৱাৰে আৰু এই চাৰিবিধ উপাদানৰ মাজত কোনো এটা উপাদানৰ অভাৱতেই মানুহৰ জীৱন অসম্পূৰ্ণ হৈ থাকে।

প্ৰাচীন ভাৰতবৰ্ষ এখন এনেকুৱা বিশাল অঞ্চল আছিল, য'ত সকলো ধৰ্মই বন্ধুত্বপূৰ্ণ নীতিৰে নিজ-নিজ বৈশিষ্ট্যৰ পদচিহ্ন আঁকি থৈ যাবলৈ চেষ্টা কৰিছিল। বেদ, কোৰাণ, উপনিষদ অথবা বৌদ্ধ ধৰ্মৰ 'লংকা-ভাৰতা'ৰ সূত্ৰবিলাক ক'বলৈ গ'লে আটাইকেইখন ধৰ্মগ্ৰন্থৰ পৃষ্ঠাত সুষম আহাৰ সম্পৰ্কীয় নিৰ্দেশাবলীৰ উল্লেখ পোৱা যায়। নিৰ্দেশবিলাক কিন্তু ৰাজনীতি বহিৰ্ভূত একধৰণৰ সমাজনীতি নাইবা বিশেষ দৰ্শনৰ প্ৰতিফলন বুলি কোৱা উচিত হ'ব। যদিও সাত্বিক আহাৰ, ৰাজসিক আৰু তামসিক আহাৰৰ পৰিভাষাখিনি পাঠ কৰিলে, তাত আৰ্থ-সামাজিক শ্ৰেণী বিভেদৰ বিষয়টো স্পষ্টভাৱে ধৰিব পৰা যায়।

আমাৰ দেশৰ প্ৰাচীন দৰ্শন অনুসৰি খাদ্য সম্ভাৰ মূলত ছয়বিধ ৰসৰ দ্বাৰাহে গঠিত হৈছে, যথাক্ৰমে কটু, তিক্ত, কষা, লবণ, অম্ল আৰু মধুৰ। এই ছয়বিধ আহাৰেই হ'ল মনুষ্য জাতিৰ ইন্দ্ৰিয় সতেজ ৰখাৰ চাবি-কাঠি। উপনিষদ্‌ত উল্লেখ কৰা হৈছে— 'অন্নং ব্ৰহ্মাঃ' অৰ্থাৎ অন্নই মানুহৰ ইন্দ্ৰিয়সমূহ সক্ৰিয় কৰি ৰখাৰ ক্ষেত্ৰত মূল ভূমিকা পালন কৰে। ঋক্‌বেদৰ সূত্ৰবিলাক দুটা ভাগত ভাগ কৰা হৈছিল। প্ৰথমটোত দেৱতাসকলৰ প্ৰশংসা আৰু দ্বিতীয়টোতে প্ৰাৰ্থনা। তাত খাদ্যদ্ৰব্যৰ বাবে প্ৰাৰ্থনাৰ সংখ্যাই প্ৰচুৰ। যেনে— 'ইযং পৃস্বতাং সুকৃতে সুদানৱ তা বৰ্হিঃ সীদতং নৰা' (ঋক্‌বেদ ১/৩৬/২), অথবা 'ত্বং ত্যাং ন ইন্দ্ৰ দেব'

(১/৪৭/৮) যাৰ মূল অৰ্থই হ'ল, 'হে দেৱ আমাক ৰক্ষা কৰা'। 'ভক্তসকলক পোহপাল কৰা, অন্নৰ অধিকাৰ প্ৰদান কৰা' ইত্যাদি। ঋক্‌বেদত পোৱা যায়, তাহানিতে মানুহে খাদ্যৰ বিভিন্ন প্ৰতিশব্দ সৃষ্টি কৰিছিল। 'অন্ন, ইষ, বাজ, পুস্ক, পিতু, ভক্ত, স্বধা, উৰ্জ, হিলা, চন, নমছ...'। খাদ্যৰ ইমান প্ৰতিশব্দ গঢ় লৈ উঠিছিল তাৰ মূল কাৰণ আছিল যে খাদ্যৰ প্ৰতি মানুহৰ গুৰুত্ব প্ৰদান আৰু সমাজত খাদ্যৰ প্ৰতি প্ৰেমৰ পৰিৱেশ ৰচনা কৰা। মানুহৰ কল্পনাত সৃষ্টি হোৱা সকলো দেৱতা যেনে— ইন্দ্ৰ, অগ্নি, বায়ু, গদ্য, আদিত্য সকলোৰে প্ৰতি মানুহৰ কৰুণ আবেদন 'আ ৰাজং দৰ্যি ছাতয়ে' (৫/৩৯/৩) অৰ্থাৎ 'যিসকলে প্ৰাৰ্থনা কৰে, সেইসকল ধনী মানুহৰ বাবে অন্ন দান কৰক।' তাহানিত উষাদেৱীৰ প্ৰতি মানুহৰ অত্যধিক বিশ্বাস আছিল। সৰহভাগ মানুহেই তেওঁৰ উদ্দেশ্যে প্ৰাৰ্থনা জনাইছিল এনেদৰে— 'উষং গোভগ্ৰান্ উপমাছি বাজান্' (১/৯২/৭) অৰ্থাৎ 'গাভী প্ৰমুখ অন্ন দান কৰক উষা'। উষাক কোৱা হৈছিল 'বাজিনীৱতী' অৰ্থাৎ 'অন্নৱতী'। মানুহৰ কল্পনাত, চিন্তাত আছিল যেন সোমদেৱৰ লগতে সদায় 'গৰু, হৰিণা, অশ্ব আৰু শক্তি' থাকে, গতিকে তেওঁৰ ওচৰত প্ৰাৰ্থনা জনোৱা হৈছিল এনেদৰে 'আমাৰ বাবে সহস্ৰ পৰিমাণে অন্ন বিলাই দিয়ক'।

ছান্দোগ্য উপনিষদত উল্লেখ আছে যে ঋষি পাৰদ আৰু সনৎকুমাৰৰ মাজত চলি থকা সংলাপত বাৰে বাৰে উচ্চাৰণ কৰা হৈছে যে 'বলৰ তুলনাত অন্নহে শ্ৰেষ্ঠ'। অৰ্থাৎ উপনিষদৰ মূল যি বিষয় 'ব্ৰহ্মাজ্ঞান' সেয়াও কিন্তু মূলত অন্ন নিৰ্ভৰশীলহে আছিল। ঋষি অৰুণীৰ পুত্ৰ আছিল শ্বেতকেতু। তেওঁ প্ৰায় পোন্ধৰ দিন খাদ্য আৰু পানী গ্ৰহণ নকৰাকৈ বেদপাঠ কৰিছিল, কিন্তু দেউতাকে যেতিয়া শ্লোক ক'বলৈ দিলে, সকলো শ্লোক পাহৰিলে। পিতাকে তেতিয়া পুত্ৰক সম্পূৰ্ণ আহাৰ গ্ৰহণৰ নিৰ্দেশ দিলে। সঁচাকৈ খাদ্য আৰু পানীয় গ্ৰহণ কৰাৰ পিছতে তাৰ ইন্দ্ৰিয়বিলাক সতেজ হ'ব ধৰে আৰু শ্বেতকেতুৱে এটাৰ পিছত আনটো শ্লোক নিৰ্ভুলভাৱে ক'ব ধৰে।

বৌদ্ধ, জৈন, শিখ— এই তিনিটা ধৰ্মতেই খাদ্য সম্পৰ্কীয় যিধৰণৰ নিৰ্দেশ প্ৰদান কৰা হৈছে তাৰ বহুখিনি হিন্দু শাস্ত্ৰৰ বাণীৰ লগত একেধৰণৰ। ক'ৰবাত আকৌ কিছু কিছু অমিলো আছে। এই অমিলকেইটাৰ কাৰণ হ'ল, প্ৰাচীন হিন্দুধৰ্মত যজ্ঞৰ বাবে প্ৰচুৰ পৰিমাণে পশু হত্যাৰ প্ৰচলন আছিল। আচলতে সপ্তম শতিকাৰ প্ৰথমৰ পিনে নাঙলৰ ফাল ব্যৱহাৰ কৰাৰ ফলত কৃষিৰ ক্ষেত্ৰত উল্লেখযোগ্য

সম্প্ৰসাৰণ দেখা গৈছিল আৰু তেতিয়া পশু হত্যা সমাজৰ বাবে ক্ষতিকৰ আৰু অকল্যাণকৰ তেনেকুৱা এক চিন্তাও বাঢ়িব ধৰিলে। কৃষিকাৰ্যৰ প্ৰয়োজনতেই গো-ধন বধ বন্ধ হ'ল। তৎকালীন ভাৰতীয় সমাজৰ এটা বৃহৎ অংশৰ মাজত বৌদ্ধ ধৰ্মৰ বিপুল জনপ্ৰিয়তা ব্ৰাহ্মণ্যবাদৰ কাৰণে কিছু অসুবিধাজনক পৰিস্থিতিৰ সৃষ্টি কৰিছিল আৰু তাৰ মুখামুখী হ'বলৈ গৈ হিন্দু শাস্ত্ৰকাৰসকলে কেতবোৰ বৌদ্ধ মূল্যবোধৰ প্ৰতি আস্থাশীল হৈ পৰিছিল। যাৰ মাজত এটা আছিল প্ৰাণী হত্যাৰ নিষিদ্ধকৰণ। বৌদ্ধধৰ্মৰ অহিংসাৰ বাণী হিন্দু সমাজৰ গো হত্যা বিৰোধী স্থিতিক দৃঢ়তৰ কৰি তুলিছিল। পশুহত্যা সমাজৰ বাবে ক্ষতিকৰ আৰু অকল্যাণকৰ বুলি ঘোষণা কৰা হৈছিল। গৌতম বুদ্ধৰ পূৰ্ববৰ্তী সন্ন্যাসী সম্প্ৰদায় যেনে— আৰাড় কলম, ৰুদ্ৰক ৰামপুত্ৰ, পূৰণ কাশ্যপ, অজিত কেশ কাম্বলী সকলো আছিল যজ্ঞবিৰোধী আৰু বেদবিৰোধী অৰ্থাৎ পশুহত্যা বিৰোধী। তেতিয়া কিন্তু হিন্দুধৰ্মৰ যজ্ঞৰ নিয়মত প্ৰচুৰ পৰিমাণে পশুহত্যাৰ প্ৰচলন আছিল। উপৰোক্ত সন্ন্যাসীসকলৰ মাজত নিগ্ৰন্থ জ্ঞাত পুত্ৰ আছিল জৈন ধৰ্মৰ প্ৰতিষ্ঠাতা আৰু গৌতম বুদ্ধ আছিল বৌদ্ধ ধৰ্মৰ। বৌদ্ধ আৰু জৈন ধৰ্মৰ মাজত এটা প্ৰধান মিল দেখা গ'ল অহিংসা। বৌদ্ধ ধৰ্মৰ খাদ্য নিৰ্দেশক লিপিবদ্ধ কৰা হৈছিল 'লংকা ভাতাৰা সূত্ৰ'ত (Lanka Vatara Sutra)। তাত কোৱা হৈছে— যিবোৰ খাদ্য সম্ভাৰ ভক্ষণ কৰিলে মানুহৰ মনত আনন্দৰ ভাব উদয় হয়, যেনে— চাউল, বাৰ্লি, ঘেঁহু, মুডগা (Mudga), মাছা (Masha) আৰু মছুৰা (Masura) সেয়াই গ্ৰহণ কৰিব লাগে। ইয়াৰ উপৰিও ঘিঁ, তেল, মৌ, গুড়, মাছ, কণীৰ কথাও উল্লেখ কৰা হৈছে। এইবোৰ খাদ্যদ্ৰব্য গ্ৰহণ কৰিলে মানুহৰ মন শুদ্ধ থাকে, আনকি এই খাদ্যবিলাকে মানুহৰ মনত গঢ় লৈ উঠা অপৰাধ প্ৰবৃত্তিক নষ্ট কৰিবলৈ সক্ষম হয়। গৌতম বুদ্ধই নিজৰ শিষ্যসকলক সঠিক খাদ্য-সামগ্ৰীবোৰ বাছি লোৱাৰ ক্ষমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ বৌদ্ধ ভিক্ষুকসকলৰ বাবে কেইটামান নিৰ্দেশ দিছিল, যেনে— সূৰ্যোদয়ৰ পৰা সূৰ্যাস্তলৈ মধ্যবৰ্তী সময়খিনিত অৰ্থাৎ বেলিৰ পোহৰ থকালৈকে যিকোনো টান পদাৰ্থ খোৱা উচিত। দুপৰীয়াৰ পিছত আৰু টান পদাৰ্থ গ্ৰহণ নকৰাই মঙ্গল। ইয়াৰ সপক্ষে যুক্তি দিয়া হৈছিল এনেদৰে— একেবাৰে উদৰপূৰ্তি থাকিলে নহ'ব এটা ভোকৰ অনুভূতি থাকিলেহে আধ্যাত্মিক চিন্তা-চৰ্চা কৰাৰ ক্ষেত্ৰত মনোযোগী হ'ব পৰা যায়। খাদ্য গ্ৰহণ কৰোঁতে অত্যধিক আনন্দৰ অনুভূতিয়ে যেন ক্ৰিয়া নকৰে। নিজৰ শিষ্যসকলৰ

প্ৰতি নিৰ্দেশ প্ৰদান কৰিছিল এনেদৰে— বৌদ্ধ ভিক্ষুকসকলে নিজৰ লগত সদায় অন্নপাত্ৰ লৈ ফুৰিব লাগে আৰু এটি পানীৰ পাত্ৰ যাক 'Parishravana' বুলি কোৱা হৈছে, সেয়ো লৈ ফুৰিব লাগে। মাংস একেবাৰে বৰ্জন কৰিব লাগে। মাছৰ ক্ষেত্ৰত কোৱা হৈছে— 'মাছ খাবা কিন্তু নিজে কাটি-মেলি খোৱাটো পাপ বুলি গণ্য কৰা হ'ব। সেয়া কিন্তু খাদ্য নিৰ্দেশনাৱলীৰ অন্তৰ্দ্বন্দ্ব বুলি ক'ব লাগিব। চীনৰ বৌদ্ধ ধৰ্মৰ লিপিত (Chineso Agamas) মাছ-মাংস ভক্ষণ সম্পৰ্কে বাধা-নিষেধৰ অংশবিশেষ সম্পূৰ্ণৰূপে বাদ দিয়া হৈছে। চীন আৰু দক্ষিণ-পূৱ এছিয়াৰ বৌদ্ধ ভিক্ষুক নাইবা তিব্বতৰ বৌদ্ধ তান্ত্ৰিকসকলে মাছ-মাংস আহাৰ কৰে। চল্লিশতম মহাবীৰ গৌতম বুদ্ধৰ সমকালীন আছিল। মহাবীৰ তেওঁৰ অহিংসাৰ দৰ্শন অকল সাধু-সন্তসকলৰ জীৱনলৈকেহে সীমিত ৰখা নাছিল, বৰঞ্চ গৃহস্থসকলৰ চিন্তা-চৰ্চাৰ মাজতো প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। জৈন ধৰ্মৰ খাদ্য তালিকা অতি সহজ, সৰল আৰু সুন্দৰ। এই ধৰ্মাৱলীত আছে মিতব্যয়িতাৰ পৰামৰ্শ। সঠিক পৰিমাণৰ খাদ্যহে ৰাখিব লাগে, কোনো ধৰণৰ অপচয় হ'ব নালাগে। অৱশিষ্ট খাদ্যখিনি আকৌ প্ৰকৃতিৰ মাজত বিতৰণ কৰি দিব লাগে। অৰ্থাৎ উৎকৃষ্ট মানৰ সাৰৰ কথাই কৈছিল। মহাবীৰে মানুহক নিশাৰ এন্ধাৰত খাদ্য গ্ৰহণ কৰাৰ পৰা বিৰত থাকিব কৈছিল। বেলি মাৰ যোৱাৰ পূৰ্বেই খোৱাপৰ্বখিনি সামৰিব লাগে। বাহি খাদ্য একেবাৰে স্পৰ্শ কৰিবলৈ নিষেধ কৰা হৈছে। তাত বীজাণু সৃষ্টিৰ সম্ভাৱনা থাকে। পানী সদায় উতলাই খাব লাগে। এনেদৰে সকলো ধৰ্মগ্ৰন্থত খাদ্য সম্পৰ্কে যিধৰণেৰে নিৰ্দেশ দিয়া হৈছে তাত অবৈজ্ঞানিক নাইবা অযৌক্তিক চিন্তা-ভাৱনাৰ কথা নাছিল। শিখ ধৰ্মৰ পঞ্চম গুৰু অৰ্জুন গ্ৰন্থ সাহেবে যি নিৰ্দেশ দিছিল, তাৰ মাজত দৈ আৰু বিভিন্ন ধৰণৰ শস্যদানাৰ কথা উল্লেখ কৰা হৈছে। যেনেদৰে বেদ, উপনিষদে খাদ্য তালিকাৰ নিৰ্দেশ দিছে, একেদৰে কোৰাণ আৰু ছুন্নাহৰ (Sunnah) পৃষ্ঠাত সঠিক খাদ্য তালিকাৰ কথা উল্লেখ আছে। সঠিক খাদ্য সম্পৰ্কে মুহম্মদে (Prophet) কিছুমান নিৰ্দেশ দিছিল। সংখ্যাগৰিষ্ঠ ইছলাম পৰিয়ালত সেয়া মানি চলাৰ প্ৰচেষ্টা আছে। যেনে— তেওঁৰ নিৰ্দেশ অনুসৰি গাহৰিৰ মাংস বৰ্জন কৰিব লাগে, মাছ ব্যতিৰেকে অন্য যিকোনো জন্তুক কাটিবলৈ হ'লে 'আল্লা'ৰ নাম লৈ ধাৰাল কটাৰিৰে ডিঙি কাটিব লাগে, এই পদ্ধতিক 'হালাল' বুলি কোৱা হৈছে। হিন্দু ধৰ্মৰ 'বলি' দিয়া আৰু ইছলাম ধৰ্মৰ 'হালাল' বিষয়টো একেই, মাথোঁ ৰূপটোহে ভিন্ন। কোৰাণত

মদৰ নিচিনা ৰাগিয়াল সামগ্ৰীক একেবাৰে বৰ্জন কৰাৰ নিৰ্দেশ দিয়া হৈছে আৰু এটি সুন্দৰ নিৰ্দেশ হ'ল খাদ্য সম্পৰ্কে সন্মান ব্যক্ত কৰা। যিকোনো খাদ্য-সামগ্ৰী নষ্ট কৰিব নাপায়। জমা কৰি থৈ বিলাব লাগে। ইছলাম ধৰ্মৰ 'জাকাত'ৰ (Zakat) নিয়ম অতি সুন্দৰ আৰু গুৰুত্বপূৰ্ণ। সূৰ্যোদয়ৰ আগত (Fatoor) আৰু সূৰ্যাস্তৰ পিছত (Sahoor) খাদ্য গ্ৰহণৰ ভিন্ন-ভিন্ন নিয়ম। কোৰাণৰ পৃষ্ঠাত সুন্দৰ-সুন্দৰ খাদ্য-সামগ্ৰীৰ নামৰ উল্লেখ আছে, যেনে— খেজুৰ, মৌ, অলিফ, গাখীৰ, মাখন ইত্যাদি। এই খাদ্য-সামগ্ৰীবিলাক ইছলাম ধৰ্মী বন্ধু-বান্ধৱীৰ ঘৰত সদায় থাকে। কিন্তু সেয়াও ঠিক ইয়াতে ধনী আৰু দুখীয়া মানুহৰ পাকঘৰৰ বিষয়টোৱে গুৰুত্ব বহন কৰে।

পৰিব্ৰাজক হিউয়েন চাঙৰ ডায়েৰীৰ পাতত উল্লেখ আছে— যেতিয়া বৌদ্ধ ভিক্ষুকে আহাৰ কৰিবলৈ বহে, তেওঁলোকৰ পাতত প্ৰথমতে দুই টুকুৰা আদা নিমখ সানি লৈ দিয়া হয়। ইয়াৰ পিছত মাৰভাত। তাত দুটা-তিনিটা বিন জাতীয় চৰজি দিয়া হয়, লগত গৰম ঘিঁ। ভাত খোৱাৰ পিছত অলপ ফল, ঘিঁ-চেনি দিয়াৰ নিয়ম আছিল। ফলৰ নামবিলাক আছিল এনেদৰে— পানাছা (panasa) অৰ্থাৎ কঁঠাল, নাৰিকল, নাচপতি, আঙুৰ, বেদানা, খেজুৰো আছিল।

প্ৰাচীন ভাৰতবৰ্ষ বিভিন্ন জাতি-জনগোষ্ঠী, সম্প্ৰদায়ৰ এক সুন্দৰ মিলনভূমি আছিল। এই দেশৰ বিভিন্ন অঞ্চলত যুগ যুগ ধৰি সৃষ্টি হৈছে এটি সমন্বয়সূচক বৰ্ণাঢ্য সাংস্কৃতিক পৰিৱেশ। বাৰেবৰণীয়া ৰীতি-পৰম্পৰা, লোকাচাৰ, উৎসৱ-পাৰ্বণ, সাজপাৰ, পৰম্পৰাগত ব্যঞ্জনশৈলী এক সুন্দৰ ৰঙীন দেশ হৈ আছিল। কোনো ধৰণৰ বিভেদ-বৈষম্যৰ প্ৰশ্নই নাছিল। যিহেতু খাদ্য বিষয়ক নিৰ্দেশবিলাক যেতিয়া গঢ় লৈ উঠিছিল তেতিয়া, খাদ্য-সামগ্ৰী আছিল সম্পূৰ্ণভাৱে প্ৰাকৃতিক সম্পদ। শ্ৰেণী, বৰ্ণ, জাতি-ধৰ্ম বিভেদ নথকা সমাজ নহ'লেও, প্ৰাচীন ভাৰতবৰ্ষৰ বহুত্ববাদৰ দৰ্শন এক উদাৰ আৰু সহিষ্ণু সমাজ নিৰ্মাণৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰিছিল। কিন্তু বহুত্ববাদ আৰু সহিষ্ণুতা দুটা চিন্তাই যেন ক্ৰমান্বয়ে হেৰাই যাব ধৰিছে। সাম্প্ৰতিক কালছোৱাত দেশৰ খাদ্য নীতিৰ বিষয়টো অহেতুক ৰাজনীতিৰ হাথিয়াৰ হৈ যাব ধৰিছে। অকল খাদ্যাভ্যাস আৰু খাদ্যভাবনাই যদি পাৰস্পৰিক সম্পৰ্কবোৰ তিক্ত কৰি দিয়ে তেনেহ'লে সেয়া আত্মনিৰ্ভৰ, উদাৰ, বহুত্ববাদৰ দৰ্শনত বিশ্বাসী এটি দেশৰ আৰ্থ-সামাজিক-সাংস্কৃতিক মূল্যবোধৰ বাবে অশুভ ইঙ্গিত বহন কৰে। ❖

মেদবহুলতা বনাম ভোকাতুৰ সমাজ

আধুনিক বিশ্ব অৰ্থাৎ বিশ্বায়ন পৰৱৰ্তী পৃথিৱী এতিয়া আক্ৰান্ত হৈছে নতুন এক ব্যাধিত। সেয়া হ'ল মেদবহুলতাৰ ব্যাধি। ১৯৮০ চনত পোন প্ৰথমে মাৰ্কিন মুলুকত এই অসুখৰ আৰম্ভণী হয়। পিছত ক্ৰমান্বয়ে 'গ্লোবাল ওবেছিটি ইনডেকছ' বাঢ়িব ধৰে। 'গ্লোবেছিটি' হ'ল আজিৰ আধুনিক পৃথিৱীৰ জীৱন প্ৰণালীৰ অসুখ। ক'ব পৰা যায় আধুনিক পাকঘৰৰ ফলাফল। আচলতে আধুনিক বিশ্বৰ প্ৰতিখন দেশৰ একাংশ মানুহে প্ৰচুৰ পৰিমাণে চৰ্বিযুক্ত খাদ্য গ্ৰহণ কৰে, ফলত মেদৰ ভাৰ বাঢ়িব ধৰে, আনহাতে কায়িক শ্ৰমৰ পৰা দূৰত থাকে। আজিৰ পৰা তিনি দশক আগতেই সমগ্ৰ বিশ্বত মেদবহুল মানুহৰ সংখ্যা আছিল ৮৮ কোটি। আমেৰিকাৰ মুঠ জনসংখ্যাৰ শতকৰা পঁয়সত্তৰ ভাগ পুৰুষ আৰু ষাঠি ভাগ মহিলাই 'ওবেছ' অৰ্থাৎ মেদবহুলতাৰ অসুখত আক্ৰান্ত হৈছে। ইয়াৰ মূল কাৰণেই হ'ল পেকেট খাদ্য নিৰ্ভৰ জীৱন।

ভাৰতবৰ্ষত মেদবহুলতা শব্দটো একেবাৰে নতুন। বৰঞ্চ প্ৰাচীন ধৰ্মগ্ৰন্থ ঋকবেদত 'হাভাতে' শব্দটোৰ প্ৰয়োগ হৈছে। তাত অন্ন সামগ্ৰীৰ এটি নাম আছিল 'ভক্ত'। যাৰ পৰাই 'ভাত' শব্দৰ উৎপত্তি হৈছে বুলি ভবা হয়। তাহানিত যিসকল মানুহৰ বাবে ভাত যোগাৰ কৰা সম্ভৱ নাছিল, অৰ্থাৎ যিসকল একেবাৰে সৰ্বহাৰা শ্ৰেণীৰ মানুহ আছিল, তেওঁলোকে 'হাভাতে', 'হাভাতে' বুলি হাহাকাৰ কৰি এমুঠি খাদ্য বিচাৰি ফুৰিছিল। তেওঁলোকেই আছিল 'হাভাতে' শ্ৰেণীৰ নাগৰিক।

আধুনিক বিশ্বত বিভিন্ন ধৰণৰ জীৱন শৈলীগত অসুখ যেনে— উচ্চ ৰক্তচাপ, মধুমেহ, হাইপাৰটেনছন সকলো বাঢ়িছে, সেয়া মেদবহুলতাৰ বাবেহে।

আমাৰ দেশৰ ছবিও ভয় লগা। তথ্য অনুসৰি আমাৰ দেশত ১৯৯০ চনৰ পাছত মধুমেহ ৰোগীৰ সংখ্যা পঞ্চল্লিশ শতাংশ বৃদ্ধি পাইছে। ভাৰতবৰ্ষ বৰ্তমান বিশ্বৰ সৰ্বাধিক মধুমেহ ৰোগীৰ দেশ, য'ত প্ৰতি ছজন লোকৰ এজনে এই ৰোগত ভোগে। গুৰুত্বপূৰ্ণ বিষয়টো হ'ল এইসকল ৰোগীৰ বাৰ শতাংশই হ'ল অত্যধিক কম বয়সৰ ল'ৰা-ছোৱালী। বিশেষজ্ঞসকলৰ মতে ২০৩০ চনত ৯৮ নিযুত লোক

এই ৰোগত আক্ৰান্ত হ'ব, যাৰ ফলত আন শাৰীৰিক সমস্যাই বিপদত পেলাব, যেনে— চকুৰ অসুখ, বিভিন্ন ৰোগ প্ৰতিৰোধৰ ক্ষমতা হ্ৰাস, হাড়ৰ বিষ, কিডনী আদি দুৰ্বল হোৱা ইত্যাদি ইত্যাদি।

দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী পৃথিৱীত পেকেট সামগ্ৰীৰ (GMO) বাণিজ্য ইমান বেছি বাঢ়িব ধৰিছে যে মানুহৰ আৰ্থ-সামাজিক-সাংস্কৃতিক পৰিৱেশত প্ৰকৃত খাদ্যৰ পৰিভাষা সলনি হ'ব ধৰিছে। খাদ্য-সামগ্ৰী এতিয়া প্ৰাকৃতিক সম্পদ নহয় পেকেট উৎপাদনহে হৈছেগৈ। ইউৰোপৰ বিভিন্ন নাৰী সংগঠনে যোৱা কিছু বছৰ আগতে এই পেকেট খাদ্য অথবা জি.এম.অ'. খাদ্যৰ অধিক ব্যৱহাৰৰ বিৰুদ্ধে আন্দোলন গঢ়ি তুলিছিল। এই ধৰণৰ খাদ্য-সামগ্ৰীক সংগঠনবিলাকে Frankanstein Food বুলি নামকৰণ কৰিছে। আমাৰ দেশে যেতিয়াৰে পৰা নিজস্ব আঞ্চলিক খাদ্য-সামগ্ৰী এৰি বজাৰৰ পেকেট সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল হ'ল, তেতিয়াৰ পৰাই এই Frankanstein Food এ আমাৰ খাদ্য সংস্কৃতিক গ্ৰাস কৰিব ধৰিলে, বিশেষকৈ নৱ প্ৰজন্মৰ ল'ৰা-ছোৱালীবোৰ এই ব্যাধিৰ চিকাৰ হ'ব ধৰিছে। আমাৰ দেশত এতিয়া সমান্তৰালভাৱে দুটা ছবিয়ে স্পষ্ট ৰূপ লৈছে, ইয়াৰ ভিতৰত আটাইতকৈ ভয়াৱহ হ'ল ভোকাতুৰ মানুহৰ মহামিছিল। ক'বলৈ গ'লে এখন শীতল যুদ্ধ আৰম্ভ হৈছে, মেদবহুলতা বনাম ভোকাতুৰ মানুহৰ যুদ্ধ। এইখিনিতে অতি ভয়াৱহ তথ্য কিছুমান হৈছে, যেনে— আমাৰ দেশৰ চৈধ্য শতাংশ লোকেই পুষ্টিহীনতাত ভুগিছে, বিশ শতাংশ শিশু দীৰ্ঘদিন পুষ্টিহীনতাত ভুগি আহিছে, আৰু প্ৰজন্মক্ষম পঞ্চাশ শতাংশ মহিলা ৰক্তহীনতাত আক্ৰান্ত। দেশৰ নিটি আয়োগৰ প্ৰতিবেদন মতে আমাৰ ৩৯.৬৭ শতাংশ লোকেই উপযুক্ত খাদ্যৰ পৰা বঞ্চিত। সাম্প্ৰতিক কালত ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংগঠনটোৱে বিশ্বৰ ভোকাতুৰৰ সূচকাংক ঘোষণা কৰিছে। এই ঘোষণা অনুসৰি বিশ্বৰ ১১৩ খন দেশৰ ভোকাতুৰৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ স্থান ১০১, ভাৰততকৈ ওচৰ-চুবুৰীয়া পাকিস্তান, বাংলাদেশ, নেপালৰ নিচিনা দেশৰ ভোকাতুৰৰ চেহেৰাও কিছু পৰিমাণে নগণ্য। চাৰিটা বিষয়ৰ ওপৰত ভিত্তি কৰি বিশ্বৰ ভোকাতুৰৰ সূচকাংক নিৰ্ধাৰণ কৰা হয়। যেনে— অপুষ্টি, বয়স অনুপাতে শিশুৰ ওজন কম, বয়সৰ তুলনাত শিশুৰ কম উচ্চতা আৰু শিশু মৃত্যুৰ হাৰ।

২০২০ চনৰ তথ্যমতে দেশৰ ১৪% শিশু, মহিলা অপুষ্টিত ভোগে, ৫১% মহিলা ৰক্তহীনতাৰ চিকাৰ, ৩৪.৭% শিশুৰ বয়স অনুপাতে ওজন কম আৰু

২০% শিশুৰ বয়সৰ তুলনাত উচ্চতা কম। ২০২১ চনত দেশৰ ছবি আৰু বেছি ভয়াৱহ। গতিকে বিশ্ব ভোকাতুৰৰ সূচকাংকত ভাৰতবৰ্ষৰ স্থান ১০২ নম্বৰ। গুৰুত্বপূৰ্ণ কথা হ'ল দেশত জৰুৰীকালীন সময়ৰ বাবে মজুত থাকিবলগীয়া খাদ্যশস্যৰ তুলনাত ভাৰতীয় খাদ্য নিগমৰ গুদামত তিনিগুণ বেছি খাদ্য জমা আছে, দেশ গাখীৰ উৎপাদনত বিশ্বৰ ভিতৰত এক নম্বৰ, তাৰ পিছতো ভোকাতুৰৰ সূচকাংকত ভাৰতবৰ্ষ আফ্ৰিকাৰ দৰিদ্ৰ দেশবোৰতকৈও পিছ পৰি আছে।

ইতিমধ্যে ফুড এণ্ড এগ্ৰিকালচাৰ অৰ্গেনাইজেচনে দিয়া সমীক্ষা অনুসৰি ২০১৮ চনৰ পৰা ২০২০ চনলৈ ভাৰতবৰ্ষৰ পুষ্টিহীন মানুহৰ সংখ্যা ২০৯ মিলিয়ন হ'লগৈ।

এফালে বৈষম্যপূৰ্ণ আৰ্থ-সামাজিক ছবি স্পষ্ট, আনফালে আত্মনিৰ্ভৰশীল, উন্নয়নশীলতাৰ ঢোল বজোৱা। এই দেশৰ অৱস্থা দেখিলে ফৰাছী ছবি অনুবাদক, সমালোচক চালৰ্ছ বোদলেয়াৰৰ লিখা গদ্যকাব্য সংকলন 'পেৰিছ স্পীলন'ৰ কথা মনত পৰি যায়।

লেখকগৰাকীৰ জীৱিত কালত কিতাপখন প্ৰকাশ কৰা সক্ষম হোৱা নাছিল, কিন্তু তেওঁৰ মৃত্যুৰ পিছত প্ৰকাশিত সেই গদ্য কাব্যৰ সংকলনত এটি অতি মূল্যৱান কবিতা আছিল, সেয়া হ'ল 'আইছ অৱ দ্য প'ৰ' (Eyes of the poor) লেখনীৰ সাৰাংশ আছিল এনেদৰে— 'পেৰিছ চহৰৰ এখন ডাঙৰ অপৰূপ সুন্দৰ ৰেস্তোঁৰাৰ ভিতৰত কৃত্ৰিম পোহৰৰ বাহাৰ। শকত-শকত ভৃত্যবিলাকে নানাবিধ চৰাইৰ মাংস আৰু বহুমূলীয়া খাদ্যসম্ভাৰৰ পাহাৰ এফালৰ পৰা আনফালে কঢ়িয়াই ফুৰিছে। কাঁচৰ খিৰিকীৰ বাহিৰত থিয় দি আছে এটি অনাহাৰত ৰুগ্ন পৰিয়াল। সিহঁতে থৰ লাগি ভিতৰৰ দৃশ্যবোৰ চাই আছে। ডাঙৰ ল'ৰা-ছোৱালী দুটাৰ চকুৰ ভাষাই ক'ব খুজিছে— 'উফ! কি যে ধুনীয়া এই পানছালা! পৃথিৱীৰ সকলো দুখীয়া মানুহবোৰৰ সোণ-গহনা, তেজ সকলো ইয়াৰ চাৰিবেৰৰ মাজতে সোমাই গৈছে।' আন এটি সন্তানে ক'ব ধৰিছে— 'এই মানুহবিলাকো দেখিবলৈ যে ইমান ধুনীয়া। ইয়াত চাগৈ শকত, ধুনীয়া, মানুহবোৰে অকল সোমাবলৈ পায়। আমাৰ দৰে ক্ষীণ আৰু ৰুগীয়া মানুহবিলাকে সোমাব নোৱাৰে। নহয় নে দেউতা?' সৰু সন্তানটিয়ে হাত চাপৰি মাৰি আনন্দ প্ৰকাশ কৰিছে— 'ইছ কি যে ধুনীয়া দৃশ্য আমি চাবলৈ পালোঁ!...'

ৰেস্তোঁৰাৰ ভিতৰত বহি থকা এহাল প্ৰেমিক-প্ৰেমিকাই কিবা-কিবি খাব

বুলিহে সোমাইছিল, কিন্তু বাহিৰত থিয় দি থকা মানুহকেইটাই সকলো যেন নষ্ট কৰি পেলালে। এটা সময়ত প্ৰেমিকাই অনুৰোধ জনালে নিজৰ প্ৰেমিকক— 'এই মানুহকেইটাৰ লোভাতুৰ চকুবিলাক আমাৰ প্লেটৰ দৰেই ডাঙৰ। সিহঁতক খেদি পঠাব পৰা নাযায় নেকি?...' আজিৰ আধুনিক উন্নয়নশীল দেশবিলাকৰ বাবে এই বৈষম্যপূৰ্ণ ছবি যেন স্বাভাৱিক এক ছবি হৈ উঠিছে।

উন্নয়নৰ অগ্ৰগতিত এখন দেশৰ মহানগৰৰ মানচিত্ৰ দ্ৰুত সলনি হ'ব ধৰে। ৰেস্তোঁৰা, হাইওৱে, শ্বপিংমল গঢ় লৈ উঠে। এফালে মেদবহুল মানুহৰ সংখ্যাও বাঢ়িব ধৰে, আনফালে ভোকাতুৰৰ পৰিসংখ্যাও সুদীৰ্ঘ হৈ উঠে। এই অৱস্থাৰ ভয়াৱহতাক বুজাবলৈ গৈ সমগ্ৰ বিশ্বৰ প্ৰায় চাৰিশগৰাকী বিজ্ঞানী আৰু বিশেষজ্ঞৰ এটি দল 'ইণ্টাৰনেছনেল এছেছমেণ্ট অৱ্ এগ্ৰিকালছাৰাল ছায়েন্স এণ্ড টেকনোল্জি ফৰ ডেভেলপমেণ্ট' (আই. এ. এ. এম. টি.ডি) ৰ তৰফৰ পৰা এটি গুৰুত্বপূৰ্ণ প্ৰতিবেদন তৈয়াৰ কৰা হৈছে। ইয়াৰ বক্তব্য হ'ল —

পৃথিৱীৰ সকলো মানুহৰ বাবে যথেষ্ট পৰিমাণৰ খাদ্য এতিয়াও এই বিশ্বত প্ৰস্তুত হয়, তথাপি আমি এবিধ মানুহ ভোকাতুৰ হৈ থাকোঁ।

বজাৰত যথেষ্ট পৰিমাণে খাদ্য আছে, কিন্তু সংখ্যাগৰিষ্ঠ মানুহৰ পাকঘৰলৈ সেই খাদ্য গৈ পোৱা নাই। যাৰ মূল কাৰণ হ'ল খাদ্য বিতৰণৰ ক্ষেত্ৰত দ্ৰুতগতিত অসমবণ্টন ব্যৱস্থা গঢ় লৈ উঠিছে।

যোৱা কেইটামান দশকৰ পৰাহে খাদ্য-সামগ্ৰীৰ মূল্য যথেষ্ট উন্নতমানৰ আৰু সস্তা হৈছে অথচ অপুষ্টি আৰু খাদ্য নিৰাপত্তাহীনতাই কোটি-কোটি মানুহৰ জীৱন ধাৰণৰ প্ৰতি তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে।

আমাৰ দেশ সমগ্ৰ পৃথিৱীৰ ভিতৰতে এতিয়াও দুগ্ধ সামগ্ৰী, শস্যদানা ইত্যাদি সামগ্ৰীৰ উৎপাদনৰ ক্ষেত্ৰত একেবাৰে আগশাৰীত আছে। চাউল, ঘেঁহু, কুঁহিয়াৰ, বিভিন্ন ফল-মূল, শাক-পাচলি, তুলা এতিয়াও এই দেশত অতিৰিক্ত পৰিমাণে উৎপাদিত সামগ্ৰী। কিন্তু আৰ্থ-সামাজিক, সাংস্কৃতিক বৈষম্যপূৰ্ণ সামাজিক ব্যৱস্থাৰ পৰিণামত আজি এক শ্ৰেণীৰ মানুহৰ পাকঘৰত খাদ্য-সামগ্ৰীৰ উভৈনদী হৈ আছে, খাদ্য-সামগ্ৰী নষ্ট হৈ আছে। আনফালে সংখ্যাগৰিষ্ঠ মানুহৰ পাকঘৰত খাদ্য নাই, কাৰণ তেওঁলোকৰ ক্ৰয় ক্ষমতাই নাই। আজি আমাৰ দেশৰ প্ৰধান সমস্যাই হ'ল বৈষম্যৰ সমস্যা, যাৰ প্ৰভাৱ পৰিছে আমাৰ পাকঘৰতো। এতিয়া খাদ্য-সামগ্ৰীৰ এক বৃহৎ বজাৰ, পুৱাৰ পৰা ৰাতিলৈকে হাতবাউলি মাতি

আছে। খাদ্যবিলাক সুখাদ্য নহয়, অখাদ্যহে। আমাৰ দেশৰ স্বাস্থ্য উপযোগী খাদ্যসম্ভাৰ আজিৰ পৰা নহয়, আইতাৰ দিনৰ পৰা অতি স্বাস্থ্যকৰ আৰু সুস্বাস্থ্য, ক'ব পৰা যায় অফুৰন্ত ভাণ্ডাৰ। কিন্তু সমাজ জীৱনৰ পৰিধি সৰু হৈ গৈ আছে আৰু বজাৰ-জীৱনৰ বৃত্ত ক্ৰমান্বয়ে বিশাল হ'ব ধৰিছে। যাৰ পৰিণামত এই মেদবহুলতা বনাম ভোকাতুৰ মানুহৰ যুঁজ আৰু তীব্ৰ হ'ব ধৰিছে। ◈

খাদ্য সাৰ্বভৌমত্ব

খাদ্য সাৰ্বভৌমত্ব হ'ল খাদ্য সংকট সমাধানৰ এটি সুন্দৰ প্ৰস্তাৱ। খাদ্য অধিকাৰ, খাদ্য সুৰক্ষা আইন ইত্যাদিৰ মেৰপাকত কেতিয়াবা খাদ্য সম্পৰ্কীয় সঠিক ধাৰণাবোৰ অস্পষ্ট হ'ব ধৰে। খাদ্য হৈ পৰে অকল ক্ৰয়-বিক্ৰয়ৰ মাধ্যম। কেৱল এই ক্ৰয়-বিক্ৰয় আৰু চাহিদা যোগানৰ যি প্ৰক্ৰিয়া, তাত হঠাৎ খাদ্য সংকট সৃষ্টি হোৱাটো যেন এটি প্ৰক্ৰিয়াহে। এনেদৰে ভোকাতুৰ মানুহৰ এক বিশাল পৃথিৱী সৃষ্টি হয়। স্বাভাৱিকভাৱে খাদ্য সাৰ্বভৌমত্বৰ প্ৰশ্নই গুৰুত্ব বহন কৰিব লয়।

সমগ্ৰ পৃথিৱীত ৰে'লগাড়ী আৰু জাহাজৰ আৱিষ্কাৰে সৰ্বপ্ৰথম প্ৰমাণ কৰিবলৈ সক্ষম হৈছিল যে খাদ্য শস্যৰ এটি বিশেষ ভৰন গঢ়ি তোলা সম্ভৱ। ইয়াৰ পিছতে হ'ল বৰফৰ যোগেদি কৃত্ৰিম হিমঘৰ। যাৰ যোগেদি খাদ্য সংৰক্ষণ কৰাৰ বিষয়টো ভাবিবলৈ সুবিধা হ'ল। এনে ক্ষেত্ৰত দেখা গ'ল পৃথিৱীৰ প্ৰথম বিশ্বৰ দেশসমূহৰ হাতত খাদ্য শাসনতন্ত্ৰৰ যি ক্ষমতা, সেয়া সম্পূৰ্ণৰূপে কুক্ষিগত হ'ব ধৰিলে। পৃথিৱীৰ বিভিন্ন প্ৰান্তৰৰ পৰা কেঁচা সামগ্ৰী উন্নত দেশৰ বজাৰলৈ যাব ধৰিলে। ঊনবিংশ শতাব্দীৰ শেষৰ পিনে পৃথিৱীৰ বিভিন্ন দেশত বিৰাট খাদ্য সংকট দেখা দিছিল। ভাৰতবৰ্ষ, চীন, কোৰিয়া, ব্ৰাজিল, ইথিউপিয়া, ছুদানৰ সৈতে এক বিশাল অঞ্চলৰ সৰ্বমুঠ পাঁচ কোটি মানুহে খাদ্যৰ অভাৱত মৃত্যুবৰণ কৰিছিল। তেতিয়াই কিন্তু ইউৰোপত ধনতন্ত্ৰৰ জন্ম হ'ল। ইয়াৰ পৰৱৰ্তী সময়ছোৱাত দেখা গ'ল খাদ্য-সামগ্ৰী প্ৰাকৃতিক সম্পদৰ পৰা মুক্ত বজাৰৰ পণ্য সামগ্ৰীলৈ পৰিৱৰ্তিত হ'ব ধৰিলে। বৃহৎ কৰ্প'ৰেট কোম্পানীৰ হস্তক্ষেপ বাঢ়িব ধৰিলে। পৃথিৱীৰ যিকোনো প্ৰান্তৰ এফালৰ পৰা আনফালে খাদ্য-সামগ্ৰীৰ আমদানি আৰু ৰপ্তানিও অতি সহজ হৈ উঠিল। এনেক্ষেত্ৰত সাৰ্বভৌমত্বৰ বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয় বুলি বিবেচিত হৈছে।

খাদ্য সাৰ্বভৌমত্বৰ দৰ্শনে ক'ব বিচাৰে মানুহ আৰু প্ৰকৃতিৰ মাজৰ যি সম্পৰ্ক সেয়া মাথোঁ লাভ নাইবা ক্ষতিৰ অংক নহয়। পৰস্পৰ নিৰ্ভৰশীল এটি গভীৰ

বিষয়। যিহেতু খাদ্য সম্পৰ্কীয় প্ৰশ্নৰ লগত যুক্ত হৈ আছে পাৰস্পৰিকভাৱে এক অধিকাৰৰ প্ৰশ্ন। মানৱ জীৱন আৰু প্ৰকৃতিৰ অন্তৰ্বৰ্তী যি সম্পৰ্ক আছে, সেয়া হ'ল একান্তই আঞ্চলিক আৰু সুন্দৰ। যেনে কৃষি ব্যৱস্থা বুলি ক'লে বীজ, সাৰ, কীটনাশক পদাৰ্থ সকলো বিষয়ে সমান গুৰুত্ব বহন কৰে। যিকোনো এটা উপাদানৰ মাজৰ পৰাই নাইকিয়া হ'লে সেয়া কৃষি পদ্ধতিৰ বাবে ভয়ঙ্কৰভাৱে ভাবুকি প্ৰদান কৰে। খাদ্য সাৰ্বভৌমত্বৰ চিন্তাৰ অধীনত খাদ্য-সামগ্ৰীৰ উৎপাদন, অধিকাৰ, বণ্টন সকলো বিষয় আহি যায়। মানুহ আৰু প্ৰকৃতিৰ মাজত গঢ় লৈ উঠা পৰস্পৰ নিৰ্ভৰশীল এটি বিষয়। গতিকে এটি বিশেষ অঞ্চলৰ কৃষকসকলে যেতিয়া পৰম্পৰাগত পদ্ধতিৰে কৃষিকৰ্ম সম্পাদন কৰে, তেতিয়া কিন্তু প্ৰাথমিকভাৱে বৈজ্ঞানিক কৃষি পদ্ধতিৰ বিষয়টোৱে প্ৰাধান্য লাভ নকৰে। বৰঞ্চ এটি বিশেষ অঞ্চলৰ জাতি-জনজাতিৰ কৃষি পদ্ধতিৰ পৰম্পৰাইহে প্ৰাধান্য পায়। ভাৰতবৰ্ষৰ প্ৰতিখন ৰাজ্যৰ ক্ষেত্ৰত সেয়াই সত্য যে কৃষি ব্যৱস্থা বুলি ক'লে এটি আৰ্থ-সামাজিক, সাংস্কৃতিক মূল্যবোধকে বুজায়। কৃষি সম্পৰ্কীয় এই প্ৰাচীন দৃষ্টিভংগী এতিয়া দ্ৰুত পৰিৱৰ্তনমুখী হ'ব ধৰিছে, লগতে খাদ্য-সামগ্ৰী সম্পৰ্কীয় ধ্যান-ধাৰণাও সলনি হ'ব ধৰিছে।

কৃষিকৰ্মৰ পৰা কৃষি অৰ্থনীতি আৰু তাৰ পিছত বৰ্তমান সময়ত কৃষি প্ৰযুক্তি। এই তিনিটা বিষয়ৰ পৰিৱৰ্তনৰ মাজেদি খাদ্য সাৰ্বভৌমত্বৰ বিষয়টো বুজিবলৈ সহজ হয়। এই দৰ্শনৰ দৃষ্টিভংগী হ'ল যে আঞ্চলিক পৰিৱেশ, জলবায়ু, এটা বিশেষ অঞ্চলৰ নিজস্ব খাদ্যাভ্যাস, মাটিৰ উৰ্বৰতা সকলো সামৰি লৈহে পাকঘৰ সৃষ্টি হয়। সমাজ-জীৱনত পাকঘৰ এটি আৰ্থ-সামাজিক আৰু সাংস্কৃতিক মেলবন্ধন বুলি কোৱা উচিত। গতিকে সাৰ্বভৌমত্বৰ সংগ্ৰামৰ মূল বিষয় হ'ল স্থানীয় আৰু অঞ্চলভিত্তিক খাদ্য দ্ৰব্যৰ চাহিদা আৰু যোগানৰ মাজত এক ধৰণেৰে ভাৰসাম্য ৰক্ষা কৰা।

নৱৈ দশকৰ পৰাহে সমগ্ৰ বিশ্বৰ সাধাৰণ মানুহে এই বিষয়টোক কেন্দ্ৰ কৰি ঐক্যবদ্ধ হ'বলৈ আৰম্ভ কৰে। এছিয়া, আফ্ৰিকা, ইউৰোপ আৰু আমেৰিকা মহাদেশৰ সৰহসংখ্যক কৃষক সম্প্ৰদায়ৰ প্ৰতিনিধিসকলে সন্মিলিতভাৱে এটি সংগঠন গঢ়ি তোলে। সেয়া আছিল ১৯৯৩ চনৰ কথা। সংগঠনৰ নামকৰণ হ'ল 'লা ভায়া কেম্পেছিনা'। এই 'কেম্পেছিনা' শব্দটোৰ অৰ্থ হ'ল ক্ষুদ্ৰ খেতিয়ক। সংগঠনটো স্থাপন কৰা হৈছিল বেলজিয়ামৰ মনছ্ চহৰত। য'ত পৃথিৱীৰ সৰ্বমুঠ

পঁয়সত্তৰখন দেশৰ পৰা এশ চৌষষ্ঠিটা স্থানীয় আৰু জাতীয় সংগঠনে ঐক্যবদ্ধভাৱে যোগদান কৰিছিল। সংগঠনটোৰ মূল উদ্দেশ্য আছিল খাদ্য সাৰ্বভৌমত্বৰ প্ৰতিষ্ঠা আৰু খাদ্য সুৰক্ষাৰ ব্যৱস্থা কৰা। এখনি ঘোষণাপত্ৰ তৈয়াৰ কৰা হৈছিল, য'ত কোৱা হৈছিল— 'Food sovereignty is the right of people to healthy and culturally appropriate food produced through ecologically sound and sustainable methods and their rights to define their own food and agriculture systems. It puts those who produce, distribute and consult food at the heart of food systems and policies rather than the demands of markets and corporates' (সূত্ৰ ঃ মাত্ৰা - ছেপ্টেম্বৰ ২০১৪)।

খাদ্য সাৰ্বভৌমত্বৰ বাবে যুঁজ দিয়াৰ প্ৰক্ৰিয়া স্পষ্টভাৱে কেইটামান নীতিৰ ভিত্তিত গঢ় লৈ উঠিছিল, যেনে—

(ক) খাদ্য হ'ল সংখ্যাগৰিষ্ঠ মানুহৰ বাবে প্ৰাথমিক প্ৰয়োজনীয় বিষয়। খাদ্যদ্ৰব্য অকল আন্তৰ্জাতিক কৃষি বাণিজ্যৰ পণ্য সামগ্ৰী নহয়।

(খ) চহা জীৱনত খাদ্য উৎপাদনকাৰীৰ গুৰুত্ব অসীম। সমাজৰ যিকোনো নীতি অথবা প্ৰযুক্তিয়ে যদি মানুহৰ জীৱন নিৰ্বাহৰ ক্ষেত্ৰত বাধা সৃষ্টি কৰে, তেন্তে শস্য উৎপাদনৰ পৰিমাণ যিমানে বৃদ্ধি পাওঁক, সেই নীতি কিন্তু বাতিল হোৱাটোৱে উচিত।

(গ) এটি বিশেষ অঞ্চলৰ খাদ্যশস্য উৎপাদন স্থানীয় চাহিদাৰ প্ৰতি লক্ষ্য ৰাখিয়ে উৎপাদন কৰা উচিত, পক্ষপাতপূৰ্ণ আন্তৰ্জাতিক বাণিজ্য পদ্ধতি বৰ্জন হ'ব লাগে।

(ঘ) মাটি, পানী, বীজ, কৃষি ব্যৱস্থা, পশু ইত্যাদিৰ ওপৰতে স্থানীয় উৎপাদন ব্যৱস্থাৰ যি নিয়ন্ত্ৰণ তাক জীয়াই ৰখাৰ বাবে ধাৰাবাহিকভাৱে এক ধৰণৰ প্ৰচেষ্টাৰ প্ৰয়োজন হয়।

(ঙ) জ্ঞান আৰু দক্ষতা— এই দুটা বিষয় অঞ্চলতে প্ৰকৃতিৰ সৈতে যুক্ত হৈ থকা সংখ্যাগৰিষ্ঠ মানুহৰ উন্নয়নৰ লগত যুক্ত কৰি লোৱা এটি বিষয়।

(চ) উন্নয়নৰ অৰ্থ প্ৰকৃতিৰ বিৰুদ্ধাচৰণ নহয়। বৰঞ্চ প্ৰকৃতিৰ প্ৰতি দায়বদ্ধ হৈ সকলো কাম কৰি যাব লাগে।

পুঁজিবাদী ব্যৱস্থাৰ দ্বাৰা নিৰ্মিত খাদ্য নিৰাপত্তা সম্পৰ্কীয় ধাৰণা কিন্তু নিমিলা এক অঙ্ক। সাৰ্বভৌমত্বৰ দৰ্শনে ক'ব বিচাৰে যে, যদি কোনো দেশৰ

ব্যক্তি মালিকানাধীন গুদামবিলাকত প্ৰচুৰ পৰিমাণে খাদ্য-সামগ্ৰী মজুত থাকে, তাৰ অৰ্থ কিন্তু সেয়া নহয় যে সেই খাদ্যই দেশৰ সকলো জনগণৰ বাবে খাদ্য নিৰাপত্তাৰ এক সুন্দৰ পৰিৱেশ গঢ়ি তুলিবলৈ সক্ষম হ'ব। আন্তৰ্জাতিক বজাৰনিৰ্ভৰ খাদ্য সুৰক্ষাৰ ধ্যান-ধাৰণা বাণিজ্যধৰ্মী, কিন্তু খাদ্য সাৰ্বভৌমত্বৰ দৰ্শন মতে সংখ্যাগৰিষ্ঠ মানুহৰ খাদ্য নিৰাপত্তাৰ কথা কয়।

১৯৯৬ চনত জৰ্জ মেকগভৰ্ণ (George Mc Govern) মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ছিনেটৰ সদস্য হৈ থাকোঁতে খাদ্য নিৰাপত্তা সম্পৰ্কীয় এক বক্তব্য আগবঢ়াই কৈছিল— 'Food reserve in Private hands is no reserve as all'। পৰৱৰ্তী সময়তো তেওঁ ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সম্পৰ্কীয় সংস্থা বিকাশত মাৰ্কিন ৰাষ্ট্ৰদূতৰ দায়িত্ব গ্ৰহণ কৰিছিল। অৰ্থাৎ খাদ্য সাৰ্বভৌমত্ব আৰু খাদ্য নিৰাপত্তাৰ মাজত কোনো ধৰণৰ বিৰোধ নাই যদিও, এটা কথা স্পষ্ট অনুভৱ হয় খাদ্য সাৰ্বভৌমত্বৰ বিষয়টোক প্ৰাধান্য দিলেহে প্ৰকৃত অৰ্থত খাদ্য নিৰাপত্তাৰ বিষয়টো প্ৰতিষ্ঠা কৰা সম্ভৱ। কাৰণ খাদ্য অকল ব্যক্তি আৰু বজাৰৰ বিষয় কেতিয়াও হ'ব নোৱাৰে। প্ৰাথমিকভাৱে প্ৰাকৃতিক সম্পদ বুলি ক'লে এটি বিশেষ অঞ্চলৰ খাদ্য-সামগ্ৰী, স্থানীয় জলবায়ুৰ লগত সংগতিপূৰ্ণভাৱে গছ-গছনিৰ চৰিত্ৰ, নদী-পুখুৰী সকলো সামৰি লোৱা হয়। আঞ্চলিকভাৱে উৎপাদিত খাদ্য-সামগ্ৰীৰ প্ৰাথমিক উদ্দেশ্য হ'ব লাগিব আঞ্চলিক বজাৰৰ চাহিদা পূৰণ।

এতিয়া অসমৰ এটি ফলৰ কথাই ধৰা যাওঁক। গ্ৰামীণ অঞ্চলৰ ল'ৰা-ছোৱালীৰ মৰমৰ এবিধ ফল হ'ল লেটেকু। সাম্প্ৰতিক কালত এইবিধ ফল বিশ্ব বজাৰত সমাদৃত হৈছে। অৰ্থাৎ অসমৰ গাঁৱৰ লেটেকুৱে এতিয়া উন্নত দেশৰ মুক্ত বজাৰৰ দামী পণ্য দ্ৰব্যৰূপে স্বীকৃতি লভিছে। অসমবাসীৰ বাবে সেয়া নিঃসন্দেহে আনন্দ আৰু গৰ্বৰ বিষয়। ১৯৯৭ চনৰ পূৰ্বে কেতিয়াও মোৰ লেটেকু দেখাৰ সৌভাগ্য হোৱা নাছিল। আনকি লেটেকু বুলি কিবা ফলৰ নামো জনা নাছিলোঁ। কাৰণ মই যিখন অঞ্চলত ডাঙৰ-দীঘল হৈছিলোঁ, তাত লেটেকু গছ নাই। উজনি অসমৰ মুদৈ গাঁৱৰ বোৱাৰী হৈ অহাৰ পিছৰ পৰা লেটেকুৰ স'তে মোৰ পৰিচয়। শাহু আইৰ মৰমৰ বাৰীত তেতিয়া লেটেকু গছজোপা আছিল। নিজান দুপৰীয়াত ধেৰ ল'ৰা-ছোৱালী আহিছিল ফল বুটলিবলৈ। ময়ো সিহঁতৰ স'তে চামিল হৈছিলোঁ। টেঙা-মিঠা স্বাদৰ এইবিধ ফল সম্পৰ্কে তেতিয়া একোৱে জনা নাছিলোঁ। কাৰণ ঝাড়খণ্ডত আমি দেখিবলৈ পাইছিলোঁ 'কৰমচা' নামৰ

এবিধ ফল। সেয়াও টেঙা-মিঠা ফল। শেহতীয়াকৈ গম পালোঁ লেটেকু নামৰ ফলবিধত প্ৰচুৰ পৰিমাণে ভিটামিন-চি মজুত থাকে। এই ফলৰ ইংৰাজী নাম হ'ল বাৰ্মিজ গ্ৰেপছ। উদ্ভিদ বিজ্ঞানৰ অভিধান মতে Baccaurea Sapida, অসমৰ বাহিৰৰ অন্য ৰাজ্যত এই ফল যথেষ্ট পৰিচিত নহয়, কাৰণ সেয়া হ'ল সম্পূৰ্ণ এবিধ আঞ্চলিক ফল।

কিন্তু কৰ'ণা কালত দেখা গ'ল বিশ্ব বজাৰত এই ফলৰ ভয়ানক চাহিদা বাঢ়িল। অসমৰ লেটেকুৰ বিশ্ব বজাৰলৈ যাত্ৰাৰ লগত খাদ্য সাৰ্বভৌমত্বৰ সম্পৰ্ক আছে। প্ৰশ্ন হ'ল— অসমৰ ৰাইজ লেটেকুৰ গুণাগুণ সম্পৰ্কে কিমান সজাগ? এতিয়া গাঁওসমূহৰ পৰা এইবিধ ফলৰ গছ ক্ৰমান্বয়ে কমিব ধৰিছে। তাৰ মূল কাৰণ হ'ল এটা সময়ত অসমৰ গাঁওবিলাকত নিজৰ বাৰীত চাহ গছ ৰুই ক্ষুদ্ৰ চাহ খেতি কৰাৰ এক পৰিৱেশ গঢ় লৈ উঠিছিল। তেতিয়া বাৰীত থকা বহুতো গছ-গছনি কাটিবলগীয়া হৈছিল।

কিছুমান খাদ্য-সামগ্ৰীৰ চৰিত্ৰ সম্পূৰ্ণ আঞ্চলিকধৰ্মী হয়। সেয়া বিশেষ অঞ্চলৰ প্ৰাকৃতিক বৈশিষ্ট্য। বিশেষ অঞ্চলৰ আপুৰুগীয়া সম্পদ বুলি ক'ব পৰা যায়। অসমৰ চুকে-কোণে তেনেকুৱা প্ৰাকৃতিক সম্পদৰ ভাণ্ডাৰ আছে। অসমীয়া সমাজৰ নিজস্ব ফল-মূলৰ যি সম্পদ তাত খাদ্যগুণ আৰু ঔষধি গুণ দুয়োটাই বিদ্যমান। বিশেষতঃ ভিটামিন-চি যুক্ত টেঙাফলৰ বিশাল ভাণ্ডাৰ আছে। নেমু, কৰদৈ, আমলখি, লেটেকু এই ধৰণৰ ফলবিলাকত প্ৰচুৰ পৰিমাণে ভিটামিন চি পোৱা যায়। তাৰ বাবেহে এই ফলবিলাকে বিশ্বৰ বিভিন্ন দেশৰ মুক্ত বজাৰৰ দামী পণ্য দ্ৰব্যৰ স্বীকৃতি পালে। অসমৰ গ্ৰামাঞ্চলৰ সৰু সৰু ল'ৰা-ছোৱালীৰ মৰমৰ এই ফল নিজৰ আঞ্চলিক পৰিচয়ৰ বৃত্ত নেওচি বিশ্ব বজাৰলৈ সমাদৃত হৈছে। সেয়া নিশ্চিতভাৱে আনন্দ আৰু গৌৰৱৰ কথা। লেটেকু নামৰ এইবিধ অৱহেলিত ফলৰ পৰাও যে বিদেশী পুঁজিৰ আমদানি সম্ভৱ, সেয়া কিছু বছৰ আগলৈকেও কল্পনাতীত আছিল।

খাদ্য সাৰ্বভৌমত্বৰ নীতিৰ আধাৰত বিচাৰ কৰিব গ'লে খাদ্য-সামগ্ৰীৰ ৰপ্তানি সম্পৰ্কে কিছু ধাৰণা সলনি হয়গৈ। প্ৰশ্ন আহে যে খাদ্য অকল আন্তৰ্জাতিক বজাৰৰ পণ্যহে নেকি? নে সৰ্বসাধাৰণৰ বাবে প্ৰাথমিক অধিকাৰ? খাদ্য সাৰ্বভৌমত্বৰ দৰ্শনত ক'ব বিচাৰে খাদ্য দ্ৰব্যৰ উৎপাদনে আঞ্চলিক চাহিদা পূৰণ কৰিব লাগিব। অৰ্থাৎ লেটেকুৰ ৰপ্তানিৰ লগত স্বাভাৱিকভাৱে যুক্ত হৈ থকা

প্ৰশ্ন হ'ল, অসমৰ প্ৰতিখন জিলাৰ বজাৰত লেটেকুৰ উপস্থিতি কিমান? লগতে ভিটামিন-চি যুক্ত এই পুষ্টিকৰ ফলৰ খাদ্যগুণ সম্পৰ্কে আমাৰ সজাগতা কিমান? ৰাজ্যৰ শতকৰা কিমান পৰিয়ালৰ পাকঘৰত লেটেকুৱে স্থান পায়। তুলনামূলকভাৱে ষ্ট্ৰবেৰী, কিৱি ইত্যাদি ফল কিন্তু এক শ্ৰেণীৰ মানুহে নিয়মিত গ্ৰহণ কৰে। গাঁৱত লেটেকুৰ উৎপাদন কমিবলৈ ধৰিছে। ব্যক্তিগতভাৱে উদ্যোগ লৈ কোনোবাই চিন্তা-ভাবনা কৰিব পাৰে। কিন্তু ক'বই লাগিব সামগ্ৰিকভাৱে লেটেকু বুটলি খোৱাৰ সংস্কৃতি সলনি হৈ গৈছে। এই ফলৰ পৰা নানাবিধ খাদ্য-সামগ্ৰী তৈয়াৰ কৰিব পৰা যায়। তাৰ বাবে প্ৰয়োজন খাদ্য সাৰ্বভৌমত্বৰ চিন্তাৰ প্ৰতি আস্থা।

সমগ্ৰ ভাৰতবৰ্ষ প্ৰকৃতিপ্ৰদত্ত খাদ্য সম্ভাৰেৰে সমৃদ্ধ। প্ৰাচুৰ্য আৰু বিচিত্ৰতাৰে এতিয়াও ভাৰতবৰ্ষ অনন্য। আকৌ এই দেশত বাৰে বাৰে দুৰ্ভিক্ষও হৈছে। ভাৰতবৰ্ষৰ খাদ্য ভাণ্ডাৰৰ প্ৰাচুৰ্যক লৈ কবিগুৰু ৰবীন্দ্ৰনাথে লিখিছিল— 'চিৰকল্যাণময়ী তুমি ধন্য, দেশ-বিদেশে বিতৰিছ অন্ন'।

যিকোনো খাদ্য-সামগ্ৰী অকল মুক্ত বজাৰৰ পণ্য নহয়। প্ৰাথমিকভাৱে নিজস্ব প্ৰাকৃতিক সম্পদ বুলি চিনাক্ত কৰাৰ ক্ষমতাৰ লগতে সম্পদ সম্পৰ্কে সম্যক জ্ঞান, সচেতনতা থাকিলেহে তাৰ বিতৰণ আৰু ব্যৱহাৰৰ সঠিক পথৰ উদ্ভাৱন সম্ভৱ। খাদ্য ভাৱনা অকল উদৰ পূৰ্তিৰ বিষয় নহয়। খাদ্য সংস্কৃতিৰ অৰ্থ বিশাল। অসমৰ গ্ৰামাঞ্চলত অসংখ্য পুষ্টিকৰ আৰু ঔষধি গুণসম্পন্ন ফলমূল আছে, যিবিলাক নিয়মীয়াকৈ পৰিমিত পৰিমাণে গ্ৰহণ কৰিলে আমাৰ খাদ্য সুৰক্ষাৰ লগতে স্বাস্থ্য সুৰক্ষাৰ পথো সুগম হ'ব। সাৰ্বভৌমত্বৰ দৰ্শনৰ সেয়াই প্ৰাথমিক বক্তব্য।

গধূলি গাঁৱৰ পদুলিৰ মাজেদি যাওঁতে হঠাৎ ভাহি আহে এটি গীত—

'আমাৰে মইনা শুব এ / বাৰীতে বগৰী ৰুব এ

বাৰীতে বগৰী পকি সৰি যাব / আমাৰে মইনাই খাব এ...'

এফাঁকি সুললিত সুৰত নিচুকনী গীতৰ আৰেসত শিশুৰ টোপনি আহে আৰু আমি অনুভৱ কৰিবলৈ সক্ষম হওঁ খাদ্য সাৰ্বভৌমত্বৰ বৈশিষ্ট্য।

বিশ্ব ৰাজনীতিত পাকঘৰ

ফেচীবাদী নেতা এডলফ হিটলাৰে (Adolf Hitler) জাৰ্মানীৰ নাৰীসকলৰ বাবে শ্লোগান ৰচনা কৰিছিল— 'মহিলাসকল পাকঘৰলৈ উভতি যোৱা' (Women Back to Kitchen)। অকল হিটলাৰেই নহয়, মুছোলিনীৰ ফেচীবাদৰ ৰাজনীতিয়েও সামাজিক, ৰাজনৈতিক কাম-কাজৰ পৰা নাৰীসকলক দূৰত ৰাখিব বিচাৰিছিল। গৃহত পাকঘৰ আৰু সন্তান লালন-পালনৰ দায়িত্ব বহন কৰি থকাটোৱে নাৰীৰ প্ৰকৃত ধৰ্ম বুলি ঘোষণা কৰিছিল। সমগ্ৰ বিশ্বত নাজি সময়ছোৱা বুলি ক'লে বুজায় ১৯৩৩ চনৰ পৰা ১৯৪৫ চনৰ সময়ছোৱা। তেতিয়া জাৰ্মানীত ফেচীবাদে মূৰ দাঙি ঘোষণা কৰিছিল— 'কিণ্ডাৰ ক্ৰেচ আৰু কিচ্চেন' অৰ্থাৎ সন্তান লালন-পালন, পাকঘৰ, সেয়াই মাথোঁ নাৰীৰ বাবে প্ৰকৃত স্থান। আহাৰ প্ৰস্তুতৰ বাবে এটা পাত্ৰ, ঘৰৰ জাবৰ-জোঁথৰৰ বাবে এখন জাবৰণি আৰু ঘৰ পৰিষ্কাৰ ৰখাৰ বাবে এডাল ঝাড়ু, সেয়াই প্ৰয়োজনীয় সামগ্ৰী। সেনাবাহিনী, আইনী ব্যৱস্থা, চৰকাৰী বিভাগ লগতে যিমান সামাজিক বিভাগ আছে, তাত নাৰীৰ কোনো ধৰণৰ প্ৰয়োজনীয়তা নাই। নাৰীৰ বাবে ফেচীবাদৰ ভয়ঙ্কৰ এই কথাষাৰ কিমান বেছি অসন্মানীয় হ'ব পাৰে। বিপৰীতে সেই সময়ছোৱাৰ প্ৰায় দুই দশকৰো পূৰ্বে, সেয়া ১৯২০ চন, তেতিয়াৰ আন্তৰ্জাতিক নাৰী দিৱসৰ অনুষ্ঠানত ভি. এছ. লেনিনে ঘোষণা কৰিছিল যে শ্ৰমজীৱী নাৰীসকলৰ আন্দোলনৰ মূল উদ্দেশ্য হ'ল অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰত সমান অধিকাৰৰ বাবে নিৰন্তৰ সংগ্ৰাম কৰি যোৱা। কোনো ধৰণৰ সংগ্ৰাম নকৰাকৈ এই সমান অধিকাৰ মুঠেও পোৱা নাযায়। সামাজিক উৎপাদন ব্যৱস্থাৰ মাজতে নাৰীয়ে স্থান পাব লাগিব। তেতিয়াহে তেওঁলোকে পৰিয়ালৰ দাসত্বৰ পৰা উদ্ধাৰ পাব। তেওঁ আৰু কৈছিল যে সমগ্ৰ জীৱন অকল পাকঘৰ আৰু কেঁচুৱাৰ প্ৰতিপালন কৰি গৈ থাকিলে নিৰ্বোধ হৈ যোৱাৰ সম্ভাৱনা থাকে, গতিকে তাৰ পৰা নাৰীৰ মুক্তিৰ প্ৰয়োজন। অৰ্থাৎ সেই সময়ছোৱাত এফালে হিটলাৰৰ শ্লোগান আৰু আনফালে লেনিনৰ মুক্ত চিন্তাৰ দ্বাৰা পৰিচিত হৈছিল নাৰী। স্বাভাৱিকভাৱেই

সেয়া আছিল সমগ্ৰ বিশ্বৰ নাৰীৰ বাবে দুটা গুৰুত্বপূৰ্ণ প্ৰশ্ন। নাৰীসকলে কোনটো শ্লোগানৰ প্ৰতি আকৃষ্ট হোৱা উচিত, এই বিতৰ্ক চলি থাকিল। বাস্তৱ ক্ষেত্ৰত দেখা গ'ল স্বাভাৱিকভাৱেই নাৰীসকলে দ্বিতীয় শ্লোগান অৰ্থাৎ লেনিনৰ বক্তব্যৰ প্ৰতি আন্তৰিকভাৱে সন্মান দেখুৱালে। তাৰ প্ৰমাণ প্ৰত্যক্ষ কৰিলে সময়ে। হিটলাৰৰ ফেচীবাদৰ বিৰুদ্ধে জাৰ্মানীৰ মহিলাসকলে প্ৰবলভাৱে বিৰোধিতা কৰিবলৈ আৰম্ভ কৰিলে। একেদৰে স্পেইনৰ ফেচীবাদী নেতা ফ্লাঙ্কোৰ বিৰুদ্ধে কমিউনিষ্ট নেত্ৰী 'লা পাছিওনাৰাৰ' নেতৃত্বত এক ঐতিহাসিক আন্দোলন গঢ় লৈ উঠিল। ১৯৩৬ চনৰ আঠ মাৰ্চ 'আন্তৰ্জাতিক নাৰী দিৱস'ৰ পুৱাতেই প্ৰায় আশী হেজাৰ মহিলাৰ এক সমদল ফেচীবাদী ফ্লাঙ্কোৰ বিৰুদ্ধে মাদ্ৰিদ চহৰৰ বুকুত এক অভিনৱ ধৰণৰ শোভাযাত্ৰাৰ আয়োজন কৰিলে। ১৯৩৯-৪০ চনত দ্বিতীয় বিশ্বযুদ্ধত হিটলাৰৰ এক চৰম পৰাজয় ঘটিল আৰু বিপৰীতে সমাজতান্ত্ৰিক শক্তিবোৰ যথেষ্ট শক্তিশালী হৈ উঠিব ধৰিলে। পৰাধীন ঔপনিৱেশিক দেশবিলাকত স্বাধীনতাৰ সংগ্ৰাম ক্ৰমান্বয়ে শক্তিশালী হ'ব ধৰে। ক'ব লাগিব যে তেতিয়াৰ পৰাহে প্ৰগতিশীল নাৰী আন্দোলনে নতুন পথেৰে আগবাঢ়ি যাবলৈ ধৰে।

ইউৰোপত ধনতন্ত্ৰৰ বিকাশৰ পৰিক্ৰমা অষ্টাদশ শতাব্দীত আৰম্ভ হৈছিল। এফালে ইংলেণ্ডৰ শিল্প বিপ্লৱৰ বাবে ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মান প্ৰভৃতি বিভিন্ন দেশত ডাঙৰ ডাঙৰ কল-কাৰখানা গঢ়ি উঠিব ধৰিলে, আনহাতে গতানুগতিকভাৱে চলি অহা সামন্ততান্ত্ৰিক সামাজিক পৰিকাঠামো ভাঙিব ধৰিলে। বিপৰীতে ধনতান্ত্ৰিক মনোভাৱাপন্ন এক নতুন পৃথিৱী গঢ়ি উঠিব ধৰিলে। গ্ৰামীণ অৰ্থনীতি ভাঙিব ধৰিলে, নতুন অৰ্থনীতি গঢ় লৈ উঠাৰ লগে লগে ব্যাপকভাৱে শিল্প সংস্থাৰ প্ৰয়োজন অনুসৰি প্ৰচুৰসংখ্যক শ্ৰমিকৰ প্ৰয়োজনে দেখা দিলে। তেতিয়াহে নাৰী আৰু শিশুসকলো শ্ৰমিকৰূপে নিয়োজিত হ'ব ধৰিলে। এই প্ৰক্ৰিয়াত পাশ্চাত্যৰ আৰ্থ-সামাজিক অৱস্থাত এক বিৰাট পৰিৱৰ্তন দেখা গ'ল। মহিলাসকলে দলে-বলে পৰিয়ালৰ বৃত্ত নেওচি সামাজিক উৎপাদন ব্যৱস্থাৰ লগত প্ৰত্যক্ষভাৱে যুক্ত হ'বলৈ আৰম্ভ কৰে। বিশেষতঃ নিম্ন মধ্যবিত্ত পৰিয়ালৰ মহিলাসকলে নিজস্ব অৰ্থনৈতিক স্বাধীনতাৰ পথ বিচাৰি পালে। শিক্ষিকা, নাৰ্ছিং, দৰ্জিৰ কামত আৰু সৃষ্টিধৰ্মী কাম-কাজ যেনে— অভিনয়, চিত্ৰকলা, সাংবাদিকতা কিম্বা বিভিন্ন কল-কাৰখানালৈ প্ৰভুতসংখ্যক মহিলাৰ যোগদান

প্ৰত্যক্ষ কৰা হ'ল। এই পৰিৱৰ্তনৰ দ্বাৰা সমাজত দুই ধৰণৰ ছবি স্পষ্ট হৈ উঠিল। এফালে পাশ্চাত্যৰ জগতখনলৈ সামাজিক উৎপাদনৰ সকলো কাম-কাজৰ লগত বৃহত্তৰ নাৰী সমাজে যুক্ত হোৱাৰ সুযোগ পালে, আনফালে কিন্তু পৰিয়াল এৰি দীৰ্ঘ সময়ৰ বাবে বাহিৰত কটাবলৈ গৈ চিৰন্তন পৰিয়ালৰ পৰিকাঠামো ভাঙিবলৈ ধৰিলে। নাৰী আৰু পুৰুষৰ মাজৰ আৰ্থ-সামাজিক সম্পৰ্কৰ পৰিৱৰ্তন লক্ষ্য কৰা গ'ল। নাৰীসকলে অৰ্থনৈতিকভাৱে স্বাধীন হোৱাৰ সুযোগ পালে, পুৰুষৰ প্ৰভুত্ব কৰাৰ ভৰকেন্দ্ৰত অলপ হ'লেও কম্পন সৃষ্টি হ'ল। তাৰ কুফল লক্ষ্য কৰা গ'ল।

প্ৰশ্ন হ'ল— এই ধৰণেৰে অৰ্থনৈতিক স্বাধীনতা অৰ্জন কৰাৰ বাবে মহিলাসকলে পাকঘৰৰ সীমা ভাঙি, কিম্বা অকল পৰিয়ালৰ কাম-কাজৰ দায়িত্বৰ পৰা নিজকে মুক্ত কৰি সমাজৰ বিভিন্ন কাম-কাজৰ লগত যুক্ত কৰিবলৈ সফল হ'ল। তাত নাৰীৰ যুগ যুগান্তৰৰ যি ছবি, সেয়া দ্ৰুত গতিত সলনি হ'ব ধৰিলে। ব্ৰিটিছ কমিউনিষ্ট পাৰ্টিৰ দীৰ্ঘকালীন নেতা হেৰী পোলিট ১৯২৯ চনৰ পৰা ১৯৫৬ চনলৈকে কমিউনিষ্ট পাৰ্টিৰ সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত হৈ আছিল। তেওঁ এবাৰ কৈছিল যে, 'আমি পাহৰি গ'লে নহ'ব। আমাৰ জনসংখ্যাৰ অৰ্দ্ধেক হ'ল নাৰী আৰু তেওঁলোকক একেবাৰে ন্যূনতম বেতনত কাৰখানাত কাম কৰোৱা হয়, লগতে ঘৰৰ দায়িত্বও দিয়া হয়, অৰ্থাৎ প্ৰতিগৰাকী নাৰীৰ কান্ধত থাকে দ্বিগুণ কামৰ বোজা। ঘৰ আৰু বাহিৰৰ দুয়োটা ক্ষেত্ৰতে অসুবিধাৰ সন্মুখীন হ'ব লাগে।' অকল লেনিনেই নহয়, তাৰ আগতে কাৰ্লমাৰ্ক্স আৰু এঞ্জেলছে কৈ গৈছিল যে এফালে পুঁজিবাদ শ্ৰমিক শ্ৰেণীৰ পৰিয়ালৰ জীৱনৰ পৰিকাঠামো একেবাৰে ভাঙি পেলাইছে, আকৌ আনফালে মহিলাসকলক উৎপাদন প্ৰণালীৰ মাজলৈ টানি আনি তেওঁলোকৰ মুক্তিৰ পথো মুকলি কৰি দিবলৈ সক্ষম হৈছে।

প্ৰতিখন সমাজ ব্যৱস্থাৰ দুটা দিশ থাকে। কিন্তু মুখ্য বিষয় হ'ল যেতিয়া এটা ব্যৱস্থা এনেদৰে গঢ় লৈ উঠে, তাত ব্যক্তিগত মুনাফাৰ বিষয়টোক বেছি গুৰুত্ব প্ৰদান কৰা হয়, তেতিয়া কিন্তু সমাজৰ সংখ্যাগৰিষ্ঠ মানুহে সামাজিকভাৱে লাভৰ বিষয়টোত মুখ্য ভূমিকা পালন কৰিব নোৱাৰে। বহুলভাৱে ক'লে— ধনতন্ত্ৰৰ উদাহৰণ দিব লাগিব, এই ব্যৱস্থাই মহিলাসকলৰ জীয়াই থকাৰ জগতখন বিস্তৃত কৰি পেলাইছে, সেয়া যেনেদৰে সত্য, আকৌ পৰিয়ালৰ জীৱন কিন্তু

একেবাৰে ক্ষতিগ্ৰস্ত কৰি পেলালে। প্ৰাথমিক ক্ষেত্ৰত, অৰ্থাৎ সামন্ততান্ত্ৰিক ব্যৱস্থা ভাঙি যেতিয়া ধনতান্ত্ৰিক মূল্যবোধ প্ৰতিষ্ঠাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল, তেতিয়া কেইটামান হঠাৎ পৰিৱৰ্তনৰ ছবি স্পষ্টভাৱে চকুত পৰিব ধৰিলে, যেনে— এগৰাকী নাৰীয়ে সন্তান প্ৰসৱ কৰাৰ তিনি-চাৰিদিন পিছৰ পৰাই কেঁচুৱাক ঘৰত থৈ কৰ্মক্ষেত্ৰত যাবলগীয়া হৈছিল। দুপৰীয়াৰ ভাগত খোৱাৰ ছুটীৰ সময়তে আকৌ শিশুৰ আহাৰৰ লগতে নিজৰ আহাৰো গ্ৰহণৰ বাবে ঘৰলৈ আহিবলগীয়া হৈছিল। নিৰ্দিষ্ট সময়ৰ ভিতৰত কাম সামৰি আকৌ কৰ্মক্ষেত্ৰলৈ যাব লাগিছিল। সমগ্ৰ প্ৰক্ৰিয়াখিনি কষ্টকৰ আছিল। ঘৰৰ আটাইতকৈ সৰু সন্তানৰ পোহপালৰ দায়িত্ব পৰিছিল ডাঙৰ ছোৱালীজনীৰ হাতত। তাই যিমানেই ডাঙৰ নহওক কিয়, মাতৃয়ে যেতিয়া কাহিলিপুৱাতেই কাৰখানলৈ ওলাই যায়, আকৌ ঘূৰি আহোঁতে ৰাতি হয়। গোটেই দিনটো অত্যধিক পৰিশ্ৰম কৰিবলগীয়া হৈছিল। ঘৰলৈ উভতি আহি সন্তানসকলৰ বাবে পুষ্টিকৰ খাদ্য তৈয়াৰ কৰাৰ শক্তি নাথাকে। ফলত ঘৰৰ ডাঙৰ ছোৱালীৰ দায়িত্ব বাঢ়ি যায়।

কোনো কোনো পৰিয়ালত ক্ৰন্দনৰত শিশুৰ বাবে মাদক দ্ৰব্য ব্যৱহাৰ কৰা হৈছিল। তাৰ বাবে শিশুসকলৰ মাজত স্নায়ুবিক দুৰ্বলতাৰ ঘটনা আৰু তাৰ পৰা মৃত্যুৰ সংখ্যাও বাঢ়িব ধৰিছিল। এটি পৰিয়ালত স্বামী-স্ত্ৰী, ডাঙৰ ল'ৰা-ছোৱালী দিনটোৰ ভিতৰত বিভিন্ন ঠাইত কাম কৰিবলৈ ওলাই গৈছিল। তাৰ বাবে এজনে আনজনৰ স'তে কথা-বাৰ্তা পতাৰ সুযোগ কমি গৈছিল। কিন্তু গধূলি কৰ্মস্থানৰ পৰা উভতি অহাৰ পিছত মদ্যপানৰ নিচাত নিমজ্জিত হোৱাৰ এক নতুন সংস্কৃতি গঢ় লৈ উঠিছিল। ক'বলৈ গ'লে ঘৰৰ ভিতৰতে এক ধৰণৰ দূষিত পৰিৱেশে বিৰাজ কৰিছিল। সমাজবিদ্ এঞ্জেলছৰ প্ৰশ্ন আছিল যে তেনেকুৱা দূষিত পৰিৱেশৰ পৰা সৎ নাগৰিক তৈয়াৰ হোৱাৰ কোনো ধৰণৰ সম্ভাৱনা থাকে নে?

ধনতন্ত্ৰৰ পূৰ্বৱৰ্তী সামন্ততান্ত্ৰিক ব্যৱস্থাত এই ধৰণৰ জীৱন আছিল। পাকঘৰ আৰু সন্তান জন্ম, প্ৰতিপালনৰ প্ৰক্ৰিয়াৰ মাজত আৱদ্ধ থকা জীৱন। ধনতান্ত্ৰিক ব্যৱস্থাৰ মূল ভৰকেন্দ্ৰ হ'ল বজাৰ। গতিকে বজাৰৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ হৈ উঠিল। ক'বলৈ গ'লে লাহে লাহে সমাজ জীৱন বজাৰনিৰ্ভৰ হ'ব ধৰিলে। স্বাভাৱিকভাৱে পাকঘৰো বজাৰনিৰ্ভৰ হ'লগৈ। এতিয়া পাকঘৰ বুলি ক'লে প্ৰাকৃতিক সম্পদৰ সমাহাৰ বুলি ক'ব নোৱাৰোঁ। বজাৰৰ পেকেট খাদ্যদ্ৰব্যৰে সজাই থোৱা এটি ঘৰ। পাকঘৰ বিশ্ব ৰাজনীতিৰ গতিপথৰ প্ৰতিফলিত ৰূপ। ◈

খাদ্য শাসনতন্ত্ৰ

সমগ্ৰ পৃথিৱীত খাদ্য শাসনতন্ত্ৰ নাইবা 'ফুডৰেজিমৰ' যি যাত্ৰা, সেয়া আছিল অতি প্ৰাচীন। তাহানিৰ পৃথিৱীৰ সৰ্বত্ৰই ব্যৱসায়-বাণিজ্য বুলি ক'লে মানুহে ভাবিছিল 'ছত্তদাগিৰি'ৰ কাম-কাজ। পোন্ধৰশ শতাব্দীৰ পৰা ওঠৰশ শতাব্দীলৈকে নগৰ গঢ়ি উঠাৰ পৰিৱেশ ৰচনা কৰা হৈছিল। তৎকালীন সমাজত আভিজাত শ্ৰেণীৰ অত্যন্ত প্ৰভাৱ আছিল। তেওঁলোকৰ বিলাসবহুল জীৱন প্ৰণালীৰ বাবেহে মূলতঃ কিছুমান 'এক্সোটিক ফুড' (exotic food) বজাৰত মেলি দিয়া হৈছিল। সেই সময়ছোৱাত আন্তৰ্দেশীয় বাণিজ্যৰ বাবে এটি সুন্দৰ পথ নিৰ্মাণ কৰা হৈছিল, যাৰ নাম দিয়া হৈছিল 'ছিল্ক ৰোড'। অৰ্থাৎ তেতিয়াৰ সমাজতো মানুহৰ বাবে খাদ্যবিষয়বিলাক নিৰ্বাচন কৰি দিয়াৰ ক্ষেত্ৰত বজাৰৰ ভূমিকা গুৰুত্বপূৰ্ণ আছিল। আজিৰ আধুনিক পৃথিৱীত বজাৰকেন্দ্ৰিক জীৱনযাত্ৰাত যেনেদৰে পণ্যসামগ্ৰীৰ প্ৰদৰ্শনী হয়, তাহানিত সেয়া নাছিল যদিও খাদ্য শাসনতন্ত্ৰৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছিল। এই কথা অধিক স্পষ্ট হয় যেতিয়া আমি দেখিবলৈ পাওঁ, ইউৰোপৰ সদাগৰসকলৰ বাবে ইউৰোপৰ বাণিজ্যকেন্দ্ৰ ৰূপত ইটালি চহৰৰ ফ্লোৰেন্স, ভেনিছ প্ৰতিষ্ঠা কৰা হৈছিল। একেদৰে এছিয়া আৰু আফ্ৰিকাৰ দৰে ছিল্ক ৰোডৰ মাজেদিহে ইউৰোপৰ খাদ্য সামগ্ৰীৰ বাণিজ্য প্ৰক্ৰিয়া সমৃদ্ধ হৈছিল। তেতিয়া আছিল ১৪৯৮ চন। ভাস্কো ডা গামা কালিকট বন্দৰত আহি উপস্থিত হৈছিল আৰু ভাৰতবৰ্ষক আৱিষ্কাৰ কৰিবলৈ সক্ষম হৈছিল। তাৰ পিছৰ পৰাই চাগে নতুন ৰূপ লৈ সত্তদাগিৰিৰ পুঁজিবাদী অধ্যায় আৰম্ভ হ'ব ধৰিলে। ক্ৰমান্বয়ে দেখা গ'ল আফ্ৰিকা, এছিয়াৰ দেশবিলাকক খাদ্য উৎপাদনৰ বাবে একো একোটা অঞ্চলৰূপে বাছি লোৱা হয়। স্বইচ্ছাত নহয়, ইউৰোপীয় প্ৰভুসকলৰ ইচ্ছা অনুসৰিয়ে খাদ্য উৎপাদনৰ এটি পৰিৱেশ গঢ় লৈ উঠিব পাৰে। ইয়াৰ লগতে স্থানীয় খাদ্য সামগ্ৰী সম্পৰ্কীয় ধ্যান-ধাৰণা সলনি হ'ব ধৰিলে। বিভিন্ন ধৰণৰ পাচলিৰ বীজ বাহিৰৰ পৰা আনি আমাৰ দেশৰ বিভিন্ন প্ৰান্তত জলবায়ু, মাটি অনুযায়ী ৰোপণ কৰা হয়।

ভিন্ন দেশৰ পৰা বীজ আনি এটি দেশত ৰোপণ কৰাৰ মাজত কোনো দ্বন্দ্ব বা আপত্তি থাকিব নালাগে, কিন্তু যেতিয়া এটি বিশেষ অঞ্চলৰ কৃষিজীৱী মানুহে তেওঁৰ নিজস্ব মাটিত ধান চাহ কৰিব নে নীল চাহ নাইবা আফিম আৰু সেয়া ক্রয় আৰু বিক্রয়ৰ নিয়ন্ত্রণ কৰিব ইষ্ট ইণ্ডিয়া কোম্পানীয়ে। সেই নিয়ম ভয়াৱহ হৈ উঠিব। পৃথিৱীত ৰে'লগাড়ী অথবা জাহাজৰ আৱিষ্কাৰে প্ৰমাণ কৰিবলৈ সক্ষম হৈছিল যে শাসক শ্রেণীয়ে বিচাৰিলে খাদ্যশস্যৰ এখন বিশাল পৃথিৱী গঢ়ি তোলা সম্ভৱ। ইয়াৰ পিছতে আহিল বৰফৰ হিমঘৰ (Cold storage) অৰ্থাৎ খাদ্য সংৰক্ষণৰ পদ্ধতি আৱিষ্কাৰ সম্ভৱ হ'ল। লাহে লাহে সমগ্ৰ বিশ্বত খাদ্য সম্পৰ্কীয় ধ্যান-ধাৰণা সম্পূৰ্ণৰূপে সলনি হ'ব ধৰিলে। খাদ্য সম্ভাৰকেন্দ্রিক বাণিজ্যৰ পৰিধি সমগ্ৰ পৃথিৱীতে বিয়পিব ধৰিলে। যিহেতু বিশ্বৰ দেশবিলাকে আগভাগ লৈ খাদ্য সম্পৰ্কীয় ধ্যান-ধাৰণা সলনি কৰাৰ দায়িত্ব হাতত তুলি ল'লে স্বাভাৱিকভাৱেই খাদ্য শাসনতন্ত্ৰৰ অধিকাৰো তেওঁলোকৰ হাততেই মুষ্টিবদ্ধ হ'লগৈ। একধৰণৰ অলিখিত চুক্তিৰ পৰিৱেশ গঢ় লৈ উঠিল। যাৰ পৰিণতিত দেখা গ'ল ঔপনিবেশিক দেশবিলাকৰ কেঁচামাল ইউৰোপৰ বজাৰলৈ যাব ধৰিছে আৰু তাৰ পৰা পণ্য দ্ৰব্য তৈয়াৰ কৰা হয়। কাৰণ ইতিমধ্যে আধুনিক প্ৰযুক্তিৰ মালিক প্ৰথম বিশ্বৰ দেশ হ'ল। শিল্প বিপ্লৱৰ প্ৰক্রিয়া সম্পূৰ্ণ হ'ল। সমগ্ৰ বিশ্বৰ বজাৰলৈ পেকেজ খাদ্যদ্ৰব্য ৰপ্তানি কৰাৰ জৰিয়তে বেছি অৰ্থ গোটাব পাৰিলে, উন্নত দেশবিলাকে তেনেদৰেই বিশ্বযুদ্ধৰ পৰৱৰ্তী ক্ষয়ক্ষতি পূৰণৰ বাবে এক সুনিশ্চিত প্ৰক্রিয়াৰে বাণিজ্য আৰম্ভ কৰিবলৈ সক্ষম হ'ল।

ঊনবিংশ শতাব্দীৰ শেষৰ পিনে পৃথিৱীৰ বিভিন্ন প্ৰান্তত যি খাদ্য সংকট সৃষ্টি হৈছিল, ভাৰতবৰ্ষ, চীন, কোৰিয়া, ব্ৰাজিল, ইথিওপিয়া, ছুদান সকলো দেশৰ সৰ্বমুঠ প্ৰায় পাঁচ কোটি মানুহে ভোকৰ তাড়নাত মৃত্যুবৰণ কৰিবলৈ বাধ্য হৈছিল। ঠিক একে সময়তে ইউৰোপৰ ধনতন্ত্ৰৰ জন্মমুহূৰ্ত বুলিয়ে ক'ব লাগিব। আধুনিক শিল্প সংস্থানৰ প্ৰতি মানুহৰ যি আস্থা, সম্ভ্ৰম, তাৰ বাবেই মানুহে খাদ্য শাসন নীতিৰ মাজত লুকাই থকা শাসন নীতিৰ গভীৰ ষড়যন্ত্ৰখিনিৰ জটিল সমীকৰণৰ অৰ্থ বুজি নাপালে। ক'বলৈ গ'লে, প্ৰকৃত অৰ্থত সমগ্ৰ বিশ্বত খাদ্যনীতি আৰু খাদ্যসংস্কৃতি অতিমাত্ৰাত একচেটীয়া হৈ যোৱাৰ এক ধাৰাবাহিক প্ৰক্রিয়াৰ ৰহস্য বিশ্বৰ সাধাৰণ জনগণে বুজি নাপালে।

শিল্প বিপ্লৱৰ পৰৱৰ্তী সময়ছোৱাত ডাঙৰ-ডাঙৰ মেচিনৰ উদ্ভাৱন আৰু

নিৰ্মাণ প্ৰক্ৰিয়াত দেখা গ'ল খাদ্য সামগ্ৰীৰ সংৰক্ষণৰ দীৰ্ঘ প্ৰক্ৰিয়াখিনি অলপ ভিন্ন হ'ল। মেচিনে এটা দিনত কমপক্ষেও পোন্ধৰৰ পৰা বিশগুণ কাম অধিককৈ কৰিবলৈ সক্ষম হ'ল। স্বাভাৱিকভাৱে পেকেট আৰু টিনফুডৰ চাহিদা বাঢ়িব ধৰিলে। বিশেষতঃ 'টিনফুড'ৰ চাহিদা বিশাল হৈ পৰিল। প্ৰাথমিক পৰ্যায়ত মাংসৰ এক বিশ্ববজাৰ তৈয়াৰ হ'ল। বিশেষতঃ সেনাবাহিনীয়ে যুদ্ধক্ষেত্ৰত মাংস আৰু গোমধান ব্যক্তিগতভাৱে নিজৰ বেগত ভৰাই কঢ়িয়াই লৈ ফুৰিব ধৰিলে। ইয়াৰ উপৰিও তেতিয়া বজাৰত বিছ-পাঁচটা ফলৰ ৰসৰ পেকেটবোৰ আহিব ধৰিলে যদিও সেয়া সকলো দেশৰ বাবে নহয়। ইয়াক উন্নত দেশৰ বজাৰত উপলব্ধ পণ্য সামগ্ৰী বুলি ক'ব পৰা যায়। সমান্তৰালভাৱে সমাজ জীৱনতো কিছু ডাঙৰ পৰিৱৰ্তন ঘটিব ধৰিলে। যদিও প্ৰাথমিকভাৱে এই পেকেটৰ খাদ্য সামগ্ৰীবোৰ অকল ইউৰোপৰ বজাৰত কিংবা উন্নত দেশৰ বজাৰলৈকে সীমাবদ্ধ আছিল। এফালে বজাৰত খাদ্য সামগ্ৰীৰ নতুন ৰূপতে আত্মপ্ৰকাশ আৰু সমান্তৰালভাৱে সমাজ জীৱনতো এটি ডাঙৰ পৰিৱৰ্তন দেখিবলৈ পোৱা গ'ল, সেয়া আছিল পাৰিবাৰিক পৰিকাঠামোৰ দ্ৰুত পৰিৱৰ্তন। এই পৰিৱৰ্তনৰ মূল কাৰণ আছিল শ্ৰমৰ বজাৰলৈ নাৰীৰ উপস্থিতি। সুদীৰ্ঘ সময় ধৰি নাৰীয়ে যেতিয়া কৰ্মস্থানত কটাবলগীয়া হ'ল, তেতিয়া সামন্তীয় মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত পৰিয়াল, য'ত নাৰীৰ দায়িত্ব অকল ঘৰৰ চাৰিবেৰৰ ভিতৰতেই আবদ্ধ আছিল, সেয়া পৰিৱৰ্তন হোৱাৰ আগমুহূৰ্তত অৰ্থাৎ প্ৰচণ্ড অৰ্থনৈতিক দুৰাবস্থাৰ বাবে দীৰ্ঘ সময়ৰ বাবে কৰ্মক্ষেত্ৰত থকা, জীৱনত একধৰণৰ খেলিমেলিৰ সৃষ্টি কৰিলে। এফালে কৰ্মক্ষেত্ৰৰ দায়িত্ব, আনফালে পৰিয়ালৰ দায়িত্ব, সাংঘাতিক ধৰণে কামৰ বোজা বাঢ়িল, সন্তানৰ দায়িত্ব, ঘৰৰ কামৰ দায়িত্ব, দ্বিগুণ কামৰ বোজা মূৰত লৈ ক্লান্ত হ'ব ধৰিছিল নাৰীয়ে। আকৌ বিশ্বৰ এক ভিন্ন প্ৰান্তত থকা ফেচীবাদী নেতা হিটলাৰে ঘোষণা কৰিলে 'বেক টু কিচেন'। সেই ঘোষণাৰ প্ৰতি একধৰণৰ প্ৰত্যাহ্বান জনাই আন এক প্ৰান্তত গঢ় লৈ উঠা সমাজবাদৰ পৰীক্ষা, গৃহশ্ৰমৰ সামাজিকীকৰণ— সেই দুয়োটা পথৰ বিশেষ ধাৰা বজাৰে তৃতীয় ধাৰা দিব বিচাৰিলে, সেয়া আছিল প্ৰযুক্তিগত জীৱনৰ উদ্ভাৱন। কম সময়তে পাকঘৰৰ দায়িত্ব পালন কৰা সম্ভৱ, তাৰ বাবে প্ৰয়োজন অৰ্থনৈতিক স্বনিৰ্ভৰতা। প্ৰাকৃতিক খাদ্যসম্পদ যদি বজাৰৰ পণ্যদ্ৰব্য হৈ উঠে, তেন্তে এক ধৰণৰ উদাৰ পৰিৱেশ গঢ় লৈ উঠিব। দেখা গ'ল যিবোৰ পৰিয়ালৰ সন্তান-

সন্ততি অকণমান ডাঙৰ হৈছে, সিহঁতে নিজে নিজেই পেকেট সামগ্ৰীৰ জৰিয়তে ভোক নিবাৰণ কৰিব পাৰে। ডাঙৰ ডাঙৰ চহৰৰ পৰা দূৰত থকা মহিলাসকলেও এককেলগত বহুতখিনি বিভিন্ন ধৰণৰ পেকেট ক্ৰয় কৰি ঘৰতে থ'ব ধৰিলে। ক'ব পৰা যায় খাদ্য সম্পৰ্কীয় ধ্যান-ধাৰণাৰ ক্ষেত্ৰত এক প্ৰকাৰ বিপ্লৱ ঘটি গ'ল। বজাৰৰ তৎকালীন ভূমিকা প্ৰগতিশীল আছিল। সেয়া সঁচা, কিন্তু তাৰ মাজতেই নিহিত হৈ আছিল লাভ-ক্ষতিৰ অংক। ব্যক্তিগত লাভ সুবিধাৰ পৰিৱেশ গঢ়ি তোলাৰ বাবে সৃষ্টি হোৱা সমাজ জীৱনত বজাৰৰ কৰ্তৃত্ব প্ৰতিষ্ঠা পাব ধৰে। ব্যক্তিগত প্ৰতিষ্ঠানৰ লাভৰ অঙ্কৰ পৰিমাণ বৃদ্ধিৰ বাবে বজাৰে যি যি কৰিব লাগে, সেয়াই কৰিব ধৰিলে। কিন্তু সেই প্ৰক্ৰিয়াত সংখ্যাগৰিষ্ঠ মানুহৰ বাবে ক্ষতিৰ পৰিমাণ ক্ৰমান্বয়ে বাঢ়ি গৈ থাকিল। মানুহৰ স্বাস্থ্য, সংস্কৃতি, সামাজিক মূল্যবোধৰ বিষয়খিনিয়ে গুৰুত্ব হেৰুৱাবলৈ ধৰিলে। ডাঙৰ ডাঙৰ কোম্পানীবোৰে খাদ্য সামগ্ৰীৰ বাণিজ্যৰ প্ৰতি উৎসাহী হৈ উঠিল। ১৮৬৭ খ্ৰীষ্টাব্দত হেনৰী নেছলে ছুইজাৰলেণ্ডত গঢ়ি তুলিছিল এটি কোম্পানী। শিশুসকলৰ খাদ্যৰ কথা চিন্তা কৰিয়েই এই ধৰণৰ নতুন ব্যৱস্থাৰ আয়োজন কৰা হৈছিল। যিসকল নতুন মাতৃয়ে কেঁচুৱাক যথেষ্ট পৰিমাণে গাখীৰ দিব পৰা নাছিল, সেই মাতৃসকলৰ বাবে এক বিশেষ ধৰণৰ খাদ্য প্ৰস্তুত কৰা হৈছিল, যাৰ নাম দিয়া হ'ল 'ফেৰিনল্যাকটে' (Farinelactee)। সেই খাদ্যসম্ভাৰখিনি অতি কম সময়ৰ ভিতৰতেই ইউৰোপৰ বজাৰত উভৈনদী হৈ পৰিছিল। ব্ৰিটেইন, স্পেইন, জাৰ্মান, ছিংগাপুৰ, হংকং, ভাৰতবৰ্ষৰ বজাৰত নেছলে কোম্পানীৰ বাণিজ্যৰ বিস্তাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। বিশ্বযুদ্ধৰ পৰৱৰ্তী সময়ছোৱাত ইউৰোপৰ বজাৰত গাখীৰৰ অভাৱ দেখা গৈছিল। কিন্তু সেই অভাৱ পূৰণৰ বাবে নিৰ্মাণ কৰা হ'ল 'টেমাৰ গাখীৰ ঘন 'মিল্কমেড'। সমগ্ৰ পৃথিৱীৰ মানুহে থৰ লাগি চাই থাকিলে 'গাখীৰো কৃত্ৰিমভাৱে তৈয়াৰ কৰা সম্ভৱ হয়'। দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী সময়ছোৱাত 'নেছকফি', 'নেছটি' অতি সময়োপযোগী পানীয় দ্ৰব্য হৈ উঠিব পাৰিছিল। এইখিনিতে এটা কথা ক'ব লাগিব যে, বিশ্বযুদ্ধত আন দেশবিলাকেও যেনেদৰে এটা এটা পক্ষ লৈ থিয় হৈছিল, ছুইজাৰলেণ্ডে কিন্তু একেবাৰে নিৰপেক্ষ ভূমিকা পালন কৰিছিল। ইউৰোপৰ পৰা বিচ্ছিন্ন হৈ বিভিন্ন উন্নত দেশৰ যোগেদি নিজৰ বাণিজ্য বিস্তাৰ কৰাৰ প্ৰতি আগ্ৰহী হৈ উঠিছিল। আমেৰিকা যুদ্ধত অংশগ্ৰহণ কৰাৰ পিছত সৈন্যসকলৰ মাজতে 'নেছকফি'ৰ চাহিদা প্ৰচুৰ

পৰিমাণে বাঢ়ি গ'ল। নেছলে কোম্পানীৰ বাণিজ্য ১৯৩৮ চনৰ পৰা ১৯৪৫ চনৰ মধ্যৱৰ্তী সময়ছোৱাত সাংঘাতিকভাৱে বাঢ়িবলৈ ধৰে। সেয়া প্ৰমাণ কৰে যে বিশ্বযুদ্ধ, ধনতন্ত্ৰৰ বিকাশ আৰু পাকঘৰৰ চৰিত্ৰৰ পৰিৱৰ্তনৰ মাজতে আছে এক সুসম্পৰ্ক। বজাৰ বিস্তাৰৰ প্ৰক্ৰিয়াই পাকঘৰ সম্পৰ্কীয় ধ্যান-ধাৰণাৰ প্ৰচলিত পৰিভাষা সলনি কৰিবলৈ সক্ষম হয়। আধুনিক পাকঘৰ আৰু পেকেট খাদ্য নাৰী-পুৰুষৰ অন্তৰ্বৰ্তী লিঙ্গ বৈষম্যৰ বিষয়খিনি প্ৰাথমিকভাৱে গুৰুত্বহীন কৰি পেলায়।

সুন্দৰ আধুনিক এটি পাকঘৰ অকল নাৰীৰ উপযুক্ত স্থান নহয়। ঘৰৰ সকলো সদস্যই ব্যৱহাৰ কৰিব পাৰে। তাৰ বাবে প্ৰয়োজন মুক্ত বজাৰৰ গ্ৰাহক তৈয়াৰ কৰা। সেই চিন্তা নিশ্চিতভাৱে সামন্তীয় চিন্তাৰ তুলনাত প্ৰগতিশীল চিন্তা আছিল। কিন্তু গভীৰভাৱে পৰ্যবেক্ষণ কৰিলে বুজা সহজ হৈ পৰে যে ধনতান্ত্ৰিক ব্যৱস্থা যিমানে উদাৰ আৰু প্ৰগতিশীল নহওক কিয়, সমাজত বৈষম্যৰ পৰিৱেশ জীয়াই ৰখাৰ প্ৰতি উৎসাহী হৈ থাকে। ব্যক্তিগত সম্পত্তিৰ প্ৰশ্নখিনি প্ৰধান হৈ পৰে। পুঁজিবাদী ব্যৱস্থাই এগৰাকী নাৰীক নিজৰ পৰিয়ালৰ বৃত্ত নেওচি কৰ্মজগতলৈ কায়িক শ্ৰম বিক্ৰী কৰিবলৈ উৎসাহিত কৰে। নাৰীয়ে নিজৰ শ্ৰমৰ অৰ্থনৈতিক মূল্য হাতত লৈ উভতি আহে, কিন্তু শ্ৰমৰ বজাৰত নাৰীৰ যথাযোগ্য সন্মান প্ৰাপ্তি ঘটেনে? গৃহ অভ্যন্তৰৰ বাহিৰৰ পৃথিৱীখন কিমানখিনি সুৰক্ষিত? আনকি একেই শ্ৰমৰ বাবে নাৰী আৰু পুৰুষৰ শ্ৰমমূল্য ভিন্ন ভিন্ন হোৱা দেখা যায়। অৰ্থাৎ সামন্তীয় ব্যৱস্থাৰ পাকঘৰকেন্দ্ৰিক জীৱনৰ শোষণ-বঞ্চনাৰ পৰা সম্পূৰ্ণৰূপে মুক্তিৰ বাট মুক্ত বজাৰে দিব নোৱাৰে। বিভিন্ন ধৰণৰ আধুনিকতাৰ আহ্বানত মেৰিয়াই ৰখাৰ কৌশল হ'ল মুক্ত বজাৰৰ কৰ্মপদ্ধতি। খাদ্য শাসনতন্ত্ৰৰ উদ্দেশ্য আছিল খাদ্য সামগ্ৰীৰ বৃহৎ বজাৰ সৃষ্টি কৰা। শোষণমুক্ত সমাজ গঢ় লৈ উঠাৰ থল তাত নাছিল। ◈

নিপাত যাওক পাকঘৰ

১৯৬৩ চনত আমেৰিকাৰ নাৰী প্ৰগতিৰ নেত্ৰী বেটি ফ্লিডানে 'দি ফেমিনিন মিছটিক' শিৰোনামেৰে এখন শক্তিশালী গ্ৰন্থ ৰচনা কৰিছিল। আমেৰিকাৰ গৃহবধুসকলৰ লগত বিভিন্ন সময়ত বিস্তৃতভাৱে কথাবাৰ্তা পাতি, সাক্ষাতকাৰ গ্ৰহণ কৰিহে সেইখন গ্ৰন্থ সম্পূৰ্ণ কৰিছিল। গুৰুত্বপূৰ্ণ কথা হ'ল গ্ৰন্থখন প্ৰকাশ পোৱাৰ লগে-লগে একেবাৰে কেবা লাখ কপি বিক্ৰী হৈ গ'ল। কি আছিল বিষয়বস্তু? লেখিকাই আমেৰিকান মহিলাসকলৰ জীৱনবৃত্ত অকল পৰিয়ালৰ চাৰি বেৰৰ মাজতেই আবদ্ধ কৰি ৰখাৰ মানসিকতাৰ প্ৰতি প্ৰশ্ন উত্থাপন কৰিছিল যদিও তেৱেঁই কিন্তু প্ৰথমগৰাকী নাৰী নহয়। তেওঁৰ আগতে ছিম্‌ন দ্য বোভোয়া নিজৰ 'দ্য ছেকেণ্ড ছেকছ' গ্ৰন্থখনত ফৰাছী নাৰীসকলৰ মুক্তিৰ প্ৰসঙ্গ লৈ আলোচনা কৰিছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱত বিশ্বব্যাপী যি চৰম সংকট সৃষ্টি হৈছিল, তেনে পৰিস্থিতিত ১৯৪৫ চনত গঢ় লৈ উঠা 'আন্তৰ্জাতিক গণতান্ত্ৰিক মহিলা ফেডাৰেছন' অথবা Womens International Democratic Federation (WIDF) 'বিশ্ব নাৰী সংঘ' নামেৰে পৰিচিত হৈ উঠা সংগঠনবোৰৰ মূল দায়িত্বই আছিল যুদ্ধৰ বিৰুদ্ধে থিয় হোৱা আৰু বিশ্বশান্তি আন্দোলন গঢ়ি তোলা। ১৯৪৫ চনৰ ডিচেম্বৰ মাহত ফ্ৰান্সৰ পেৰিছ চহৰত যি বিশ্ব নাৰী সন্মিলন গঢ় লৈ উঠিছিল তাত আমেৰিকা, ব্ৰিটেন, ফ্ৰান্স, ইটালিৰ দৰে বিশ্বৰ ডাঙৰ ডাঙৰ ধনতান্ত্ৰিক দেশৰ মহিলা প্ৰতিনিধিসকল উপস্থিত হৈছিল আৰু মিছৰ, আলজেৰিয়া, মৰক্কো আদি দেশৰ মহিলাসকলো উপস্থিত হৈছিল। ছোভিয়েট ৰাছিয়াৰ পৰা নিমা পোপোভা, চীন দেশৰ পৰা মাদাম ছাম, ফ্ৰান্সৰ মাদাম ৰাহেন আৰু মাদাম প্ৰিট, স্পেইন দেশৰ লা পাছিওনাৰা, ছুইডেনৰ পৰা এনড্ৰিনৰ দৰে বিখ্যাত মহিলা নেত্ৰীসকলো উপস্থিত আছিল। এছিয়া মহাদেশৰ কিছুমান দেশৰ প্ৰতিনিধিসকলো উপস্থিত হৈছিল। ভাৰতৰ শ্ৰীমতী এলা ৰীডাৰৰ দৰে ব্যক্তি উপস্থিত আছিল। তাত মূলতঃ ফেচীবাদ বিৰোধ ব্যাপক ঐক্য মঞ্চৰ দ্বাৰা যুদ্ধৰ বিৰুদ্ধে সৰব হৈছিল। নাৰীসকলে

ঐক্যবদ্ধভাৱে শ্লোগান দিছিল যে এটম বোমাৰ প্ৰয়োগ বেআইনী ঘোষণা কৰিব লাগিব। সেই আবেদন পত্ৰত বিশ্ব নাৰী সংঘৰ নেতৃত্বত এক স্বাক্ষৰতা কৰ্মসূচীৰ আয়োজন কৰা হৈছিল। লক্ষ লক্ষ মহিলাই স্বাক্ষৰ প্ৰদান কৰি প্ৰতিবাদ কৰ্মসূচীৰ প্ৰতি সমৰ্থন ব্যক্ত কৰিছিল। বিশ্ব নাৰী সংঘৰ সেই ব্যাপক কৰ্মসূচীৰ মাজত "নাৰীৰ বাবে সামাজিক সম-অধিকাৰৰ প্ৰশ্ন আৰু শিশুৰ ৰক্ষণাবেক্ষণ" সেয়াই আছিল আন্দোলনৰ প্ৰধান বিষয়। সংখ্যাগৰিষ্ঠ নাৰীৰ বাবে শিক্ষা, কৰ্মৰ অধিকাৰ, বিবাহৰ সিদ্ধান্ত লগতে পাৰিবাৰিক জীৱনৰ সকলো ক্ষেত্ৰতে নাৰী আৰু পুৰুষৰ সম-অধিকাৰৰ প্ৰশ্ন উত্থাপন কৰা হৈছিল। ৰাজনৈতিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে সেয়া আছিল ধনতান্ত্ৰিক দেশৰ ঔপনিৱেশিক চিন্তাত প্ৰভাৱিত দেশৰ বাবে এক ধৰণৰ বাৰ্তা প্ৰেৰণৰ প্ৰচেষ্টা। সেয়া অত্যন্ত গুৰুত্বপূৰ্ণ ৰাজনৈতিক কৌশল আছিল।

ইয়াৰ পিছত যেতিয়া চীন দেশৰ স্বাধীনতাৰ সংগ্ৰাম তীব্ৰ হৈছিল, আৰু তাতো নাৰীসকলৰ ব্যক্তিগত পৰিয়ালৰ জীৱনলৈ একধৰণৰ পৰিৱৰ্তন আহিল। তেতিয়া সমগ্ৰ পৃথিৱীৰ নাৰী সমাজেই অনুভৱ কৰিলে সমাজতন্ত্ৰৰ সংগ্ৰাম নাৰীমুক্তিৰ বাবে প্ৰয়োজন, কাৰণ সমাজতান্ত্ৰিক দেশবিলাকে প্ৰমাণ কৰিবলৈ সক্ষম হৈছিল যে প্ৰকৃত অৰ্থত মুক্ত নাগৰিক হ'বলৈ হ'লে ব্যক্তিগত মালিকানাধীনৰ কৰ্তৃত্বত গঢ় লৈ উঠা পৰিয়ালৰ সম্পৰ্কবিলাকৰ সামাজিকীকৰণ হোৱাটো অত্যন্ত জৰুৰী।

ইতিমধ্যে আন্তৰ্জাতিক নাৰী দিৱসৰ কথা ঘোষণা কৰা হৈ গৈছিল, সমাজতান্ত্ৰিক বিপ্লৱ পৰৱৰ্তী ছোভিয়েট ৰাছিয়াৰ নাৰীসকলে সমগ্ৰ বিশ্বত এক উদাহৰণ দাঙি ধৰিবলৈ সক্ষম হ'ল, নাৰীমুক্তিৰ এক সম্পূৰ্ণ ছবি যেন স্পষ্ট হ'ল। সেইটো হ'ল— একমাত্ৰ প্ৰধান কৰ্মসূচী, ব্যক্তিগত পাকঘৰ বন্ধ কৰি সামাজিকভাৱে পাকঘৰ গঢ় দিয়াৰ কৰ্মসূচী গ্ৰহণ কৰাৰ বাবে। মহিলাসকলে এটা ডাঙৰ সুযোগ পালে, নিজস্ব ৰুচি আৰু আগ্ৰহ অনুসৰি কাম কৰিবলৈ। পাকঘৰৰ দায়িত্বৰ পৰা তেওঁলোকক মুক্ত কৰা হ'ল। সেয়া আকৌ নতুনভাৱে প্ৰমাণ কৰিলে যে সমাজতান্ত্ৰিক বিপ্লৱ, শ্ৰেণী বৈষম্যৰ দূৰ কৰাৰ লগতে লিঙ্গবৈষম্য দূৰ কৰাৰ এটি সমাধানৰ পথ নিৰ্দেশ কৰে। 'পাকঘৰ নিপাত যাওক' এই শ্লোগান যেন এক সঠিক ৰাজনৈতিক শ্লোগান হৈ পৰিল।

সমাজতান্ত্ৰিক দেশ ৰাছিয়া কিন্তু নিজৰ আদৰ্শ, কৰ্মসূচীক লৈ সুদীৰ্ঘ বছৰলৈকে জীয়াই নাথাকিল। বিভিন্ন আৰ্থ-সামাজিক আৰু ৰাজনৈতিক কাৰণতে ভাঙি

টুকুৰা-টুকুৰ হ'ল। পুঁজিবাদী ব্যৱস্থাৰ দ্ৰুত প্ৰচাৰ প্ৰসাৰ আৰম্ভ হ'ল। ১৯৭০ চনত হেনৰি কিছিনজাৰৰ দৰে সমাজবিজ্ঞানী যাক হিটলাৰে নিজৰ দলৰ পৰা বিতাৰিত কৰিছিল, যদিও তেওঁ কিন্তু কমিউনিজ্‌মৰ ভাবাদৰ্শৰ প্ৰতি মুঠেও আস্থাশীল নাছিল। যি হওক কিছিনজাৰে কৈছিল— 'যদি ঘৰুৱা তেলৰ ওপৰত নিয়ন্ত্ৰণ কৰিব পাৰি তেন্তে ৰাষ্ট্ৰীয় দেশবিলাকক নিয়ন্ত্ৰণ কৰিব পাৰি আৰু যদি খাদ্য উৎপাদনৰ ওপৰত নিয়ন্ত্ৰণ কৰিব পাৰি তেন্তে সমগ্ৰ বিশ্বৰ মানুহক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'ম।' তেওঁ মাৰ্কিন সাম্ৰাজ্যবাদৰ প্ৰতি লক্ষ্য ৰাখিয়ে তেনেকুৱা এটি বাক্য প্ৰয়োগ কৰিছিল। পৰৱৰ্তী সময়ছোৱাত দেখা গ'ল ধনতান্ত্ৰিক দেশৰ নাৰীমুক্তি আন্দোলনৰ নেত্ৰীসকলে নাৰীৰ সংগ্ৰামৰ বিষয়সমূহলৈ অলপ ভিন্ন ধাৰাত চিন্তা-ভাবনা কৰিব লৈছে। পৰিয়ালৰ শ্ৰমৰ পৰা মহিলাসকলেও মুক্তি পাব লাগে, এনে ধৰণৰ শ্লোগান সঠিক বুলি ভাবিলেও পৰিয়ালৰ শ্ৰমৰ সামাজিকীকৰণ হ'ব লাগে বুলি সমৰ্থন নকৰে, ধনতান্ত্ৰিক ব্যৱস্থাৰ মাজতে নাৰী মুক্তিৰ বাট বিচাৰি পায়। বেটি ফ্ৰিডানে প্ৰশ্ন উত্থাপন কৰিছিল— 'বছৰৰ পিছত বছৰ ধৰি নাৰীৰ বাবে প্ৰধান শিক্ষা হ'ল নিজৰ গৃহস্থৰ সুখ-স্বাচ্ছন্দ্যৰ প্ৰতি সজাগ হৈ কেনেদৰে তেওঁক সুখী কৰিব পৰা যায়। সন্তানৰ পঢ়া-শুনাৰ প্ৰতি দৃষ্টি ৰাখি, সিহঁতৰ পৰীক্ষাৰ ফলাফলৰ প্ৰতি চোকা দৃষ্টিপাত, ইয়াৰ উপৰিও গোটেই দিনটো কেনেকৈ আহাৰৰ বাবে মাছ-মাংস জুতি লগাই প্ৰস্তুত কৰিব পাৰি, সেইবিলাক চোৱা-চিতা কৰাই যেন মূল দায়িত্ব। মন কৰিবলগীয়া কথা হ'ল একেটা ঘৰতে স্বামীয়ে যেতিয়া বন্ধু-বান্ধৱৰ লগতে ৰাজনীতি সম্পৰ্কীয় আলাপ-আলোচনাত ব্যস্ত থাকে, এগৰাকী স্ত্ৰী তেতিয়া পাকঘৰত খাদ্য প্ৰস্তুত কৰি থাকিবলগীয়া হয়, সেয়া যেন এক প্ৰকাৰৰ অলিখিত চুক্তি।

গৃহ শ্ৰমৰ বিষয়বিলাক যদি নাৰীৰ প্ৰধান সমস্যা হয়, তেন্তে ইয়াৰ পৰা সমাধানৰ পথ কি?

সত্তৰ দশকৰ প্ৰথমৰ পিনে জনৈক ছেলমা জেমছই প্ৰথমবাৰৰ বাবে ঘোষণা কৰিলে যে 'ওয়েজ ফৰ হাইজওয়াৰ্ক' বিষয়টোলৈ চিন্তা-ভাবনা হ'ব লাগে। পৰিয়ালৰ বৃত্তৰ প্ৰতিটো কাম-কাজৰ অৰ্থনৈতিক মূল্য আছে, গতিকে তাৰ বাবে বেতনৰ ব্যৱস্থা কৰা উচিত। কিন্তু প্ৰশ্ন উঠিল যে নাৰীৰ গৃহশ্ৰমৰ বাবে বেতন দিয়াৰ দায়িত্ব কাৰ? এগৰাকী নাৰীয়ে পুৱাৰ পৰা গধূলিলৈকে বিনা বেতনত এটি পৰিয়ালৰ সকলো দায়িত্ব পালন কৰি গৈ থাকে। সেই শ্ৰমৰ আৰ্থিক মূল্য

প্ৰকৃত অৰ্থত কিমান হ'ব, সেয়া কোনে স্থিৰ কৰিব? তেনেক্ষেত্ৰত প্ৰশ্ন আহে যে কামবিলাক সামাজিকভাৱে স্বীকৃতি আদায় কৰিবলৈ সক্ষম হৈছেনে? এনেধৰণৰ বিতৰ্কৰ কোনোধৰণৰ সঠিক উত্তৰ এতিয়ালৈকে সমাজ ব্যৱস্থাত নাই।

যেতিয়াৰ পৰা পৃথিৱীত নাৰীবাদৰ দৰ্শন প্ৰতিষ্ঠিত হৈছে, তেতিয়াৰ পৰা পিতৃতন্ত্ৰৰ বিষয়বিলাক লৈ গভীৰভাৱে চিন্তা-ভাবনা কৰা হৈছে। এনে ক্ষেত্ৰত বিজ্ঞানসন্মত যুক্তি হ'ল যে প্ৰকৃতিৰ নিয়ম অনুসৰিয়েই কেৱল নাৰীয়েহে সন্তান জন্ম দিব পাৰে সেয়া সত্য, কিন্তু জন্ম দিয়াৰ বাবেই যে শিশুৰ লালন-পালনৰ দায়িত্ব অকল এগৰাকী মাতৃৰ, সেয়া কিন্তু নিৰ্ধাৰণ কৰিহে এটি বিশেষ ধৰণৰ চিন্তাধাৰাও গঢ় ল'লে সমাজ ব্যৱস্থাত। সভ্যতাৰ অগ্ৰগতিৰ লগতে নাৰী কিয় কেৱলমাত্ৰ প্ৰজনন, শিশু পালন আৰু ঘৰুৱা শ্ৰমতে আবদ্ধ হৈ থাকিল।

আধুনিক নাৰীবাদীসকলে বাৰে বাৰে প্ৰতিষ্ঠা কৰিলে যে নাৰীৰ পৰাধীনতা প্ৰকৃতিগত নহয়। দ্বিতীয়, ঘৰুৱা শ্ৰমৰ সামাজিক মৰ্যাদা পাব লাগে আৰু ঘৰুৱা শ্ৰম পুৰুষ আৰু মহিলাই সমানে কৰা উচিত। বিখ্যাত নাৰীবাদী মনস্তাত্ত্বিক জুলিয়েট মিছেলৰ (Jullet Misel) বক্তব্য হ'ল যে পিতৃতন্ত্ৰ হ'ল এনেধৰণৰ এক সম্পৰ্কীয় ব্যৱস্থা, য'ত নাৰীৰ অৱস্থান হ'ল পুৰুষৰ হাতৰ পুতলা মাত্ৰ। একেদৰে নাৰীবাদী তাত্ত্বিক ছিলভিয়া ওয়ালবীৰে কোৱা মতে পিতৃতন্ত্ৰ হ'ল সামাজিক এক পৰিকাঠামো আৰু ৰীতি-নীতি সম্পৰ্কীয় এনেধৰণৰ এটি ব্যৱস্থা, য'ত পুৰুষে নাৰীক সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ আৰু শোষণ কৰে। পিতৃতান্ত্ৰিক ব্যৱস্থাই যুগে-যুগে নিজৰ ৰূপ সলনি কৰি গৈছে। স্থান, কাল, শ্ৰেণী, ধৰ্ম নিৰ্বিশেষে এই ব্যৱস্থাৰ ৰূপ কিন্তু সলনি হৈ গৈ থাকে। যদিও পৃথিৱীৰ সৰ্বত্ৰ পিতৃতান্ত্ৰিক ব্যৱস্থা একেদৰেই গুৰুত্ব পোৱা নাই। কিন্তু এই ব্যৱস্থা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত শ্ৰম আৰু শ্ৰমমূল্য— এই দুটা বিষয় কম-বেছি পৰিমাণে একেই। ইয়াৰ মূল কাৰণ হ'ল ব্যক্তিগত সম্পত্তিৰ যিকোনো সমাজত ব্যক্তিগত সম্পত্তিৰ প্ৰতিষ্ঠাৰ অৰ্থই হ'ল বৈষম্যৰ পৰিৱেশ ৰচনা কৰা। ইয়াৰ মাজতেই নিহিত হৈ আছে নাৰীৰ মজুৰিবিহীন গৃহশ্ৰমৰ বিষয়বিলাক আৰু গৃহশ্ৰমৰ প্ৰতি এক ধৰণৰ অৱহেলা আৰু অৱজ্ঞাৰ দৃষ্টি প্ৰদান কৰাৰ মানসিকতা। যিহেতু এতিয়ালৈকে পৰিয়ালৰ কাম-কাজবিলাক সামাজিক উৎপাদনশীল, অৰ্থনৈতিক প্ৰক্ৰিয়াৰ সৈতে সংপৃক্ত নহয় আৰু আনকি যিকোনো সভ্য দেশৰ জাতীয় জনগণনাৰ জৰীপৰ অন্তৰ্গত গণ্য কৰা নহয়। পিতৃতান্ত্ৰিক ব্যৱস্থাৰ সামাজিক দৃষ্টিভংগী হ'ল যে গৃহশ্ৰমৰ বিষয়বিলাক নাৰীৰ প্ৰাকৃতিক শ্ৰম

(Natural Female Work)। এটা পৰিয়াল সুস্থভাৱে জীয়াই থাকে নাৰীৰ গৃহশ্ৰমৰ দায়িত্ব পালনৰ বাবেহে। প্ৰশ্ন হ'ল তেন্তে কিয় নাৰীৰ শ্ৰম আৰ্থ-সামাজিক প্ৰেক্ষাপটত লুকাই থকা অৰ্থনীতিৰ (Hidden Economy) ৰূপত সীমাবদ্ধ হৈ থাকে?

১৯৯৩ চনত জাতিসংঘৰ সংশোধিত জাতীয় আয়ৰ পৰিমাণ, [System of National Account (SNA)] সমাজত নাৰীৰ অদৃশ্য গৃহশ্ৰমৰ বিষয়খিনি স্পষ্টভাৱে উল্লেখ কৰিবলৈ সক্ষম হৈছে। জাতিসংঘৰ সমীক্ষাত দেখা গৈছে যে সমাজৰ সংখ্যাগৰিষ্ঠ মহিলাসকলে নিজ নিজ সংসাৰৰ বাবে যি কাম-কাজ কৰে, তাৰ অৰ্থনৈতিক মূল্য দিবলগীয়া হ'লে সেয়া দেশৰ জাতীয় আয়ৰ অন্তৰ্ভুক্ত কৰিব লাগিলে কিন্তু সেয়া সমগ্ৰ পৃথিৱীৰ মুঠ উৎপাদনৰ পৰিমাণ প্ৰায় শতকৰা ২০% পৰা ৩০% লৈকে বৃদ্ধি পাব।

লিঙ্গ-সমতা আধুনিক সমাজৰ বাবে এটি অতি গুৰুত্বপূৰ্ণ বিষয়। 'জেণ্ডাৰ ইকুৱেলিটি' বুলি ক'লে বুজোৱা হয় যে নাৰী আৰু পুৰুষৰ মাজত অধিকাৰ, দায়-দায়িত্ব, সুযোগ-সুবিধা সকলো সমান হ'ব লাগিব। অৰ্থাৎ লিঙ্গ সমতাৰ সংগ্ৰামৰ প্ৰকৃত অৰ্থ হ'ল সমাজৰ পৰা সকলো ধৰণৰ বৈষম্য দূৰ কৰাৰ সংগ্ৰাম, আৰু এই সংগ্ৰামৰ মাজতেই নিহিত হৈ আছে পাকঘৰৰ ৰাজনৈতিক বিষয়বিলাক।

বিশ্বত সমাজতন্ত্ৰৰ আৰ্থ-সামাজিক পৰিকাঠামো প্ৰতিষ্ঠা কৰা দেশবিলাকে নিজৰ আদৰ্শ লৈ জীয়াই থাকিব পৰা নাই। ভাঙি টুকুৰা-টুকুৰ হ'ল আৰু তাৰ পিছতেই পুঁজিবাদে অতি সুকৌশলেৰে পাকঘৰ সম্পৰ্কীয় বিষয়সমূহক ৰাজনীতিৰ অঙ্গ কৰি পেলালে। এফালে লিঙ্গ বৈষম্যৰ যি সংগ্ৰাম, তাৰ প্ৰতি পূৰ্ণ সমৰ্থন কৰিলে ঠিকেই, কিন্তু খাদ্য-সামগ্ৰীৰ বিষয়বস্তুখিনিৰ পৰিভাষা সলনি কৰিব ধৰিলে। প্ৰাকৃতিক সম্পদ নহয়, পেকেট সামগ্ৰীহে প্ৰকৃত খাদ্য হ'ব পাৰে, তেনেকুৱা চিন্তা লৈ কাম-কাজ আৰম্ভ হ'ল। ষাঠি দশকৰ পৰা আৰম্ভ হোৱা লিংগৰ উন্নয়নৰ বিষয়সমূহ পৰ্যালোচনা কৰিলে দেখা যায় প্ৰথম অৱস্থাত জাতিসংঘই উন্নয়নৰ মূল্যায়নৰ বিষয়টো (১৯৬০-৭০) নাৰীৰ বাবে উন্নয়ন এনেধৰণৰ কোনো শ্লোগান ৰচনা কৰা নাছিল। তেতিয়ালৈকে এগৰাকী নাৰীৰ গৃহ অন্তৰালতে প্ৰকৃত স্থান, সেয়াই আছিল মূল বক্তব্য। কিন্তু ১৯৭৫ চনত জাতিসংঘই নাৰীবৰ্ষ (IWY) আৰু ১৯৭৬-৮৫ চনত এই সময়ছোৱাত আন্তৰ্জাতিক নাৰীদশক (International Women Decade) ঘোষণা কৰে। তেতিয়াৰ পৰাহে নাৰীৰ ক্ষমতায়নৰ

বিষয়বস্তুবিলাক মানৱাধিকাৰৰ প্ৰেক্ষাপটত বিবেচিত হোৱা আৰম্ভ হ'ব ধৰে আৰু উন্নয়নৰ গুৰুত্বপূৰ্ণ বিষয়ৰূপে চিহ্নিত কৰা হয়। জাতিসংঘই দ্বিতীয় দশকত অৰ্থাৎ ১৯৭০-৮০ দশকত নাৰীৰ বিষয় আৰু উন্নয়নৰ মাজত একধৰণৰ সংযোগ স্থাপন কৰিবলৈ সফল হয়। নাৰীৰ প্ৰতি বিশেষভাৱে উন্নয়নৰ ব্লুপ্ৰিণ্ট তৈয়াৰ কৰা হয়। ক'ব পৰা যায় সেই দশকছোৱা সম্পূৰ্ণৰূপে আছিল নাৰী উন্নয়নৰ দশক। ওৱেজ ফৰ হাইডজনওৱাৰ্কৰ অৰ্থাৎ গৃহশ্ৰমৰ দাবী উচ্চাৰিত হয়। সমগ্ৰ পৃথিৱীত এক ধৰণৰ বিতৰ্ক সৃষ্টি হ'ব ধৰে। লিংগৰ উন্নয়নৰ মূল বিষয়বিলাক আছিল—

নাৰী আৰু পুৰুষৰ মাজত সমতা সৃষ্টি কৰা, নাৰীৰ বাবে স্বতন্ত্ৰতা আৰু ক্ষমতা প্ৰদান কৰা, শ্ৰম মূল্যবিহীন কামৰ লগত পৰিয়াল পৰিকল্পনাৰ বিষয়টো লৈ চিন্তা-চৰ্চা কৰা।

নাৰীবাদী অৰ্থনীতিবিদ্ ইষ্টাৰ বোছেৰূপে (Ester Boserup) এখন মূল্যৱান গ্ৰন্থ ৰচনা কৰিছিল। গ্ৰন্থখনৰ নাম হ'ল 'অৰ্থনৈতিক উন্নয়ন ক্ষেত্ৰত নাৰীৰ ভূমিকা'। তাত লিঙ্গভিত্তিক শ্ৰম বিভাগৰ (Sexual Division of leabour) বিষয়বিলাক বিস্তৃতভাৱে আলোচনা কৰা হৈছিল। প্ৰশ্ন উত্থাপন কৰা হৈছিল সন্তান জন্ম দিয়াৰ প্ৰক্ৰিয়া, ডাঙৰ-দীঘল কৰা, সংসাৰৰ সকলো কাম-কাজ চলাই লৈ যোৱাৰ যি দায়িত্ব, সেয়া অকল নাৰীৰ। এনে ধৰণৰ চিন্তা-ভাবনা কিন্তু বিজ্ঞানসন্মত নহয়। ধনতান্ত্ৰিক ব্যৱস্থাই সেয়া মানি লয়, কিন্তু পৰিয়ালৰ কাম-কাজৰ সামাজিকীকৰণৰ প্ৰক্ৰিয়াক উৎসাহিত নকৰে। গতিকে বিশ্বৰ উন্নত দেশবিলাকত 'পাকঘৰ নিপাত যাওক'ৰ শ্লোগানসমূহ মহিলাসকলে সমৰ্থন কৰিলে। তেনে ক্ষেত্ৰত পুঁজিবাদৰ ভয়ংকৰ লাভ হ'ল। নতুন এক সংস্কৃতিৰ আমদানি হ'ল। প্ৰাচীন খাদ্যাভ্যাসৰ পৰিৱৰ্তন কৰি 'ৰেডি টু ইট' সংস্কৃতি বিস্তৃত হ'ব ধৰিলে। বিভিন্ন প্ৰজন্মৰ লোকসকলক বজাৰ নিৰ্ভৰ কৰি তোলাৰ সংকল্প যেন লোৱা হ'ল, তেনেকুৱা বজাৰ নিৰ্ভৰ আৰু সামাজিক ব্যৱস্থাত যিকোনো বিশেষ অঞ্চলৰ পাকঘৰৰ নিজস্ব বৈশিষ্ট্যবিলাক স্থায়ীভাৱে জীয়াই থাকিব নোৱাৰে। নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীৰ বাবে আঞ্চলিক পাকঘৰৰ ধাৰণাৰ প্ৰতি বিশেষ আকৰ্ষণ নাথাকে। কাৰণ ইতিমধ্যে মুক্ত বজাৰৰ পাকঘৰত সকলো নতুন সামগ্ৰীৰ পয়োভৰ হৈছেগৈ। অলপ পইচা খৰচ কৰিলেই সকলো খাদ্য পোৱা যায়।

ভাৰতবৰ্ষৰ দৰে এখন কৃষি প্ৰধান আৰু প্ৰাকৃতিক সম্পদ, খনিজ সম্পদ, মানৱ সম্পদ সকলো ক্ষেত্ৰত উৰ্ভৈনদী হোৱাৰ পিছত খাদ্য-সামগ্ৰী প্ৰাকৃতিক

সম্পদৰ পৰা বজাৰৰ পেকেট বন্দী পণ্য সামগ্ৰী হৈ যোৱাৰ কাৰণ কি হ'ব পাৰে? যোৱা কেইটামান দশকত আমাৰ দেশৰ প্ৰতিখন ৰাজ্যৰ গাঁও অঞ্চলৰ ছবি সলনি হ'ব ধৰিছে। প্ৰাচীন প্ৰথাগত কৃষি পদ্ধতি যাৰ লগত যুক্ত হৈ আছিল, গ্ৰামীণ নাৰীসকল, ৰোৱনী-দাৱনীৰ ভূমিকা আছিল গুৰুত্বপূৰ্ণ। বীজ সংৰক্ষণৰ পৰা ফচল চপোৱা সকলো পৰ্যায়লৈকে এগৰাকী কৃষক ৰমণীৰ গুৰুত্বপূৰ্ণ অৱস্থান আছিল। বছৰৰ গোটেই সময়খিনি ব্যস্ত হৈ থকাৰ থল আছিল। সেয়া কিন্তু দ্ৰুত গতিত সলনি হ'ব ধৰিছে। ভাৰতীয় নাৰীৰ বাবে 'পাকঘৰ নিপাত যাওক' শ্লোগানবিলাক বাস্তৱসন্মত নহয়, কাৰণ আমাৰ দেশৰ প্ৰাচীন প্ৰবাদ 'ভোকৰ ভাত পিয়াহৰ পানী, ইয়াক নাখালে হয় দেহৰ হানি' সেয়া আছিল অতিকৈ গুৰুত্বপূৰ্ণ প্ৰবাদ।

আজি সমগ্ৰ পৃথিৱীত কিন্তু 'জেনিটিকেল মডিফাইড অ'ৰগেনিজম' সম্পৰ্কীয় ধ্যান-ধাৰণাৰ প্ৰতি সজাগ হ'ব ধৰিছে নাৰী। ইউৰোপৰ বিভিন্ন নাৰী সংগঠনে কিন্তু ëFrankinstein Foodí ৰ বিৰুদ্ধে সৰব হৈছে। সমদল ওলাইছে। 'মাৰ্চ এগেনছ্‌ট মনচান্তো' ইয়াৰ অন্যতম প্ৰতিৰোধ ভাৰতীয় নাৰী সংগঠনবিলাকৰ প্ৰাথমিক কাম-কাজত পাকঘৰৰ বিষয়সমূহ গুৰুত্বপূৰ্ণ হৈ উঠা নাই যদিও 'পাকঘৰ নিপাত যাওক' এই শ্লোগান জনপ্ৰিয় হোৱা নাই। ভাৰতীয় নাৰীৰ জীৱন এতিয়াও সম্পূৰ্ণভাৱে বজাৰ নিৰ্ভৰ নহয়। ◈

প্ৰসংগ ঃ সমূহীয়া পাকঘৰ

ক'ভিড মহামাৰীৰ কালছোৱাত ভাৰতবৰ্ষৰ দৰে জনবহুল উন্নয়নশীল দেশত লক্ষ লক্ষ মানুহে সংস্থাপনৰ পথ হেৰুৱাবলগীয়া হয়। সংস্থাপনৰ পথ সংকুচিত হোৱাৰ বাবে দেশত নিবনুৱা সমস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰিলে। আনকি পৰিয়ালৰ ভৰণ-পোষণ দিব নোৱাৰি পুৰুষজনে আত্মহননৰ পথ বাছি ল'বলৈ বাধ্য হ'ল। তেনেকুৱা পৰিস্থিতিত দেশৰ দৰিদ্ৰ জনতাক সকাহ দিয়াৰ লক্ষ্যৰে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত কেন্দ্ৰীয় চৰকাৰে বিনামূলীয়া চাউল বিতৰণ কৰাৰ কাৰ্যসূচী হাতত ল'লে। কিন্তু এই দেশৰ শতকৰা আশী ভাগ মানুহ দেখোন ইমান দিনলৈকে কৃষিকৰ্মৰ ওপৰতেই নিৰ্ভৰ কৰি জীয়াই আছিল। তেন্তে অনুৎপাদনশীল আঁচনিৰ জৰিয়তে লক্ষ লক্ষ হিতাধিকাৰীৰ সৃষ্টিৰ কাৰণ কি ? সেয়া যেন জনসাধাৰণৰ হাতত ভিক্ষাৰ জোলোঙা তুলি দিয়াৰ কৰ্মকাণ্ড নহয় যেন !

ক'ভিড মহামাৰীৰ কালছোৱাত দেশৰ প্ৰতিখন ৰাজ্যৰ সাধাৰণ লোকৰ আৰ্থ-সামাজিক জীৱনযাত্ৰাৰ লগতে মানসিক অৱস্থাও একে ভয়াৱহ ৰূপ লৈছিল। কেন্দ্ৰীয় মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে প্ৰকাশ কৰা প্ৰতিবেদনত কোৱা হৈছে ক'ভিড পৰিস্থিতিত দেশৰ তেত্ৰিশ লক্ষ শিশুৱে পুষ্টিহীনতাৰ চিকাৰ হৈছে। চৌত্ৰিশখন ৰাজ্য আৰু কেন্দ্ৰ শাসিত অঞ্চলত জৰীপ চলাই তথ্য সংগ্ৰহ কৰি পোৱা তথ্য মতে দেশৰ শতকৰা যাঠি ভাগ মানুহ দৰিদ্ৰ সীমাৰেখাৰ মাজতে আছে। প্ৰতিদিন দুবেলা দুমুঠি ভাতৰ ব্যৱস্থা কৰাটোৱে যেন নিৰন্তৰভাৱে প্ৰত্যাহ্বান হৈ পৰিছে। আইডিয়াছ ফৰ ইণ্ডিয়াৰ অন্বেষণ মতে ক'ভিড পৰিস্থিতিৰ সময়ছোৱাত কেইজনমান ধনকুবেৰৰ হাতত শতকৰা ৩৫% ধন-সম্পদ বাঢ়িছে। আনফালে চহৰাঞ্চলৰ মানুহৰ প্ৰায় শতকৰা ৪৭% উপাৰ্জন কমিব ধৰিছে। যাৰ পৰিণাম হ'ল দেশত ভোকাতুৰ, নিবনুৱা আৰু পৰিচয়হীন মানুহৰ সংখ্যা বাঢ়িব ধৰিছে, দিন হাজিৰা কৰা শ্ৰমিক, ক্ষুদ্ৰ ব্যৱসায়ী, ছাত্ৰসকলৰ মাজতে আত্মহননৰ ঘটনাও বাঢ়িব ধৰিছে। হয়তোবা এই সমস্যাৰ সমাধান বুলি ভবা হ'ল, ৰাষ্ট্ৰীয় খাদ্য আইনৰ

অধীনত ৰেচন কাৰ্ড থকা মানুহৰ বাবে প্ৰতিমাহে পাঁচ কিলো চাউল যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছিল। দেখা গ'ল এই সময়ছোৱাত কৃষক সম্প্ৰদায়ৰ নতুন প্ৰজন্মৰ ল'ৰাসকলে শস্য উৎপাদনৰ প্ৰতি বীতৰাগ হৈ পৰিছে। সেয়া যেন অস্বীকাৰ কৰিব নোৱাৰা এক নিৰ্মম সত্য। এটা যুগলৈকে অসমৰ গ্ৰামীণ জীৱনৰ সৰহভাগ লোকেই কৃষিৰ ওপৰতেই নিৰ্ভৰ কৰি জীয়াই আছিল। এতিয়া আধুনিক জীৱনৰ সদস্য হৈ উঠাৰ প্ৰতিযোগিতা, গাড়ী, বাইক আদি বাহন কিনি দিয়াৰো প্ৰতিযোগিতা আৰম্ভ হৈছে। ফলত কৃষক পৰিয়ালৰ সন্তানে খেতিৰ মাটি বিক্ৰী কৰিবলৈও কুণ্ঠাবোধ নকৰে। প্ৰতিখন জিলাতেই কৃষিভূমি বিক্ৰীৰ যেন প্ৰতিযোগিতা চলি আছে। স্বাভাৱিকভাৱেই কৃষিভূমিৰ পৰিমাণ সংকুচিত হৈ আহিবলৈ ধৰিছে। ভাবিবলৈ অসুবিধা হয় কৃষি ব্যৱস্থাত প্ৰৱৰ্তিত হোৱা সেউজ বিপ্লৱৰ দেশত অধিকাংশ মানুহক বিনামূলীয়া চাউল বিতৰণ কৰা হৈ আছে। দৈনিক খাবলৈ নাপাই মৃত্যু হোৱা লোকৰ সংখ্যা বৃদ্ধি পাইছে। হেজাৰ হেজাৰ ল'ৰা-ছোৱালী প্ৰতিদিনে খেতিপথাৰ এৰি চহৰলৈ ঢাপলি মেলিব ধৰিছে। অসমৰ বাহিৰত গৈ ব্যক্তিগত কোম্পানীত কাম কৰিবলগীয়া হৈছে।

নাতিনীয়ে যিমানে অতীতৰ কথাবোৰ মনত নেপেলাবলৈ চেষ্টা কৰে, সিমানেই কিছুমান কথাই এতিয়াও আমনি কৰে। তাইৰ মনৰ নিভৃত কোণত চিৰসেউজীয়া হৈ থকা কথাবোৰ এতিয়া যেন বতাহত উৰি ফুৰে। আইতাই কৈছিল— "আহিন-কাতি মাহ সোমোৱাৰ লগে লগেই গাঁৱৰ প্ৰতি ঘৰতেই ভঁৰালবোৰ ঠিক-ঠাক কৰাৰ কাম আৰম্ভ হৈছিল। পুৰণি ধানখিনি একাষে ৰাখি, নাইবা ভঁৰালৰ বাহিৰলৈ উলিয়াই থৈ নতুন ধান থ'বলৈ ঠাই উলিয়াই লোৱা হৈছিল। পথাৰৰ নতুন ধান আহিব, কিমান যে হেঁপাহেৰে অপেক্ষা কৰিছিল সকলোৱে। আঘোণ মাহৰ পথাৰৰ ধান সোণালী হৈ পৰিলে ঘৰৰ গৃহিণীসকলৰ কিমান যে কাম! তামোল-পাণ, খোৱা বস্তু, পথাৰত খোৱা বস্তুবোৰ যোগান ধৰিব লাগে। তাত কাটি খোৱা হ'ব ৰবাব টেঙা। এতিয়া ধান চপোৱাৰ যান্ত্ৰিক ব্যৱস্থা হ'ল কম্বাইন হাৰ্ভেষ্টাৰ। এই যন্ত্ৰৰ জৰিয়তে কৃষকে কম কষ্টত সোনকালে ধান চপাব পাৰিব। অৰ্থাৎ দাৱনীৰ এতিয়া কাম নাই। ৰাজ্য চৰকাৰে এই যন্ত্ৰ অৰ্থাৎ চপোৱা আৰু মৰণা মৰা যন্ত্ৰ বিতৰণ কৰিছে। কৃষি যান্ত্ৰিকীকৰণৰ যোগেদি কৃষকসকলে কম সময়ৰ ভিতৰতে অধিক উৎপাদন কৰি বাৰ্ষিক আয় দুগুণ কৰিব পাৰিব। কিন্তু কৃষক সম্প্ৰদায়, কৃষি-সংস্কৃতিৰ ছবি দেখোন এতিয়া সলনি হ'ব

ধৰিছে। এতিয়া কৃষিকৰ্ম নহয় কৃষিপ্ৰযুক্তিৰ যুগ। দেখা যায়, বিনা পইচাৰ চাউলৰ প্ৰতি সংখ্যাগৰিষ্ঠ মানুহৰ এক ধৰণৰ নিৰ্ভৰতা গঢ় লৈ উঠিছে। ভয়ানক নিৰ্ভৰতা। কৰ্মবিমুখ ৰাইজ সৃষ্টি হৈছে। ইয়াৰ সমাধানৰ পথ কিন্তু আছে। সেয়া হ'ল সমূহীয়া পাকঘৰ কৰা। বিভিন্ন চৰকাৰী, বেচৰকাৰী সংগঠন, মহিলা সংগঠন, শ্ৰমিক, ছাত্ৰ সংগঠনৰ নেতৃত্বত স্থান বিশেষে সমূহীয়া পাকঘৰ তৈয়াৰ কৰাৰ পৰিকল্পনাক সাংগঠনিক কাৰ্যক্ৰম বুলি ভাবিব পৰা যায়।"

ৰান্ধনীশালা নাইবা পাকঘৰ শব্দটো যথেষ্ট স্পৰ্শকাতৰ এটি বিষয়। পাকঘৰ বাদ দি এটি পৰিয়াল গঠন হৈছে সেয়া আমি কল্পনাও কৰিব নোৱাৰোঁ। ৰাতিপুৱাৰ পৰা ৰাতিলৈকে এটি পৰিয়ালৰ পাকঘৰ সুব্যৱস্থিতভাৱে পৰিচালিত কৰাৰ মূল দায়িত্ব বহন কৰে নাৰীয়ে। এগৰাকী নাৰীৰ আৰ্থ-সামাজিক পৰিচয় থাকিলেও নিজ গৃহৰ ৰান্ধনী হোৱাৰ দায়িত্বৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হৈ উঠা সম্ভৱ নহয়। মুষ্টিমেয় অৰ্থবান পৰিয়ালৰ গৃহিণীসকলৰ কথা সুকীয়া। তেওঁলোকে অৰ্থ খৰচ কৰি ৰান্ধনীৰ ব্যৱস্থা কৰে, আকৌ নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীৰ মাজত বজাৰৰ 'ৰেডি টু ইট' পেকেট খাদ্য-সামগ্ৰী নিৰ্ভৰ হোৱাৰ প্ৰচলন দেখা কেণ্টিন (Stolovye) আৰু কিচ্চেন ফেক্টৰী (Fabrikikhini) তৈয়াৰ কৰা হৈছিল। প্ৰায় দুই দশক ধৰি সমাজতান্ত্ৰিক ছোভিয়েট ৰাছিয়াৰ সমাজ-জীৱনৰ গুৰুত্বপূৰ্ণ শ্লোগান আছিল, 'Social, Tasty and Healthy Food'।

প্ৰাচীন ভাৰতবৰ্ষতো সমূহীয়া ৰান্ধনীশালা আছিল। উদাৰ ধৰ্মগুৰুসকলৰ সমাজ সংস্কাৰৰ মনোভাবৰ পৰা গঢ় লৈ উঠিছিল সমূহীয়া পাকঘৰ। 'লংগৰ' শব্দটোৰ উৎপত্তি হৈছিল ছুফী দৰ্শনৰ পৰা। বাৰশ শতাব্দীত জনৈক বাবা ফৰীদে এখন ছুফী লংগৰখানা গঠন কৰিছিল। তেওঁৰ মাথোঁ এটাহে ইচ্ছা আছিল যে দুখীয়া মানুহৰ বাবে এসাজ খাদ্য পৰিৱেশন কৰা হ'ব। একেদৰে শিখ ধৰ্মগুৰু নানকেও অনুভৱ কৰিছিল যে গুৰুদ্বাৰৰ পৰা এজন মানুহেও অভোক হৈ উভতি নাযায়। আজিও তেওঁৰ দৰ্শন পালিত হয়, অমৃতসৰৰ স্বৰ্ণমন্দিৰত প্ৰতিদিনে প্ৰায় পঞ্চাশ হাজাৰ মানুহে তৃপ্তিৰে আহাৰ গ্ৰহণ কৰে। তাত জাতি-ধৰ্ম-বৰ্ণ পৰিচয়পত্ৰ দাখিলৰ প্ৰশ্ন নুঠে। সমূহীয়া পাকঘৰ গঢ় দিয়াৰ যি চিন্তা তাত সামাজিক, ৰাজনৈতিক চিন্তাৰ প্ৰতিফলন দেখিবলৈ পোৱা যায়। পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত ফেচীবাদৰ চিন্তা এই সমূহীয়া বিষয়টোৰ তুলনাত নাৰীৰ শ্ৰমৰ বিষয়খিনি দ্ৰুত পৰিসৰেৰে চিন্তা কৰিবলৈ বাধ্য কৰে। তাৰ উৎকৃষ্ট উদাহৰণ হ'ল— ১৯৩৩

চনৰ পৰা ১৯৪৫ চনলৈকে যেতিয়া জাৰ্মানীত ফেচীবাদৰ উত্থান হৈছিল, হিটলাৰে দেশৰ নাৰীৰ বাবে ঘোষণা কৰিছিল যে নাৰীসকল পাকঘৰলৈ উভতি যোৱা। তেওঁ সমূহীয়া পাকঘৰৰ কথা উল্লেখ কৰা নাই, বৰঞ্চ তেওঁৰ বক্তব্য আছিল যে প্ৰতিগৰাকী নাৰীৰ বাবে তিনিটা সামগ্ৰীৰ প্ৰয়োজন। সেয়া হ'ল বাচন, ডাষ্টবিন আৰু ঝাড়ু। দেশৰ সেনাবাহিনী, চৰকাৰী বিভাগ, আইনী ব্যৱস্থাত নাৰীৰ উপস্থিতিৰ প্ৰয়োজন নাই।

পৰিতাপৰ কথা হ'ল আমাৰ দেশতো শেহতীয়াকৈ বিভিন্ন কৰ্মক্ষেত্ৰত মহিলা কৰ্মীৰ সংখ্যা হ্ৰাস পাব ধৰিছে। কৰ্মনিযুক্তি নাই বুলি ক'ব পাৰি। এনেকুৱা পৰিস্থিতিত সমূহীয়া পাকঘৰ গঢ়ি তুলিব পাৰিলে নাৰী শ্ৰম শক্তিৰ সঠিক ব্যৱহাৰ হ'ব যেন অনুভৱ হয়। সমূহীয়া পাকঘৰৰ বিষয়খিনি সাময়িকভাৱে সংসদীয় ৰাজনীতিৰ এটা শক্তিশালী অস্ত্ৰ হৈ উঠে। তামিলনাডুত 'আম্মা কেণ্টিন'ৰ কথা আমি সকলোৱে জানো। প্ৰয়াত নেত্ৰী জয়াললিতাই নিজৰ ৰাজ্যত তিনিশৰো অধিক এনেধৰণৰ কেণ্টিন তৈয়াৰ কৰিবলৈ সক্ষম হৈছিল। তাত সৰহভাগ কৰ্মচাৰী আছিল মহিলা। আম্মা কেণ্টিনত সোমালে এগৰাকী ভোকাতুৰ মানুহে এক প্লেট ইডলি মাত্ৰ এটকাতে ক্ৰয় কৰিব পাৰিছিল। তেতিয়া ব্যক্তিগত মালিকানাধীন পৰিচালিত ৰেস্তোঁৰাত এক প্লেট ইডলিৰ দাম আছিল পঁচিশ টকা। পৰিষ্কাৰ-পৰিচ্ছন্ন আম্মা কেণ্টিন জয়াললিতাৰ অতি জনপ্ৰিয় ৰাজনৈতিক কৰ্মসূচী আছিল। পশ্চিমবংগতো নিৰ্বাচনৰ পূৰ্বে মমতা বেনাৰ্জীয়ে তৈয়াৰ কৰিছিল 'মায়েৰ ৰান্নাঘৰ' নামেৰে সমূহীয়া পাকঘৰ। য'ত পাঁচ টকাৰে কেইবাবিধ আঞ্জাৰে পেটভৰাই খাব পাৰিছিল জনসাধাৰণে। নিৰ্বাচনী যুদ্ধ জয়ৰ প্ৰতি লক্ষ্য ৰাখি হাতত লোৱা এই কাৰ্যসূচীত সাধাৰণ মানুহৰ বাবে নিশ্চিতভাৱে কিছু লাভ হয়। সমাজৰ বিভিন্ন স্তৰৰ মানুহক একেই উদ্দেশ্যত একত্ৰিত কৰা সম্ভৱ হয়। ২০১৭ চনত বাংলাদেশলৈ গৈছিলোঁ। তাত কক্স বজাৰত দেখিছিলোঁ আব্দুল হাছিম নামৰ সাতাইশ বছৰীয়া যুৱকৰ নেতৃত্বত গঢ় লৈ উঠিছিল ৰোহিংগা কেম্পত এখন সমূহীয়া পাকঘৰ। প্ৰতিদিনে তাতে এঘাৰ-বাৰ হেজাৰ ৰোহিংগা শিশুৱে খাদ্য গ্ৰহণ কৰিছিল। অকল খাদ্য গ্ৰহণেই নহয়, পঢ়া-শুনা, যৌথ সাংস্কৃতিক কাৰ্যক্ৰম সকলো কাম-কাজ সমূহীয়া পাকঘৰৰ যোগেদি সম্পাদন কৰা হৈছিল।

খাদ্য-সামগ্ৰীৰ মূল্যবৃদ্ধি, চিলিণ্ডাৰৰ দাম বাঢ়িলে, দেশৰ বিভিন্ন ঠাইত বিৰোধী পক্ষই যেতিয়া ৰাজপথত সমদল উলিয়াই তাৰ সুদীৰ্ঘ প্ৰভাৱ দেখা

নাযায়। কিন্তু সমূহীয়া ৰান্ধনীশালা এখন গঢ়ি তুলিব পাৰিলে ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক বহুমাত্ৰিক চিন্তাৰ প্ৰচাৰ-প্ৰসাৰ নিশ্চিতভাৱে বাঢ়িবলৈ ধৰে। এখন সুন্দৰ বৈষম্যহীন সমাজ গঢ় দিয়াৰ বাবে মূলতঃ তিনিটা প্ৰাথমিক কৰ্মসূচীহে গুৰুত্বপূৰ্ণ। সেয়া হ'ল অধিকসংখ্যক সমূহীয়া ৰান্ধনীশালা গঠন কৰা, গ্ৰামাঞ্চলত যৌথ কৃষিকৰ্ম কৰি সমবায়ভিত্তিত কৃষিবজাৰ গঠন কৰা আৰু শস্য সামগ্ৰী সুৰক্ষিত ৰখাৰ বাবে শস্যভঁৰাল তৈয়াৰ কৰা। এই তিনিওটা কাম যৌথভাৱে কৰিলে যৌথ জীৱন গঢ় দিব পৰা যায়। পাকঘৰৰ দুশ্চিন্তাৰ পৰা মুক্ত হ'ব পাৰিলে কিশোৰ-কিশোৰীসকলে আধা বাটত বিদ্যালয়লৈ যাবলৈ এৰি দিয়া, ভিন্ন ৰাজ্যলৈ প্ৰব্ৰজনকাৰী শ্ৰমিক হ'বলৈ বাধ্য নহ'লহেঁতেন। কেইটামান টকাৰ কাৰণে খেতিপথাৰ এৰি চহৰলৈ ঢাপলি মেলা দেখা গৈছে। অসমৰ বাহিৰলৈ গৈ কোম্পানীত কাম কৰিবলৈ যাওঁতে আকৌ আধা বাটতে কিবা নহয় কিবা সমস্যাত ভুগি মৃত্যুবৰণ কৰিবলগীয়া হৈছে। নৱ প্ৰজন্মৰ ল'ৰা-ছোৱালীৰ বাবে সমূহীয়া পাকঘৰ এটিয়ে নতুন বাট মুকলি কৰিব পাৰে— ড্ৰাগছ্, মদ, গাঞ্জা, জুৱা, মোবাইল ফোনত ব্যস্ত থকাৰ সময় নহ'ব, শ্ৰমমুখী জীৱন গঢ়াৰ সময়।

দাৰ্শনিক ৰুছোৱে কৈছিল— মানুহ বিলাসী, কৃত্ৰিম আৰু বেয়া হৈ গৈ আছে, কাৰণ মানুহে প্ৰকৃতিৰ পৰিৱেশ এৰি আহিছে। হয় জাকজমক শ্বপিংমল হৈছে, চালে চকু যেন চাট মাৰি ধৰে। শ্বপিংমলৰ নিয়মীয়া গ্ৰাহক হোৱাৰ লক্ষ্যত যেন দৌৰি আছে জনজীৱন। কৰ্মহীনতা, অপুষ্টি, ভোকাতুৰ মানুহৰ সংখ্যা বৃদ্ধিৰ সময়ছোৱাত আঁচনিৰ জৰিয়তে বিনামূলীয়া চাউল একধৰণৰ সাময়িক সকাহ প্ৰদান কৰে। কিন্তু পাহৰিলে নহ'ব, এই সময়ছোৱাত এফালে কোটিপতিৰ সংখ্যা যিমান বৃদ্ধি পাইছে, আনফালে দুৰ্বল, গৰীৱ দুখীয়া মানুহৰ সংখ্যাও বৃদ্ধি পাইছে। যি সময়ত কোনো দেশ যদি সঁচা অৰ্থত বিকাশৰ পথত আগবাঢ়ি যায় উন্নয়ন যিমানেই হওক, এনে শিশু কিম্বা এগৰাকী মাতৃয়ে যদি ভোকাতুৰ অৱস্থাত আত্মহত্যা কৰিবলৈ বাধ্য হয়, সেয়া কিন্তু সকলো সুনাগৰিকৰ বাবে লজ্জাজনক ঘটনা, সেয়া ক'বই লাগিব। এনেক্ষেত্ৰত সমূহীয়া পাকঘৰৰ বিশাল ভূমিকা আছে। ◈

ভাসমান পাকঘৰ

আজিৰ পৰা দুশ বছৰ আগলৈকে দেশৰ সকলো ঠাইতে থকা মহিলাৰ বাবেই ৰন্ধা-বঢ়াৰ বিষয়খিনি আছিল অত্যন্ত পৰিশ্ৰমৰ বিষয়। যুগ পৰিৱৰ্তনৰ লগে-লগে কিন্তু সেয়া কিছু পৰিমাণে সহজ হৈ পৰিছে। বহু ক্ষেত্ৰত কিছু ৰন্ধন উপকৰণ যেনে— প্ৰেছাৰ কুকাৰ, গেছ ষ্টোভ, মাইক্ৰোওভেনৰ দৰে সামগ্ৰী ৰন্ধা-বঢ়াৰ সময়ৰ বিৰাট তাৰতম্য ঘটাবলৈ সক্ষম হৈছে। পাকঘৰৰ মানচিত্ৰ দ্ৰুত গতিত সলনি হৈছে। এয়া নগৰায়নৰ প্ৰক্ৰিয়াৰ ফলাফল বুলি ক'ব পাৰি। এতিয়া মডুলাৰ কিচেনৰ যুগ। অকল মহানগৰতেই আধুনিক পাকঘৰ দেখিবলৈ পোৱা নাযায়, গাঁৱৰ ঘৰতো আগৰ নিচিনা ৰান্ধনীঘৰৰ ধাৰণা এতিয়া আৰু নাই বুলিয়েই ক'ব পাৰোঁ।

উত্তৰ লক্ষীমপুৰৰ এগৰাকী স্বনামধন্য বিদুষী নাৰী ধনদা কুমাৰী শইকীয়ানীয়ে ৰান্ধনী বা ৰন্ধন প্ৰণালী নামৰ এখন গ্ৰন্থ ১৯২৪ চনতেই লিখিছিল। অকল সেয়াই নহয়, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ দ্বাদশ বছৰৰ, চতুৰ্থ অধিৱেশনৰ সভাত সংশোধিত ৰান্ধনী পুথিখন অনুমোদিত হৈছিল আৰু সেই পুথিৰ বাবে ডেৰশ টকা পুৰস্কাৰ ঘোষণা কৰি লেখিকাক দিয়া হৈছিল। সেইখন গ্ৰন্থৰ কেইবাটাও সংস্কৰণ ছপা হৈ গৈ থাকিল। হোমেন বৰগোহাঞিদেৱে এবাৰ 'আমাৰ অসম' কাকতত গ্ৰন্থখনি সম্পৰ্কে লিখিছিল। সেইখন গ্ৰন্থ যেতিয়া পঢ়িছিলোঁ, তাহানিৰ অসমীয়া পাকঘৰ সম্পৰ্কে এটি বিস্তৃত আভাস পাইছিলোঁ। লগতে তাহানিৰ পাকঘৰৰ মানচিত্ৰ সম্পৰ্কে ধাৰণা কৰিব পৰা যায়। লেখিকাই গৃহস্থসকলৰ বাবে ৰান্ধনী ঘৰটো কেনেকুৱা হ'ব লাগে, সেই সম্পৰ্কত কেইআষাৰমান কথা কৈছিল যেনে ;

'ৰান্ধনী ঘৰটো ওখ আৰু আহল-বহল হ'ব লাগে। ৰান্ধনী ঘৰৰ খিৰিকীবোৰ ভালকৈ পোহৰ সোমাব পৰা আৰু বতাহ চলাচল কৰিব পৰা হ'ব লাগে। ৰান্ধনী ঘৰৰ ভেটিটোও ওখ হ'ব লাগে। ৰান্ধনী ঘৰটোত দুটা কোঠালি থাকিব লাগে।

শাক-পাচলি, পানী আৰু জুহালৰ কাৰণে এটা কোঠালি আৰু আনটো ৰন্ধা-বঢ়া কৰিবৰ কাৰণে।

কাঁহী-বাটি, শাক-পাচলি, মচলা আদি থ'বৰ কাৰণে বেৰত লগাকৈ কাঠৰ বা বাঁহৰ সৰু-সৰু চাং কেইখনমানত ৰান্ধনীক লগা বস্তুবোৰ পৰিপাটিকৈ সজাই থ'ব লাগে। এনেদৰে থ'ব লাগে যেন হাত দিয়েই লগা বস্তুটো ততালিকে উলিয়াব পাৰি। মামৰে ধৰা টিনত কোনো বস্তু থ'ব নালাগে। টিনৰ মামৰ বিহৰ তুল্য। মচলা আদি চাফা বটলত থিলা বন্ধ কৰি থ'ব লাগে। মচলা আদি পিহিবৰ কাৰণে এখন শিলৰ পটা আৰু পটা গুটি চাফ্ চিকুণকৈ থ'ব লাগে।

জলপান, গাখীৰ আদি থ'বৰ কাৰণে ৰান্ধনী ঘৰত কাঠ আৰু লোৰ ঘন চালনীৰে কৰা এটা আলমাৰি থাকিব লাগে। এনেকুৱা আলমাৰিত বস্তু থ'লে মাখি পৰিব নোৱাৰে আৰু মেকুৰীয়েও মুখ দিব নোৱাৰে।

আখা বা চৌকা আলতীয়া মাটি বা ইটাৰে তৈয়াৰ কৰি ল'ব লাগে। চৌকাটো ভাল হ'লে অলপ খৰিতেই নিচেই কম সময়ৰ ভিতৰতে ভাত ৰান্ধি খুৱাব পাৰি। আখলৰ আগ বা ভাত ৰন্ধা কোঠালিটো সদায় মচি চাফ-চিকুণ কৰি ৰাখিব লাগে, ৰন্ধা সঁজুলিবোৰ নিতৌ ঘঁহি-পিহি ধুই চাফা কৰি ৰাখিব লাগে। পৰাপক্ষত ৰন্ধা-বঢ়া বস্তুবোৰ হাতেৰে চুব নালাগে। হেঁতাৰে বা চামুচেৰে ভাগে ভাগে বাকি খাবলৈ দিয়া ভাল। চৰুলৈ যোৱাৰ আগতে ৰান্ধনীয়ে গা-পা, হাত-ভৰি ধুই চাফ-চিকুণ হৈ ল'ব লাগে। ৰান্ধনীৰ পিন্ধা কাপোৰ আৰু হাত মচা কাপোৰো নিকা বা মলি নথকা হ'ব লাগে। বৰ বেমাৰ বা আন কোনো সোঁচৰা ব্যাধি থকা মানুহে আনক ৰান্ধি-বাঢ়ি খুওৱা অযুগুত। জুহালৰ ওপৰত এখন ওখ খৰিৰ চাং থাকিব লাগে। জুহালৰ ওপৰত চাং থাকিলে ৰান্ধনীয়ে খৰি নমাওতে দুখ নাপায়।

মাটিত পৰা খোৱা বস্তু খাবলৈ দিব নালাগে, যদি নিদিলে নহয়, তেন্তে ভালকৈ ধুইহে খাবলৈ দিব লাগে। মাখি পৰা বস্তু বা মেকুৰীয়ে মুখ দিয়া বস্তু খাবলৈ দিয়া উচিত নহয়। ধনদা কুমাৰী শইকীয়ানীৰ লিখিত এই কেইআষাৰমান কথাৰ প্ৰাসঙ্গিকতা হয়তোবা এতিয়াও সম্পূৰ্ণৰূপে নাইকিয়া হৈ যোৱা নাই। অত্যন্ত গাঁও অঞ্চলৰ মহিলাসকলৰ বাবে গুৰুত্ব বহন কৰে। কিন্তু চহৰ, মহানগৰ, চহৰৰ কাষৰ গাঁও অঞ্চলত এতিয়া পাকঘৰৰ চিত্ৰ সম্পূৰ্ণ সলনি হৈ গৈছে। ক'বলৈ গ'লে বিশাল পৰিৱৰ্তন হৈছেগৈ। কয়লা নাইবা খৰিৰ ব্যৱহাৰ নাই।

ইয়াৰ উপৰি পাকঘৰৰ বাবে ব্যৱহাৰ হোৱা সামগ্ৰীবোৰ ইলেকট্ৰনিক বা যন্ত্ৰচালিত হোৱা দেখা গৈছে।

গাঁৱৰ ঘৰতো অধিকাংশ মানুহে গেছ ব্যৱহাৰ কৰে। ক'বলৈ গ'লে যোৱা দুই-তিনি দশকৰ ভিতৰতেই এক বিশাল পৰিৱৰ্তন হৈ গৈছে। সৰ্বত্ৰই মডুলাৰ পাকঘৰৰ প্ৰচলন এতিয়া। বিশেষতঃ মহানগৰৰ বুকুত গজি উঠা ফ্লেট আৰু এপাৰ্টমেণ্টৰ জীৱনত পীৰা পাৰি ভাত খোৱাৰ সংস্কৃতি নাই বুলিয়েই ক'ব পাৰি। ডাইনিং টেবুলৰ সংস্কৃতি এতিয়া। শিলপটাৰ সলনি মিকছি হৈছে। কাঁহ নাইবা ষ্টীলৰ কাঁহী-বাটিৰ সলনি ক্লকাৰিজৰহে পয়োভৰ। আগতে গৃহস্থৰ ঘৰতে সৰু এটি ষ্টোৰ ৰুম আছিল, অলপ পোহৰ অলপ আন্ধাৰে ভৰা সেই কোঠাত এটি নিৰ্দিষ্ট মাহৰ বাবে চাউল-দাইল, বিভিন্ন শুকান সামগ্ৰী ৰখা হৈছিল। তাত সৰু-সৰু নিগনিও নিশ্চিন্তে বসবাস কৰিব পাৰিছিল, সন্তান জন্ম দিব পাৰিছিল। ঘৰৰ গৃহিণীৰ দায়িত্ব আছিল মাজে-মাজে কোঠালিটো চাফ-চিকুণ কৰা। এতিয়াৰ গৃহিণীসকলে এই দায়িত্বৰ পৰা মুক্ত হ'ব পাৰিছে। এতিয়াৰ ঘৰবিলাকত 'ডাইনিং স্পেছ' এটি গুৰুত্বপূৰ্ণ ঠাই। আজিকালি সৰ্বত্ৰই 'মডুলাৰ কিচেন'ৰ নতুন বিজ্ঞাপন, ëKutchinaíৰ কথা হ'ল 'টেষ্ট ফৰ ট্ৰু ৰিফলেকছন অফ ইয়োৰ পাৰ্চনালিটি'। আকৌ উদাৰ বিজ্ঞাপন হ'ল এগৰাকী পুৰুষ মডেলে দুই কাপ কফি তৈয়াৰ কৰি লয়। 'অব কিচেন সে নিকলনা মুস্কিল হ্যায়' এই বিজ্ঞাপনবোৰ চাই থাকিলে অনুভৱ কৰিবলৈ বাধ্য হওঁ যে মুক্ত বজাৰ নিজৰ বাণিজ্যৰ স্বাৰ্থতেই হওক লিঙ্গবৈষম্যক কোনোভাৱেই উৎসাহিত নকৰে। ক্ৰেতাৰ মাজত নাৰী আৰু পুৰুষৰ বিভেদ সৃষ্টি নকৰাকৈ সামগ্ৰী বিক্ৰীৰ আয়োজন কৰে। বজাৰে প্ৰতিষ্ঠা কৰিব বিচাৰে আধুনিক পাকঘৰ অকল নাৰীৰ বাবে নহয়। আজিকালি হোটেল মেনেজমেণ্ট বিষয়টো লৈ যথেষ্টসংখ্যক পুৰুষেই পঢ়া-শুনা কৰে। সেয়া নিশ্চিতভাৱে উত্তৰণ। কাৰণ এটা সময় আছিল, যেতিয়া দেশৰ সকলো প্ৰান্তৰ পাকঘৰৰ বাবে এটাই ছবি আছিল, সেয়া হ'ল ঘৰৰ গৃহস্থই ডাঙৰ বেগ ভৰাই শাক-পাচলি, মাছ-মাংস আনি দিব আৰু ঘৰৰ গৃহিণীয়ে আঞ্জা কাটি-মেলি, বিধে-বিধে আঞ্জা প্ৰস্তুত কৰি ঘৰৰ সকলোকে খুৱাই-বুৱাই আনন্দ লাভ কৰিব। এতিয়া মডুলাৰ কিচেনে সেই পুৰণি চিন্তাধাৰাৰ সলনি ঘটালে। এই নতুন আধুনিক মডেলৰ পাকঘৰৰ 'ৰন্ধা-বঢ়া' কৰাৰ উপাদানো ভিন্ন। লোহাৰ ডাঙৰ কেৰাহী, বটোৱা, হেতা-খুনতি সকলো ভিন্ন। আনকি ডাঙৰ মোনা ভৰাই খাদ্য-সামগ্ৰী

কিনি অনাৰ দৃশ্যপটো সলনি হৈছেগৈ। এতিয়া পেকেট খাদ্যৰ যুগ। পৃথিৱীৰ বিভিন্ন দেশৰ মাজতে ভাৰতবৰ্ষত এতিয়া পেকেট খাদ্য ব্যৱহাৰকাৰীৰ সংখ্যা তৃতীয় নম্বৰত আছে। ২০২০ চনলৈকে এই পৰিসংখ্যা আছিল সাতচল্লিশ বিলিয়ন টন। আমেৰিকা, চীন দেশৰ পিছতেই ভাৰতবৰ্ষ আছিল। আমাৰ দেশৰ এজন মানুহে বছৰত চৌৱিশ কে.জি. পেকেট খাদ্য গ্ৰহণ কৰে। পেকেট খাদ্য বুলি ক'লে, ৰেডি টু ইট খাদ্য, সেয়া মাথোঁ, পেকেট কাটি কুকাৰত গৰম কৰি ল'লেই হ'ল। ইয়াৰ উপৰি সৰু-সৰু ল'ৰা-ছোৱালীৰ বাবে নিৰ্মিত বিধে-বিধে বেবি ফুড, চকলেট, বিস্কুট, ফলৰ ৰস, মেগি, ওটচ্ সকলো খাদ্য। অৰ্থাৎ প্ৰাকৃতিক উপাদান নহয়, কৃত্ৰিম উপাদানেৰে তৈয়াৰ কৰা খাদ্য-সামগ্ৰী। দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী পৃথিৱীত উন্নয়ন কিম্বা বিকাশৰ পৰিভাষাৰ লগত যুক্ত কৰা হৈছে পাকঘৰ কিম্বা কিচেনৰ বিষয়টোক। খাদ্য সুৰক্ষা, খাদ্য সংকট, সবুজ বিপ্লৱ নাইবা খাদ্য সাৰ্বভৌমত্বৰ নতুন পৰিভাষাৰ মাজতেই খাদ্যদ্ৰব্যৰ যি আন্তৰ্জাতিক বজাৰ, বীজ, ৰাসায়নিক সাৰ, কীটনাশক সামগ্ৰী সকলোখিনিয়েই এটা সময়ৰ পিছত বহুজাতিক কোম্পানীবোৰৰ হাতৰ মুঠিত বন্দী হৈ পৰিছে। বিশ্বত কৰ্পোৰেট ফুড ৰেজিমৰ যি পথ চলে তাত কোনখন খাদ্য কোনে কিদৰে ব্যৱহাৰ কৰিব, সেয়া বজাৰৰ নিৰ্দেশত চলি থাকে। যিকোনো খাদ্য-সামগ্ৰীৰ বিজ্ঞাপনৰ বাবে প্ৰচুৰ পৰিমাণে অৰ্থ খৰচ কৰা হয়। যিহেতু যোৱা কিছু দশকৰ পৰাহে ভাৰতীয় সমাজৰ সকলো প্ৰান্তত নগৰায়নৰ প্ৰক্ৰিয়া অতি দ্ৰুতগতিত সম্পাদন হোৱা পৰিলক্ষিত হৈছে। মহিলাসকলেও ঠিক আগৰ দৰে অকল গৃহবধুৰ ভূমিকা পালন কৰিয়ে সন্তুষ্ট হৈ থকা নাই। আৰ্থ-সামাজিক প্ৰয়োজনৰ বাবেহে মহিলাসকলে চাকৰি-ব্যৱসায় কিম্বা বিভিন্ন ধৰণৰ ব্যক্তিগত কাম-কাজৰ লগত যুক্ত হৈ থাকে। আগৰ দৰে সন্তান-সংসাৰ ধৰ্ম পালনৰ প্ৰক্ৰিয়া পৰিৱৰ্তন দ্ৰুত হাৰত হৈ আছে। সন্তানসকলে অতি কম বয়সতেই মোবাইল আৰু টি.ভি.ৰ বিজ্ঞাপনৰ স'তে পৰিচিত হ'ব ধৰিছে। নিজে বসবাস কৰা ঠাইত থকা সকলো ৰেস্তোঁৰাৰ বিজ্ঞাপন চাই ল'ৰা-ছোৱালী, কিশোৰ-কিশোৰীসকলে গম পাই যায় কি খাদ্য কোন ঠিকনাৰ পৰা আনি খাব লাগে। ডেকা-গাভৰুসকলৰ বাবে বিশেষভাৱে বিজ্ঞাপন তৈয়াৰ কৰা হয়। সকলো বিজ্ঞাপনেই কিশোৰ-কিশোৰীসকলৰ মগজুত ধুনীয়াকৈ স্থান দখল কৰিবলৈ সক্ষম হয়। তেওঁলোকেও জানে মোবাইলৰ অ্যাপ ডাউনলোড কৰিলে অৰ্ডাৰ দিয়াৰ মাত্ৰ কেইটামান মিনিট পিছতেই খাদ্য-সামগ্ৰী ঘৰৰ দুৱাৰমুখত আহি হাজিৰ হ'বই।

অৰ্থাৎ মোবাইল ফোনৰ জামানা, ছুইগী, উবেৰ হোৱাট্চঅ্যাপ ডাউনলোড কৰি ল'ব পাৰিলে বজাৰে উত্তম খাদ্য পৰিৱেশন কৰি দিয়ে।

অ্যাপ অ্যানি নামৰ এটি অনুষ্ঠানে মূলতঃ মোবাইল অ্যাপ লৈ কাম-কাজ কৰে। তেওঁলোকৰ পৰিসংখ্যা মতে পেকেট খাদ্য গ্ৰহণৰ অনুপাতৰ ক্ষেত্ৰত আমাৰ দেশ যোৱা কেইবছৰে একেবাৰে আগশাৰীত আহি উপস্থিত হৈছেগৈ। ভাৰতীয় কৰ্পোৰেট গোষ্ঠীসকলে এই পেকেট খাদ্যৰ বাণিজ্যৰ লগত যুক্ত হোৱাৰ বাবে এতিয়া বজাৰৰ প্ৰায় শতকৰা আশী ভাগ উপাদান ছুইগী আৰু জোমাটোৰ হাতত বন্দী হৈ আছে। ছুইগী এতিয়া দেশৰ প্ৰায় পঞ্চাশ হেজাৰৰো অধিক ৰেস্তোঁৰাৰ লগত চুক্তিবদ্ধ হৈ আছে। ডোমিনস, মেকডোনালস, কে.এফ.সি. আৰু অন্যান্য কেইটামান ডাঙৰ ডাঙৰ ব্ৰেণ্ডৰ এতিয়া ছুইগীৰ জৰিয়তে বছৰতে কিমান কোটিৰ যি বাণিজ্য কৰে, সেয়া কোৱা টান। খাদ্য-সামগ্ৰীৰ অনলাইন বাণিজ্যই হ'ল এতিয়া আটাইতকৈ লাভজনক বাণিজ্য। খাদ্য বিষয়ক সঠিক শিক্ষা এগৰাকী মাতৃৰ পৰা নহয় 'গুগল কোচ'ৰ পৰাহে গ্ৰহণ কৰি ভাল পায় নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীয়ে। অৰ্থাৎ এটি ছফটওয়াৰ। 'লো ফেম অ্যাণ্ড জিৰো কেলোৰি' হ'ল আধুনিক সময়ৰ জনপ্ৰিয় শ্লোগান? সম্প্ৰতি গিট্‌ছ ফুড প্ৰোডাক্ট প্ৰাইভেট লিমিটেডৰ কৰ্ণধাৰ এম.ও. তেজানিয়ে এগৰাকী সাংবাদিকক সাক্ষাতকাৰ প্ৰদান কৰাৰ সময়ত কৈছিল যে তেওঁলোকে ৰেডি টু ইট খাদ্য-সামগ্ৰীৰ ক্ষেত্ৰখনলৈ বিভিন্ন ধৰণৰ পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে। নতুন প্ৰজন্মৰ চাহিদা অনুযায়ী বিভিন্ন ব্যঞ্জন তৈয়াৰ কৰা হৈছে। ৰেডি টু কুক প্ৰডাক্টৰ প্ৰায় ষাঠি বছৰৰো অধিক সময় অতিক্ৰম হ'ল। দেশৰ বিভিন্ন মহানগৰত নতুন নতুন ইউনিট আৰম্ভ কৰা হৈছে। পেকেটৰ বুকুত লিখা থাকে 'নো কালাৰ', 'লো প্ৰিজাৰভেটিভ', 'অনলি নেচাৰেল', 'ইনগ্ৰিডিয়েণ্ট'। এতিয়া নতুন-নতুন ধৰণৰ ঘৰুৱা ৰেছিপিবোৰ যেনে ওটস, ইডলি, ৰাগি, ধোসা, ঢোকলা, পোহা, উপমা সকলো আছে। মধ্যবিত্ত পৰিয়ালবিলাকতো আৰু আগৰ দৰে দীৰ্ঘ সময় ধৰি জলপান প্ৰস্তুত কৰাৰ কাৰোৰে সময় নাই। গতিকে পেকেট খাদ্যই বহুতখিনি কাম সহজ কৰি তুলিছে। এনেকুৱা পৰিস্থিতিত ভাসমান পাকঘৰৰ ধাৰণাই যেন বিপ্লৱ আনি দিবলৈ সক্ষম হৈছে। এই পাকঘৰৰ প্ৰকৃত সংজ্ঞানো কি? বিশেষজ্ঞসকলে এনেদৰে পৰিভাষিক কৰিছে যে, ভাসমান পাকঘৰ হ'ল এনেধৰণৰ পাকঘৰ, যাৰ ভৌগোলিক ঠিকনা আছে যদিও সেয়া ক্ৰেতাসকলৰ বাবে জনা সম্ভৱ নহয়। সেয়া কি ধৰণৰ দেখিবলৈ, তাত কেনেকুৱা পৰিস্থিতিত

খাদ্য তৈয়াৰ কৰা হয়। সেয়া গ্ৰাহকে নাজানে, অকল সেই পাকঘৰৰ পৰা খাদ্য বিভিন্ন স্থানলৈ লৈ যোৱা হয়। অনলাইন অৰ্ডাৰৰ যোগেদি আধুনিক যুগত এগৰাকী মহিলাই যদি বিচাৰে নিজৰ পাকঘৰটোকে অতি সহজতেই ক্লাউড কিচেন নাইবা ভাসমান পাকঘৰলৈ ৰূপান্তৰিত কৰি ল'ব পাৰে। তাৰ বাবে প্ৰয়োজনীয় উপাদান বুলি ক'লে কেইটামান ৰন্ধন সামগ্ৰী আৰু অসংখ্য টেলিকলাৰ প্ৰয়োজন। কেইজনমান ডেলিভাৰি কৰিব পৰা ল'ৰা-ছোৱালীৰ প্ৰয়োজন। যিকোনো মহিলা নাইবা পুৰুষে নিজৰ ঘৰৰ পৰাই এই বাণিজ্য আৰম্ভ কৰিব পাৰে। অকল এটা নিৰ্দিষ্ট ফুড ডেলিভাৰি অ্যাপৰ লগত যুক্ত হৈ থাকিলে হৈ যায়। নিজস্ব ৱেবছাইট নাইবা এপ্লিকেশন তৈয়াৰ কৰি ল'ব পাৰিলে তাৰ যোগেদিয়ে গ্ৰাহকসকলে নিজৰ মন পছন্দৰ খাদ্য-সম্ভাৰ অৰ্ডাৰ দিব পাৰিব। ভাসমান পাকঘৰ ইমান দ্ৰুত জনপ্ৰিয় হৈ উঠাৰ নেপথ্যত আছে কম খৰচৰ বিষয়। এখন ৰেস্তোঁৰা চলোৱা খৰচ বহুত বেছি। কৰ্মচাৰী, বিদ্যুৎ, এ.সি. বিভিন্নভাৱে খৰচ হয়। কিন্তু ক্লাডিড কিচেনত খৰচ নাই বুলিয়েই ক'ব পাৰি। আমাৰ দেশৰ ৰেস্তোঁৰা বাণিজ্য ইতিমধ্যেই শতকৰা চল্লিশভাগেই অনলাইন হৈছে। চাহিদাৰ হাৰ দ্ৰুত গতিত বাঢ়ি যোৱাৰ বাবে এই পৰিসংখ্যা অনাগত ভৱিষ্যতত শতকৰা আশী ভাগ হৈ যাব পাৰে। ভাসমান পাকঘৰ হ'ল খাদ্য জগতৰ বাবে ঐতিহাসিক পৰিৱৰ্তন। আইতাৰ পাকঘৰৰ পৰা মডুলাৰ কিচেন আৰু তাৰ পিছত আধুনিক কিচেন আৰু এতিয়া ভাৰ্চুৱেল কিচেন। এই কিচেন ব্যৱস্থা ভাল নে বেয়া নাইবা প্ৰয়োজনীয়তা কিমান, এই বিতৰ্কবিলাক অৰ্থহীন, কাৰণ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ দ্ৰুত পট পৰিৱৰ্তনত সাধাৰণ মানুহৰ ভূমিকা নগণ্য হৈ পৰিছে। মুক্ত বজাৰ অৰ্থনীতিৰ এটাই পৰিভাষা, সেয়া হ'ল ভাল গ্ৰাহক সৃষ্টি কৰিব লাগে, তাৰ বাবে বজাৰৰ প্ৰতি নিৰ্ভৰতা গঢ়ি তুলিব লাগিবই। বিশ্বত সমাজবাদৰ প্ৰতিষ্ঠা মানুহৰ বাবে আছিল নতুনভাৱে জীয়াই থকাৰ আশা। বিপ্লৱৰ পৰৱৰ্তী ৰাছিয়াত কমিউনিষ্ট পাৰ্টিৰ নেত্ৰী কলেনতাই (Kollentai) কৈছিল যে আমি এখন এনেকুৱা সমাজ গঢ় দিম, য'ত এনেকুৱা ধৰণৰ ভাবনাই নাথাকিব যে মহিলাসকলে দিনটোৰ বেছিভাগ সময় পাকঘৰতেই কটাব লাগিব। আমি কমিউনিষ্ট ৰেস্তোঁৰা, চেণ্ট্ৰেল কিচেন, চেণ্ট্ৰেল লণ্ড্ৰী গঢ়ি তুলিব লাগিব। মহিলাসকলে নিজস্ব পছন্দৰ কাম কৰিবলৈ সক্ষম হ'ব। তেওঁ এনেদৰে কৈছিল, ëWe will give women a chance to live

to richer, happier and more complete life.í

বিশ্বত সমাজবাদৰ চিন্তাত পৰিচালিত দেশ এতিয়া নাই বুলিয়েই ক'ব লাগিব। মুক্ত বজাৰ বিশ্বজুৰি এতিয়া শক্তিশালী শক্তি। সকলো দেশতে বজাৰৰ আগ্ৰাসন। তেনেকুৱা ক্ষেত্ৰত পাকঘৰৰ বিকল্প ভাসমান পাকঘৰ হৈ উঠাটো যেন স্বাভাৱিক কথা। কিন্তু নতুনকৈ ভবাৰ প্ৰয়োজন যে খাদ্য অকল বজাৰৰ সামগ্ৰী হোৱাৰ বাবেই কিন্তু শাৰীৰিক অসুস্থতা বৃদ্ধি পাইছে। প্ৰাথমিকভাৱে খাদ্য যিমান দিনলৈকে প্ৰাকৃতিক সম্পদ আছিল, স্থানীয় খাদ্যসম্ভাৰেৰে পৰিপূৰ্ণ আছিল পাকঘৰ, ঋতুৰ ফলমূল, শাক-পাচলিৰ পৰাহে মানুহে শৰীৰ সতেজ আৰু সজীৱ ৰখাৰ ক্ষেত্ৰত শক্তি পাইছিল। জলবায়ু আৰু বতৰৰ শাক-পাচলি এই বিষয়বিলাক বজাৰে একেবাৰেই অদৃশ্য কৰি পেলালে। গোটেই বছৰ একেই ধৰণৰ শাক-পাচলি ইচ্ছা কৰিলে পাব পাৰে। ইতিমধ্যে খাদ্যসম্ভাৰ প্ৰাকৃতিক সম্পদৰ পৰা পেকেটত বন্দী খাদ্য দ্ৰব্য হৈছে। পৰিয়ালৰ পৰিকাঠামোৰ পৰিৱৰ্তন, বজাৰ-নিৰ্ভৰ হৈ পৰাৰ লগে-লগে বজাৰৰ কৰ্তৃত্বই মূল কথা হৈ পৰিছে। নাৰীসকলে প্ৰাথমিকভাৱে বিশ্বাস কৰিব লাগিব, বিজ্ঞানসন্মতভাৱে অনুভৱ কৰিব লাগিব যে খাদ্যসামগ্ৰী এতিয়াও প্ৰাকৃতিক সম্পদ হৈ আছে, সেয়া ৰাইজৰ সম্পদ।

মোগলাই খানাৰ সন্ধানত

প্ৰাচীন ভাৰতবৰ্ষৰ সুজলা-সুফলা উপত্যকাত বিভিন্ন সময়তেই বিভিন্ন জাতি-জনজাতি, ভাষা-সংস্কৃতিৰ অনুপ্ৰৱেশ ঘটিছে। নিগ্ৰোইড, অষ্ট্ৰিক, দ্ৰাবিড়ীয়, আৰ্য, মংগোলীয়, কিৰাতসকলৰ অনুপ্ৰৱেশৰ পিছতেই পাৰ্চীয়ান, গ্ৰীক, চিৰিয়ান, শক, কুশান, হুন, ইৰানী, তুৰ্কী, আৰবী, মোগল, পৰ্টুগীজ, ডাছ, ফৰাচী, ইংৰাজৰ অকল পদচিহ্নই নহয়, সমন্বয়ৰ মন এটা গঢ়ি উঠিছিল। সকলোৱে মিলিজুলি বসবাস কৰাৰ এটা সুন্দৰ পৰিৱেশ যেন নিজে নিজেই গঢ় লৈ উঠিল। ভাৰতীয় সভ্যতাই যুগ-যুগ ধৰি এটা কথাই ক'ব বিচাৰিলে, সেয়া হ'ল বৈচিত্ৰ্যৰ মাজতেই ঐক্যতাৰ পৰিৱেশ গঢ়ি তুলিব লাগিব। কেতিয়াবা অনুভৱ হয় যেন ভাৰতবৰ্ষ হ'ল সুন্দৰ আৰু বিশাল দেশ, যিখন ভূবনে বিশ্বজনীন আৰু আন্তৰ্জাতিক ঐতিহ্য বহন কৰি আমাৰ দায়িত্ব লৈছিল। কবিগুৰু ৰবীন্দ্ৰনাথৰ ভাৰততীৰ্থ কবিতাখিনি পঢ়িছিলোঁ—

"হেথায় আৰ্য, হেথায় অনাৰ্য, হেথায় দ্ৰাবিড়, চীন,
শক-হুন-দল, পাঠান-মোগল এক দেহে হ'ল লীন।
পশ্চিমে আজি খুলিয়াছে দ্বাৰ, সেথা হতে আনে সবে উপহাৰ,
দিবে আৰু নিবে, মিলাবে মিলিবে যাবে না ফিৰে
এই ভাৰতেৰ মহামানৱেৰ সাগৰ তীৰে..."

সুদীৰ্ঘ কবিতাখিনিৰ সাৰাংশ ক'বলৈ গ'লে, ভাৰতীয় সংস্কৃতিৰ সংমিশ্ৰণৰ সুপ্ৰভাৱৰ কথা। এই দেশৰ ঐক্যবদ্ধ সংমিশ্ৰণেই হ'ল সমন্বয়ৰ প্ৰতীক। এই সমন্বয়ৰ ধাৰাই হ'ল ভাৰতীয় সংস্কৃতিৰ মূল চাৰিত্ৰিক বৈশিষ্ট্য। বিভিন্ন জাতি-ধৰ্ম জনজাতিৰে পৰিৱেষ্টিত এই দেশত আৰহমান কালৰ পৰাই বিভিন্ন সংস্কৃতিৰ প্ৰব্ৰজন ঘটিছে। এই দেশৰ সাৰুৱা মাটিৰ লগত মিলিজুলি নতুন এক সংস্কৃতি গঢ় লৈ উঠিল। সেয়া পৰম্পৰাগত সাংস্কৃতিক ক্ৰমবিৱৰ্তনৰ পৰিণতি। খাদ্য, কলা-সংস্কৃতি, জ্ঞান-বিজ্ঞান সকলো ক্ষেত্ৰতেই পৰিৱৰ্তন এক সামাজিক প্ৰক্ৰিয়া।

ভাৰতবৰ্ষত মোগলাই খানাৰ প্ৰৱেশ ঘটিছিল মোগল শাসকসকলৰ হাতত

ধৰিছে। এই দেশৰ খাদ্য তালিকাত মোগল খানাৰ অনুপ্ৰৱেশ কাল বুলি ক'লে ক'ব লাগিব ১৬ শতকৰ কথা। জাহিৰ উদ-দিন মহম্মদৰ যোগেদি আৰম্ভ হ'ল মোগল সাম্ৰাজ্য। নবাবৰ ৰান্ধনীশালত প্ৰৱেশ কৰিলে বিৰিয়ানি আৰু অন্যান্য ৰাজকীয় পদ অৰ্থাৎ মোগলাই খানাৰ স্বীকৃতি দিয়া হ'ল। প্ৰাথমিকভাৱে ভাৰতবৰ্ষত তুৰ্কি নাইবা পাখতুন (আফগান) অঞ্চলৰ পৰা অহা মুছলমান বংশৰ বিভিন্ন চুলতানসকলৰ যোগেদিহে তন্দুৰ, কাবাব, কিমা, নানৰ দৰে সোৱাদযুক্ত খানা প্ৰৱেশ কৰিছিল। এই ক্ষেত্ৰত ভাষা আৰু খাদ্য দুয়োটাই হৈ উঠে কৰ্তৃত্ব কৰাৰ হাতিয়াৰ। মোগল সাম্ৰাজ্যই চৰকাৰী ভাষাৰূপে ফাৰ্ছী ভাষাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিলে। একেলগত মোগলৰ পাকঘৰত মোগলাই খানাৰ প্ৰভাৱো বাঢ়িব ধৰিলে। কিছুমান ভাৰতীয় খাদ্যৰ নামকৰণৰ ক্ষেত্ৰত 'ফাৰ্ছী' শব্দৰ প্ৰয়োগ লক্ষ্য কৰা যায়। 'কাবাব', 'চিচি', 'ফিৰান', 'তন্দুৰ' তেনেকুৱা বিধৰ শব্দ, সম্ৰাট বাবৰৰ বোলে প্ৰিয় খাদ্যই আছিল ভেড়াৰ মাংসৰ কাবাব আৰু 'চিচি'। এই চিচিক এক ধৰণৰ পুডিং বুলি ক'ব পাৰি। নিমখীয়া সোৱাদৰ সেই পুডিং ময়দা, মাংস, ঘি, পিঁয়াজ, কেশৰ আৰু অন্যান্য কেইবিধমান সুগন্ধি মচলাৰ এক সংমিশ্ৰণ আছিল।

ভাৰতবৰ্ষত মোগল শাসকসকলেই কৰ্তৃত্বৰ মাজেদিহে বিৰিয়ানিৰ প্ৰচলন কৰিলে, কিন্তু পৰৱৰ্তী কালত বিৰিয়ানিত স্থানীয় আঞ্চলিক মচলাৰ লগতে সুগন্ধি ফ্লেভাৰ যোগ কৰা হ'ল। কলকাতাৰ পৰা ঢাকা, দিল্লীৰ পৰা গোৱা, হায়দৰাবাদ নাইবা লক্ষ্ণৌ, মুম্বাই অথবা কাশ্মীৰলৈকে বিস্তৃত অঞ্চল, লগতে দক্ষিণ ভাৰতৰ কেইটামান অঞ্চললৈ গ'লে মোগলাই খানাৰ গুৰুত্বপূৰ্ণ উপাদান বিৰিয়ানি এক বিশেষ ৰাজকীয় ষ্টাইলৰ পৰা ক্ৰমান্বয়ে 'আম জনতাৰ' খাদ্য হৈ উঠিছে। বিৰিয়ানি হ'ল এনেকুৱা এক প্ৰকাৰৰ খাদ্য যি সময়ৰ লগতে দৰবাৰি মনস্তত্ত্বৰ পৰা ৰাইজৰ ভোক নিবাৰণৰ যোগ্য খাদ্য হৈ উঠাৰ বাবে চাৰিত্ৰিক বৈশিষ্ট্য হেৰুৱাবলৈ বাধ্য হৈছে।

কাহিনী আছে যে, চুলতানৰ প্ৰাসাদ নিৰ্মাণৰ সময়ছোৱাত কৰ্মৰত শ্ৰমিকসকলৰ খাদ্য প্ৰস্তুত কৰাৰ সময়ৰ অভাৱ আছিল। পুৱাৰ পৰা গধূলিলৈকে কামত লাগি থাকিলে উভতি অহাৰ পিছত প্ৰচণ্ড ভোক লাগে, তেতিয়া কিবা এটা বনাবলৈ আৰু ধৈৰ্য্য নেথাকে। শ্ৰমিকসকলে একেলগে মিলি ঠিক কৰিলে ৰাতিপুৱা কামলৈ যোৱাৰ আগতে এটা ডাঙৰ হাণ্ডিত বেছি পৰিমাণে চাউল আৰু ডাঙৰ-ডাঙৰকৈ কাটি থোৱা মাংসৰ টুকুৰা, শাক-পাচলি, মচলা একেলগে

মিলাই হাণ্ডিৰ ঢাকনি বন্ধ কৰি উমি-উমি জ্বলি থকা উনানৰ জুইৰ তাপত থৈ নিজ নিজ কামৰ বাবে ওলাই যায়। আকৌ যেতিয়া গধূলি উভতি আহিছিল, হাণ্ডিৰ ঢাকনি খুলি দিয়াৰ লগে-লগে ধুনীয়া সুগন্ধি বিৰিয়ানিয়ে শ্ৰমিকসকলক সোনকালে ৰাতিৰ খানা শেষ কৰাৰ বাবে অনুপ্ৰাণিত কৰিছিল। সোৱাদযুক্ত বিৰিয়ানিয়ে শ্ৰমিকসকলক পুষ্টিৰ যোগান ধৰিছিল। এদিন গধূলি হাণ্ডিৰ ঢাকনিখন খোলাৰ লগে-লগে সুবাস যেতিয়া বতাহত উৰিবলৈ ধৰিলে, হঠাৎ নবাবৰ নাকত সুবাস লাগিল। সময়ৰ সোঁতত শ্ৰমিক শ্ৰেণীৰ প্ৰিয়খাদ্য বিৰিয়ানি নবাবৰ পাকঘৰৰ সন্মানীয় মোগল খানা হৈ উঠিল। তাত দিন-প্ৰতিদিন দামী-দামী উপাদান যোগ কৰাৰ প্ৰক্ৰিয়া চলি থাকিল।

আকবৰৰ শাসনাধীন সময়খিনিক মোগল সাম্ৰাজ্যৰ স্বৰ্ণযুগ বুলি কোৱা হয়। তেওঁৰ সময়তে শিল্পকলাই যেনেদৰে এটি নতুন মাত্ৰা পাবলৈ সক্ষম হৈছিল, ৰন্ধনশিল্পও উচ্চ পৰ্যায়লৈকে গৈছিল। ৰন্ধনশিল্পৰ প্ৰতি মোগল সম্ৰাটৰ আছিল তীব্ৰ অনুৰাগ। মোগল সাম্ৰাজ্যৰ ৰন্ধনশালা সম্পৰ্কীয় তথ্য অধ্যয়ন কৰিলে দেখা যায় খাদ্য সম্পৰ্কীয় চোৱা-চিতা কৰাৰ বাবে ৰাজপ্ৰাসাদৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ এক বিভাগ আছিল। সেই বিভাগৰ সৰু-সুৰা বিষয় সম্পৰ্কীয় খবৰা-খবৰ প্ৰধানমন্ত্ৰীয়ে নিজেই লৈছিল। ৰন্ধনশালাৰ প্ৰধান বাৰ্বুচি অৰ্থাৎ ৰান্ধনি, অৰ্থপাল, খাদ্য সংৰক্ষণৰ বাবে উপযুক্ত ভঁৰাল বা ষ্টʼৰ ৰূম, কেৰাণী, খাদ্য-সামগ্ৰীৰ গুণাগুণ পৰীক্ষাৰ বাবে পৰীক্ষকৰ উপৰিও চাৰিশৰ পৰা পাঁচশৰো অধিক ৰান্ধনীক বাছি-বাছি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা বা পাৰস্যৰ পৰা অনা হৈছিল। যিহেতু মোগল সাম্ৰাজ্যৰ অন্তৰ্বৰ্তী সকলো সদস্যই আহাৰ সম্পৰ্কীয় বিষয়ত অতিমাত্ৰাত চৌখিন আছিল। স্বাভাৱিকভাৱেই তৎকালীন ৰন্ধনশালাৰ খাদ্যৰ গুণাগুণ আছিল অত্যধিক উচ্চমানসম্পন্ন। ৰাজ দৰবাৰৰ খাদ্যৰ বাবে বিভিন্ন অঞ্চলৰ পৰা স্থানীয় চাউল, শাক-পাচলি আনি ভঁৰালখন পূৰ্ণ কৰি ৰখা হৈছিল। ৰাজমহলৰ অন্দৰমহলত কুকুৰা পালনৰ ব্যৱস্থা কৰা হৈছিল। সেয়া সাধাৰণভাৱে পালন কৰা নহয়। কুকুৰাবোৰক সৰু-সৰু এক ধৰণৰ টেবলেটৰ দৰে কিবা এটা খাবলৈ দিয়া হৈছিল। টেবলেটবোৰ বিশেষভাৱে প্ৰস্তুত কৰা হৈছিল। তাত কেশৰ, উচ্চমানৰ সুগন্ধি গোলাপজল মিলোৱা হৈছিল। ইয়াৰ উপৰি কুকুৰাবোৰৰ গোটেই শৰীৰত সদায় সানি দিয়া হৈছিল কস্তুৰী তেল আৰু চন্দনৰ মিশ্ৰণ। মোগল সাম্ৰাজ্যৰ নবাবসকল অতি মাত্ৰাত মাংসপ্ৰেমী আছিল যদিও গাহৰি মাংস ভক্ষণ

কৰা নাছিল। আকৌ হিন্দু আৰু জৈন ধৰ্মৰ মানুহসকলৰ প্ৰতি সন্মান ৰক্ষা কৰি তেওঁলোকে নিজস্ব ৰাজঘৰানাৰ খাদ্য তালিকাৰ পৰা গৰুৰ মাংসখিনি বাদ দি পেলাইছিল। নবাবৰ ৰন্ধনশালাত কেৱল মাত্ৰ কুকুৰা, ছাগলী, ভেড়া আৰু হৰিণাৰ মাংসৰ প্ৰচলন আছিল।

মোগল সাম্ৰাজ্যৰ নবাবসকল আছিল অতি সাহসী যোদ্ধা, শিল্পী, কবি, আকৌ খাদ্য বিষয়ক পৰীক্ষা-নিৰীক্ষা কৰাৰ ক্ষেত্ৰত আছিল সমানভাৱে পাকৈত। বিভিন্ন নবাবসকলে পাৰস্পৰিক সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত আছিল উদাৰ মনোভাৱাপন্ন। গতিকে সেই বহুমাত্ৰিক সম্পৰ্ক স্থাপনৰ দৰ্শনৰ প্ৰভাৱ ৰন্ধনশিল্পৰ ওপৰতে পৰিছিল। ক'ব পৰা যায় যে 'মোগলাই কুইজিন' বুলি কোৱা খাদ্য-সামগ্ৰীবিধ হ'ল নতুন নতুন উপাদানৰ সংযোজন। যেনে সম্ৰাট বাবৰ আছিল মধ্য এছিয়াৰ মুছলমান সম্ৰাট তৈমুৰ লঙৰ বংশধৰ। আকৌ তেওঁৰ মাতৃ আছিল চেঙ্গিস খানৰ বংশধৰ। গতিকে পাৰ্চী, তুৰ্কী, মোগল সংস্কৃতিৰ সংমিশ্ৰণৰ মাজতেই তেওঁ ডাঙৰ-দীঘল হৈছিল। তাৰ প্ৰভাৱ পৰিছিল খাদ্য তালিকাত। ভাৰতীয় মচলা, হিন্দু ৰান্ধনীসকলৰ ৰন্ধনশৈলী আকৌ পাৰ্চী ষ্টাইলৰ খানা, সকলো সামৰি মোগলাই খাদ্য সম্ভাৰৰ কথা 'বাবৰ নামা' গ্ৰন্থখনিত লিপিৱদ্ধ কৰা হৈছে বুলি জনা যায়। কিন্তু মোগল সাম্ৰাজ্যৰ সম্ৰাটসকলৰ আমিষ খাদ্যপ্ৰেম সম্পৰ্কে যিমান পঢ়িবলৈ পোৱা যায়, নিৰামিষ খাদ্য গ্ৰহণ সম্পৰ্কীয় অভ্যাসৰ কথা সিমান জনা নেযায়। সম্ৰাট আকবৰে কিন্তু নিৰামিষ খাদ্যই গ্ৰহণ কৰি ভাল পাইছিল। তেওঁ দিনটোত এবাৰহে আহাৰ গ্ৰহণ কৰিছিল। প্ৰতিদিনেই তেওঁৰ বাবে প্ৰায় এশবিধ আঞ্জা প্ৰস্তুত কৰা হৈছিল। বিবাহসূত্ৰে ৰাজপুত কন্যাসকলৰ লগত সম্পৰ্ক থকাৰ বাবে মোগল আৰু ৰাজপুত ঘৰাণাৰ সংমিশ্ৰণত বিশেষতঃ ঘি আৰু অন্যান্য মচলাৰ সহযোগেৰে খাদ্য প্ৰস্তুত কৰা হৈছিল। আকবৰে মাংস আহাৰ কৰি ভাল পোৱা নাছিল। কাচিতহে মাংস পৰিৱেশন কৰাৰ কথা কৈছিল। বিশেষকৈ শুক্ৰবাৰ আৰু দেওবাৰে একেবাৰেই নিৰামিষ আহাৰ গ্ৰহণ কৰিছিল। তেওঁ নিজে আহাৰ গ্ৰহণ কৰাৰ সময়ত প্ৰথমত দৈ আৰু ভাত গ্ৰহণ কৰি লৈছিল। তেওঁৰ বাবে খাদ্য পৰিৱেশনৰ এটি সংক্ষিপ্ত বিৱৰণ পোৱা যায়, তাত লিখা হৈছিল—

ëHis table is very sumptuous, consisting, of more than forty courses, served in great dishes. These are brought into the royal

dinning hall covered and wrapped in linen cloths. Which are tideup and sealed by the cook, for fear of poison, they are carried by youths to the door of the dining hall, other servants walking ahead and the master of the household following. Here they are taken over by lunches, who load them to the serving girls who wait on the royal table. He is accustomed to dine in private, except on the occasion of a public banquet (K.T. Achaya, Indian food, Page 158).

মোগল সাম্ৰাজ্যৰ অন্দৰমহলত নিৰামিষ খাদ্যসম্ভাৰৰ যথেষ্ট কদৰ কৰা হৈছিল। এটি বিশেষ নিৰামিষ আঞ্জা 'পাহিত' সম্পৰ্কে কোৱা হয় যে সেয়া উচ্চস্তৰৰ, সুস্বাদু এক বিশেষ ধৰণৰ দাইল আছিল। ঘি, আদা, ক'লা জিৰা আৰু হিং যোগে প্ৰস্তুত কৰা পাহিতৰ চাহিদা আছিল। আকৌ আমিষ খানাৰ ৰন্ধন প্ৰণালীত সাধাৰণতে চাউল নাইবা বিভিন্ন ধৰণৰ বীজশস্যৰ লগতে মাংস দি পোলাও প্ৰস্তুত কৰা হৈছিল বিভিন্ন নামেৰে, যেনে— কিমা পোলাও, শুল্লা, বুখৰা, হাৰিছা, কায়ক, ছানবুছা আৰু কাবুলি। বিধ বিধ নামেৰে উচ্চাৰণ হোৱা কাবুলি খানা সুস্বাদু হোৱাৰ মূল কাৰণেই আছিল তাত উৎকৃষ্টমানৰ মচলাৰ ব্যৱহাৰ। যিকোনো ধৰণৰ ঘন জোল প্ৰস্তুত কৰাৰ সময়ত তাত দৈ, ক্ৰীম, মাখনৰ ব্যৱহাৰ বেছি পৰিমাণে কৰা হৈছিল। মচলা-পাতি ব্যৱহাৰৰ ক্ষেত্ৰত দেখা যায় যে আঞ্চলিক মচলাবোৰ যেনে— সোণগুটি, আদা, ক'লা বা বগা সৰিয়হৰ ব্যৱহাৰ একেবাৰেই নাছিল।

মোগলাই খাদ্য প্ৰস্তুতকৰ্তা বিশেষজ্ঞ শ্বাহেনছা মিৰ্জাৰ অভিমত হ'ল— মোগলাই খানা প্ৰস্তুত কৰাৰ বাবে প্ৰয়োজন হয় ধৈৰ্য্য, লগতে বিভিন্ন ধৰণৰ মচলা প্ৰয়োগৰ আন্দাজ। অতি কম জুইত ধীৰে ধীৰে এই খাদ্য প্ৰস্তুত কৰিব লাগে। সেয়াই প্ৰাথমিক চৰ্ত। আকৌ জাফৰানি মুৰ্গ, পুৰণি মুৰ্গ, কুকুৰাৰ মাংস প্ৰস্তুত কৰাৰ ক্ষেত্ৰত দেখা যায় একেবাৰে কম জুইত প্ৰস্তুত কৰিলেহে সোৱাদ বাঢ়ে। মোগল চুলতানসকলে এই দেশৰ বিশেষকৈ উত্তৰ ভাৰতৰ জলপানবিলাক সলনি কৰি পেলাইছিল। সোৱাদৰ বাবেই লাহে লাহে বগা ভাত, ৰুটী, চিৰা, আখৈ, মুড়ি এইবিলাক জলপানৰ সলনি পুৱাৰ জলপানেই হওক বা দুপৰীয়াৰ আহাৰ নাইবা গধূলি গৃহস্থৰ ঘৰত পৰঠা খোৱাৰ অভ্যাস গঢ় লৈ উঠিল, মোগলাই পৰঠা। বিভিন্ন ধৰণৰ পৰঠা য'ত মচলা, মাংসৰ কিমা, জাফৰান, গাখীৰৰ প্ৰয়োগ

কৰা হৈছিল। একেবাৰে ৰাজকীয় খানা। ধীৰে ধীৰে বিভিন্ন ৰান্ধনীসকলৰ সৃষ্টি মোগলাই, জাফৰান পৰঠা, মোগলাই লাচ্ছা পৰঠা, মোগলাই লাছিলা পৰঠা, সিৰমল আদি বিভিন্ন নামেৰে গৃহস্থৰ ঘৰতো সোমাল। ইয়াৰ উপৰি সাধাৰণ মধ্যবিত্ত গৃহস্থৰ পাকঘৰতো বিৰিয়ানি প্ৰস্তুত কৰাৰ ইচ্ছা বাঢ়িল। বগা ভাত নহয় সন্তানসকলে চাউলৰ লগতে মাংস, চবজি, ফল, কেশৰ সকলো যোগ কৰি প্ৰস্তুত কৰা ভাত খাব বিচাৰে। চাউল আকৌ সকলো ধৰণৰ চাউল নহয়, বাচমতি চাউল। ক'ব পৰা যায় যে মোগলাই খানা হ'ল এক বিশেষ পৰিচয়ৰ খানা, ৰাজ ঘৰানাৰ প্ৰতীক।

১৭০৭ চনত ঔৰঙ্গজেৱৰ মৃত্যু মোগল সাম্ৰাজ্যৰ বাবে এক গুৰুত্বপূৰ্ণ অধ্যায় আছিল। সাম্ৰাজ্যৰ পতন অৱশ্যম্ভাৱী তেনেকুৱা এক পৰিৱেশ গঢ় লৈ উঠিব ধৰিলে। তেতিয়া স্থানীয় শাসকসকলে নিজ-নিজ অঞ্চললৈ স্থানীয় ৰাজত্বৰ প্ৰভুত্ব বিস্তাৰ কৰাৰ বাবে সাজু হ'ল। উত্তৰ ভাৰতৰ আওয়াধ অঞ্চল প্ৰতিষ্ঠিত হৈছিল ১৭২২ চনত। ফাৰ্চী অভিজাত এগৰাকী ব্যক্তি সাদাতখান বাৰহান উল মুলকৰ লগত ঘনিষ্ঠতা বঢ়াব ধৰিলে। আওয়াধৰ শাসকসকলো খাদ্য প্ৰস্তুত কৰাৰ ক্ষেত্ৰত অতিশয় পাৰদৰ্শী আছিল। আওয়াধি ঘৰাণাৰ ৰন্ধনপ্ৰণালী কিন্তু বিশেষভাৱে ফাৰ্চী সংস্কৃতিৰ দ্বাৰা প্ৰভাৱিত বুলি কোৱা হয়। আওয়াধি ঘৰানাৰ ৰন্ধন প্ৰণালীৰ বৈশিষ্ট্য আছিল অতি সামান্য পৰিমাণে মচলাৰ ব্যৱহাৰ। মাংসখিনি বহুত সময় ধৰি মেৰিনেট কৰি থৈ তাত কেশৰৰ পৰিমাণ অলপ বেছিকৈ ব্যৱহাৰ কৰা হৈছিল। দেখা গ'ল বিৰিয়ানিৰ ৰন্ধন প্ৰণালী বিভিন্ন অঞ্চল বিশেষে ভিন্ন ভিন্ন হ'ব ধৰিলে। এটি অঞ্চলৰ বিৰিয়ানিৰ সোৱাদ আনটো অঞ্চলৰ বিৰিয়ানিৰ লগত মুঠেও নিমিলে। ব্যক্তিগতভাৱেও অনুভৱ কৰিছোঁ যে দিল্লীৰ জামে মছজিদ অঞ্চলত থকা কৰিমৰ ৰেস্তোঁৰাৰ বিৰিয়ানি যেন একেবাৰেই অনন্য। দিল্লীক মোগলাই খানাৰ স্বৰ্ণৰাজ্য বুলি কোৱা হয়। কৰিমৰ ৰেস্তোঁৰাৰ পৰা বিৰিয়ানি নাখালে দিল্লী ভ্ৰমণ বৃথা বুলি ক'ব পাৰি!

লক্ষ্মৌ আৰু দিল্লীৰ বিৰিয়ানিত বিলাহী একেবাৰে নিষিদ্ধ। বিলাহীৰ সলনি টেঙা দৈ ব্যৱহাৰ কৰা হয়। আকৌ হায়দৰাবাদী বিৰিয়ানিত তেঁতেলি টেঙা আৰু বিলাহী দুয়োটাই ব্যৱহাৰ কৰা হয়। ঘি অবিহনে বিৰিয়ানি প্ৰস্তুত কৰাৰ প্ৰশ্নই নুঠে। দক্ষিণ প্ৰান্তৰ ৰাজ্যবিলাক যেনে— কৰ্ণাটক, তামিলনাডু, কেৰালা, হায়দৰাবাদ, অন্ধ্ৰপ্ৰদেশৰ দৰে ৰাজ্যত কোনোধৰণৰ মিঠা সামগ্ৰী মিলোৱা নহয়।

হায়দৰাবাদী পক্কী বিৰিয়ানিত প্ৰচুৰ পৰিমাণে মচলাৰ ব্যৱহাৰ কৰা হয়। ইণ্ডৰ, কেওড়া, জাফৰান, ইলাচি, জায়ফল, ঘি মিলোৱা হয়। ছেফসকলৰ ইণ্টাৰভিউ পঢ়ি জানিব পাৰিছোঁ যে বিৰিয়ানিৰ বাবে বিশেষ মচলা হ'ল 'পোটলি মচলা'। এই মচলা কি কি উপাদানেৰে তৈয়াৰ কৰা হয় সেয়া এতিয়াও ঘোষণা কৰা হোৱা নাই।

প্ৰচলিত মচলাই ব্যৱহাৰ কৰা হয়, সেয়া হ'ল বজাৰতেই উপলব্ধ হোৱা বিভিন্ন কোম্পানীৰ 'বিৰিয়ানি মচলা'। আজিৰ পৰা চাৰিশ বছৰমান আগতেই হায়দৰাবাদৰ নিজামৰ পাকঘৰত অসংখ্যবাৰ পৰীক্ষা কৰাৰ পিছতহে উৎকৃষ্ট মানৰ মচলা তৈয়াৰ হৈছিল। কোৱা হয় হায়দৰাবাদৰ নিজামৰ ব্যক্তিগত পছন্দ মতে 'দাগাৰ ফুল', আৰু 'নৰসিংহ'ৰ পাত মিলোৱা হৈছিল।

হায়দৰাবাদত বসবাসকাৰী মধ্যবিত্ত, উচ্চবিত্ত শ্ৰেণীৰ মুছলমান পৰিয়ালত প্ৰতিদিনাই ভাতৰ সলনি বিৰিয়ানি খোৱাৰ চখ আছে। ঘৰত আলহী অৰ্থাৎ 'মেহমান' আহিলে বগা ভাত-দাইল পৰিৱেশন কৰাৰ কথা তেওঁলোকে ভাবিব নোৱাৰে।

তামিলনাডু আৰু কোটাৰ নবাবসকলে পছন্দ কৰিছিল অম্বুৰ বিৰিয়ানি। ৰঙা জলকীয়াই আছিল সেই বিৰিয়ানিৰ প্ৰধান উপাদান।

কলিকতাত ছিৰাজ, আৰ্মিনিয়া, আৰছালান ৰেস্তোঁৰাৰ স্মৃতি মনত পৰে। এছপ্লেনেডৰ আৰ্মিনিয়াত মোগলাই বিচাৰি অহা মানুহে ঘণ্টাৰ পিছত ঘণ্টা গাড়ীত বহি অপেক্ষা কৰে এক প্লেট বিৰিয়ানিৰ কাৰণে। কলকাতাত বিৰিয়ানিৰ সোৱাদ আকৌ ভিন্ন ধৰণৰ। ১৮৫৬ চনত নবাব আওজাদৰ হাতত ধৰি কলকাতা মহানগৰীত প্ৰথমবাৰৰ বাবে বিৰিয়ানিৰ প্ৰৱেশ ঘটে। এই সম্পৰ্কীয় এটি আমোদজনক ঘটনাৰ বিৱৰণ পঢ়িবলৈ পোৱা যায়। ১৭৮০ চনত এগৰাকী পৰ্তুগীজ লোকে বন্ধুত্ব স্থাপনৰ বাবে ব্ৰিটিছ চাহাব ওয়াৰেন হেষ্টিংছক এক পেকেট আলু উপহাৰ দিছিল। ব্যৱসায়ী বন্ধুৰ বাবেহে তেওঁ হিমালয়ৰ ঢল জমিত প্ৰথমবাৰৰ বাবে আলু খেতি কৰিব ল'লে। তাৰ পিছতহে ১৮৬০ চনত বাঙালী পৰিয়ালবিলাকত আলুৰ জনপ্ৰিয়তা ইমানেই বাঢ়ি গ'ল যে আলুৰ উৎপাদনো তীব্ৰবেগেৰে আগুৱাই গ'ল। আজিৰ তাৰিখত সমগ্ৰ বিশ্বত আলু ভক্ষণ কৰা বঙালী মানুহৰ সংখ্যা তৃতীয় স্থানত আছে। দক্ষিণ আমেৰিকা, পেৰু, বলিভিয়া আৰু তাৰ পিছতহে পৰ্তুগীজসকলে আলু খাই ভাল পায়।

কলকাতাত বিৰিয়ানিৰ অৰ্থ হ'ল ডাঙৰ এটুকুৰা মাংস, ডাঙৰ আলু এটা আৰু লগতে এটা কণী। কলকাতাৰ ফুটপাথৰ পৰা আৰম্ভ কৰি সৰু-ডাঙৰ হোটেলবিলাকত বিৰিয়ানি হ'ল অতি সহজলভ্য খানা। এতিয়া বঙালী, অসমীয়া বুলি কথা নাই ল'ৰা-ছোৱালীৰ জন্মদিনৰ পাৰ্টি, বিয়া-অন্নপ্ৰাসন, ছুটীৰ দিনৰ গেট-টুগেদাৰ সকলো ক্ষেত্ৰত বিৰিয়ানিৰ উপস্থিতি অনিবাৰ্য।

কাশ্মীৰ বিৰিয়ানিৰ বৈশিষ্ট্য হ'ল ৰং। গাঢ় হালধীয়া, ঝুৰঝুৰিয়া ভাত, তাত সৰু-সৰু মাংসৰ টুকুৰাৰ লগতে কিমাৰ সৰু সৰু বৰভজা। চেন্নাই আৰু কেৰেলাত পোৱা যায় চাড্ডিনাড় বিৰিয়ানি।

দিল্লী, উত্তৰপ্ৰদেশ, হায়দৰাবাদ, বাংলাদেশ, কৰাচি অঞ্চলত মোগলাই খানাৰ প্ৰভাৱ বেছি। মচলা প্ৰয়োগ কৰাৰ বিভিন্নতাৰ বাবেই বিৰিয়ানিৰ আঞ্চলিক চৰিত্ৰ ভিন্ন ভিন্ন হৈ উঠে। যিহেতু মোগলাই খানাৰ মূল উপাদান হ'ল মাংস, কিন্তু নবাব বাদশ্বাহ চুলতানসকলে অতিৰিক্ত চৰ্বিযুক্ত বয়সীয়া খাহি পছন্দ কৰা নাছিল। বিৰিয়ানি প্ৰস্তুত কৰোঁতে মাংসৰ গাত চৰ্বি লাগি থকা দেখা পালে বেয়া পাইছিল, কাৰণ চৰ্বিয়ে বোলে বিৰিয়ানিৰ সোৱাদ নষ্ট কৰি পেলায়। গতিকে একেবাৰে কুমলীয়া খাহিহে ৰাজদৰবাৰৰ অন্দৰমহলত কাটিব দিয়া হৈছিল। মাংসখিনি বেছি কোমল কৰাৰ বাবে কেঁচা অমিতাখিনি থপথপিয়া কৰি সানি লৈ বহুত সময়ধৰি থৈ দিয়া হৈছিল।

মোগলাই খানা হ'ল এটা বিশেষ শ্ৰেণীৰ আভিজাত্যৰ প্ৰতীক। পৰৱৰ্তী সময়ছোৱাত মোগলাই খানা ৰজাঘৰানাৰ বৃত্ত নেওচি সাধাৰণ মানুহৰ অতি মৰমৰ পৰিচিত খাদ্য হৈ উঠিল। এটা সময়ত মোগল দৰবাৰত ইউৰোপীয় ব্যৱসায়ীসকলে পৰ্যটকৰ দল আৰু ধৰ্মপ্ৰচাৰকসকল আহিলে তেওঁলোকৰ দৃষ্টিত ভাৰতবৰ্ষ বুলি ক'লে তিনিটা ছবিহে প্ৰধান হৈ উঠিছিল। ভাৰতবৰ্ষ হ'ল সোণৰ দেশ। ব্যৱসায়ীসকলে ক'লৈ এই দেশ হ'ল গৰম মচলাৰ দ্বীপ। লগতে ধৰ্মীয় দৃষ্টিকোণৰ আছিল ক'লা মানুহবোৰৰ 'পেগান' উপাসনা। এই তিনিওটা মূল্যায়নৰ পৰাই মোগল সাম্ৰাজ্যত নতুন পোহৰ প্ৰৱেশ কৰিলে। কথিত আছে যে স্পেইনৰ সম্ৰাটে বহু ভাষাত লিখিত এখন বাইবেল সম্ৰাট আকবৰক উপহাৰ দিছিল। মোগল পাকঘৰে নিজস্ব ঘৰাণা ৰক্ষা কৰিব নোৱাৰে। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত থকা আঞ্চলিক খাদ্য, জলপানৰ ক্ষেত্ৰতে দ্ৰুত পট পৰিৱৰ্তন হ'ল। সম্প্ৰদায়, গোষ্ঠী নাইবা অঞ্চল বিশেষে পৰম্পৰাগত লোকখাদ্যৰ সুদীৰ্ঘ তালিকা এখন

থাকে। এতিয়া বিভিন্ন চহৰাঞ্চলৰ ফুটপাথত বিক্ৰী হয় বিৰিয়ানি, ৰোল, মোগলাই পৰঠা, চাওমিন। নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীক তীব্ৰভাৱে আকৰ্ষিত কৰে। চিৰা-মুড়ি, হুৰুম, দৈ, মাহ-কৰাই এতিয়া পুৰণি খাদ্য হ'ল। বিৰিয়ানি কিন্তু ফুটপাথত জিলিকি থাকে। কেতিয়াবা কম দামী ৰং আৰু ফ্লেভাৰ যোগ কৰি প্ৰস্তুত কৰোঁতেই শৰীৰৰ বাবে ক্ষতিকাৰক হৈ উঠে। মাত্ৰ পঞ্চাশ টকাত এক প্লেট বিৰিয়ানিত উচ্চপৰ্যায়ৰ উপাদান যোগ কৰা টান। মোগলাই খানা খাবলৈ মন গ'লে বাহিৰলৈ যাব নালাগে। মহানগৰীৰ ফ্লেটত বহি অনলাইন অৰ্ডাৰ দিয়ে নাতিনীজনীয়ে। কেতিয়াবা হায়দৰাবাদৰ বিৰিয়ানি, আকৌ কেতিয়াবা কলকাতাৰ বিৰিয়ানি। আইতাকৰ বাবে নিৰামিষ বিৰিয়ানিৰ অৰ্ডাৰ দিয়ে নাতিনীজনীয়ে। হাতত এবাটি আখৈ আৰু গাখীৰ লৈ আইতাকে ভাবে— সঁচাকৈ কলিযুগ আহিল দেই। মোবাইলত বোলে লিখা আছে সকলো খাদ্যভাণ্ডাৰৰ অ-আ-ক-খ। আইতাকে ক'ব বিচাৰে আমাৰ পাকঘৰবোৰ চুৰ কৰা হৈছে। কোনে চুৰি কৰিলে আৰু কিয় চুৰি কৰিলে, সেয়া আইতাই নাজানে।

ফিউজন খাদ্য

'ফিউজন' শব্দ লৈ কিবা এটা ক'বলৈ গ'লেই মনত পৰি যায় একেবাৰে শৈশৱত পঢ়া এফাঁকি বাংলা কবিতাৰ কথা। কবি সুকুমাৰ ৰায় লিখিত 'হাসজাৰু' কবিতাটোত এটি বাক্য আছিল, 'হাঁস ছিল সজারুও হয়ে গেল হাসজারু'। অৰ্থাৎ 'হাঁহ' আৰু 'সজাৰুৰ' মিশ্ৰণে নতুন এটি প্ৰাণী তৈয়াৰ কৰি দিলে। 'সজাৰু'ক অসমীয়াত বোধকৰোঁ কেটেলা পহু বুলি কোৱা হয়। এই কাৰণে কবি সুকুমাৰ ৰায় ৰচিত ফিউজন সম্পৰ্কীয় ইতিকিং ঘাইকৈ বাংলা পঢ়ুৱৈৰ বাবেই প্ৰযোজ্য।

ইংৰাজী ভাষাত ëFusioní শব্দৰ অভিধানিক অৰ্থ হ'ল 'সন্মিলন' (Coalition) নাইবা ঘনিষ্ঠ মিলন (Close Union)। কিন্তু এই ফিউজন সম্পৰ্কীয় বিভিন্ন পৰিভাষাৰ মাজতে এটি বাস্তৱসন্মত সুন্দৰ পৰিভাষা দিছিল জনৈক খাদ্য বিশেষজ্ঞ ছুজান ডুমায়েনে। তেওঁ কৈছিল—

ëFusion Food can walk a time line, when the two cuisines enhance each other, it can be brilliant and delicious. When they donít, it can just be confusing or gimmicky...í.

অৰ্থাৎ দুটা স্বতন্ত্ৰ চৰিত্ৰৰ খাদ্য-সামগ্ৰীৰ মাজত যদি মিলন ঘটাই এবিধ নতুন স্বতন্ত্ৰ খাদ্য তৈয়াৰ কৰাৰ পৰিকল্পনা কৰা হয়, সেয়া এবিধ উৎকৃষ্ট নতুন খাদ্য হৈ উঠিব পাৰে, কিন্তু যদি দুটা খাদ্যৰ মিলন ভবা মতে নহ'ল তেন্তে কিন্তু একেবাৰেই নষ্ট খাদ্য-সামগ্ৰীৰ ৰূপ ল'ব পাৰে। আজি সমগ্ৰ পৃথিৱীত খাদ্য সম্পৰ্কীয় বিভিন্ন ধৰণৰ নতুন-নতুন শ্লোগান গঢ় লৈ উঠিছে। যেনে— পৰম্পৰাৰ লগত আধুনিক ধাৰাৰ সংমিশ্ৰণ। আধুনিক বিশ্বৰ সকলো সৃজনশীল বিষয়তেই ফিউজন চিন্তাৰ আৱিৰ্ভাৱ ঘটিছে। সেয়া বৰ্তমান সমাজৰ নিজস্ব চাহিদাৰ ফলাফল। এতিয়া 'নিউ ওয়াৰ্ল্ড কুইজিন' বুলি ক'লে অকল পাকঘৰৰ ক্ষেত্ৰতেই হোৱা নাই, সমাজৰ সকলো ক্ষেত্ৰতেই দেখা গৈছে। আৰ্থ-সামাজিক, সাংস্কৃতিক সম্পৰ্কৰ দৃষ্টিভংগীৰ মাজতো দ্ৰুত পৰিৱৰ্তন আহিব ধৰিছে। যেনে— দুটা ভিন্ন প্ৰান্তৰৰ মানুহে যদি একেলগে এটা পৰিয়ালৰ সদস্য হৈ থাকিব লয়, তেওঁলোকৰ

নিজস্ব ভাষা, পোছাক, খাদ্য, চিন্তা, সংস্কৃতি আনকি ধৰ্ম ভিন্ন হ'লেও একধৰণৰ ফিউজন সৃষ্টি হয়। সাম্প্ৰতিক কালৰ এখন বাংলা চিনেমাৰ নাম হ'ল 'আহাৰে'। তাত অভিনয় কৰিছে, অভিনেত্ৰী ঋতুপৰ্ণা সেনগুপ্ত লগতে বাংলাদেশৰ অভিনেতা 'অৰফিন শুভ'-এ, চিনেমাখনৰ নিৰ্দেশনা কৰিছে ৰঞ্জন ঘোষে। এটি সুন্দৰ প্ৰেমৰ কাহিনী। ঠিক যেন সাধুকথাৰ দৰে। বাংলাদেশৰ এগৰাকী ধনী মুছলমান পৰিয়ালৰ ল'ৰা ডাঙৰ পঞ্চতাৰকা হোটেলৰ ছেফ। আনফালে কলিকতাৰ মধ্যবিত্ত হিন্দু পৰিয়ালৰ এজনী ছোৱালী। দুয়োজনেই বিভিন্ন ধৰণৰ ৰেছিপি প্ৰস্তুত কৰি ভাল পায়। দুই বিপৰীত ধৰ্মৰ মানুহ, তেওঁলোক ভিন্ন প্ৰান্তৰৰ বাসিন্দা। তেওঁলোকৰ ভিন্ন খাদ্যাভ্যাস আৰু খাদ্যৰুচিও ভিন্ন। কিন্তু তেওঁলোকৰ নিভাঁজ প্ৰেমৰ পৰাই এটি সুন্দৰ মন গঢ় লৈ উঠিছে, সেয়া হ'ল ফিউজন খাদ্যৰ মন, তেনেধৰণৰ ৰেছিপিৰ চাহিদাও প্ৰচুৰ। চিনেমাখনৰ মূল বিষয় হ'ল আধুনিক প্ৰযুক্তিৰ এই যুগত এগৰাকী মানুহে আঞ্চলিক পৰিচয় লৈ জীয়াই থাকিব নোৱাৰে। একেই অৰ্থত আৰ্য আৰু আৰ্যেতৰ সংস্কৃতি লগ লাগি নিৰ্মাণ কৰিছিল নতুন সংস্কৃতি।

ইতিহাসে ঢুকি নোপোৱা কালৰ পৰাই বিভিন্ন জাতি-জনজাতি, ভাষা, সংস্কৃতিৰ মানুহে এই সুজলা-সুফলা ভাৰতবৰ্ষলৈ আহিবলৈ ধৰে। নিগ্ৰেইড, দ্ৰাবিড়ীয় আৰ্য, মঙ্গোলীয় বা কিৰাত জনজাতিৰ সংমিশ্ৰণ ঘটাৰ উপৰিও পাৰ্চীয়ান, গ্ৰীক, শক, ইংৰাজসকলৰ বাবেই ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ মূলমন্ত্ৰ হ'ল 'বৈচিত্ৰ্যৰ মাজত ঐক্য'। সামাজিক ফিউজন অকল ভাৰতবৰ্ষতে নহয়, সমগ্ৰ বিশ্বত ঘটিছে। মানৱ সভ্যতাৰ ইতিহাসৰ অৰ্থই হ'ল প্ৰব্ৰজনৰ ইতিহাস। 'ফিউজন' শব্দটো ভাৰতীয় নহয়। প্ৰথম বিশ্বৰ উন্নত দেশৰ আৱিষ্কাৰ। সাম্প্ৰতিক কালত ফিউজন খাদ্য এটি আন্তৰ্জাতিক ৰাজনৈতিক বিষয় বুলি ক'ব পাৰি। আজিৰ তাৰিখত বাংলাদেশ আৰু ভাৰতবৰ্ষত খাদ্য-সামগ্ৰীৰ যি ভাণ্ডাৰ মজুত আছে, সেয়া ফিউজন খাদ্যৰ বাবে নতুন দিশ উন্মোচন কৰিব পাৰে, কৰিও আছে। ফিউজন খাদ্য প্ৰস্তুত কৰাৰ বাবে প্ৰাথমিক চৰ্তই হ'ল তাত আঞ্চলিক উপাদানৰ উপস্থিতি থাকিব কিন্তু সেয়া মূল পৰিচয় হ'ব নোৱাৰে। যিখন ৰেস্তোঁৰাই নতুন নামত খাদ্যখিনি প্ৰস্তুত কৰিলে সেয়া তাৰ নতুন সম্পত্তি। যেনে আমাৰ দেশৰ বিভিন্ন ৰাজ্যত গঢ় লৈ উঠা 'মেকডোনাল', 'কে. এফ. চি.'ৰ ৰেস্তোঁৰাবোৰে এতিয়া আঞ্চলিক উপাদান যোগ কৰে, কিন্তু নতুন খাদ্যখিনি সম্পূৰ্ণভাৱে

তেওঁলোকৰ নিজস্ব ব্ৰাণ্ড। হোটেল মেনেজমেণ্ট পঢ়ি থকা এজনী ছাত্ৰীক লগ পাইছিলোঁ। তাইৰ লগত কথা পাতি গম পাইছিলোঁ যে হোটেল মেনেজমেণ্টৰ ডাঙৰ-ডাঙৰ প্ৰতিষ্ঠানবিলাকৰ ছাত্ৰ-ছাত্ৰীসকলক শিকোৱা হয় যে এবিধ আঞ্চলিক চৰিত্ৰৰ আঞ্জাক কেনেদৰে গ্লোবেল চৰিত্ৰৰ কৰি তুলিব পৰা যায়। তাৰ বাবে বিভিন্ন ধৰণৰ বিভিন্ন দেশৰ খাদ্য উপাদান, মচলা-পাতি যোগ কৰিব লাগিব। অৰ্থাৎ আন্তৰ্জাতিকতা আৰু আঞ্চলিকতাৰ মিশ্ৰণত ফিউজন খাদ্যৰ এজন ক্ৰেতা হৈ উঠে বিশ্বমানৰ। ক্ৰেতা আৰু বিক্ৰেতাৰ দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে সেয়া সঁচা, অৰ্থাৎ গুৰুত্বপূৰ্ণ, কাৰণ বৃহৎসংখ্যক গ্ৰাহকক তৃপ্তি দিয়াৰ ক্ষমতা আছে। কিন্তু একেলগে এই প্ৰক্ৰিয়াত অজস্ৰ আঞ্চলিক খাদ্যসম্ভাৰৰ মৃত্যু হ'ব ধৰে। সেয়াই হ'ল ফিউজন খাদ্যৰ নেতিবাচক এটা দিশ। কাৰণ শতকৰা কিমান ভাগ আঞ্চলিক আৰু কিমান অংশ আন্তৰ্জাতিক আৰু তাৰ পৰা উদ্ভৱ নতুন খাদ্য পৰিচয় গ্ৰহণ কৰা ইমান সহজ নহয়। এগৰাকী বৃদ্ধ ভদ্ৰলোকে তেওঁৰ নিজৰ সৰুকালৰ স্মৃতিচাৰণ কৰিব গ'লে এনেদৰে বৰ্ণনা দিয়ে— 'মনত পৰে— দৈ, চিৰা, মুড়ি, আখৈ, গুড় গাখীৰেৰে ভৰি থকা জলপানৰ বাটিটোলৈ। আয়ে তৈয়াৰ কৰা পিঠাৰ মলমলীয়া গোন্ধ। বিভিন্ন প্ৰকাৰৰ বনৰীয়া আলু আদিৰ ফিকা চাহৰ স'তে খাইছিলোঁ। এতিয়া ভোক লাগিলেই মেগি, চাওমিন, মম' সেয়াই দেখোন জলপান।'

হয় নতুন প্ৰজন্ম আৰু পুৰণি প্ৰজন্মৰ মানুহৰ মাজত সেয়াই ডাঙৰ পাৰ্থক্য। নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীৰ পুৰণি পৰম্পৰা অৰ্থাৎ ট্ৰেডিশ্বন সম্পৰ্কে ইমান কৌতূহল নাই, বৰং আধুনিক ট্ৰেণ্ডহে ভাল পায়। ৰেস্তোঁৰা সংস্কৃতিৰ ফিউজন খাদ্যৰ মাজেদি বিশাল খাদ্য ভাণ্ডাৰ মুকলি কৰি দিব পাৰিছে, কিন্তু এই খাদ্যৰ লগতে যুক্ত আছে ৰাজনীতিৰ। এখন অনুন্নত দেশৰ প্ৰাকৃতিক সম্পদ, উৎপাদিত শাক-পাচলি, ফল-মূল যেতিয়া বাধাবিহীনভাৱে উন্নত দেশৰ বজাৰত জিলিকি থাকিব, তাৰ বিভিন্ন ৰেস্তোঁৰাত ফিউজন খাদ্যৰ তালিকাত কিমান উপাদান, কোন দেশৰ সেয়া বিচাৰ্য বিষয় নহয়, বৰঞ্চ উন্নত দেশৰ দামী ৰেস্তোঁৰাৰ সম্পত্তি সেয়া।

খাদ্য প্ৰক্ৰিয়াৰ প্ৰকাৰ ভেদৰ আদান-প্ৰদানৰ প্ৰক্ৰিয়া অতি গুৰুত্বপূৰ্ণ। ভৌগোলিক পৰিৱেশ, জাতীয়, ধৰ্মীয় আচাৰ-আচৰণৰ মাজত প্ৰভেদৰ বাবে খাদ্যাভ্যাসৰ মাজত ব্যৱধান সৃষ্টি হয়। ফিউজনে খাদ্য হয়তোবা সেই ব্যৱধান

কম কৰাৰ ক্ষেত্ৰত সহায় কৰে। মুক্ত বজাৰ অৰ্থনীতিৰ প্ৰাথমিক উদ্দেশ্য হ'ল নতুন নতুন উৎপাদিত সামগ্ৰী ধাৰাবাহিকভাৱে গ্ৰাহকক যোগান দিয়া আৰু সুগ্ৰাহক তৈয়াৰ কৰা। যদিও সেইদিনালৈকে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত থকা গ্ৰামাঞ্চলেই আছিল খাদ্য উৎপাদনৰ মূল কেন্দ্ৰবিন্দু। খাদ্য-সামগ্ৰীৰ লগতে গ্ৰামীণ সংস্কৃতিৰ যোগাযোগৰ বাবে গাঁৱেই আছিল সঠিক স্থান। সেই গাঁও অঞ্চলৰ পৰাই চহৰ অঞ্চলৰ বাবে খাদ্য সৰবৰাহ কৰা হৈছিল। সময় আৰু পৰিস্থিতিৰ দাবীত খাদ্য-সামগ্ৰীৰ পৃথিৱীত পৰিৱৰ্তন আহি গৈছে। এনে ক্ষেত্ৰত বিচাৰ কৰিব লাগিব আঞ্চলিক খাদ্য-সামগ্ৰীযুক্ত এক ধৰণৰ খাদ্য দ্ৰব্যৰ আন্তৰ্জাতিক ৰূপ দিয়াৰ প্ৰক্ৰিয়াত যুক্ত হৈ আছে আঞ্চলিক খাদ্য দ্ৰব্যৰ পৰিচয় বিলুপ্তিৰ কাহিনী। সৰ্বপ্ৰথম অঞ্চলবিশেষে থলুৱা উপাদান, তাৰ পৰা উৎপাদিত অঞ্চলৰ নাম আৰু তাৰ তালিকা সৃষ্টিৰ প্ৰতি গুৰুত্ব বহন কৰা প্ৰয়োজন। কাৰণ পৃথিৱীৰ যিকোনো ঠাইৰ জলবায়ু আৰু পাৰিপাৰ্শ্বিক অৱস্থা আন এখন ঠাইৰ লগত নিমিলে। অঞ্চল বিশেষে গঢ় লৈ উঠা মানুহৰ খাদ্যাভ্যাস আৰু লোকাহাৰৰ প্ৰভেদ যদি নাইকিয়া হৈ যায় তেন্তে বিভিন্নতাৰ মাজত ঐক্যতা এই বিষয়খিনিও মূল্যহীন হ'ব ধৰিব।

ফিউজন খাদ্যৰ ধাৰণাৰ প্ৰাসঙ্গিকতাৰ নেপথ্যত আছে পৰ্যটকক আকৰ্ষণ কৰাৰ কাহিনী। কাৰণ খাদ্য আৰু পৰ্যটনৰ মাজত গভীৰ সম্পৰ্ক আছে। আধুনিক যুগত পৰ্যটন উদ্যোগ বিশ্বৰ এক অতি গুৰুত্বপূৰ্ণ উদ্যোগ। প্ৰাচীনকালৰ পৰ্যটকসকলৰ লগত আধুনিক পৰ্যটকৰ অৱস্থানগত পাৰ্থক্য আছে। ১৪৯২ চনত ক্ৰিষ্টোফাৰ কলম্বাছে যেতিয়া প্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষৰ মাটিত পদাৰ্পণ কৰিছিল, তেওঁ আহি পোৱাৰ ছয় বছৰমান পিছতেই পৰ্তুগীজ পুৰুষ ভাস্কো-ডা-গামা আহিছিল। এছিয়াৰ বিভিন্ন প্ৰান্তত সেই পৰ্যটকসকলে বিভিন্ন ধৰণৰ গছ ৰুই গৈছিল। ঘাইকৈ বিভিন্ন ধৰণৰ পাচলি, যেনে— বিন, ৰঙালাউ, স্কোৱাছ, বিলাহী। অমিতা এই পাচলিবিলাক বিদেশী। আমি এতিয়া কল্পনাও কৰিব নোৱাৰোঁ। সুৰুযমুখী ফুল আহিছিল উত্তৰ আমেৰিকাৰ পৰা। পৰ্তুগীজসকলে লগতে লৈ আনিছিল বিভিন্ন ধৰণৰ মচলা-পাতি, সেইবিলাকো কালৰ সোঁতত আঞ্চলিক হৈ পৰিল। ফিউজন খাদ্য হ'ল মুক্ত বজাৰৰ আৱিষ্কাৰ। যাৰ লগত বাণিজ্যৰ গভীৰ সম্পৰ্ক। দ্ৰুত গতিত পৰিৱৰ্তিত সমাজৰ বিষয়। ফিউজন খাদ্যই ক্ষন্তেকীয়া নতুন আমেজ দিয়ে, ইয়াৰ লগতে খাদ্য সম্পৰ্কীয় ইতিহাস, ব্যক্তিগত, নাইবা সমূহীয়া যিকোনো ধৰণৰ বিশেষ স্মৃতি যুক্ত হৈ নাথাকে।

শ্ৰীধনদা কুমাৰী শইকীয়ানীয়ে ১৯২৪-২৫ চনত লিখিছিল ৰান্ধনী বা ৰন্ধন প্ৰণালী নামৰ এখন গ্ৰন্থ। সেয়া প্ৰথম প্ৰকাশ পাইছিল ১৯৩০ চনত। গ্ৰন্থখনিৰ দ্বিতীয় সংস্কৰণত লেখিকাই এটি গুৰুত্বপূৰ্ণ বাক্য লিখিছিল— "দুকুৰি বছৰৰ আগতে অসমীয়া গাভৰুসকলক ৰন্ধা-বঢ়াৰ কিঞ্চিত আভাস দিবলৈ 'ৰান্ধনী' বা 'ৰন্ধন প্ৰণালী' যুগুত কৰি সামান্য গৌৰৱ অনুভৱ কৰিছিলোঁ। পৰিৱৰ্তনৰ লগে লগে অসমীয়াৰ ৰান্ধনীঘৰত ৰন্ধন প্ৰণালীয়ে কিমান দূৰ জাতীয়তা বজাই ৰাখিব পাৰিছে ৰান্ধনীসকলেহে ক'ব।" আকৌ লেখিকা কবিতা চৌধুৰীয়ে লিখিছিল— 'ৰাজবাড়িৰ ৰান্না' বুলি এখন বঙলা ভাষাৰ গ্ৰন্থত, সেয়া ২০১৬ চনত প্ৰকাশিত হৈছিল। পাতনিত তেওঁ লিখিছিল— "আমি জন্মেছি, বড় হয়েছি যে বাড়িতে সেই আন্দুল ৰাজবাড়ি এখন ভগ্নপ্ৰায়। মা-ঠাকুমাৰ পাকশালে পৰিচয় পেয়েছি সেকালেৰ ৰাজবাড়িৰ ৰান্নাৰ স্বাদ যা সাবেক, চিৰকালীন বাংলাৰ সংস্কৃতিৰ অঙ্গ।" (আমি জন্মিছোঁ, ডাঙৰ-দীঘল হৈছোঁ যিখন ঘৰত সেই অভিজাত ৰাজবাড়ি এতিয়া ভগ্নপ্ৰায়। মা-আইতাৰ ৰান্ধনিশালত চিনাকী হৈছিলোঁ সেই সময়ৰ ৰাজবাড়িৰ ৰন্ধাৰ স্বাদ পূৰ্বতে যি আছিল, সেয়া বাংলাৰ সাংস্কৃতিক অংগ।) দুয়োগৰাকী ভিন্ন প্ৰান্তৰ আইতাৰ খাদ্য নিৰ্মাণৰ শিল্প, সংস্কৃতিৰ লগত যুক্ত হৈ থকা বিষয়। এটা জাতি আৰু অঞ্চলৰ ইতিহাস, ফিউজন খাদ্যৰ মাজতে এই বিশেষ সাংস্কৃতিক পৰিচয়খিনি বিচাৰি পোৱা সম্ভৱ নহয়। ❖

জনজাতীয় পাকঘৰ

ভাৰতীয় সংস্কৃতি বুলি ক'লে অকল আৰ্য সংস্কৃতিকে নুবুজায়। আৰ্য আৰু আৰ্যেতৰ এই দুটা বিশিষ্ট ধাৰাই বিদ্যমান। একেদৰে অসমীয়া সংস্কৃতি বুলি ক'লে অকল এটা সংস্কৃতি নুবুজায়। উত্তৰ-পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যই তাহানিত 'বৰ অসমৰ' অন্তৰ্গত আছিল আৰু সেই বৰ অসম হ'ল বিভিন্ন জনজাতিৰ আবাস ভূমি আৰু বৰ্ণাঢ্য সংস্কৃতিৰ মিলনভূমি। মহাবাহু ব্ৰহ্মপুত্ৰৰ উত্তৰ-দক্ষিণ, পূব-পশ্চিমত থকা নানা নদী-উপনদী ব্ৰহ্মপুত্ৰত মিলি বৈ আছে। এটি বৃহত্তৰ অঞ্চলৰ ভূমিপুত্ৰ বড়ো, ৰাভা, তিৱা, কাৰ্বি, মটক-মৰাণ, কছাৰী, কোচ, মিচিং, আহোম আৰু অন্যান্য অজস্ৰ জনজাতিৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক মিলনতীৰ্থ বুলি ক'ব পাৰি। বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা পাহাৰ আৰু ভৈয়ামৰ জনজাতিসকলৰ মাজত কিছুমান উমৈহতীয়া বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। অসমৰ সংস্কৃতিক লুইতপৰীয়া সংস্কৃতি বুলি কোৱা হয়। অসমীয়া সভ্যতাৰ অৰ্থ হ'ল লুইত সভ্যতা। অসমৰ জনজাতীয় পাকঘৰৰ বৈশিষ্ট্য বুলি ক'লে স্বাভাৱিকভাৱেই ইয়াৰ প্ৰকৃতি, নদ-নদী, অৰণ্যৰ কথা ক'ব লাগিব। অভিজ্ঞ আইতাসকলৰ লগত কথা পাতিলেই গম পোৱা যায় যে জনজাতীয় পাকঘৰৰ অন্যতম বৈশিষ্ট্য হ'ল অতিৰিক্ত মাত্ৰাত আমিষ খাদ্যৰ উপস্থিতি। ইয়াৰ বিজ্ঞানসন্মত কাৰণ আছে। এই ৰাজ্যত অসংখ্য নদী, বিল, পুখুৰী থকাৰ বাবে ইয়াত অতীজৰ পৰাই মাছ প্ৰচুৰ পৰিমাণে পোৱা গৈছিল। স্বাভাৱিকতেই প্ৰতিটো জনজাতিৰ প্ৰিয় খাদ্য হ'ল মাছ। অসংখ্য ধৰণৰ সৰু-বৰ, মাছ-পুঠি ইয়াত পোৱা গৈছিল। এই ৰাজ্যৰ আইতাসকলে নিজ-নিজ বৈশিষ্ট্যপূৰ্ণ পাকৈত হাতেৰে সোৱাদযুক্ত টেঙা, পাতল জোল, খৰিচাৰ লগত প্ৰস্তুত কৰিছিল। ঘৰৰ সকলোকে তৃপ্তিৰে এসাজ ভাত পৰিপাটিকৈ পৰিৱেশন কৰিছিল। অতিপাত অতিথিপৰায়ণ বুলি সুনাম থকা অসমীয়া মানুহৰ ঘৰত সকলো সময়তে আলহীৰ অহা-যোৱা নিয়মীয়া আছিল। নিতৌ দুপৰীয়াৰ ভাতসাঁজ আলহীৰ বাবেও ৰন্ধা হৈছিল।

নৃতাত্ত্বিকসকলৰ মত অনুসৰি অসমীয়া সংস্কৃতিত 'কিৰাত সংস্কৃতি'ৰ

উপাদান আছে। সাধাৰণতে সংস্কৃতিক দুটা ভাগত ভাগ কৰা হৈছে। বৈদিক সংস্কৃতি আৰু কিৰাত সংস্কৃতি। আৰ্য আৰু অনাৰ্যৰ সংস্কৃতি। কিৰাত সংস্কৃতি আৰু বৈদিক সংস্কৃতি দুটা বিপৰীতধৰ্মী সংস্কৃতি। বৈদিক সংস্কৃতিৰ অন্তৰ্গত দেখা যায় নিৰামিষ ভোজন, ব্ৰহ্মচৰ্য ব্ৰত পালন, সন্ন্যাস গ্ৰহণৰ নিয়ম আৰু পৰম্পৰা আছে। কিৰাত সংস্কৃতিত সেয়া পোৱা নাযায়। বৈদিক সংস্কৃতিত সাধাৰণতে হাঁহ, পাৰ, কাছ, বৰাহ আদি ভক্ষণীয় দ্ৰব্য নহয়। কিৰাত সংস্কৃতিত কিন্তু সেইবিলাক খাদ্য ভক্ষণীয়, লগতে দেৱ-দেৱীৰ উদ্দেশ্যেও হাঁহ, পাৰ, কাছ বলি দিয়াৰ নিয়ম আছে।

আকৌ অসমক বনৌষধিৰ ভঁৰাল বুলি কোৱা হয়। ইয়াৰ হাবি, বন, বাৰী, চোতাল সকলোতেই বিভিন্ন ধৰণৰ গুৰুত্বপূৰ্ণ গছ-লতা, গুল্ম আছে। ভেদাইলতা, টেঙেচি, টেঙাপাত, মানিমুনি, মাটি কান্দুৰি আৰু কিমান যে ঔষধি গুণাগুণসম্পন্ন গছ-বন আছে। কোৱা হয় যে জনজাতীয় খাদ্যবিলাক কেৱলমাত্ৰ ৰুচিকৰে নহয়, বৰং পুষ্টিকৰ, ৰোগ প্ৰতিৰোধক আৰু ৰোগ নিৰাময়ক। অথৰ্ববেদত কিৰাত কন্যা কৈৰাতিকাৰ কথা উল্লেখ কৰা হৈছে। তেওঁ সৰ্পৰ বিষনাশক ভেষজ বিদ্যাত পাৰ্গতা আছিল। পোৱা যায় যে—

'কৈৰাতিকা কুমাৰিকা সকানিত ভেষজ্‌ম।
হিৰন্যয়ী ভিৰভ্ৰিৰ্গিৰীনা সুপ সানুষু।।'

অৰ্থাৎ, কিৰাত যুৱতী অকণমানি তৰুণীজনীয়ে ঔষধ খান্দিহে সোণৰ নিৰ্মিত ঘণ্টিৰে শৈল শিৰাত।

ডাঃ গুণীৰাম খনিকৰে এঠাইত লিখিছিল যে অসমত ঔষধি গুণসম্পন্ন গছ-বন, ফল-মূল, শাক-পাচলি ইমান বেছি আছে, আৰু সেই নানাবিধ গুণসম্পন্ন বিভিন্ন ফল-মূল শাক-পাচলি আদি আমি অতি সহজতে কম খৰচতে পাওঁ, সেইবাবেই আমি কম পৰিমাণে গুৰুত্ব দিওঁ। লগতে অতি সহজতে আমাৰ চাৰিওপিনৰ পৃথিৱীত থকা, সহজে পাব পৰা খাদ্য যিহেতু বিনা খৰচতে পাওঁ গতিকে এনেবিলাক খাদ্যবস্তুৰ ওপৰত আমি বেছি গুৰুত্বই নিদিওঁ। প্ৰকৃত গুণাগুণ নজনাৰ বাবে তেনে খাদ্যৰ প্ৰতি এক ধৰণৰ অৱহেলা কৰি আহোঁ আৰু তাৰ বাবেই আমি বিভিন্ন ৰোগত আক্ৰান্ত হ'বলগীয়া হয়। তেওঁ আৰু কৈছিল যে অসমত বসবাসকাৰী এগৰাকী দুখীয়া মানুহেও সহজতে পুষ্টিকৰ খাদ্য খাই সুস্বাস্থ্যৰ অধিকাৰী হৈ থাকিব পাৰে।

জনজাতীয় খাদ্যৰ বৈশিষ্ট্য বুলি ক'লে বিভিন্ন ধৰণৰ বক্তব্য শুনিবলৈ পোৱা যায়। ড° বিমল মুজমদাৰে জনজাতি আৰু গাৰো জনজাতি বুলি তেওঁৰ এখন গ্ৰন্থত উল্লেখ কৰিছে যে 'ধূমপানৰ প্ৰচলন বা অভ্যাস প্ৰায়বোৰ জনজাতীয় লোকৰ মাজতেই দেখা যায়। ধূমপানৰ ভিতৰত মদ আৰু তামোল-পাণ উল্লেখযোগ্য। এই দুবিধ অকল সেৱনৰ বাবেই নহয়, পূজা পাতলৰো অপৰিহাৰ্য অঙ্গ।' তেওঁৰ মতে জনজাতি মানুহৰ ঘৰে-ঘৰে গৰু-ছাগলী আদি জীৱ-জন্তু বৰ যতনেৰে পোহা দেখা যায়। গৰু পুহিছিল যদিও অধিকাংশ জনজাতীয় লোকে গাখীৰ নাখাইছিল আৰু গাখীৰ খোৱাৰ নিয়মো নাছিল। আনকি গাখীৰ খীৰোৱাৰ নিয়মো নাছিল। অকল গাখীৰেই নহয়, কিছুমান জনজাতীয় লোকে গাখীৰৰ চাহ পৰ্যন্ত নাখাইছিল।' গাখীৰৰ প্ৰতি জনজাতীয় লোকসকলৰ এই অনীহাৰ কাৰণ কি তাক স্পষ্টকৈ জনা নাযায়। কিছুমানে ক'ব খোজে যে জনজাতিসকলে গৰুক বৰ শ্ৰদ্ধাৰ চকুৰে চায়। আনকি লক্ষ্মীদেৱী বুলি জ্ঞান কৰি পূজাও কৰে। এই শ্ৰদ্ধাজনিত কাৰণতেই হয়তো গাখীৰ খীৰাই খোৱাটো তেওঁলোকে অনুচিত বুলি ভাবে।

ড° অৰ্পনা কোঁৱৰৰ লেখনিত পাওঁ যে 'ভাৰতৰ অন্য প্ৰান্তৰ লোকে সাধাৰণতে ভক্ষণ নকৰা বহু খাদ্যদ্ৰব্য এই অঞ্চলৰ লোকৰ প্ৰিয় খাদ্য। ঘৰচীয়া, বনৰীয়া, বিভিন্ন জীৱ-জন্তুৰ মাংস, মাছ, হাবিৰ বিভিন্ন গছ-লতা, ফুল, ফল-মূল আদি জনসাধাৰণৰ পৰম্পৰাগত খাদ্য সম্ভাৰ। চিকাৰলৈ যোৱা, মাছ ধৰা আদি বিভিন্ন কলা-কৌশল জনগোষ্ঠীয় লোকসকলে বংশগতভাৱেই আহৰণ কৰে। এই কথা মন কৰিবলগীয়া যে এই খাদ্যসমূহৰ প্ৰস্তুতকৰণ প্ৰক্ৰিয়াও জনগোষ্ঠী অনুসৰি ভিন্ ভিন্। খৰিকাত দি এই অঞ্চলৰ লোকে যিদৰে মাছ-মাংস ভক্ষণ কৰে, সেইদৰে জুইত পুৰি খোৱাৰ এক পৰম্পৰাও এই অঞ্চলত প্ৰচলিত। শুকান মাছ খুন্দি তাৰ পৰাও শুকতি নামৰ এক বিশেষ প্ৰকাৰৰ খাদ্য এই অঞ্চলৰ লোকে প্ৰস্তুত কৰে। নানা প্ৰজাতিৰ পোক-পতঙ্গ (উইচিৰিঙা, ফৰিং) নেউল, গুইসাপ, চৰাই-চিৰিকতি, জীৱ-জন্তু আদি এই অঞ্চলৰ লোকসকলৰ অন্যতম খাদ্য'।

অসমৰ প্ৰায়বোৰ জনগোষ্ঠীয়ে চাউল নাইবা বিভিন্ন ফলৰ ৰসৰ পৰা ৰাগিয়াল পানীয় দ্ৰব্য প্ৰস্তুত কৰাও খাদ্য সংস্কৃতিৰ অংগ। পৰম্পৰাগতভাৱে বিভিন্ন জনজাতি সমাজৰ বিভিন্ন উৎসৱ-অনুষ্ঠানত ঘৰুৱা মদ ব্যৱহাৰ কৰাৰ নিয়ম আছিল। টাই আহোমসকলৰ সমাজত যেনেদৰে সাজপানীৰ ব্যৱহাৰ

অপৰিহাৰ্য, মিচিং সমাজত 'আপঙ'ৰ ব্যৱহাৰ বিভিন্ন উৎসৱ অনুষ্ঠানত ব্যৱহাৰ কৰা হয়। আকৌ দেউৰী সমাজত 'চুজে'ৰ ব্যৱহাৰ হয়। কাৰ্বিসকলে 'হৰলাং' ব্যৱহাৰ কৰে, হাজংসকলে 'কাচা'। বড়ো, ৰাভা সকলো জনগোষ্ঠীয় সমাজত 'লাওপানী' এটি গুৰুত্বপূৰ্ণ পানীয় দ্ৰব্য।

এটা সময়লৈকে সেয়া নিশ্চিতভাৱে জনজাতীয় পাকঘৰৰ বৈশিষ্ট্য আছিল। সৌ সিদিনালৈকে এটি জনজাতীয় পৰিয়ালত আলহী-অতিথি আহিলে প্ৰথমতেই তামোল-পাণ দিয়া হৈছিল, জলপান দিয়া হৈছিল, কিন্তু চাহৰ প্ৰচলন নাছিল। 'লাওপানী'ৰ ব্যৱহাৰ আছিল। এই বৈশিষ্ট্যবিলাক সলনি হৈছে।

জনজাতীয় পাকঘৰৰ আৰু এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল তেওঁলোকে প্ৰায়েই ভূমিজাত দ্ৰব্যবিলাকৰ ব্যৱহাৰ বেছিকৈ কৰিছিল, ইয়াত বিভিন্ন প্ৰজাতিৰ কচু পোৱা যায়। যেনে— কলা কচু, দহি কচু, বৰ কচু, ভকু কচু, নল কচু, ওল কচু, মান কচু, পাঁচমুখীয়া কচু, কণী কচু ইত্যাদি। ইমান প্ৰজাতিৰ কচুৰ ব্যৱহাৰ ভিন্ন ঠাইত শুনা নাযায়। অন্যান্য বৈশিষ্ট্যৰ মাজত আৰু এটি বৈশিষ্ট্য হ'ল মাছৰ পেটু গুচাই চালনীত দি ৰ'দত শুকুৱাই থৈ পুঠি, কাৱৈ, গৰৈ, খলিহনা আদি মাছেৰে শুকতি তৈয়াৰ কৰি চুঙাত ভৰাই ৰখাৰ প্ৰচলন আছে। কোৱা হয় শুকতি মাছ মেলেৰীয়া ৰোগৰ প্ৰতিৰোধক। এড়ী পলুৰ লেটা, আমৰলি পোক ভাজি খোৱাৰ প্ৰথাও জনজাতি পাকঘৰৰ বৈশিষ্ট্য।

'জনজাতি পাকঘৰ' বুলিলেই নহ'ব। বিভিন্ন জনজাতিৰ আকৌ খাদ্য নিয়ম সুকীয়া। কিমান ধৰণৰ ভাতৰ প্ৰকাৰ আছে। আহোমসকলৰ ভাপত ৰন্ধা 'চেৰা' ভাত, পৰম্পৰাগতভাৱে 'কুম্বিন' আছে। গাহৰিৰ চৰ্বিখিনি শুকুৱাই, আদা, নহৰু দি তাৰ লগতে ভাতখিনি শুকানকৈ ভজা হয়। এই আঞ্জাত তেলৰ ব্যৱহাৰ একেবাৰে নাই বুলিয়েই ক'ব লাগিব। টাইফাকে সমাজত 'টোপোলা ভাত' আৰু 'খাওলাম' হ'ল পৰম্পৰাগত খাদ্য। বাঁহৰ চুঙাত ৰন্ধা 'চুঙা বাউল', 'খাওকুন', আছে। 'পা ছেমি' (মাছৰ টেঙা) 'সাৰু ন ছেমি' (টেঙা মাংস) অতি আকৰ্ষণীয় পৰিচিত খাদ্য।

গাঁৱত থকা ৰাভা মানুহৰ পাকঘৰত সোমাই দেখিছোঁ, তাত মাছ-মাংসৰ উপৰিও থাকে শামুক, কেঁকোৰা, আমৰলি, এড়ীপলু, বৰল ইত্যাদি। বৈশিষ্ট্যপূৰ্ণ এই খাদ্যবিলাক ভাজি, সিজাই বা পুৰি খোৱা হয়। তেল-মচলাৰ ব্যৱহাৰ একেবাৰে কমকৈ কৰা হয়। কলগছৰ পৰা তৈয়াৰ কৰা কলখাৰ দিহে তৈয়াৰ কৰা হয়।

মিচিং জনজাতিৰ পাকঘৰতো তেলৰ ব্যৱহাৰ একেবাৰেই নাই বুলিয়েই ক'ব লাগিব। বিভিন্ন ধৰণৰ বনৰীয়া শাক-পাচলি, শুকান মাছ, মাংস, নামচিং (শুকতি) ইত্যাদি দ্ৰব্যবিলাক খাদ্যদ্ৰব্যত সন্নিৱিষ্ট কৰা হৈছিল। দেউৰী জনজাতিৰ খাদ্যাভ্যাস আৰু ৰন্ধন প্ৰণালীৰ বিশেষত্ব বুলি ক'লে তেওঁলোকে উল্লেখ কৰে— চচুঁচচাঁৰ কথা। চচুঁচচাঁ হ'ল এক প্ৰকাৰ শুকতি। ই অতি জনপ্ৰিয় খাদ্য। বিভিন্ন সৰু-সৰু মাছৰ পেটু চাফা কৰি কেইবাদিন ধৰি ধোঁৱাচাঙত শুকুৱাই কৰকৰীয়া কৰি লোৱা হয়। কচুৰ ঠাৰিৰ লগত খুন্দি গুড়ি কৰি বাঁহৰ চুঙাত বতাহ সোমাব নোৱাৰাকৈ বন্ধ কৰি ৰখা হয়। এমাহ-দুমাহ ৰখাৰ পিছত ইয়াক ভাজি কৰি নাইবা আলু কিম্বা অন্যান্য পাচলিৰ লগত পিটিকা কৰি খোৱা হয়। খাবলৈ অতি সুস্বাদ।

জনজাতীয় মানুহে প্ৰকৃতিৰ পৰা সংগ্ৰহ কৰি আৰু চিকাৰৰ যোগেদিহে জীৱন নিৰ্বাহ কৰিছিল। কিছুমান সমূহীয়া পদ্ধতিৰে খাদ্য সংগ্ৰহ কৰাৰ সুন্দৰ প্ৰথা আছে। কাৰবি মহিলাসকলে 'হালকিবি' অৰ্থাৎ শাক ছিঙিবলৈ হাবিলৈ যোৱাৰ পৰম্পৰা ভিতৰুৱা গাঁৱত এতিয়াও আছে। কাৰ্বি লোকগীতত আছে— 'নেতা পুথেকথে লনজাং তেৰন ৰংছপ লনজাং আনছি ৰুনমে ফাৰইজাং, তেৰন ৰংছপ আজাং কাথি ৰন নাংল কেৰান কাথিচ কিন্তন লাংলাং কিন্তিন আছেংৰে কাংছাম আনছি পেংজা'। অৰ্থাৎ, অচিনাকি গছৰ গুটিবোৰনো কি বুলি সোধাত মাছমৰীয়াজনে মযোতো নাজানো বুলি কৈ তেৰন ৰংছপক ধানৰ থোপা এটা দিলে, ৰংছপই ঘৰলৈ আনি ধানবোৰ অলপমান সিজাই খাই বৰ সোৱাদ পালে আৰু তেওঁ ভাবিলে যে ইয়ে হ'ব আমাৰ উত্তম খাদ্য। পেংজা গাঁৱৰ পূবফালে গুটিবোৰ সিঁচি খেতি কৰিবলৈ ল'লে।

কাৰবি জনগোষ্ঠীৰ মুখ বাগৰি অহা লোক-কথাসমূহত খাদ্যৰ মৌখিক ইতিহাস পোৱা যায়। সেয়াই লোক সংস্কৃতিৰ গুৰুত্বপূৰ্ণ উপাদান।

বড়ো জনজাতিৰ ঘৰলৈ গ'লে বুজা যায় যে পাকঘৰৰ মূল উপাদান হ'ল 'উংখাম চুংগ্ৰাত', চিৰা, মুড়ি, আখৈ খোৱাৰ অভ্যাস নাই বুলি ক'ব পাৰি। মাটিমাহৰ দাইলৰ লগত সৰু শামুকৰ আঞ্জা হ'ল অতি প্ৰিয় খাদ্য। 'নাফাম' (সিদল) হ'ল শ্ৰেষ্ঠ খাদ্য, অতীজৰ বড়ো পাকঘৰত খুসিংগ্ৰা (উইচিৰিঙা), এমফ্ৰী (এৰী পলু), সামো (শামুক), বাৰপিলা (এবিধ পখিলা), বেৰে (বৰল) এইবোৰ খাদ্য প্ৰচুৰ পৰিমাণে খোৱা হৈছিল। এই খাদ্যবোৰ হ'ল প্ৰটিনৰ ভঁৰাল। বড়ো বান্ধৱীৰ ঘৰতো কেইবাবাৰো ভাত খাবলৈ গৈছোঁ, কিন্তু পৰম্পৰাগত খাদ্য খোৱা

নাই। পোলাও, মচলাযুক্ত মাংস, সবজি, দৈ, চাওমিন, মম', আইচক্ৰীম, ধুনীয়া কেক, জেলি খাইছোঁ। চহৰত থকা জনজাতীয় পৰিয়ালত আধুনিকতাৰ স্পৰ্শ চূড়ান্তভাৱে আছে। সেয়াই স্বাভাৱিক।

জনজাতীয় খাদ্যৰ লগত এতিয়া পৰ্যটনৰ সম্পৰ্ক আছে। বাংলাদেশত গৈ দেখিছিলোঁ, পাৰ্বত্য চট্টগ্ৰামত বসবাসকাৰী পাহাৰী জনজাতিসকলৰ শুকান মাছৰ আঞ্জা অতি প্ৰিয়। খাগৰাছৰি, বান্দৰবন আৰু ৰঙামাটি— এই তিনিওখন জিলাতেই আছে জনজাতীয় ৰেস্তোঁৰা। এই তিনিওটা অঞ্চল হ'ল পৰ্যটন অঞ্চল। বাংলাদেশ ভ্ৰমণ কৰিবলৈ যোৱা মানুহে তাতে সোমায় আৰু জনজাতীয় খাদ্য গ্ৰহণ কৰে। সিদলৰ চাটনি, চাকমা জনজাতিৰ চুমা গৰাং বাঁহৰ চুঙাত ভৰাই থয় সৰু সৰু মাছ। ক'বলৈ গ'লে পৃথিৱীৰ সৰ্বত্ৰই জনজাতিসকলৰ খাদ্যাভ্যাস কম-বেছি পৰিমাণে একেই ধৰণৰ। প্ৰকৃতিৰ লগত ঘনিষ্টভাৱে জড়িত হৈ থকা সহজ-সৰল জীৱনত প্ৰাকৃতিক সম্পদৰ পৰা সংগ্ৰহ কৰা খাদ্যই আছিল মূল খাদ্যাভ্যাস। মাছ-মাংস হ'ল প্ৰধান খাদ্য। আধুনিক জীৱনধাৰা, প্ৰতিষ্ঠানিক ধৰ্মৰ অনুপ্ৰৱেশ, মুক্ত বজাৰ অৰ্থনীতি সকলো মিলি আকৌ নতুন প্ৰভাৱ সৃষ্টি কৰিছে। গাঁও অঞ্চলবিলাকত এতিয়া থলুৱা জা-জলপানৰ ছবি সলনি হ'ব ধৰিছে। বিস্কুট, মেগী ইত্যাদিৰ প্ৰচলন বাঢ়িছে। চহৰমুখী জীৱনধাৰাত সমগ্ৰ পৃথিৱীখন কাষ চাপি অহাৰ দৰে হৈছে। বিশ্বায়নৰ ঢৌৱে প্ৰতিখন সমাজতেই নিজস্ব ৰীতি-নীতি, ভাষা, সাহিত্য, সাংস্কৃতিক ক্ষেত্ৰলৈ আমূল পৰিৱৰ্তন আনিছে। কাষ চাপি অহা পৃথিৱীখনত বজাৰৰ অসীম ভূমিকা। বজাৰৰ উপস্থিতি সকলো ক্ষেত্ৰতেই যে নেতিবাচক প্ৰভাৱ সৃষ্টি কৰিছে, সেয়াও নহয়। বহুতেই ক'ব যে বজাৰৰ বাবেই বিভিন্ন কৃষ্টি-সংস্কৃতি বিশ্বদৰবাৰলৈ যোৱাৰ সুযোগ তৈয়াৰ কৰি দিছে। থলুৱা খাদ্যই এতিয়া সাৰ্বজনীনভাৱে প্ৰতিষ্ঠা পাবলৈ সক্ষম হৈছে। পৰম্পৰাগত খাদ্য বজাৰ জীৱনত প্ৰতিষ্ঠিত হৈছে, কিন্তু সমাজ জীৱনত আকৌ বজাৰে মেলি দিয়া খাদ্যসম্ভাৰৰ প্ৰতি আকৰ্ষিত হৈছে সাধাৰণ মানুহে। এটা উৎকৃষ্ট উদাহৰণ হ'ল— গাঁৱত বসবাস কৰা গ্ৰামীণ জনজাতি নাৰীসকলে ঘৰতেই 'লাওপানী' প্ৰস্তুত কৰিব জানে, সেয়া জনজাতীয় সংস্কৃতিৰ প্ৰতিফলন আছিল। এতিয়া নৱ প্ৰজন্মৰ ল'ৰা-ছোৱালীবোৰে যেতিয়া ডাঙৰ হৈ গাঁও এৰি চহৰমুখী হয়, চাকৰিৰ বাবে নাইবা উচ্চ শিক্ষাৰ কাৰণে চহৰ, মহানগৰলৈ আহি বসবাস কৰিবলৈ লয়, তেতিয়া কিন্তু গাঁৱৰ ঘৰত প্ৰস্তুত কৰা লাওপানী কিম্বা আপং গ্ৰহণৰ সুযোগ

নাপায়, বিপৰীতে বিলাতী সুৰা পান কৰাৰ প্ৰতি আগ্ৰহী হ'ব ধৰে। এটা বিপৰীতমুখী ছবি দেখিবলৈ পোৱা যায়। অসমলৈ ফুৰিবলৈ অহা বিদেশী পৰ্যটকে দামী ৰেস্তোঁৰাত সোমাই থলুৱা খাদ্য খাঁব বিচাৰে। প্ৰচুৰ দাম দি জনজাতীয় খাদ্যসম্ভাৰ লাওপানী খোৱাৰ আগ্ৰহ থাকে, মহানগৰীত নিভাঁজ জনজাতীয় খাদ্য পৰিৱেশন কৰা সম্ভৱ। জুতি লোৱাৰ বাবে লাগে মাথোঁ অৰ্থ। জনজাতীয় ল'ৰা-ছোৱালীবোৰে চহৰত থাকি বাৰ্গাৰ, পিজ্জাৰ দৰে খাদ্য, বিলাতী সুৰা গ্ৰহণ কৰিহে ভাল পায়। গাঁৱৰ লাওপানী তেতিয়া পিছপৰা সংস্কৃতি হৈ উঠে।

অসমৰ অধিকাংশ গ্ৰামাঞ্চল হ'ল জনজাতীয় অঞ্চল। তেওঁলোক কৃষিজীৱী পৰিয়াল আছিল। এতিয়া সময় যিমান বাগৰিছে প্ৰযুক্তিয়ে আনি দিয়া জীৱনধাৰাৰ প্ৰতি মানুহৰ আগ্ৰহ বাঢ়িব ধৰিছে। খাদ্য সংস্কৃতিৰো দ্ৰুত সলনি হ'ব ধৰিছে। সৌ সিদিনালৈকে জনজাতীয় পাকঘৰত তেল-মচলাৰ ব্যৱহাৰ নাছিল বুলিয়েই ক'ব লাগিব। বিভিন্ন ধৰণৰ সেউজীয়া পাত, মাটিমাহ, মটৰ মাহ আদিত কলগছৰ পৰা তৈয়াৰ কৰা কলাখাৰৰ ব্যৱহাৰ হৈছিল। দুই দশকমান আগতেও যিকোনো জনজাতীয় পৰিয়ালত ভঁৰাল, শাকনিয়ে-বাঁহনিয়ে বিশাল বাৰীৰ মানচিত্ৰই প্ৰধান আছিল। গধূলি হোৱাৰ লগে-লগে পাছ চোতালত জুই পুৱাই কথা পাতিছিল। পীৰা পাৰি বহি আড্ডা মাৰি সাধাৰণ কিন্তু পুষ্টিকৰ খাদ্য গ্ৰহণ কৰিছিল। এতিয়া অতি দ্ৰুত সলনি হ'ব ধৰিছে সেই মানচিত্ৰখন। দিন-ৰাতিৰ ভাত খোৱাৰ সময়বিলাক সলনি হ'ব ধৰিছে। নৱ প্ৰজন্মৰ মাজত আধুনিক খাদ্যাভ্যাসে নতুন এক ধৰণৰ ধাৰা সৃষ্টি কৰি পেলাইছে। পুডিং, কেক, পিজ্জাই স্থান পাইছে পাকঘৰত। 'মায়ভাত' (মাৰ ভাত) পুৱাৰ জলপান এতিয়া নাই বুলিয়েই ক'ব লাগিব। প্ৰতিঘৰ জনজাতীয় পাকঘৰতেই চুকত মাছ শুকুওৱাৰ ব্যৱস্থা আছিল। সেয়াও কমিছে। 'জাংক ফুড' খোৱাৰ অভ্যাস গঢ় লৈ উঠিব ধৰিছে। চহৰ, মহানগৰৰ লগত সম্পৰ্ক গঢ় লৈ উঠা ল'ৰা-ছোৱালীৰ গাঁৱৰ থলুৱা খাদ্য সম্ভাৰৰ প্ৰতি তীব্ৰ অনীহাই গঢ় লৈ উঠা দেখা গৈছে। অৱশ্যে সেয়া তেওঁলোকৰ দোষ নহয়। বজাৰ জীৱনৰ প্ৰখৰ ব্যক্তিত্বৰ বাবে সমাজ জীৱনৰ নিজস্ব কাহিনীবোৰ তল পৰি যাব ধৰিছে। গতিকে পুৱাৰ জলপানৰ পৰা আৰম্ভ কৰি ৰাতিৰ খাদ্য সম্ভাৰ সকলো সলনি হ'ল বুলি ক'ব পাৰোঁ। আটাইতকৈ ডাঙৰ কথা হ'ল প্ৰকৃতিয়ে আমাক ঋতুভেদে ভিন্ ভিন্ খাদ্য-সামগ্ৰী যোগান ধৰি আহিছিল, এতিয়া সেয়াও আংশিকভাৱে সলনি হ'ল। একেই ধৰণৰ খাদ্য-সামগ্ৰী গোটেই বছৰটো বজাৰত পোৱা যায়।

ফলত কীটনাশক দ্ৰব্য প্ৰয়োগ আৰু হিম ঘৰত থৈ দিয়াৰ প্ৰক্ৰিয়াত মানুহৰ ৰোগ প্ৰতিৰোধৰ ক্ষমতাও হ্ৰাস পাব ধৰিছে। জনজাতি ঘৰবিলাকৰ প্ৰতিঘৰেই শাকনিবাৰীত বতৰৰ শাক-পাচলি ৰুইছিল। এতিয়া বাৰীত কাম কৰা মানুহৰ অভাৱ পৰিলক্ষিত হয়।

সময়ৰ লগে লগে মানুহৰ খাদ্যৰ ৰুচি, খাদ্যৰ প্ৰতি থকা ধাৰণা, দৃষ্টিভঙ্গীৰ পৰিৱৰ্তন হোৱাটো স্বাভাৱিক। প্ৰকৃতিৰ বুকুত পোৱা খাদ্য-সামগ্ৰীক বজাৰৰ পণ্য সামগ্ৰীত পৰিণত কৰাৰ ধাৰাবাহিক প্ৰক্ৰিয়া চলি আছে। থলুৱা পাকঘৰৰ চৰিত্ৰবোৰ নষ্ট হ'ব ধৰিছে। এতিয়া খাদ্য বিষয়ক কথাবাৰ্তা বৰকৈ শুনিবলৈ পোৱা নাযায়, 'পিতায়ে ধৰি অনা বৰিয়ালা মাছকেইটাক লৈয়ো বাৰীৰ পৰা ছিঙি অনা বটুৱা শাককেইডাল আৰু কণ-বিলাহীৰ সৈতে ৰন্ধা মুখত লাগি ৰোৱা মাছৰ জোলখন। খৰিচা টেঙাৰে ৰন্ধা গৰৈ মাছৰ জোল'।

পৰম্পৰাগত খাদ্য সম্ভাৰৰ ফালৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ পাকঘৰ ভাৰতবৰ্ষৰ অন্য প্ৰান্ততকৈ পৃথক, সেয়া এতিয়া মুক্ত বজাৰেই ক'ব পাৰে। বজাৰৰ আগ্ৰাসনৰ ফলতে ক্ষুদ্ৰ-ক্ষুদ্ৰ জনজাতিসকলৰ অস্তিত্ব-সংস্কৃতি, খাদ্যাভ্যাস সকলো অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যুঁজ দি আছে। ◈

আইতাৰ পাকঘৰত মাছৰ বাহাৰ

মোৰ আইতাই সদায় 'ইলিচ' নহয় 'ইলিহি' বুলিহে সম্বোধন কৰিছিল। সিদিনালৈ মনত পৰে, গাঁৱৰ পৰা আইতা আহিলেই দেউতাই বজাৰৰ পৰা এটা ডাঙৰ ইলিচ মাছ আনি দুৱাৰমুখৰ পৰাই চিঞৰি ক'ব— শুনিছা! আজি মাই মাছখিনি বনাব দেই! যিদিনা আইতা পাকঘৰত সোমাইছিল, আমাৰ কি যে ফূৰ্তি! আইতাৰ পিছে পিছে ঘূৰি ফুৰোঁ। ৰন্ধনৰ সাধুকথাবোৰ যেন কৈ কৈ পাকঘৰৰ কাম সামৰে আইতাই। কোনোধৰণৰ বিৰক্তি নাই। 'জান নে মইনা, আন মাছৰ দৰে ইলিহি মাছ কেতিয়াও কাটি ধুব নালাগে। ইলিহি মাছৰ বিশেষত্ব হ'ল ইয়াত এক ধৰণৰ আঁহীয়া গোন্ধ আছে। এই গোন্ধটোৱে ইলিহি মাছৰ বিশেষত্ব। যেতিয়া অলপ বটা সৰিয়হ আৰু আফুগুটি মিলাই দিয়া হয়, সেই গোন্ধ কিছুপৰিমাণে নাইকিয়া হয় আৰু খাবলৈ কিন্তু বেলেগ ধৰণৰ ভাল লাগে।'

দেশৰ সকলো প্ৰান্তৰৰ আইতাৰ পাকঘৰত চাগে মাছৰ আঞ্জা প্ৰস্তুতৰ অসংখ্য কাহিনী আছে। মোৰ আইতা আছিল মাছৰ আঞ্জা প্ৰস্তুতকাৰী শিল্পী। শ'ল মাছ আৰু মূলাৰ আঞ্জা, চিতল মাছ আৰু ফুলকবি। কচুশাক আৰু বৰালি। আঁৰি মাছৰ টেঙা আঞ্জা। অকল বনোৱাই নহয়, মাছ সম্পৰ্কীয় মৌখিক অভিধান আছিল তেওঁ। কৈছিল কিয় ডাঙৰ মিছা মাছ পাতত দি খালে সোৱাদ বাঢ়ে। আন মাছৰ দৰে ডাঙৰ মিছা মাছ ভাজি (জোলত দি খাবলৈ টান হয়। কিন্তু মিছা মাছ কুটি লোণ-হালধি, সৰিয়হ, জিৰা, জালুক সানি কলপাতেৰে বান্ধি উতলাই ভাতৰ মাজতে সুমুৱাই ঢাকন মাৰি দিব লাগে। দহ-পোন্ধৰ মিনিট পাছতেই মাছখিনি সিজি কোমল হয়। গ্ৰীষ্মকালীন ছুটী দীঘলীয়া হৈছিল। এমাহৰ কাৰণে ফুৰিবলৈ যাওঁ। আইতাই কঁঠালৰ গুটি, পকা খৰিচা আৰু সৰু-সৰু মাছৰ আঞ্জা প্ৰস্তুত কৰি খাবলৈ দিছিল। ইস্! কি যে সোৱাদ! গাঁৱৰ বিলৰ পৰা পুঠি মাছ, মোৱা মাছ আনিছিল। কঁঠালগুটি আৰু খৰিচাখিনি অলপ ভজা হ'লে আইতাই আন্দাজমতে উতলা পানী দিছিল। কেতিয়াবা আইতাই এমুঠিমান কণী ধানৰ চাউল মিলাই দিছিল। আমি নাতি-নাতিনীসকলে থৰ লাগি চাই থাকোঁ। ভিন্

ভিন্ মাছৰ বাবে বিভিন্ন ৰেছিপি। হাতৰ যাদু। কি যে ধুনীয়াকৈ পুঠি মাছৰ মূৰবোৰ কাটি পেলাইছিল। সুধিলে উত্তৰ দিয়ে— যেতিয়া পুঠি মাছৰ চৰ্চৰী বনাবি সদায় মূৰবোৰ কাটি পেলাবি। মাছখিনি ভালকৈ ধুই তাত নিমখ, হালধি, সানি অলপ সময় থৈ দিছিল। পিছত ভাত খোৱাৰ সময়তে কেৰাহিত তেল পকাই মাছখিনি লৰাই-চৰাই মচ্‌মচীয়াকৈ ভাজি, নমাবৰ সময়ত অলপ নেমু টেঙাৰ ৰস দিছিল। আইতাৰ যুক্তি আছিল, নেমুটেঙাৰ ৰসৰ বাবেহে পুঠি মাছৰ পৰা পেটৰ অসুখৰ সম্ভাৱনা দূৰ হয়। আইতা যেন ৰন্ধনশৈলীৰ সংগ্ৰহালয় আছিল।

পৃথিৱীৰ প্ৰতিটো প্ৰান্তৰৰ পাকঘৰৰ এটি নিজস্ব বৈশিষ্ট্যপূৰ্ণ ধাৰা আছে। ভাৰতীয় সভ্যতাৰ খাদ্য সংস্কৃতিৰ ইতিহাস অতি বৈচিত্ৰ্যপূৰ্ণ। তথাপি জাতি-জনজাতি সাপেক্ষে খাদ্য তালিকাত ভিন্নতা থাকিলেও সকলো প্ৰান্তৰৰ পাকঘৰৰ বাবে এটা উপাদান সাধাৰণ আৰু সেয়া হ'ল মাছ। অঞ্চল বিশেষে মাছৰ ৰন্ধন প্ৰণালী ভিন্ন, একবাৰে ক'ৰবাত টেঙা, ক'ৰবাত কালিয়া, পাতল জোল, নাৰিকল যোগে, কিন্তু বিভিন্নতাৰ মাজেৰে ক'ব পৰা যায় বৃহৎ মাছেই হ'ল এটি গুৰুত্বপূৰ্ণ সংযোগী খাদ্য। আধুনিক পৃথিৱীৰ খাদ্য বিশেষজ্ঞসকলৰ বক্তব্য হ'ল, ভালকৈ হজম নোহোৱা মাছ-মাংসতকৈ সম্পূৰ্ণভাৱে হজম কৰিব পৰা শাক-চৰজিয়ে শৰীৰৰ বেছি উপকাৰ সাধন কৰে। তদুপৰি পশু-পক্ষীৰ দেহৰ পৰা উৎপাদিত খাদ্যই তেজত কলেষ্ট্ৰোলৰ পৰিমাণ বৃদ্ধি কৰাত সহায় কৰে। কিন্তু মাছ যথেষ্ট পৰিমাণে নিৰাপদ খাদ্য। এটা সময়লৈকে পাকঘৰৰ বৈশিষ্ট্যপূৰ্ণ পৰিচয় বুলি ক'লে বুজা গৈছিল যে তুলনামূলকভাৱে দুখীয়া শ্ৰেণীৰ মানুহৰ ঘৰৰ পাকঘৰতে শাক-পাত, বনৰীয়া ফল-মূল, কচুৰ পয়োভৰ থাকে। বিপৰীতে অৰ্থৱান পৰিয়ালৰ পাকঘৰৰ অৰ্থই হ'ল, মাছ-মাংস-কণী। যেনে আধুনিক পুঠি বিজ্ঞানীসকলে দুয়োটি পাকঘৰৰ পৰাহে সামগ্ৰী বাছি লৈ স্বাস্থ্যৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিছে। আকৌ স্বাস্থ্যবিষয়ক পত্ৰ-পত্ৰিকাত প্ৰায়.... বিজ্ঞাপনৰ দৰেহে ব্যৱহাৰ কৰা হয় এটি বাক্য, ëone must eat poor menís food to avoid rich menís diseaseí

মানৱ সভ্যতাৰ ইতিহাস অতি প্ৰাচীন। ক'ব পৰা যায় পাকঘৰৰ সৃষ্টি পূৰ্ববৰ্তী সময়ৰ পৰাহে অৰ্থাৎ আদিম সাম্য ব্যৱস্থাৰ যুগৰ পৰাহে সেইটো সভ্যতাত মহিলাসকলে খাদ্য সংগ্ৰহ কৰি আছে, মাছ চিকাৰ কৰা, জাকৈ নিৰ্মাণৰ ছবিবোৰ ভাৰতীয় গুহাচিত্ৰত সংৰক্ষিত হৈ আছে। সমাজবিদ চাৰ্লছ মৰ্গানে মানৱ সভ্যতাৰ বিভিন্ন স্তৰৰ গতিশীলতাৰ নিয়মবিলাক গভীৰভাৱে ব্যাখ্যা কৰিছিল। তেওঁৰ

বিশ্লেষণ মতে মাছ আৰু জুই এই দুটা উপাদানেই ক'বলৈ গ'লে একেলগে মানৱ সভ্যতাৰ খাদ্য তালিকাত প্ৰৱেশ কৰিছিল। সমাজবিদ দাৰ্শনিক ফেডৰিক এংগেলছ তেওঁৰ পৰিয়াল, ব্যক্তিগত মালিকানা আৰু ৰাষ্ট্ৰৰ উৎপত্তি গ্ৰন্থখনিত উল্লেখ কৰিছে যে মাছ আৰু জুই এই দুটা উপাদানেই হ'ল এটি আনটিৰ পৰিপূৰক। ইয়াৰ মূল কাৰণেই হ'ল অকল জুইৰ পৰাহে মাছ পূৰ্ণ মাত্ৰাত খাদ্যৰূপে ব্যৱহাৰৰ যোগ্য হৈ উঠিব পাৰিছে। এংগেলছে কৈছিল যে মাছৰ দৰে এটি নতুন খাদ্য উপাদান মানৱ সভ্যতাক জলবায়ু আৰু স্থানীয় গণ্ডীৰ পৰা যে মুক্ত কৰিবলৈ সক্ষম হৈছিল, সেয়া সত্য। আৰু সঁচাই পৃথিৱীৰ বিভিন্ন সাহিত্য, ৰন্ধনকলা, সকলোতেই মাছৰ উপস্থিতি পৰিলক্ষিত হয়। আমাৰ দেশৰ বিভিন্ন প্ৰান্তত থকা মৌখিক সাহিত্যৰ যিখন ভাণ্ডাৰ আছে, অৰ্থাৎ মানুহৰ মুখে মুখে বাগৰি অহা গীত-মাত, ফকৰা-যোজনাৰ যিমান ভাণ্ডাৰ তাৰ পটভূমিবিলাক ঘাইকৈ গাঁও অঞ্চল আৰু গাঁৱৰ পথাৰ, খাল-বিল, নৈ, জান-জুৰিৰে ভৰা। সেউজীয়া গাঁৱৰ লোক সাহিত্যত মাছৰ উপস্থিতিৰ উমান পোৱা যায়। অসমীয়া সাহিত্যৰ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল মালিতা, মণিকোঁৱৰ, ফুলকোঁৱৰ গীত, বৰফুকনৰ গীত ইত্যাদি গীতত মাছৰ বিভিন্ন নামৰ উল্লেখ আছে। যেনে;

ক) এদেউ কিনো মাছ মাৰিবৰ হ'ল / যিনাই বৰফুকন দেউ ভটীয়াই গ'ল।

খ) এদেউ কিনো মাছ মাৰিবৰ এলেং / মাছলৈ গৈছিলে গৰিয়লি চেলেং।

আকৌ তাহানিৰ বিহু গীতত প্ৰেয়সীৰ ওচৰলৈ প্ৰেম যাচিব গৈ মাছৰ বৰ্ণনা এনেদৰে কোৱা হৈছে—

'হাঁহে হৈ চৰিম গৈ তোমাৰে পুখুৰীত / মাছে হৈ পৰিম গৈ জালত / ঘামে হৈ ওলাম গৈ তোমাৰে শৰীৰত / মাখি হৈ চুমা দিম গালত।'

প্ৰেমিকাৰ ৰূপৰ বৰ্ণনা দিবলৈ গৈ মাছৰ উপমা এনেদৰে ব্যৱহাৰ কৰা হৈছিল—

'তোমাৰ গাল দুখনি পাভ মাছৰ নিচিনা / ঘোঁৰা ফানৰ নিচিনা চুলি / .... মালি মাছৰ নিচিনা মুখখনি / বামি মাছৰ নিচিনা চুলি।'

ভূপেনদাৰ বিখ্যাত বিহুগীতত আছে—

'কাকডোঙাৰ বৰালি, আহেনো দাড়ি দাঙি / ৰূপালী কান্ধুলিকে দেখি...।'

বোধকৰোঁ কাকডোঙা নদীপাৰৰ জীয়ৰী আছিল। আইতাই প্ৰায়েই কাকডোঙা নদীৰ সোণবৰণীয়া বৰালি মাছৰ কাহিনী কৈছিল। সোৱাদৰ তুলনা নাই। ভৰ

বাৰিষাতে মাছৰ উজান উঠিছিল। কাষৰীয়া গাঁৱৰ মানুহে গধূলি গধূলি বৰশী পাতে আৰু পুৱতি নিশাহে বৰশী চাবলৈ যায়। বৰশীত লাগে বৰালি, কান্দুলি মাছবোৰ। মাত্ৰ চৈধ্য বছৰ বয়সতে বিয়া দিয়া হৈছিল আইতাক। এনেদৰে কৈছিল আইতাই— 'কিতাপৰ গোন্ধ লৈ নতুন সপোন দেখিছিলহে মাত্ৰ। চোতালত আহি পালে বিয়া নামৰ 'লাই হালেজালে আবেলি বতাহে / লফা হালে জালে পাতে।' বিয়াত দৰা-কইনাক আয়তীসকলে লগ লাগি যেতিয়া গা ধুৱায়, তেতিয়া যিটো গীত গোৱা হয় তাতো মাছৰ উল্লেখ পোৱা যায়। 'ৰৌ মাছৰ ডোখৰা / খাৰ জুতি জানা...' আৰু কামৰূপত কইনাৰ গা ধোৱাৰ সময়তে পুঠি মাছৰ নাম বেছিকৈ উল্লেখ পোৱা যায়। উজনিত আকৌ পাভ মাছৰ।

গীতৰ নামো অলপ ভিন্ন। কামৰূপ প্ৰান্তত খিচা গীত নামেৰে জনাজাত, আকৌ উজনি অসমত জোৰানাম নামেৰে পৰিচিত, কিন্তু দুই প্ৰান্তৰৰ বিয়াগীততেই বিবিধ প্ৰকাৰৰ মাছৰ নাম শুনিবলৈ যায়।

গাঁও এতিয়া অতীতৰ স্মৃতি ৰোমন্থন। জীৱন-জীৱিকাৰ হেঁচাত মহানগৰীত নিগাজিকৈ থকাৰ বিকল্প নাই। আইতাকৰ লগৰী নাতিনীজনীৰ মাছ সম্পৰ্কীয় প্ৰশ্নবোৰ ধৈৰ্যসহকাৰে আইতাকে উত্তৰ দিয়াত এনেদৰে মাছ সম্পৰ্কীয় আলোচনা কেতিয়াবা সেয়া মাছৰ ৰেছিপিলৈকেই সীমাবদ্ধ হৈ নাথাকে; আৰ্থ-সামাজিক-সংস্কৃতিক পৰিৱৰ্তনৰ এক ধাৰাবাহিক বিৱৰণৰ ইতিহাস হৈ উঠে। ঠিক যেন ৰিছাৰ্চ পেপাৰৰ দৰে। কেতিয়াবা দুই প্ৰজন্মৰ নাৰীয়েই একেলগে পঢ়া চোকা কৰে, 'নদীয়ে জানে বেজাৰৰ কথা, আনন্দ, হাঁহি, জন্ম-মৃত্যুৰ কথা। কিমান যে মৰম-ভালপোৱাৰ সাক্ষী, আমাৰ দিখৌ নদী। দিখৌ পাৰৰ গাঁৱৰ কথা। ঠিক যেন সাধুকথা। ইমান সেৰেঙা বসতি আছিল। হাবি আৰু হাবি। গাঁওখনৰ মাজে মাজে ঠেক বাট। গাঁৱত বাছ, মটৰ বাইক, গাড়ী একোৱেই নাছিল। মানুহবিলাকে চহৰলৈ অহা-যোৱা কৰাই নাছিল নহয়। কিবা মামলা-মোকৰ্দমা হ'লেহে কাছাৰীলৈ গৈছিল। গাঁৱত মাত্ৰ গৰুগাড়ীহে আছিল। মাজে মাজে মূৰৰ ওপৰেদি এৰোপ্লেন উৰিলে ইমান ফূৰ্তি লাগে। হাবিৰ মাজত বৰবিল আছিল। বিলত কিমান যে মাছ! গাঁৱত কোনোৱে শুদা ভাত খাব নালাগে। বৰশী টোপালেই মাছ!'

— আইতা! তোমালোকৰ ঘৰলৈ সদায় আলহী আহিছিলনে?

— হয়। হয়। আমি যে জানিছিলোঁ, অতিথি দেৱভৱঃ

এই আপ্তবাক্য সকলো অসমীয়া মানুহেই মানি চলিছিল। অসমীয়া মানুহ

অতিপাত অতিথি পৰায়ণ বুলি সুনামো আছে। আমাৰ সময়ত সকলোৰে ঘৰতে আলহীৰ আহ-যাহ একেবাৰে নিয়মীয়া আছিল। সদায় দুপৰীয়াৰ ভাতসাঁজ আলহীৰ বাবেও ৰন্ধা হৈছিল। সদায় আলহী অহাৰ বাবে ঘৰখনত উখল-মাখল পৰিৱেশ আছিল। অভাৱো নাছিল। নদী, পুখুৰীত আছিল মাছৰ উভৈনদী। অতি দুখীয়া মানুহঘৰেও পুঠি-খলিহনাৰে ঘৰৰ খেতিৰ ভাত খাইছিল। সেয়া অৱশ্যে অতীত হ'ল।

— হয়। আইতা এতিয়া জানানে তুমি, অসমৰ জনসংখ্যাৰ চাহিদা অনুপাতে মাছৰ উৎপাদন ৰাজ্যখনত বৃদ্ধি পোৱা নাই। আকৌ ক্ৰমাৎ হ্ৰাস পাব ধৰিছে অসমৰ থলুৱা মাছৰ বিভিন্ন প্ৰজাতি। আজি কিছু বছৰ আগলৈকে অসমৰ খাল-বিলবোৰত সঘনাই দেখা পোৱা বহু জাতৰ মাছ আজি প্ৰায় বিলুপ্তিৰ গৰাহত। আমাৰ ৰাজ্যত এতিয়া থলুৱা মাছ বুলি ক'লে কাৱৈ, গৰৈ, টোৰা, পুঠি, চেঙেলি, শ'ল, শাল, শিঙি, মাগুৰ, ডাঙৰ কুঢ়ি নাই। আকৌ সহজতে, অতি সোনকালে মাছবোৰ ডাঙৰ কৰি বেচিবৰ উদ্দেশ্যে মাছ পোহা ব্যৱসায়ীসকলে পুখুৰীবোৰত ৰাসায়নিক সাৰ প্ৰয়োগ কৰি আছে। ইয়াৰ ফলত এফালে মাছৰ সোৱাদ হ্ৰাস পাবলৈ ধৰিছে, আনফালে আমাৰ শৰীৰৰ ক্ষতি হৈছে। অতি দুখলগা তথ্য হ'ল অসমৰ জনসংখ্যাৰ চাহিদা অনুপাতে মাছৰ উৎপাদন ৰাজ্যখনত বৃদ্ধি কৰা হোৱা নাই। ইয়াৰ মূল কাৰণেই হ'ল— ইয়াত ধাৰাবাহিকভাৱে জলাশয়, বিল, খাল আদিৰ সংখ্যা উন্নয়নমূলক কামৰ বাবে পুতি পেলোৱা হৈছে। বৰ্তমান বছৰি প্ৰায় ১,৭০,৭০০ টন মাছ বাহিৰৰ পৰা আমদানি কৰিব লগা হয়। আইতাই কৈছিল— তাহানিত বোলে ডাঙৰ-ডাঙৰ কাৱৈ মাছৰ বাবে বৰপেটা বিখ্যাত আছিল। আমাৰ থলুৱা মাছৰ বিভিন্ন প্ৰজাতিৰ বিলুপ্তি আৰু চালানি মাছেৰে বজাৰ দখলৰ মাজেৰে এক ৰাজনৈতিক সমীকৰণ নিশ্চিতভাৱে লুকাই আছে। ৰাইজ সচেতন নহয় বাবে এই প্ৰশ্নবিলাক তল পৰি যায়। নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীবোৰে ভাবিব নোৱাৰে যে আমি সকলোৰে সজাগ হ'বলৈ হ'ল। ঐক্যবদ্ধভাৱে চিন্তা-ভাবনা কৰা উচিত যে কিদৰে থলুৱা মাছবোৰ অহা দিনকেইটাত অসমৰ পৰিচয় বহল কৰিবলৈ সক্ষম হয়!

থলুৱা মাছৰ ধ্বংসৰ লগত বৃহৎ নদীবান্ধৰ বিষয়টোও যুক্ত হৈ আছে। সকলোৰে জানে কপিলী, কুৰিশ্বুৰ পিছত সোৱণশিৰি বান্ধ প্ৰকল্পই কেনেদৰে নদী উপত্যকাৰ সামগ্ৰিক চৰিত্ৰ সলনি কৰি পেলাইছে। ৰাজনীতি নজনাকৈয়ো

অসংখ্য আইতাই কিন্তু বৃহৎ বান্ধবিৰোধী আন্দোলনৰ প্ৰতি সমৰ্থন প্ৰকাশ কৰিছিল, কাৰণ যেতিয়া তেওঁলোকে গম পালে নদীৰ বুকুত নিৰ্মাণ কৰা বান্ধে সামগ্ৰিকভাৱে পৰিৱেশৰ ভাৰসাম্য ধ্বংস কৰি সামাজিক-সাংস্কৃতিক সমস্যাৰো সৃষ্টি কৰিব। আইতাকৰ লগত নাতিনীজনীয়েও বৃহৎ নদীবান্ধক লৈ কথা হয়। আইতাকে ১৯৫০ চনৰ ভূমিকম্পৰ কথা কয়। কেনেদৰে নদীবিলাকৰ ভূস্খলন হৈছিল। আইতাকে স্পষ্টভাৱে ক'ব বিচাৰে যে বৃহৎ নদীবান্ধে কিছুমান বিপৰ্যয় কঢ়িয়াই আনিব। তাৰ মাজতেই নিহিত হৈ আছে মাছ ধ্বংসৰ বিষয়খিনি। কত ধৰণৰ জীৱিকাৰ বাবেই প্ৰতিকূল পৰিৱেশ সৃষ্টি হ'ব, হয়নে? নদীখনে কেইবা হেজাৰ মানুহৰ জীৱিকাৰ যোগান ধৰিছিল, তাৰ মাজতে আটাইতকৈ গুৰুত্বপূৰ্ণ জীৱিকা হ'ল মাছমৰীয়াসকলৰ জীৱিকা। ইয়াৰ উপৰিও চৰ-চাপৰিৰ গৰু-ম'হ পালকসকল, পাৰঘাটৰ কৰ্মী, মৃত শিল্পী— এই ধৰণৰ ক্ষুদ্ৰ-ক্ষুদ্ৰ জীৱিকাৰ লগত যুক্ত হৈ থকা মানুহবোৰৰ কথা চিন্তা কৰাৰ পৰিৱেশ সলনি হৈ গ'ল। ইণ্টাৰনেটৰ জৰিয়তে নাতিনীজনীয়ে জানিব পাৰিছে, এতিয়া ভাৰতবৰ্ষত বহু কোটি মৎস্যজীৱী মানুহ আছে। তেওঁলোকে বহু কোটি ভাৰতীয় নাগৰিকৰ খাদ্য আৰু পুষ্টিকৰ খাদ্য যোগান ধৰে। ভাৰত চৰকাৰে ২০০৮ চনৰ মে' মাহৰ ১ তাৰিখে উপকূলীয় ব্যৱস্থাপনা অঞ্চল বিজ্ঞপ্তি (Coastal management zone notification 2008) বিষয়ত এটি খচৰা প্ৰস্তুত কৰিছিল। যিখন বিজ্ঞপ্তিত জাৰি কৰা হৈছিল আৰু স্পষ্টকৈ উল্লেখ কৰা হৈছিল যে উপকূল সংলগ্ন অঞ্চলত ক্ষুদ্ৰ মৎস্যজীৱীসকলৰ বাসস্থান নিৰ্মাণ নিষিদ্ধ কৰা হৈছে। যুগ-যুগ ধৰি মৎস্যজীৱীসকলে নদী নাইবা সাগৰৰ পাৰত বসবাস কৰি নিজৰ জীৱিকা চলাই আহিছে। মৎস্য চিকাৰ সম্পৰ্কীয় কোনো ধৰণৰ বাধা-নিষেধৰ প্ৰশ্ন নাছিল। সৰু সৰু জাল আৰু সাধাৰণভাৱে মাছ চিকাৰ কৰি বিক্ৰী কৰিহে নিজৰ পৰিয়ালক পোহপাল দিছিল। দুখীয়া মাছমৰীয়া পৰিয়ালবিলাকে এতিয়া নিজ নিজ কৰ্মসংস্থান, জীৱন ধৰি ৰাখিবলৈ এক প্ৰকাৰ যুদ্ধত অৱতীৰ্ণ হ'বলগীয়া হৈছে। পুঁজিপতিসকলে মৎস্য চিকাৰক শিল্পায়ন ৰূপ দি তাত কোটি কোটি টকা যোগান দিয়াৰ বাবে আটাইতকৈ স্বতন্ত্ৰভাৱে মাছ চিকাৰ কৰি জীৱন নিৰ্বাহ কৰা সৰু সৰু মাছমৰীয়াসকলৰ জীৱনলৈ নামি আহিব লৈছে চৰম ভাবুকি। এই ক্ষুদ্ৰ মৎস্যজীৱীসকলৰ মাজত মহিলা মৎস্যজীৱীসকলো আছে। শতকৰা ৪৮% মহিলা যুক্ত হৈ আছে। মৎস্য চিকাৰ নহ'লেও মাছ বছা, শুকুৰা, এই কামবিলাক ঘাইকৈ

মহিলাসকলেহে কৰি থাকে। আমাৰ দেশত কৈৱৰ্ত বুলি কোৱা সম্প্ৰদায়ৰ অৰ্থ আছিল পানী আৰু মাছৰ লগত গঢ় লৈ উঠা জীৱন। অসমতো কৈৱৰ্ত শ্ৰেণীৰ মানুহৰ প্ৰধান জীৱিকা আছিল মাছ চিকাৰ কৰি বিক্ৰী কৰা আৰু এটি সহজ সাধাৰণ জীৱন নিৰ্বাহ কৰা। কিন্তু আজিৰ তাৰিখত দেশৰ বিভিন্ন প্ৰান্তত থকা কৰ্পোৰেট গোষ্ঠীৰ মৎস্য বাণিজ্য প্ৰক্ৰিয়াত সমূহীয়াভাৱে মাছ চিকাৰৰ পৰা আৰম্ভ কৰি ক্ষুদ্ৰ মৎস্যজীৱীসকলৰ সকলো অধিকাৰ কাঢ়ি লোৱাৰ জা-যোগাৰ চলি আছে। মৎস্যজীৱী সংগঠন গঢ় লৈ উঠিছে। অসমত মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা বিভিন্ন উপনৈ, খাল-বিলত সমজুৱাভাৱে মাছ মৰাৰ এক পুৰণি ইতিহাস আছে। বিভিন্ন অঞ্চলত বিভিন্ন পদ্ধতিৰে মাছ মৰাৰ অভিনৱ পৰম্পৰা আছে। ৰাভা, বড়ো, মিচিং, কাৰ্বি আৰু অন্যান্য জনজাতি সমাজত সমূহীয়াভাৱে মাছ মৰাৰ প্ৰক্ৰিয়া বিভিন্ন উৎসৱৰ এটি পৰম্পৰা বুলি কোৱা যুগুত। এই ৰাজ্যৰ জনজাতীয় জীৱনত মাছ মৰাৰ যিমান ধৰণৰ সঁজুলিৰ নাম পোৱা যায়, বিভিন্ন ৰাজ্যত নাই বুলিয়েই ক'ব পাৰি। এই সঁজুলিবিলাকক মহিলাসকলৰ নিজস্ব সঁজুলি বুলিও ক'ব পাৰি। চেপা, ঠোহা, চুঙাপতা কিমান যে মিঠা শব্দৰ সমাহাৰ। বাঁহৰ দীঘল চুঙা নিৰ্মাণ কৰি কম পানীত পুঠি, শিঙৰা, গৰৈ, কাৱৈ মাছবোৰ ধৰা হয়। জালৰো অজস্ৰ নাম আছে। আছাৰা, ঢেকী, লাঙি, কামি, চাহলা, ভেহেলী, ফাচি, কচ, পঙা, অহাল, বৰজাল আদি। সৰু মাছ আৰু ডাঙৰ মাছ ধৰাৰ বাবে ভিন্ ভিন্ জাল ব্যৱহাৰ কৰা হয়। ৰৌ, ভকুৱা, মাছ ধৰিবলৈ হ'লে চান জাল ব্যৱহাৰ কৰিলে নহ'ব, ওহাল নাইবা বৰজালৰ প্ৰয়োজন হয়। নৈ, বিল, নদীত থকা মাছৰ উভৈনদীৰ উপৰিও এই ৰাজ্যত আছে শুকান মাছৰ সংস্কৃতি। খাচী মানুহে নতুন ঘৰ লোৱাৰ সময়ত 'কিন জল্লখ স্কেইন' নামৰ পূজা পাতে। তাত পাঁচটা শুকান মাছ মজিয়াত পেলাই থৈ দেৱতাৰ নাম লৈ ঘৰত বনোৱা আপং মিহলাই তিনিটা মাছ ঘৰৰ চালত আঁৰি দিয়ে। শুকান মাছ দিয়াৰ অৰ্থ হ'ল ঘৰৰ ভেটি যেন সদায় শুকান হৈ থাকে।

পূজা-পাৰ্বণ, শুভ কৰ্মত মাছৰ উপস্থিতি লক্ষ্য কৰা যায়। কাৰ্বি লোক-সমাজত চ-ইন পূজাত জীয়া মাছ উছৰ্গা কৰা হয়। পিৰথাত পূজা উপলক্ষে কেইদিনমান আগৰ পৰাই সমূহীয়াভাৱে নৈ বা জুৰিত মাছ চিকাৰ কৰিবলৈ যায়। এই অনুষ্ঠানক 'বেংকেৰি' বুলি কোৱা হয়। চেং মাছ, উঁৰিকনা, মিছা মাছ ধৰি জীয়াই ৰখা হয়। পূজাৰ সময়ত গাহৰি, কুকুৰা আদিৰ লগতে জীয়াই ৰখা মাছবোৰ

'আৰনাম কেথে' (ইন্দ্ৰদেৱতা) লৈ উছৰ্গা কৰা হয়। আকৌ গাৰোসকলে কৃষিকৰ্ম আৰম্ভ কৰাৰ আগতে দেৱতাক সেৱা জনোৱাৰ পিছত গাঁৱৰ সকলোৱে মিলি একেলগে ৰৌ-মাছেৰে ভোজ-ভাত খায়। বিভিন্ন জনজাতিৰ লোকে মাছক প্ৰজনন শক্তিৰ প্ৰতীক বুলি গণ্য কৰে।

ডাকৰ বচন একেবাৰে ওঁঠৰ আগতে আছিল আইতাকৰ। মাছ বাছোতে গাইছিল—

'বাছোতে বাছোতে গেলা বৰালিত হাত পৰিল'।

'মাছৰ নানিবা সৰ কুটা / তিৰীৰ নানিবা বজাৰ লুটা।'

আইতাই, সজাই মেলি ক'ব পাৰিছিল মাছৰ লগত যুক্ত হৈ থকা সুন্দৰ-সুন্দৰ ফকৰা-যোজনাৰ শাৰীকেইটা—

'অধিক মাছে বগলী কণা / অধিক ধনে ধনীক ধান্দা।'

'মাছৰ তেলেৰে মাছ ভঁজা, দ' পানীৰ মাছ। ৰৌ-বৰালি সৰকি গ'ল / পুঠি খলিহা পাহে পাহে ৰ'ল।'

স্বনামধন্য লেখিকা নিৰুপমা বৰগোহাঞিৰ উপন্যাস আইতাৰ যেনেদৰে প্ৰিয়, নাতিনীজনীৰো। 'পখী ফুৰি যায়' উপন্যাসত লেখিকাই অতি মৰমভাৱে বঙালী জাতিৰ মাছৰ প্ৰতি থকা প্ৰেমৰ কথা উল্লেখ কৰিছে। অতি আমোদজনক এটি অংশ হ'ল— 'এইবাৰ কবিতাই অনিলৰ পিনে চাই মধুৰ হাঁহি এটা মাৰি ক'লে— 'কটকী আমাৰ অসমীয়া মানুহৰ মাছটো এছেনচিয়েল ফুড নহয় বাবেই যে আপুনি আগৰ পৰা কৈ থোৱা নাই, সেই কথা বুজি পাইছোঁ। চিকেন্ থাকিলে আৰু কি লাগিছে, কিন্তু অটল বাবুহঁত হ'ল বঙালী মানুহ; তেওঁলোকে মাছ নহ'লে বোলে ভাত খাব নোৱাৰে, খানা বোলে ইনকমপ্লিট হৈ থাকে, আমি সৰুতে কিতাপতো পঢ়িছিলোঁ যে মেকুৰী আৰু বঙালীৰ মাছ হ'ল অতি ফেভাৰিট ফুড, মাছৰ বাবে তেওঁলোকৰ জিভা লক্‌লকাই থাকে...।' কথাষাৰ সত্য। যুগে যুগে বঙালী সম্প্ৰদায়ৰ মানুহক 'মেছো বাঙালী' সম্বোধন কৰা শুনিবলগীয়া হৈছে। কিন্তু তথ্য মতে বঙালী ব্যক্তিয়ে এবছৰত যিমান মাছ খায়, পণ্ডিতৰ হিচাপত সেয়া ইমান বেছি নহয়। এগৰাকী ইংৰাজ মানুহে প্ৰায় উনপঞ্চাশ পাউণ্ড আৰু ডেনমাৰ্কৰ অধিবাসী এগৰাকীয়ে বছৰত চব্বিশ পাউণ্ড খৰচ কৰে মাছৰ বাবে। চীন অথবা জাপানৰ মানুহেও কিন্তু বাঙালীৰ তুলনাত বেছি পৰিমাণেহে মাছ খায়।

তথাপি মাছ আৰু বাঙালীৰ সম্পৰ্ক যে অতি নিবিড়, সেয়া সত্য। শ্ৰীশ্ৰী ৰামকৃষ্ণ পৰমহংসদেৱে এবাৰ কৈছিল— 'যেনে-তেনে বনাই দিলোঁ, মই মাছ খাই ভাল পাওঁ'। আকৌ কবিগুৰু ৰবীন্দ্ৰনাথৰ বোলে চিতল মাছ আছিল আটাইতকৈ প্ৰিয়। বংগদেশৰ শিয়ালদহত থকা ঘৰত এবাৰ তেওঁ হঠাৎ গৈ উপস্থিত হৈছিল আৰু গম পালে যে এজন প্ৰজাই আঠ বছৰ ধৰি জমিৰ খাজনা দিয়া নাই। পিছদিনা প্ৰজাজনে এটি ডাঙৰ চিতল মাছ আনি কবিগুৰুক উপহাৰ দিলে, কবিগুৰুৱে আঠ বছৰৰ বাকী থকা খাজনা মাফ কৰি দিলে! ইয়াতকৈ মৎস্য প্ৰেমৰ উদাহৰণ আৰুনো কি হ'ব পাৰে। কবি নজৰুল ইছলামে শাক-পাচলিৰ বিভিন্ন আঞ্জাৰ স'তে ভাত খাই ভাল পাইছিল। তথাপি তেওঁ বোলে মাজে মাজে এবিধ বিশেষ মাছৰ আঞ্জা খাই ভাল পাইছিল। আফুগুটিৰ স'তে কাৰৈ মাছ আৰু গৰম ভাত, সেয়া তেওঁৰ প্ৰিয় খাদ্য আছিল।

বাংলাদেশৰ বিখ্যাত লেখক ছৈয়দ মজুমতবা আলী সাংঘাতিক ধৰণৰ খাদ্যপ্ৰিয় ব্যক্তি। তেওঁ এবাৰ লিখিছিল, যে (বেহস্তত পৰলোক) ইলিচ মাছ পোৱা নাযায়। তাৰ বাবেহে তেওঁ কেতিয়াও বেহস্তত নেযায়।

বাংলা সাহিত্যৰ কালজয়ী উপন্যাস, যেনে— মানিক বন্দোপাধ্যায়ৰ 'পদ্মানদীৰ মাঝি' আৰু অদ্বৈত মল্লবৰ্মনৰ 'তিতাছ একটি নদীৰ নাম' উপন্যাসখনি মাছমৰীয়া সম্প্ৰদায়ৰ জীৱন কাহিনী, মাছৰ বৰ্ণনাভিত্তিক। ইমান মনোগ্ৰাহী উপন্যাস পঢ়িলে বুজা যায় প্ৰান্তিক জনজীৱনৰ পৰা মধ্যবিত্ত শ্ৰেণীৰ মানুহসকলে যথেষ্ট দূৰত্বত বসবাস কৰে আৰ্থ-সামাজিক, সাংস্কৃতিক ক্ষেত্ৰত। নদী যেতিয়া হঠাৎ শুকাই যায়, মাইলৰ পিছত মাইল অকল বালিৰ চৰ-চাপৰিৰ নদীৰ পাৰে পাৰে বসবাস কৰি থকা মাছমৰীয়াসকলে তেতিয়া উপায়হীন হৈ অন্য ঠাইলৈ উঠি যাবলৈ বাধ্য হয়। সমগ্ৰ অঞ্চলৰ কৈৱৰ্ত সম্প্ৰদায়ৰ আৰ্থ-সামাজিক, ৰাজনৈতিক পৰিৱেশ দ্ৰুতভাৱে সলনি হ'ব ধৰে। কৈৱৰ্ত সম্প্ৰদায়ৰ বাবে পুৰুষ আৰু নাৰীৰ মাজৰ সম্পৰ্ক যেন মাছৰ লগতে সাঙোৰ খাই থাকে।

জনজাতীয় মানুহে গৃহস্থৰ ঘৰৰ শইচ আৰু সন্তানৰ মঙ্গল কামনাৰ লগতে নদী, পুখুৰীত মাছৰো শ্ৰীবৃদ্ধিৰ কামনা কৰে।

সাহিত্যৰ পাততে নহয়, চিনেমাতো মাছৰ উপস্থিতি আছে। সাম্প্ৰতিক সময়ত বাংলা চিনেমা এখনৰ নাম হ'ল 'মাছৰ জোল'। মমতা শংকৰৰ অতি সুন্দৰ অভিনয়। ঋত্বিক চক্ৰৱৰ্তী, পাওলি দাস অভিনীত চিনেমাখনত কোৱা

হৈছে বাঙালী পৰিয়ালৰ বাবে পাতল মাছৰ জোল অকল ঢাকনি থকা পাত্ৰত থকা এবিধ আঞ্জা নহয় এটা সম্পূৰ্ণ ভিন্ন জীৱনধাৰা। প্ৰতিদিনে এগৰাকী মাতৃয়ে নিজৰ হাতেৰে মাছৰ জোল আৰু ভাতেৰে পুত্ৰক খাবলৈ দিয়ে, সেইজন পুত্ৰ যেতিয়া পৰৱৰ্তী জীৱনত বিশ্ববিখ্যাত ছেফ হৈ উঠে, বিধে-বিধে নতুন নতুন ৰেছিপি নিৰ্মাণত পাকৈত হৈ উঠে, তেতিয়া পুত্ৰই অনুভৱ কৰে মাতৃৰ হাতেৰে প্ৰস্তুত কৰা মাছৰ জোলৰ নিচিনা এবিধ স্বাদযুক্ত জোল কিন্তু প্ৰস্তুত কৰা সহজ নহয়। অসংখ্যবাৰ চেষ্টা কৰাৰ পিছতো নোৱাৰিলে। তেতিয়া পুত্ৰই অনুভৱ কৰে আমাৰ প্ৰতিটি পৰিয়ালতেই মাতৃৰ দ্বাৰা প্ৰস্তুত কৰা আঞ্জাৰ লগতে যুক্ত হৈ আছে এটি চিৰন্তন সংস্কৃতি। বোৱঁতী নদীৰ দৰে বৈ থাকে। কিমান সম্পৰ্ক ভাঙি যায়, নতুনকৈ গঢ় লৈ উঠে কিছু সম্পৰ্ক, ব্যক্তিজীৱনৰ ভঙা-গঢ়া আৰু সমাজ জীৱনৰ ভঙা-গঢ়া সকলোতেই মাতৃৰ হাতেৰে প্ৰস্তুত কৰা মাছৰ জোলৰ সোৱাদ এক অনন্য, অতুলনীয়।

মাছক লৈ বিভিন্ন সুন্দৰ আমোদজনক কাহিনী আছে। সম্ৰাট মহম্মদ বিন টোঘলকে বিদ্ৰোহীসকলক দমন কৰাৰ উদ্দেশ্যে গুজৰাটৰ নদী পথেৰে গৈ আছিল। সেই যাত্ৰাপথত এটি বিশাল মাছ নদীৰ পৰা নাৱত জঁপিয়াই পৰে। ইমান শকত আৰু ধুনীয়া এটি মাছ চোৱাৰ পিছত তেওঁ লগে লগে লগত থকা প্ৰজাসকলক আদেশ দিয়ে মাছটো কাটি-মেলি ধুনীয়াকৈ আঞ্জা প্ৰস্তুত কৰিবলৈ। কিন্তু লগত থকা মন্ত্ৰী, পাৰিষদসকলে বুজাব ধৰিলে মাছটো খাব নালাগে। বিষাক্ত হ'ব পাৰে। ইফালে ৰমজানৰ মাহ চলি আছে। বিন টোঘলকৰ লোভ ইমানেই তীব্ৰ আছিল যে তেওঁ কাৰোৰে কথা শুনিবলৈ প্ৰস্তুত নাছিল। সুস্বাদ মাছৰ আঞ্জা ভক্ষণ কৰাৰ পিছতেই সম্ৰাট অসুস্থ হৈ পৰিল আৰু অসুস্থ সম্ৰাটক লৈ এক বিপৰ্যয় নামি আহিল। বিদ্ৰোহী দমনৰ কাৰ্যসূচী ক'ৰবাতেই থাকিল।

আৰু এটি ধুনীয়া কাহিনী আছে। চিত্ৰকলাৰ ৰজা পিকাছোৰ এটি মৰম সৰস মন্তব্য। তেওঁ এবাৰ নিমন্ত্ৰিত হৈছিল জনৈক গেৰ্টুৰ্ড ষ্টাইনৰ গৃহত। গধূলি সময়ৰ ভোজৰ সেই অনুষ্ঠানটোত বিভিন্ন আঞ্জা প্ৰস্তুত কৰিছিল শ্ৰীমতী ষ্টাইনৰ বান্ধৱী অন্যলিছ বি টোকলকে। তেওঁ আছিল খাদ্য বিষয়ক গ্ৰন্থ ৰচয়িতা। তেওঁৰ লিখিত 'এটি কুক বুক'-এ তেতিয়া পাশ্চাত্যৰ দেশত ক্লাছিক কীৰ্তিৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হৈছিল। পিকাছো যেতিয়া আহাৰ গ্ৰহণ কৰিবলৈ বহিল, দেখা গ'ল এটি ডাঙৰ 'ব্যাছ মাছ' পিকাছোক খাবলৈ দিয়া হৈছে। মাছটোৰ

শৰীৰত মেয়োনিজ আৰু ৰঙীন ছহৰ স'তে ধুনীয়াকৈ ডিজাইন আঁকি দিয়া হৈছিল। ক'ব পৰা যায় এটি অপৰূপ সুন্দৰ মাছ যেন টেবুলত অপেক্ষা কৰি আছিল। কিছু সময় ধৰি পিকাছোৱে মাছৰ পিনে থৰ লাগি চাই থাকিল। তাৰ পিছত লাহেকৈ ক'লে— 'এই মাছ মোৰ বাবে নহয়, মাতিছৰ বাবেহে তৈয়াৰ কৰা হৈছে।' হেনৰী মাতিছৰ চিত্ৰকলাৰ দ্বাৰা বাৰুকৈ প্ৰভাৱিত হৈছিল পাৱলো পিকাছো। উল্লেখযোগ্য হ'ল ফ্ৰেনচ মানুহে তেওঁলোকৰ ভোজনপৰ্বত বিভিন্ন চাৰুকলাৰে ছালাডৰ পৰিৱেশন কৰি থাকে। পশ্চিমৰ বিভিন্ন দেশতেই কাঠৰ জুইত সৰু সৰু মাছবোৰ কাগজত মেৰিয়াই ৰখা হয় আৰু মাছৰ লগত থাকে বগা ওৱাইন। পশ্চিমৰ দেশবিলাকত ওৱাইনৰ প্ৰাচুৰ্য আৰু কম দামতেই পোৱা যায়। গতিকে বিভিন্ন আঞ্জাত মিলাই দিয়া হয়। ইটালিয়ান ওৱাইন এতিয়াও অপেক্ষাকৃত সস্তা। মাছ প্ৰস্তুত কৰোঁতে তাতে ওৱাইন মিহলোৱাৰ প্ৰচলন আছে।

বৰ্তমান সময়, অৰ্থাৎ ১৯৯১ চনৰ পৰৱৰ্তী সময়ছোৱা। বিশ্বায়নৰ যুগত বজাৰ অৰ্থনীতিৰ নিয়ম অনুসৰি খাদ্য-সামগ্ৰী ক্ৰমে ক্ৰমে প্ৰাকৃতিক সম্পদৰ পৰা বহুজাতিক কোম্পানীবিলাকৰ বহু বিজ্ঞপিত পণ্য সামগ্ৰীলৈ পৰিণত হৈছে। আজিৰ এই বিশ্বায়নৰ যুগত পৃথিৱীখনেই এখন গাঁও হৈছে। সকলো সামগ্ৰীয়েই তৎক্ষণাত ঘৰতে উপলব্ধ হয়। কৰ্পোৰেট সংস্থাবিলাকে খাদ্য-সামগ্ৰীৰ বাণিজ্যকৰণৰ সকলো দায়িত্ব যেন নিজৰ হাতৰ মুঠিত লৈ আনিছে। আইতা নাইবা আইসকলৰ নিজস্ব পাকঘৰৰ বৈশিষ্ট্যবিলাক এতিয়া বজাৰৰ ডাঙৰ ৰেষ্টুৰেণ্টৰ সামগ্ৰী। এতিয়া খাদ্য প্ৰস্তুত কৰা লিখিবলৈ প্ৰয়োজন নাই। লাগে মাথোঁ এটি এনৰয়েড মোবাইল ফোন। অ্যাপ লোড কৰা। অৰ্ডাৰ দিয়া। ক'তনো কেনেকৈ খাদ্য-সামগ্ৰীবোৰ প্ৰস্তুত হৈ আছে, সেয়া মুঠেও বিচাৰ্য বিষয় নহয়। জমাটো, ছুইগিৰ লগতে যুক্ত হৈ থকা ল'ৰা-ছোৱালীবোৰে অতি কম সময়ৰ ভিতৰতে ঘৰৰ কলিংবেল বজাব। সমীক্ষা অনুসৰি ফুড ডেলিভাৰি এপ ব্যৱহাৰকাৰীৰ সংখ্যা ভাৰতবৰ্ষত আটাইতকৈ বেছি। আমাৰ দেশৰ খাদ্য সম্পৰ্কীয় প্ৰাচীন দৰ্শন আছিল, খাদ্যৰস বুলি ক'লে ছয় ৰস বুজায়। কুট, তিক্ত, কষা, লৱণ, অম্ল, মধুৰ। এতিয়া গুগল মাষ্টাৰৰ মতে সঠিক খাদ্যৰ অৰ্থ হ'ল 'লো ফ্যাট অ্যাণ্ড জিৰো কেলোৰি'। গুগলটোৱে ঠিক কৰি দিয়ে কোনে কি খাব লাগে। নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীবোৰে ইউটিউবৰ যোগেদি অতি সোনকালে সুস্বাদু মাছৰ আঞ্জা প্ৰস্তুত কৰি ল'ব পাৰে। এচাম মানুহৰ বাবে ভাল ৰেস্তোঁৰাৰ

পৰা অৰ্ডাৰ দি খাদ্য গ্ৰহণ কৰাটোৱে সংস্কৃতি। মাছৰ আঞ্জা বুলি ক'লে ফিছ ফিংগাৰ, ফিছ কাটলেট, ফিছ চিপ্‌স, ফিছ কেক আৰু কত ধৰণৰ নতুন ৰেছিপি। পেকেটত বন্দী এই ধৰণৰ মাছৰ ৰেছিপিবোৰ অকল বজাৰৰ পৰা ক্ৰয় কৰি আনি পেকেট খুলি ভাজি ল'লেই হ'ল। এইবিধ আঞ্জাৰ আঞ্চলিক পৰিচয়ৰ প্ৰশ্ন নুঠে। যিকোনো প্ৰান্তত থকা এক বিশেষ শ্ৰেণীৰ মানুহৰ পাকঘৰৰ বাবেহে প্ৰস্তুত কৰা হৈছে। এই নতুন ধৰণৰ মাছৰ আঞ্জাবোৰে নিজস্ব আঞ্চলিক পৰিচয়ৰ সীমা চেৰাই আন্তৰ্জাতিক পৰিচয় সৃষ্টি কৰি স্বমহিমাৰে জিলিকি আছে। ইয়াত বজাৰৰ আঞ্জাই বেলেগ। বজাৰেই যেন সকলো জাতি-জনগোষ্ঠীৰ পাকঘৰবিলাক ভালকৈ ৰখাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হৈছে।

গতিকে এনেকুৱা সন্ধিক্ষণত বাৰে বাৰে এটা প্ৰশ্নই উপস্থাপন হয়, সেয়া হ'ল মানুহৰ বাবে কোনটো জীৱন বেছি গুৰুত্বপূৰ্ণ, সমাজ জীৱন নে বজাৰ জীৱন? ◈

পাকঘৰৰ শ্ৰেণীবিভাজন

ভাৰতবৰ্ষত ইংৰাজ অনুপ্ৰৱেশৰ পূৰ্বৱৰ্তী সময়খিনি সম্পূৰ্ণৰূপে কৃষিপ্ৰধান সমাজ আছিল। তেনেকুৱা এখন সমাজত পাকঘৰৰ শ্ৰেণীবিভাজন তীব্ৰভাৱে অনুভৱ কৰিব পৰা পৰিস্থিতি নাছিল। কিন্তু একেবাৰে নাছিল যে সেয়াও সত্য নহয়। যিহেতু পাকঘৰৰ বিষয়খিনি সম্পূৰ্ণৰূপে বজাৰনিৰ্ভৰ নাছিল, লগতে প্ৰকৃতিনিৰ্ভৰ জীৱন প্ৰণালীত প্ৰাকৃতিক সম্পদৰ প্ৰতি সকলো মানুহৰ কম-বেছি পৰিমাণে অধিকাৰ আছিল, ধনী নহ'লেও স্বচ্ছল জীৱন যাপনৰ এটি সুন্দৰ পথ আছিল।

পাকঘৰৰ শ্ৰেণীবিভাজন বুলি ক'লে সাধাৰণভাৱে দুখন সমান্তৰাল পাকঘৰৰ কথাহে বুজায়। এফালে এমুঠি ভাত আৰু ঢেঁকীয়া নাইবা কলমৌ শাকৰ ব্যৱস্থা, আনফালে ভকুৱা মাছৰ টেঙা, হাঁহ, কাছ মাংসৰ সৈতে ভাত খোৱাৰ আয়োজন। দুটা বিপৰীত মেৰুত অৱস্থান কৰা পাকঘৰ। দুই শ্ৰেণীৰ গৃহিণীৰ জীৱনতেই খাদ্য সম্ভাৰকেন্দ্ৰিক চিন্তা। ব্ৰিটিছ অনুপ্ৰৱেশৰ পূৰ্বৱৰ্তী সময়খিনি সম্পৰ্কে সংক্ষেপতে ক'ব পৰা যায় যে তাহানিত সেউজীয়া ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত থকা কৃষক সম্প্ৰদায়সকল ধনী নাছিল, কিন্তু স্বাৱলম্বী, স্বনিৰ্ভৰশীল আছিল। কৃষক সম্প্ৰদায়ে মাটি চহাবলৈ ট্ৰেক্টৰ নহয়, গৰুৰ হালকেই উপযুক্ত বুলি ভাবিছিল। বৃদ্ধ কৃষক এগৰাকীৰ লগত কথা পাতিহে গম পাইছিলোঁ, কৃষিৰ বাবে নাঙলৰ উপকাৰিতা বহুত বেছি। দ'কৈ আৰু ভালকৈ মাটি চহাবলৈ ট্ৰেক্টৰৰ তুলনাত গৰুৰ হালকেই উপযুক্ত বুলি ভাবিছিল। শস্য উৎপাদনৰ পৰিমাণ বাঢ়ে। গৰুৰ গোবৰ, প্ৰস্ৰাব, খেতিডৰাত প্ৰয়োগ কৰাৰ সুফল পোৱা যায়। নাঙলেৰে মাটি চহাবলৈ গৈ দেখা গৈছিল প্ৰচুৰ পৰিমাণে কেঁচু মাটিত থাকে। সেইবিলাক কেঁচুৱেই পথাৰখন সাৰুৱা কৰি ৰাখিছিল। নাঙলেৰে চহ কৰাৰ বাবে উৎপাদিত শস্যৰ ৰোগ আৰু কৃষি পথাৰত পোকৰ উপদ্ৰৱ কম হৈছিল। কৃষক সম্প্ৰদায়ৰ হাতত আছিল নিজস্ব মাটি আৰু স্থানীয় শস্যৰ বৈচিত্ৰ্যতা লগতে অসংখ্য বীজৰ ভাণ্ডাৰ। কৃষকশ্ৰেণীয়ে গৰ্ব কৰি ক'ব পাৰিছিল পথাৰখন সেউজীয়া কৰি ৰখাৰ দায়িত্ব

আমাৰ। কৃষি বৈচিত্র্য কৃষকৰ মূল শক্তি। কৃষিকৰ্ম আৰু কুটীৰ শিল্পই আছিল ঘাইকৈ সামন্তীয় সমাজৰ ৰূপৰেখা। সামন্তীয় জীৱনধাৰাত নাৰীৰ অৱস্থান আছিল সম্পূৰ্ণভাৱে গৃহৰ অন্দৰমহলত। এই ক্ষেত্ৰত দুখন ছবি দেখিবলৈ পোৱা গৈছিল। হিন্দু জমিদাৰ বা মুছলমান বাদশ্বাহ হ'লে উচ্চশ্ৰেণী কিম্বা আভিজাত্য ৰক্ষাৰ নামত মহিলাসকলক গৃহ অন্তৰালতেই থাকিবলগীয়া হৈছিল। বাল্য বিবাহ, বাল্য বৈধব্য, সতীদাহ প্ৰথা, বহু বিবাহ, বিভিন্ন ধৰণৰ নিয়ম-নীতিৰ মাজত শৃঙ্খলিত আছিল নাৰীৰ জীৱন। এগৰাকী নাৰীৰ জীৱনত এগৰাকী পুৰুষৰ থকা কিম্বা নথকাৰ ওপৰত নিৰ্ভৰ কৰিছিল নাৰীৰ খাদ্য গ্ৰহণৰ বিষয়টো। এগৰাকী বাল-বিধৱাৰ খাদ্য তালিকা নিৰ্ভৰ কৰিছিল পৰিয়ালৰ সকলো সদস্যৰ দৃষ্টিভঙ্গীৰ ওপৰতেই। মচুৰ দাইল নচলিব, পিঁয়াজ দিয়া আঞ্জাৰ পৰা দূৰত থাকিব লাগে। মাছ-মাংসৰ পিনে চাবই নালাগে। মগু দাইলৰ খিচৰি হ'ল উত্তম খাদ্য। ই শৰীৰক ঠাণ্ডা কৰি ৰাখে। এনে ধৰণৰ কিছুমান খাদ্যৰ সংবিধান ৰচনা কৰা হৈছিল। উচ্চবৰ্গীয় নাৰীৰ সমান্তৰালে বসবাসকাৰী জনজাতীয় নাৰীসকলৰ অৱস্থা তুলনামূলকভাৱে ভাল আছিল। বাল্য-বিবাহ, সতীদাহ প্ৰথা, বৈধব্য জীৱনৰ দুখ-দুৰ্দশা নাছিল, স্বাভাৱিকভাৱে খাদ্য গ্ৰহণৰ ক্ষেত্ৰত সামাজিক-সাংস্কৃতিক নিয়মৰ প্ৰভাৱ নাছিল। অকল খাদ্য গ্ৰহণৰ মাজতেই পাৰ্থক্য নহয়, পাকঘৰকেন্দ্ৰিক অৰ্থাৎ কৃষি বিষয়ক কেন্দ্ৰ কৰি বিভিন্ন আন্দোলনত জনজাতীয় মহিলাসকলৰ সক্ৰিয় অংশগ্ৰহণ আছিল। কিন্তু উচ্চবৰ্ণীয় নাৰীসকলে একেবাৰে নিষ্ক্ৰিয় ভূমিকা পালন কৰি আহিছে। আমাৰ দেশত ছয়সত্তৰৰ মন্যনত্বৰৰ বিদ্ৰোহ আৰম্ভ হৈছিল, সেউজীয়া শস্য শ্যামলা গাঁওবোৰত দুৰ্ভিক্ষ পীড়িত, মৃত মানুহেৰে ভৰি পৰিছিল। তেতিয়াৰ পৰাই দেশৰ বিভিন্ন প্ৰান্তত গঢ় লৈ উঠিছিল কৃষক বিদ্ৰোহ। ১৭৯৯ চনৰ চুয়াৰ সম্প্ৰদায়ৰ বিদ্ৰোহ, ১৮২৩-৩১ চনৰ গুয়াহাবী বিদ্ৰোহ, ১৮৫৫-৭৭ চনত বাংলাদেশ আৰু চাওতাল পৰগানাত ভূমিপুত্ৰসকলৰ বিদ্ৰোহ, ১৮৫৯-৬০ চনত বংগ দেশত নীল খেতিয়কসকলৰ বিদ্ৰোহ হৈছিল। ১৮৭৫ চনত দক্ষিণ ভাৰতত কৃষক বিদ্ৰোহ বা দক্ষিণৰ মালৱাৰ অঞ্চলত গঢ় লৈ উঠা বিদ্ৰোহ। সেই সকলো বিদ্ৰোহত জনজাতীয় নাৰীৰ অংশগ্ৰহণ আছিল। অসমতো বিভিন্ন সময়ত গঢ় লৈ উঠা প্ৰান্তিক মানুহৰ বিদ্ৰোহত নাৰীসকল আগশাৰীতেই আছিল। কৃষিপ্ৰধান ভাৰতীয় সমাজৰ বিভিন্ন প্ৰান্তত গঢ় লৈ উঠা আঞ্চলিক বিদ্ৰোহসমূহ প্ৰকৃততে এক বিশাল পৰিৱৰ্তনৰ সূচনা পৰ্ব বুলি উল্লেখ কৰা যায়। এইখিনিতে

ক'ব লাগিব উচ্চবৰ্ণীয় বা উচ্চবৰ্ণৰ মহিলাসকল আন্দোলনত আগবাঢ়ি অহাৰ দৃষ্টান্ত একেবাৰেই কম। তাৰ বাবে পাকঘৰৰ শ্ৰেণী অৱস্থানেই বোধকৰোঁ মূল কাৰণ। বৃহৎ পৰিমাণৰ মাটিৰ মালিকৰ পাকঘৰৰ ছবি আৰু ভূমিহীন কৃষক পৰিয়ালৰ পাকঘৰৰ ছবি ক্ৰমান্বয়ে দুটা বিপৰীত মেৰুত ধাবিত হোৱাৰ বাবেই আন্দোলনত অংশগ্ৰহণ কৰাৰ বিষয়টো বিপৰীতমুখী হৈছেগৈ।

পৰাধীন ভাৰতবৰ্ষত আফিম, মৰাপাট, কাৰ্পাছ, তামাক, তৈলবীজ, চাহপাত, এনেধৰণৰ কিছু সামগ্ৰী যিবিলাক ৰপ্তানিযোগ্য শস্য, তাৰ উৎপাদন বৃদ্ধি কৰাৰ তৎপৰতা চলিছিল। লগতে চাউলৰ উৎপাদন কম হ'ব ধৰিছিল। আঞ্চলিক খাদ্য সম্পৰ্কীয় চিন্তা-ভাৱনাৰ প্ৰতি দায়বদ্ধতা ব্ৰিটিছৰ নাছিল, বৰঞ্চ নিজৰ দেশৰ প্ৰয়োজন পূৰণেই শেষ লক্ষ্য আছিল। তৎকালীন চৰকাৰৰ নিষ্ঠুৰতাৰ বাবেই দুৰ্ভিক্ষ সৃষ্টি হৈছিল। ঘাটিনিৰ্ভৰ বাজেট প্ৰস্তুত কৰা হৈছিল। যুদ্ধৰ বাবে ব্যয় কৰাৰ লক্ষ্যত তৎপৰ হৈছিল চৰকাৰ। ঊনেশ শতিকাৰ শেষাৰ্ধ আছিল তেনেকুৱা এটা সময়, যেতিয়া ৰে'ললাইন, যোগাযোগ, টেলিগ্ৰাফিক যোগাযোগ আৰু ব্ৰিটিছ চৰকাৰৰ কৰনীতি উদাৰ কৰাৰ আয়োজন কৰা হৈছিল। যাৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিব ধৰে বৃহৎ অখণ্ড বাংলাৰ কৃষি ব্যৱস্থাৰ ওপৰতেই। গ্ৰামীণ বাংলাক যেতিয়া বিশ্ব বজাৰৰ ওচৰলৈ লৈ অনা হয়, আন্তৰ্জাতিক ক্ষেত্ৰত বিভিন্ন 'ক্যাচ কমোডিটিৰ' লগত প্ৰতিযোগিতা আৰম্ভ হ'ব ধৰে। বিশেষভাৱে চাউলৰ পৰিবৰ্তে মৰাপাটৰ খেতিৰ কাম-কাজ বৃদ্ধি কৰাৰ লগে-লগে কৃষি অৰ্থনীতিত তাৰ প্ৰভাৱ পৰিব ধৰে। গ্ৰামীণ বাংলাত মহাজনসকলৰ আগমন বাঢ়িব ধৰে। ঊনৈশ শতিকাৰ বাংলাৰ সাধাৰণ কৃষকসকলৰ ছবি স্পষ্টকৈ বৰ্ণনা কৰা হৈছিল তৎকালীন 'সাহিত্য' নামৰ এটি বহুল প্ৰচলিত বাংলা পত্ৰিকাত এনেদৰে— 'এনেকুৱা এখন গাঁও নাই, য'ত এশজনৰ ভিতৰত পঁচিশজন লোকে স্বচ্ছলভাৱে আহাৰৰ ব্যৱস্থা কৰিব পাৰিছে। পঞ্চাশখন ঘৰত বিচাৰি গ'লে দেখা পোৱা যায় দুবেলাৰ আহাৰ মজুত নাই আৰু পঁচিশখন ঘৰত এনেদৰে আছে, যাৰ সদস্যসকলে যোৱা কিছু মাহ ধৰি প্ৰকৃত অৰ্থত পেট ভৰাই খাদ্য গ্ৰহণ কৰাৰ কথা ভাবিব নোৱাৰে। ভোকাতুৰ মানুহবোৰে ভাত এসাজৰ বাবে এনেদৰে আগবাঢ়ি আহে যেন মুখৰ পৰাই ভাত কাঢ়ি ল'ব। অন্নৰ অভাৱতে মানুহবিলাকৰ দেহা জীৰ্ণ, শীৰ্ণ, দেহাৰ কাপোৰ একেবাৰে মলিন, শতছিদ্ৰ বস্ত্ৰ পৰিধান কৰিবলগীয়া হয়। তীব্ৰ গৰমত দিনৰ পিছত দিন মূৰত তেল নিদিয়াৰ বাবে চুলি যেন মকৰাৰ জালত পৰিণত হৈছে।

প্ৰতিখন গাঁৱতেই কিছুমান মানুহ আছে যিসকলে ভাল পোছাক নিবিচাৰে, অকল এমুঠি ভাত আৰু অকণমান নিমখ বিচাৰে। সেয়া পালেই যেন তেওঁলোকে সকলো ধৰণৰ সুখ পাইছে বুলি ভাবিবলৈ ধৰে। এমুঠি ভাতৰ বাবে তেওঁলোকে দিনটো ঘূৰি ফুৰে। গৃহস্থৰ ঘৰলৈ গৈ অপমানিত হয়, তথাপিতো যাবই লাগে।' সেই ছবিৰ বিপৰীত আছিল কিন্তু জমিদাৰ শ্ৰেণীৰ ভঁৰালত দ'ম দ'ম চাউলৰ বস্তা। মল্‌মলীয়া ভাতৰ গোন্ধ। ডাঙৰ-ডাঙৰ মাছেৰে ঘৰতে অতিথি ভোজনৰ আয়োজন। আকৌ মুছলমান অধ্যুষিত গাঁৱতো একেই ছবি। এফালে দৰবাৰী খানাৰ উভৈনদী, আনফালে ৰেচনৰ বালি-খুদ মিহলোৱা চাউল। জমিদাৰ ঘৰৰ পাকঘৰত চলি থাকিল বিভিন্ন আঞ্জা লৈ পৰীক্ষা-নিৰীক্ষা আৰু আনফালে শাক বুটলি কোনোমতে উদৰ পূৰ্তিৰ প্ৰচেষ্টাৰ সংগ্ৰাম। ১৯৪৩-৪৬ চনলৈ যি দুৰ্ভিক্ষ হৈছিল, তাত প্ৰায় ত্ৰিশ লক্ষৰো অধিক মানুহৰ মৃত্যু ঘটিছিল। গুৰুত্বপূৰ্ণ কথা হ'ল, তেতিয়া কিন্তু বৃটিছ চৰকাৰ আৰু আমেৰিকাৰ খাদ্যশস্যৰ ভঁৰালত খাদ্যসামগ্ৰী মজুত আছিল। তেওঁলোকে ভাৰতবৰ্ষৰ বাবে সহায়ৰ হাত আগবঢ়াই নিদিলে, অথচ এই দেশৰ খাদ্যশস্য নিজৰ দেশলৈ ৰপ্তানি কৰি আছিল। সেই ৰপ্তানিৰ বৈষম্যপূৰ্ণ প্ৰক্ৰিয়াৰ বাবেহে দুৰ্ভিক্ষৰ সৃষ্টি হৈছিল।

যিকোনো দেশে নিজৰ খাদ্য উৎপাদন প্ৰক্ৰিয়া আৰু বিতৰণৰ ক্ষেত্ৰত যেতিয়া স্বতন্ত্ৰ সিদ্ধান্ত হেৰুৱাব ধৰে, তেতিয়াই দৰিদ্ৰ হ'ব ধৰে দেশৰ পাকঘৰবোৰ। দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী সময়ছোৱাত একেৰাহে ভাৰতবৰ্ষৰ খাদ্য স্বনিৰ্ভৰতাৰ প্ৰতি আক্ৰমণ আহিব ধৰে। এই দেশৰ মূল অৰ্থনীতি আছিল কৃষিব্যৱস্থা। সেই কৃষিব্যৱস্থা ভাৰতবৰ্ষৰ গৰ্ব আছিল। কিন্তু এমুঠি উচ্চশ্ৰেণীৰ দালালে পশ্চিমীয়া ডেভেলপমেণ্টৰ ধাৰাৰ প্ৰতি আকৃষ্ট হৈ গৈ থাকিল। দেশৰ এই চাৰিত্ৰিক বৈশিষ্ট্য সলনি কৰি দিয়াৰ চেষ্টা চলি থাকিল। যাৰ পৰিণামত দেখা গ'ল ডাঙৰ ডাঙৰ বহুজাতিক কোম্পানীবোৰে ৰাসায়নিক সাৰ, উচ্চ ফলনশীল বীজৰ জৰিয়তে হেজাৰ বছৰ ধৰি চলি অহা ভাৰতীয় কৃষি সভ্যতাক ধ্বংস কৰাৰ ব্লুপ্ৰিণ্ট ৰচনা কৰা হ'ল। 'সেউজ বিপ্লৱ' বুলি পৰিভাষিত প্ৰক্ৰিয়াখিনি প্ৰকৃত অৰ্থত ভাৰতীয় স্বতন্ত্ৰ চৰিত্ৰৰ পাকঘৰৰ মৃত্যুঘণ্টা বুলি ক'ব পাৰি। কৃষিক্ষেত্ৰত আৰু খাদ্য-সামগ্ৰীৰ বজাৰখন আমেৰিকাৰ বহুজাতিক কোম্পানীৰ হাতলৈ গুচি যাবলৈ বাধ্য হ'ল। আমাৰ দেশৰ কৃষকসকলে সংকৰ বীজ, ৰাসায়নিক সাৰ, কীটনাশকৰ ব্যৱহাৰ

কৰিবলৈ বাধ্য হ'ল। ভাৰতীয় কৃষিখণ্ড যিমানে বহুজাতিক কোম্পানীৰ হাতৰ পুতলা হ'ব ধৰিলে, সেউজ বিপ্লৱৰ জয়গান সিমানে বাঢ়ি গৈ থাকিল।

পৃথিৱীৰ প্ৰথম বিশ্বৰ ডাঙৰ ডাঙৰ কৃষি সংস্থাবোৰে বাৰে-বাৰে দাবী জনাইছে যে প্ৰতিখন দেশৰ খাদ্যশস্য ভিন্ ভিন্ বাবে মজুত ৰখাৰ পদ্ধতি প্ৰয়োজনীয়। প্ৰতিখন দেশতেই খাদ্যৰ যি অভাৱ, সেয়া একেলগে নহয়। গতিকে আন্তৰ্জাতিক শস্য ভাণ্ডাৰৰ নিচিনা এটি বিকল্প ব্যৱস্থা গঢ় দিব পাৰিলেহে মুক্তি। শক্তিশালী দেশৰ চাহিদামতে কম শক্তিশালী দেশবিলাকত কৃষি উৎপাদন হৈ থাকিলেও সেয়া চৰ্তসাপেক্ষে উৎপাদন হৈ পৰে। সমগ্ৰ পৃথিৱীত এতিয়া এনেদৰেই খাদ্য উৎপাদনৰ বিষয়টোক কেন্দ্ৰ কৰি গভীৰ ৰাজনৈতিক চক্ৰান্ত চলি আছে। থাইলেণ্ডত দেখা যায় তাৰ ধনী কৃষকৰ শ-শ বিঘাৰ মাটিত কাছাভাৰ খেতি হৈ আছে। অথচ থাইলেণ্ডৰ দুখীয়া মানুহবিলাকে সেই কাছাভা ক্ৰয় কৰিব পৰা নাই। পশ্চিমৰ ধনী দেশৰ পোহনীয়া জন্তু গৰু-ম'হৰ বাবে উৎপাদন কৰা হয় বিভিন্ন দৰিদ্ৰ দেশত। যেনে— আফ্ৰিকাৰ বিভিন্ন ঠাইত ইউৰোপৰ গাড়ী চলোৱাৰ বাবে ব্যৱহৃত তেলৰ বীজ উৎপাদন কৰা হয়। আমাৰ দেশত হিমাচল প্ৰদেশৰ অজস্ৰ আপেলৰ বাগিচাৰ ফল স্থানীয় বাসিন্দাসকলে স্পৰ্শই কৰিব নোৱাৰে, অকল ৰপ্তানিৰ বাবেহে উৎপাদন কৰা হয়। যাঠি দশকলৈকে আমাৰ দেশৰ প্ৰাকৃতিক সম্পদ আছিল আঞ্চলিক চৰিত্ৰৰ। ভাৰতবৰ্ষত ব্ৰিটিছ চিত্ৰকাৰসকল উপস্থিত হৈ প্ৰাথমিকভাৱে যি ধৰণৰ চিত্ৰ অংকন কৰিছিল তাত বিভিন্ন ধৰণৰ আঞ্চলিক উপাদান মিশ্ৰিত হৈ আছিল। যেনে— মাছ বিক্ৰেতা নাৰীৰ ছবি, শাক-পাচলিৰ বিক্ৰেতা, বাইজি, দোলা কঢ়িয়াই লৈ যোৱা পাহোৱাল ডেকা। প্ৰকৃত অৰ্থত আঞ্চলিক সমাজ পৰিপূৰ্ণ এখন দেশ আছিল ভাৰতবৰ্ষ। শ্ৰেণীবৈষম্য তীব্ৰ নাছিল। গ্ৰামীন সমাজ ব্যৱস্থাত শাক-পাচলি, চৰজি, মচলা, ফল, মাছ, সকলো পোৱা গৈছিল। তীব্ৰ সংকট বুলি যি বুজায় সেয়া নাছিল। সেই ধৰণৰ আৰ্থ-সামাজিক, সাংস্কৃতিক পৰিৱেশৰ ধ্বংসযজ্ঞৰ নামকৰণ হ'ল 'সেউজ বিপ্লৱ'।

নৱৈ দশকৰ পিছত ১৯৯১ চনৰ পৰাই কেন্দ্ৰ চৰকাৰে ধাৰাবাহিকভাৱে দেশৰ কৃষিক্ষেত্ৰত চৰকাৰী ব্যয়ৰ পৰিমাণ হ্ৰাস কৰিব ধৰিলে। কৃষিক্ষেত্ৰত সাৰ, বিদ্যুৎ, পানী যোগান আদিত প্ৰয়োজনীয় ৰাজসাহায্যৰ পৰিমাণ কম কৰা হ'ল। উৎপাদিত পণ্য সামগ্ৰীৰ পৰিমাণ হ্ৰাস কৰা হ'ল, লগতে বিভিন্ন সময়ত কৃষিখণ্ডৰ বাবে বিভিন্ন নিৰ্দেশনামা জাৰী কৰা হ'ল। তাৰ মাজতেই বিদেশৰ পৰা আমদানি

কৰা শস্য বা কৃষিজাত সামগ্ৰীৰ ওপৰত নিৰ্ধাৰিত শুল্ক কম কৰি বিদেশী বিনিয়োগকাৰীক ভাৰতবৰ্ষৰ প্ৰাকৃতিক সম্পদৰ ওপৰত সম্পূৰ্ণ অধিকাৰ ন্যস্ত কৰা হ'ল। কৃষিজাত সামগ্ৰী বা কৃষি-বজাৰখন বহুজাতিক কোম্পানীৰ হাতলৈ গ'লগৈ। জনসংখ্যা বৃদ্ধিৰ উদাহৰণ সঁচা, তথাপি সমাজবিদসকলৰ বক্তব্য হ'ল যে বিশ্বজুৰি যে খাদ্যসংকটৰ পৰিৱেশ গঢ় লৈ উঠিছে, দুখীয়া মানুহে এসাজ ভাত খাব নোৱাৰে। তাৰ মূল কাৰণ খাদ্যৰ অভাৱ নহয়, বৰং খাদ্য সংকট সৃষ্টি কৰা হৈছে। খাদ্য সুৰক্ষাৰ নামত বহুজাতিক কোম্পানীৰ বিনিয়োগ, বজাৰৰ পৰিধি বিস্তাৰ, উন্নত প্ৰযুক্তিৰ যোগেদি নতুন মানচিত্ৰ তৈয়াৰ কৰা হৈছে, তাত সাধাৰণ মানুহৰ প্ৰকৃতিনিৰ্ভৰ জীৱনৰ পৰিভাষা সলনি হ'ব ধৰিছে। প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ যিকোনো দেশ দৰিদ্ৰ হৈ যাব পাৰে, যদি সঠিক কৃষিনীতি সততাৰে পালন কৰা নহয়। এই ক্ষেত্ৰত আফ্ৰিকা উৎকৃষ্ট উদাহৰণ। সাম্প্ৰতিক কালত আফ্ৰিকাৰ নতুন নামকৰণ কৰা হৈছে মিডল ইষ্ট অফ বায়োফুয়েল। দক্ষিণ আফ্ৰিকাত মাইলৰ পিছত মাইল মাটিত এতিয়া তাত থকা স্থানীয় ৰাইজৰ বাবে খাদ্যশস্য উৎপাদন কৰা নহয়। উন্নত দেশৰ ধনী মানুহৰ গাড়ীৰ বাবে 'বায়োফুয়েল' উৎপাদন হয়। আৱিষ্কাৰ কৰা হৈছে যে 'ভেৰেণ্ডা' নামৰ এবিধ গছ আছে, তাৰ পৰা তেল উলিয়াব পাৰিলে সেয়া পেট্ৰ'ল আৰু ডিজেলৰ লগত মিশ্ৰিত কৰিব পৰা যায়। এনেদৰে উন্নত দেশে উন্নয়নশীল দেশৰ ষ্টাম্প লগাই কৃষিক্ষেত্ৰত শ্ৰেণীবিভাজন সৃষ্টি কৰিবলৈ সক্ষম হৈছে। সম্প্ৰতি ৰাষ্ট্ৰসংঘই যে নতুন প্ৰতিবেদন তৈয়াৰ কৰিছে, তাত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে এই মুহূৰ্তত সমগ্ৰ বিশ্বত প্ৰায় ৭৩.৫ কোটি মানুহে ভোকৰ বলি হৈছে। এমুঠি অন্নৰ বাবে হাহাকাৰ কৰি আছে। 'দ্যা ষ্টেট অৱ্ ফুড ছিকিউৰিটি এণ্ড নিউট্ৰিচন ইন দা ৱৰ্ল্ড-২০২২' শীৰ্ষক প্ৰতিবেদন মতে পৃথিৱীত ভোকাতুৰ মানুহৰ সংখ্যা হ'ল ৭৩.৫ কোটি। ক'ভিড মহামাৰী, জলবায়ু পৰিৱৰ্তন, বিভিন্ন দেশৰ মাজত যুদ্ধ চলি থকাৰ বাবে ভোকাতুৰ মানুহৰ সংখ্যা বাঢ়িব ধৰিছে। প্ৰতিবেদনত স্পষ্টকৈ কোৱা হৈছে বিশ্বত চাৰে চাৰি কোটি শিশু পুষ্টিহীনতাৰ বলি হৈছে। এতিয়া প্ৰশ্ন হ'ল এই বৈষম্যপূৰ্ণ অৱস্থাৰ পৰা মুক্তিৰ বাবে আমাৰ দেশে যি পদ্ধতি গ্ৰহণ কৰিছে, সেয়া বিজ্ঞানসন্মত নহয়। দৰিদ্ৰ জনতাক সকাহ দিয়াৰ লক্ষ্যৰে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত কেন্দ্ৰীয় চৰকাৰে বিনামূলীয়া চাউল বিতৰণ কৰি আছে। আত্মনিৰ্ভৰ ভাৰতবৰ্ষ এতিয়া অনুৎপাদনশীল আঁচনিৰ জৰিয়তে হিতাধিকাৰী সৃষ্টি কৰি আছে।

সেউজ বিপ্লৱ বুলি বাৰে বাৰে উচ্চাৰিত কৃষি সংস্কাৰৰ মূল তাৎপৰ্য্য কি? ক'বলৈ গ'লে চকুৰ আগতেই দেশৰ কৃষিক্ষেত্ৰ আৰু খাদ্য-সামগ্ৰীৰ বজাৰখন উন্নত দেশৰ বহুজাতিক কোম্পানীৰ হাতত অৰ্পণ কৰাৰ প্ৰক্ৰিয়া। সংকৰ বীজ, ৰাসায়নিক সাৰ, কীটনাশকৰ মাত্ৰাধিক ব্যৱহাৰৰ নতুন অধ্যায়। সেউজ বিপ্লৱৰ জয়গান চলি থকাৰ সময়তেই কৃষকে আত্মহত্যা কৰাৰ পথ বাছি ল'বলৈ বাধ্য হৈছে। ব্যক্তিগত মুনাফাৰ বাবে বৃহৎ-বৃহৎ কোম্পানীবোৰে কৃষিক্ষেত্ৰত পুঁজিৰ যোগান ধৰিছে। স্বদেশী, আঞ্চলিক ধানৰ উৎপাদন অধিক ক্ষমতাশীল হোৱা সত্ত্বেও লাহে লাহে কৃষক সম্প্ৰদায়ৰ জীৱনৰ পৰা নাইকিয়া হ'লগৈ। থলুৱা ধানৰ বিলুপ্তি সম্পূৰ্ণই হ'ল। আজিৰ তাৰিখত অসমৰ যিকোনো এখন গাঁৱলৈ গৈ এগৰাকী বৃদ্ধ কৃষকৰ লগত কথা পাতিলে তেওঁৰ যুগৰ ধানৰ নাম সুধিলে তেওঁ ক'বলৈ ল'ব— ফুল পাখেৰি, কলমদানি, খামতি লাহি, সুৱাগমণি, বৰমুগী, ক'লা পখী, জাহিঙা আৰু অন্যান্য কিমান যে নামৰ বিবিধ থলুৱা ধানৰ বীজ হেৰুৱাবলগীয়া হ'ল। আমি ভাত খোৱাৰ সময়তে ক'ব পাৰিম, সেয়া ক'লা পখী ধান নাইবা সুৱাগমণি ধানৰ চাউলৰ ভাত? সোৱাদ আৰু পুষ্টিৰ গুণেৰে ভৰপূৰ থলুৱা ধানৰ চাউলৰ যি মল্‌মলীয়া গোন্ধস সেয়া হেৰাই গ'ল। সেউজ বিপ্লৱৰ পূৱৱৰ্তী সময়ছোৱাত ভাৰতীয় কৃষক সম্প্ৰদায়ৰ হাতত আছিল নিজস্ব বীজ বৈচিত্ৰ্যৰ ভাণ্ডাৰ। লাহে-লাহে বীজৰ ওপৰতো পেটেণ্ট, উচ্চ ফলনশীল বীজ, সকলো বন্দী হ'ল ডাঙৰ ডাঙৰ পেট্ৰ'ল-ৰাসায়নিক কোম্পানীৰ মালিকসকলৰ হাতৰ মুঠিত। এতিয়া কৃষিকৰ্ম বুলি কোৱা নহয়। ক'ব লাগিব কৃষি অৰ্থনীতি। জেনেটিকেল মডিফায়েড বীজৰ ব্যৱহাৰৰ বাবে ক্ষেত্ৰ প্ৰস্তুত হ'ল আৰু বীজৰ ব্যৱসায় বাণিজ্য ব্যক্তিগত বাণিজ্য হৈ গ'ল। কৃষি বিষয়টো আৰু আঞ্চলিক বিষয় হৈ থকা নাই। কৃষিকৰ্ম, কৃষক সম্প্ৰদায়ৰ নিজস্ব কাম-কাজ, যেনে— বীজ বাছনিৰ কাম, বীজ সংৰক্ষণৰ কাম, পথাৰত বীজ ছটিওৱা, কঠীয়া ৰোপণ, দিনৰ এটা সময়তে ঘৰৰ মহিলাই পথাৰলৈকে ভাত লৈ যোৱা, পথাৰত একেলগে বহি আহাৰ কৰা, ঘৰত নতুন ধান আহিলে ঢেঁকীত পাৰ দিয়া, নিজৰ কৃষিকৰ্মক কেন্দ্ৰ কৰি গোটেই বছৰ ব্যস্ত হৈ থকাৰ মাজেদি কৃষক সম্প্ৰদায়ৰ যি পৰিচয় গঢ় লৈ উঠিছিল, তাত অতিৰিক্ত ধন জমা হোৱা নাছিল যদিও পৰিয়ালৰ আৰু সামাজিক জীৱনত এক ধৰণৰ সহজ-সুন্দৰ জীৱনবোধ

আছিল। যৌথ চিন্তা, যৌথ সহযোগিতাৰ মাজেৰে মানুহে একেলগে জীয়াই থকাৰ আনন্দ উপভোগ কৰিবলৈ সক্ষম হৈছিল।

উন্নয়নৰ নামত এতিয়া গাঁও অঞ্চলৰ পৰিধি কমিব ধৰিছে। লগতে চহৰৰ সম্প্ৰসাৰণ হৈ আছে। গাঁৱৰ কৃষি অঞ্চলবোৰ চহৰ নিৰ্মাণৰ কামত, হাইওৱে, ৰেস্তোঁৰা গঢ়ি তোলাৰ প্ৰক্ৰিয়াত ব্যৱহাৰ হৈ আছে। কৃষক পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰে খেতিপথাৰ এৰি চহৰলৈ ঢাপলি মেলা দেখা গৈছে। আনকি অসমৰ বাহিৰলৈ গৈ কোম্পানীৰ কাম, ছিকিউৰিটি গাৰ্ডৰ চাকৰিও কৰিবলগীয়া হৈছে। আনফালে সাধাৰণ মানুহক বিনামূলীয়া চাউল বিতৰণৰ অদ্ভুত সংস্কৃতি গঢ় দিয়া হৈছে, বিনা শ্ৰমতে খোৱাৰ চাউল পোৱা গ'লে কৃষি নহয়, দেখিবলৈ পোৱা গৈছে যে কৃষক সন্তানে খেতিৰ মাটিহে বিক্ৰী কৰিব ধৰিছে। স্বাভাৱিকভাৱেই কৃষিভূমিৰ পৰিমাণ সংকুচিত হ'বলৈ ধৰিছে। স্থানীয়ভাৱে উৎপাদন কৰিব নোৱাৰা অঞ্চল ধনী হৈ থাকিব নোৱাৰে। সেয়াই হ'ল। এতিয়া পাকঘৰৰ শ্ৰেণী বিভাজন হ'ব ধৰিছে। বহুজনে পৰিয়ালৰ ভৰণ-পোষণ দিব নোৱাৰি আত্মহননৰ দৰে পথ বাছি ল'বলৈ বাধ্য হৈছে। দৈনিক উপযুক্ত পৰিমাণৰ খাদ্য খাবলৈ নাপাই অপুষ্টিগত মৃত্যুৰ হাৰ বাঢ়িব ধৰিছে।

২০২১ চনত পঁয়সত্তৰসংখ্যক স্বাধীনতা দিৱসৰ সময়ত 'অমৃতকাল' বুলি শব্দখিনি শুনা পোৱা গ'ল। আমাৰ দেশত এতিয়া বোলে সোণোৱালী সময়, কাৰণ সৰ্বাঙ্গীণ বিকাশৰ (Inclusive growth) বাট প্ৰশস্ত হৈছে। এতিয়া কেইটামান নতুন তথ্য হ'ল ভাৰতবৰ্ষ 'মিলেট' অৰ্থাৎ শস্যদানা উৎপাদনৰ ক্ষেত্ৰত পৃথিৱীৰ ভিতৰত শ্ৰেষ্ঠতম সক্ৰিয় দেশ (Hub)। ইণ্ডিয়ান মিলেট ৰিছাৰ্চ প্ৰতিষ্ঠানৰ (Indian Millets Research Institute) সহযোগিতাত 'মিলেট'ৰ 'শ্ৰীঅন্ন' নামেৰে নামকৰণ কৰা হৈছে। বৰ্তমান সময়লৈকে ভাৰতবৰ্ষই ১৮০ লাখ টনৰ অধিক পৰিমাণ মিলেট উৎপাদন কৰিছে (২০২০-২১) আৰু ৰপ্তানিৰ ক্ষেত্ৰত বিশ্বত পঞ্চম স্থান দখল কৰিবলৈ সক্ষম হৈছে। গতিকে বৰ্তমান চৰকাৰে মিলেট (Sorghum, Pearl Milliet, Regi, Kodan, Saanvan, Kultheih) উৎপাদন আৰু ৰপ্তানিৰ ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদান কৰিছে। সেয়া নিশ্চিতভাৱে ভাল কথা। কিন্তু কিছুমান প্ৰশ্নই আমনি কৰে, যেনে— এই মিলেট এটা যুগলৈকে দেশৰ ভিন্ ভিন্ প্ৰান্ত যেনে— ঝাৰখণ্ড, উড়িষ্যা, মধ্যপ্ৰদেশৰ ভূমিপুত্ৰসকলৰ মূল খাদ্য আছিল। তেওঁলোকৰ সুস্বাস্থ্য শ্ৰমশক্তিৰ নেপথ্যত বোলে আছিল এই

মিলেট। ভাত তেওঁলোকে খোৱাই নাছিল। ভাতকে কোৱা হৈছিল 'দিকোৰ খাদ্য' অৰ্থাৎ 'বিদেশী খাদ্য'। মিলেটৰ খাদ্যগুণ অধিকাংশ জনজাতি মানুহসকলে অনুধাৱন কৰিব পৰা নাই। শেহতীয়াকৈ জনজাতি লোকে বিনামূলীয়া চাউলৰ ভাত খাই আছে আৰু মিলেট বিদেশৰ বজাৰলৈ উৰা মাৰিছে। এতিয়া মিলেট উৎপাদনৰ মূল ৰাজ্যবিলাকৰ সাধাৰণ দোকানত আগতে যেনেদৰে পোৱা গৈছিল এতিয়া কিন্তু আৰু পোৱা নাযায়।

কৃষিকৰ্ম এতিয়া কৃষি প্ৰযুক্তি হৈ পৰিছে। কৃষিখণ্ডক ডিজিটেল কৰাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা হৈছে। ডিজিটেলাইজেচনৰ ক্ষেত্ৰত কৃষিখণ্ডক সহায় কৰাৰ বাবে আকৌ বিদেশৰ পৰা কিছু নতুন প্ৰযুক্তি আমদানি কৰাৰ প্ৰক্ৰিয়া চলি আছে। আন্তৰ্জাতিক বজাৰৰ প্ৰতি লক্ষ্য ৰাখি আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাৰ মানসিকতাত কৃষক সম্প্ৰদায়ৰ মেৰুকৰণ হৈ আছে। কৃষিকাৰ্য এতিয়া স্বতন্ত্ৰভাৱে আঞ্চলিক প্ৰয়োজন পূৰণ কৰাৰ বিষয়বস্তু নহয়, আন্তৰ্জাতিক খাদ্যভাণ্ডাৰ প্ৰস্তুত কৰাৰহে বিষয়। কৃষি প্ৰযুক্তিৰ লগতে উচ্চ ফলনশীল বীজ, ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্যৰ বৃহৎ বজাৰৰ সম্পৰ্ক আছে, একাধিক বহুজাতিক কোম্পানীৰ ব্যৱসায়ৰ প্ৰতিযোগিতাও দ্ৰুত গতিৰে আগবাঢ়ি গৈছে। খাদ্য-সামগ্ৰীক কেন্দ্ৰ কৰি নতুন নতুন শব্দ ব্যৱহাৰৰ প্ৰয়োজন লক্ষ্য কৰা হৈছে। এতিয়া 'ফুড ছিকিউৰিটি' হ'ল আটাইতকৈ নতুন গুৰুত্বপূৰ্ণ এক শব্দ। ১৯৭৪ চনত ৰোম দেশৰ ওৱাৰ্ল্ডত ফুড কনফাৰেঞ্চত প্ৰথমবাৰৰ বাবে ব্যৱহৃত হোৱা এই শব্দই এতিয়া স্পষ্টকৈ বুজাই দিয়ে পাকঘৰৰ শ্ৰেণী অৱস্থান। খাদ্য নিৰাপত্তা কাৰ বাবে? কোনে দিব প্ৰকৃত অৰ্থত নিৰাপত্তা?

বাহিৰৰ দেশৰ পৰা অহা বীজ, কীটনাশক সামগ্ৰীৰ লগতে বৈজ্ঞানিক পদ্ধতিৰে কৃষিব্যৱস্থাৰ বাবে কৃষি প্ৰযুক্তি সম্পৰ্কীয় নতুন নতুন আমদানিকৃত সামগ্ৰী, জমি, বেংক, বিভিন্নভাৱে কৰ্পোৰেট কৃষিনীতিত পৰিৱৰ্তিত হোৱাৰ বাবেই দেশৰ দৰিদ্ৰ, মধ্যমবৰ্গীয় কৃষকসকলৰ আত্মহত্যাৰ ঘটনা ধাৰাবাহিকভাৱে ঘটি আছে। আমাৰ আইতাসকলৰ পাকঘৰৰ সংস্কৃতি এতিয়া সম্পূৰ্ণভাৱে বজাৰৰ নিয়ন্ত্ৰণত। ◈

আখলঘৰকেন্দ্রিক বিতর্ক

সমগ্র পৃথিৱীত সমাজতন্ত্র দর্শনে সর্বপ্রথম ঘোষণা কৰিছিল যে নাৰী আৰু পুৰুষৰ মাজত সম-অধিকাৰ প্রতিষ্ঠা কৰাই হ'ল প্রাথমিক কর্তব্য। সেই দর্শন অনুভৱ কৰিলে নাৰীৰ সম্পূর্ণ অধিকাৰৰ অর্থ হ'ল সমান অধিকাৰ আৰু লগতে আর্থ-সামাজিক উৎপাদন ব্যৱস্থাৰ সৈতে প্রত্যক্ষভাৱে যুক্ত হোৱা। দেশ শাসনৰ ক্ষেত্রতে হওক নাইবা সামাজিক-সাংস্কৃতিক জীৱনত নাইবা আর্থ-সামাজিক প্রতিটো কার্যকলাপৰ ক্ষেত্রতেই হওক, স্বাধীনভাৱে অংশগ্রহণ কৰাটো উচিত। তাৰ বাবে এক মুক্ত পৰিৱেশৰ প্রয়োজন। যিকোনো ধৰণৰ বাধা-বিপত্তি নোহোৱাকৈ নাৰীসকলে যি উচ্চশিক্ষা গ্রহণ কৰিবলৈ সমর্থ হয়, কাৰিকৰী শিক্ষাত শিক্ষিত হ'ব বিচাৰিলে তাৰ বাবে যেন কোনোধৰণৰ বাধাপ্রাপ্ত হ'বলগীয়া নহয়। অকল গৃহশ্রমৰ লগত যুক্ত হৈ থকাৰ অর্থ হ'ল অর্থহীন, অপমানজনক। শ্রম মূল্যহীন আৰু একঘেয়েমী গৃহশ্রমৰ পৰা নাৰীয়ে মুক্তি পোৱাটো অত্যন্ত জৰুৰী। সমাজতান্ত্রিক বিপ্লৱৰ নেতাসকলে অনুভৱ কৰিলে যে সংখ্যাগৰিষ্ঠ মহিলাসকলে যেতিয়ালৈকে অকল ঘৰুৱা কাম-বনৰ লগত যুক্ত হৈ থাকিব, তেওঁলোকৰ মর্যাদা সীমাবদ্ধ হৈ থাকিব।

বলছেভিক দলৰ নেতৃত্বত গঢ় লৈ উঠা সমাজতান্ত্রিক আদর্শত গঠন হোৱা ছোভিয়েট ৰাছিয়াই ব্যক্তিজীৱনৰ পৰা পাকঘৰ আঁতৰাই দিছিল। পাকঘৰ আৰু শিশুৰ চোৱা-চিতাৰ বাবে এই দুটা কাম সামাজিক কামৰ স্বীকৃতি পাবলৈ সক্ষম হৈছিল।

১৯১৭ চনৰ পৰৱর্তী সময়ছোৱাত অর্থাৎ বিপ্লৱৰ পৰৱর্তী সময়ত অধিকাংশ মানুহেই ৰাছিয়াৰ বিভিন্ন প্রান্তৰ পৰা মস্কোলৈ (Masko) আহি বসবাস কৰা আৰম্ভ কৰিছিল, তাত কমিউনিষ্ট এপার্টমেণ্ট নির্মাণ কৰা হৈছিল। তাত একেলগে সাত-আঠটা পৰিয়াল এটি পৰিয়ালৰ দৰে থাকিব লৈছিল। য'ত এখন পাকঘৰ তৈয়াৰ কৰা হৈছিল। তাক যৌথ পাকঘৰ বুলি হোৱা হয়। ১৯২০ চনৰ পৰা ১৯৫০ চনলৈকে তিনি দশক ধৰি ছোভিয়েট ৰাছিয়াত মূল শিল্পসংস্থান গঢ় লৈ উঠাৰ এক আয়োজনৰ সময় আছিল।

বিভিন্ন অঞ্চলৰ পৰা লক্ষ-লক্ষ মানুহে মস্কো চহৰলৈ ঢাপলি মেলিছিল আৰু তেতিয়া নতুন চৰকাৰৰ প্ৰাথমিক লক্ষ্যই আছিল শ্ৰমিকসকলৰ বাবে স্থায়ীভাৱে থকাঘৰৰ ব্যৱস্থা কৰা। আচলতে যিবিলাক এপাৰ্টমেণ্টত ধনী মানুহসকল অথবা সমাজৰ অভিজাত শ্ৰেণীৰ মানুহসকলে বসবাস কৰিছিল, বিপ্লৱৰ পৰৱৰ্তী সময়ছোৱাত তাত কমিউনিষ্ট এপাৰ্টমেণ্ট (Communist Apartment) গঢ়ি তোলাৰ কৰ্মসূচী গ্ৰহণ কৰা হয়। সেই ঘৰবিলাকৰ নামকৰণ কৰা হৈছিল ëMicrocosm of Sovet Societyí। তৎকালীন কমিউনিষ্ট পাৰ্টিৰ তৰফৰ পৰা ঘোষণা কৰা হ'ল যে ৰাছিয়াৰ নাৰীসকল এতিয়া মুক্ত। নিজৰ পছন্দৰ কাম-কাজক লৈ ব্যস্ত থাকিব পাৰে। মন গ'লে পিয়ানো বজাব পাৰে, ছবি আঁকিব পাৰে, কৃষক-শ্ৰমিকৰ ভূমিকাও পালন কৰিব পাৰে। এই মনোভাব গঢ় দিয়াৰ বাবে প্ৰথমতে প্ৰয়োজন হয় নিজকে পাকঘৰ আৰু সন্তান লালন-পালন কৰাৰ দায়িত্বৰ পৰা মুক্ত কৰা। যুগ-যুগান্তৰৰ পৰা পাকঘৰ নাৰীৰ বাবে লাহে লাহে কঠিন শৃঙ্খলাত পৰিণত হৈছে।

বিপ্লৱৰ পৰৱৰ্তী ৰাছিয়াত পাকঘৰৰ সামাজিকীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল কেণ্টিন, কেফেটেৰিয়া গঠন আৰম্ভ হ'ল। সেইবিলাক সময়ৰ সোঁতত সাধুকথাৰ দৰে হৈ পৰিল। বিশেষকৈ আজিও পাকঘৰ আৰু সন্তানৰ লালন-পালনৰ বাবে সৰহসংখ্যক ভাৰতীয় মহিলাই ভাল চাকৰি, ব্যক্তিগত কেৰিয়াৰ এৰি দিবলৈ বাধ্য হয়।

সমাজতান্ত্ৰিক দৰ্শনৰ দৃষ্টিত ব্যক্তিগত পাকঘৰৰ অৰ্থ হ'ল বুৰ্জোৱা জীৱনধাৰা, ব্যক্তিগত মালিকানা প্ৰতিষ্ঠানৰ প্ৰচেষ্টা, ব্যক্তিগত সম্পত্তি আৰু ভোগ কৰাৰ এক স্বাৰ্থপৰ জীৱনশৈলী। তৎকালীন ছোভিয়েট ৰাছিয়াৰ আৰ্থ-সামাজিক প্ৰেক্ষাপটত সেয়া সঠিক আছিল, কিন্তু বৰ্তমান সময়ত সৰহসংখ্যক মানুহেই বিশ্বাস কৰে যে ব্যক্তিগত পাকঘৰৰ অৰ্থ হ'ল ব্যক্তিজীৱন আৰু পৰিয়ালৰ জীৱনৰ এটি অতি গুৰুত্বপূৰ্ণ বিষয়। কাৰণ ওচৰ-চুবুৰীয়া বুলি ক'লে আগৰ দৰে সেয়াও নাই। মানুহৰ জীৱন পদ্ধতি এতিয়া অত্যন্ত বিচ্ছিন্ন হৈ পৰিছে। তাৰ মাজতে চহৰ নাইবা মহানগৰীৰ একাষে গঢ় লৈ উঠা বস্তি জীৱন, য'ত লগালগিকৈ জীৱন অতিবাহিত কৰা সম্ভৱ, তাত হয়তো প্ৰতিবেশীৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

প্ৰায় পোন্ধৰ বছৰৰো অধিক সময় ধৰি ছোভিয়েট ৰাছিয়াত ëSocial Tasty and Healthy Foodíৰ শ্লোগানেই আছিল, ক'বলৈ গ'লে শেষ বাক্য।

সমাজতান্ত্ৰিক চিন্তাত বিশ্বাসী নেত্ৰীসকলেও সেয়া সমৰ্থন কৰিছিল। নেত্ৰী আলেকজাণ্ডাৰ কোলনতাই সেই প্ৰসঙ্গতে কৈছিল যে পৰিয়ালৰ বৃত্তত পাকঘৰৰ অস্তিত্বৰ অৰ্থই হ'ল এক ধৰণৰ বুৰ্জোৱা জীৱনধাৰা। Domestic Cooking banrgeoins life style। আকৌ সমাজবিদ সংগঠক, সমাজবাদী নেতা লেনিনে কোৱা মতে, ëThe women remains a domestic slaves, Petty household burdens, duties, belittles, binding her to kitchení.

বিপ্লৱৰ পৰৱৰ্তী ৰাছিয়াৰ মহিলাসকলে দুৰন্ত গতিত বিভিন্ন সামাজিক কাজ-কৰ্ম, সমবায় কৃষিকৰ্ম, শ্ৰমিকৰ ভূমিকাত যোগদান কৰাৰ অৱকাশ পাইছিল, লগতে তৎকালীন ৰাছিয়াত ব্যক্তিগত পাকঘৰৰ অস্তিত্ব একপ্ৰকাৰে নাইকিয়া হ'ব ধৰিছিল। বিভিন্ন ধৰণৰ সামাজিক কেণ্টিন, (Stolovey) আৰু কিচেন ফেক্টৰি (Pabri ki khmi) গঢ় লৈ উঠিব লৈছিল।

১৯৫৩ চনত ষ্টালিনৰ মৃত্যুৰ পিছত নিকিতা ক্ৰুশচেভৰ সময় আৰম্ভ হয়। তেতিয়াহে ছোভিয়েট ৰাছিয়াৰ স'তে ইউনাইটেড ষ্টেটছৰ এক শীতল যুদ্ধ আৰম্ভ হ'ব ধৰে। আকৌ ক'বলৈ গ'লে আৰ্থ-সামাজিক প্ৰয়োজন অনুসৰি দুখন ৰাষ্ট্ৰৰ মাজত এক ধৰণৰ সাংস্কৃতিক আদান-প্ৰদানৰ পৰিৱেশ গঢ়ি উঠিল। ১৯৫৯ চনত বুৰঞ্জীৰ পাতত জিলিকি উঠিল এক ঐতিহাসিক মুহূৰ্ত। সাংস্কৃতিক আদান-প্ৰদানৰ এক বিশাল প্ৰদৰ্শনীৰ আয়োজন কৰা হ'ল। পুঁজিবাদী দেশৰ লগতে সমাজতান্ত্ৰিক দেশৰ সুন্দৰ আদান-প্ৰদানৰ আৰম্ভণি হ'ল আৰু সমগ্ৰ বিশ্বৰ বাবে সেয়া আছিল এক অবিশ্বাসযোগ্য মুহূৰ্ত। কাৰণ এফালে সমাজতান্ত্ৰিক দেশ নিজৰ দেশৰ স্কুটিনিং ছেটেলাইট, পাৰমাণৱিক শক্তি, শ্ৰমিক শ্ৰেণীৰ ক্ষমতাৰ প্ৰদৰ্শন কৰিবলৈ আগুৱাই আহে, আনফালে পৃথিৱীৰ সৰ্বশক্তিমান এক পুঁজিবাদী দেশ নিজৰ দেশৰ পণ্য সামগ্ৰী, যেনে— বিভিন্ন ডিজাইনৰ পোছাক, হাইহিল জোতা, বিভিন্ন ধৰণৰ প্ৰসাধন সামগ্ৰী, পাকঘৰৰ সৰঞ্জাম, যেনে— ফ্ৰিজ, ভিজওয়াছাৰ, ৱাচিং মেচিনসহ অন্যান্য ঘৰুৱা সামগ্ৰীৰ মাধ্যমে প্ৰমাণ কৰিব বিচাৰিলে শিল্পায়নৰ যোগেদি মহিলাৰ গৃহশ্ৰমৰ সময় কম কৰা সম্ভৱ। তাৰ বাবে যৌথ পাকঘৰৰ প্ৰয়োজন নাই। ব্যক্তিৰ জিভাৰ স্বাদ একান্ত ব্যক্তিগত আৰু ভিন্ ভিন্ ধৰণৰ। প্লাষ্টিকৰ গ্লাচত যেতিয়া পেপছি কোলা বিনামূলীয়াভাৱে বিতৰণ কৰাৰ ব্যৱস্থা কৰা হ'ল। ছোভিয়েট ৰাছিয়াৰ নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীয়ে লুকাই-চুৰকৈ লোভাৰ্ত দৃষ্টিৰে পানীয় গ্ৰহণ কৰিব ধৰিলে। দুটা একেবাৰে বিপৰীত মতাদৰ্শ যেন মুখামুখিকৈ

আহি থিয় হৈছিল। যৌথ সামাজিক মূল্যবোধৰ বিপৰীতে ব্যক্তি স্বাতন্ত্ৰৰ বিজ্ঞাপনৰ আয়োজন কৰা হ'ল। সেয়াই আছিল আৰম্ভণি। তাৰ পৰৱৰ্তী অধ্যায় হ'ল পুঁজিবাদৰ বিশ্ব বজাৰ দখল কৰাৰ পৰিক্ৰমা। দেখা গ'ল, পাকঘৰৰ বিষয়খিনিয়েই বিশ্ব ৰাজনীতিৰ এক গুৰুত্বপূৰ্ণ বিষয়। অকল পাকঘৰক কেন্দ্ৰ কৰি ৰাষ্ট্ৰনেতাসকলৰ মাজত চলিব পাৰে দ্বিপাক্ষিক আলোচনা। সেয়াই হৈছিল। আমেৰিকাৰ উপৰাষ্ট্ৰপতি ৰিচাৰ্ড নিকছন আৰু ছোভিয়েট ৰাছিয়াৰ কমিউনিষ্ট পাৰ্টিৰ প্ৰথম ছেক্ৰেটাৰী ক্ৰুশচেভে দুৱাৰ বন্ধ কৰি ঘণ্টাৰ পিছত ঘণ্টা বিতৰ্ক কৰি গৈছিল। সেয়া আছিল পাকঘৰ বিতৰ্ক। সেই বিতৰ্কৰ মূল বিষয় আছিল এফালে আমেৰিকাৰ মডেল হোম, আনফালে ৰাছিয়াৰ লেইছুৰমা হোম (Leisurama Home)। তৰ্ক-বিতৰ্কৰ মাজত বাৰে বাৰে প্ৰশ্ন উত্থাপন হ'ব ধৰিলে— পাকঘৰ বুলি ক'লে বিভিন্ন ধৰণৰ বৈদ্যুতিক সা-সৰঞ্জামৰ প্ৰয়োজন নে সামাজিক পৌষ্টিকতা, যাক 'ছোছাইটেল নিউট্ৰেছন' কোৱা হৈছিল, তাৰ বাবে সজাগতাৰ প্ৰয়োজন?

পুঁজিবাদী এখন শক্তিশালী ৰাষ্ট্ৰই অনুভৱ কৰিলে যে যদি ৰাছিয়াৰ সংখ্যাগৰিষ্ঠ নাৰীৰ মনলৈ নতুন চিন্তাৰ বীজ ৰোপণ কৰিব পৰা যায়, তেন্তে পেপ্‌ছি, মেকডোনালৰ নিচিনা পণ্য সামগ্ৰীৰ বাণিজ্য বিস্তাৰৰ পথ প্ৰশস্ত হ'ব। সেয়াই হ'ল। কমিউনিজমৰ লগত পুঁজিবাদৰ সাংস্কৃতিক আদান-প্ৰদানেই পৃথিৱীৰ সকলো প্ৰান্তৰৰ পাকঘৰ সম্পৰ্কীয় নতুন ধাৰণা সৃষ্টি কৰাৰ ক্ষেত্ৰত সফল হ'লগৈ। ক'ব পৰা যায় যে বৃহৎ বজাৰৰ বিষয়টো পাকঘৰৰ পৰাই আৰম্ভ হ'ল।

সমাজবাদৰ চিন্তা আছিল যৌথ জীৱন। তাৰ বাবে প্ৰয়োজন যৌথ পাকঘৰ। পুঁজিবাদে একেবাৰে ইয়াৰ সমান্তৰাল পথত থিয় দি ঘোষণা কৰিলে যন্ত্ৰ-পাতিৰ দ্ৰুত বিকাশৰ মাজেৰে আৰু পাকঘৰৰ উপাদানবিলাক বজাৰৰ পেকেট নিৰ্ভৰ কৰি পেলাব পাৰিলে দেখোন নাৰী মুক্তিৰ বাট মুকলি হ'ব। উৎপাদন আৰু বিতৰণৰ মাজত সুসম্পৰ্ক আৰু আত্মনিৰ্ভৰতা গঢ় লৈ উঠিব নোৱৰাৰ বাবে সমাজবাদীৰ দেশ ৰাছিয়াৰ যৌথ জীৱনৰ সপোন ভাঙি টুকুৰা-টুকুৰ হ'ল। আৰু বিভিন্ন কাৰণ আছে, কিন্তু খাদ্য উৎপাদনৰ ক্ষেত্ৰত স্বনিৰ্ভৰতা এটি গুৰুত্বপূৰ্ণ কাৰণ যেন লাগে।

বিশ্ববিখ্যাত সমাজবিজ্ঞানী জন মেৰিংটনৰ বক্তব্য আছিল যে পুঁজিবাদৰ জয়ৰ অৰ্থ হ'ল নাগৰিক সভ্যতাৰ জয়, স্বাধীন বজাৰ ব্যৱস্থাৰ জয়। তেওঁৰ মতে,

পুঁজিবাদ হ'ল একমাত্ৰ ব্যৱস্থা যাৰ বিকাশৰ নিজস্ব এক ক্ষমতা আছে। যেনে— এই ব্যৱস্থা বুৰঞ্জীৰ মতে একাত্ম হৈ থকা এক ব্যৱস্থা। একেদৰে অৰ্থনীতিবিদ্ কাৰ্ল পোলন লুইৰ দৰে অৰ্থনীতিবিদে বজাৰৰ ধাৰণা সম্পৰ্কীয় বক্তব্য প্ৰদান কৰি কৈছিল যে বজাৰ হ'ল সকলো ধৰণৰ অৰ্থনৈতিক কৰ্মতৎপৰতাৰ লক্ষ্য আৰু বিশ্ববজাৰ হ'ল বিশ্বৰ সকলো বজাৰ বিস্তাৰৰ এক স্বাভাৱিক পৰিস্থিতি। যিয়ে বিশ্বত শীতল যুদ্ধ নামে পৰিচিত, যি তাৰ অন্তিম সময়ছোৱাত সমগ্ৰ বিশ্বৰ অৰ্থনীতিৰ ছবি পৰিৱৰ্তন হ'ল। বজাৰ ব্যৱস্থা ক্ৰমান্বয়ে শক্তিশালী হৈ উঠিব ধৰিলে। ১৯২০ চনত ছোভিয়েট ইউনিয়নে চিন্তা কৰিব ধৰিছিল যে ৰাছিয়াৰ যি বিপ্লৱ সম্পন্ন হ'ল সেয়া এদিন বিশ্ব বিপ্লৱৰ ৰূপ ল'ব। কিন্তু বাস্তৱত সেয়া নহ'ল, বৰং বিপ্লৱৰ পৰৱৰ্তীত ৰাছিয়াই অতি দ্ৰুতবেগেৰে কেইটামান উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিবলৈ সমৰ্থ হৈছিল। যেনে— এফালে যৌথ কৃষি পদ্ধতিৰে যৌথ ভঁৰাল বিস্তাৰ কৰি নতুন কৃষি নীতি আৰু উৎপাদনশীলতাৰ প্ৰতি দৃষ্টিপাত কৰিলে, আনফালে একে সময়তে দেশৰ শিল্প প্ৰণালীক ত্বৰান্বিত কৰাৰ প্ৰচেষ্টা চলাই যোৱা হ'ল। লগতে শক্তিশালী সেনাবাহিনী গঠন কৰা হ'ল। পাৰমাণৱিক অস্ত্ৰৰ লগতে মহাকাশ অভিযানৰ প্ৰতি আগ্ৰহী হৈ উঠা ছোভিয়েট ৰাছিয়াই তেতিয়া ইমান দ্ৰুতগতিৰে আগবাঢ়িব ধৰিলে যে তৎকালীন মাৰ্কিন সাম্ৰাজ্যও যথেষ্ট চিন্তিত হ'বলৈ বাধ্য হৈছিল। কিন্তু এটা বাস্তৱ সত্য হ'ল ছোভিয়েট ৰাছিয়াৰ সমাজবাদী প্ৰতিষ্ঠা হৈছিল তুলনামূলকভাৱে মধ্যম শ্ৰেণীৰ প্ৰচেষ্টাত। ফলস্বৰূপে অতি কম সময়ৰ ভিতৰতে তীব্ৰ গতিৰে পৃথিৱীৰ ধনী দেশবিলাকৰ লগত সকলো ক্ষেত্ৰত ফেৰ মৰাটো ইমান সহজ নাছিল। ছোভিয়েট ৰাছিয়াই প্ৰথমতে দেশৰ প্ৰতিটো স্তৰত শিক্ষাৰ প্ৰচাৰ-প্ৰসাৰৰ দৃষ্টি নিবদ্ধ কৰিবলৈ পূৰ্ণ প্ৰয়াস চলাইছিল। তাৰ বাবে দক্ষ শ্ৰমিকশ্ৰেণী গঠন কৰা হ'ল। কৃষিব্যৱস্থাত ট্ৰেক্টৰৰ ব্যৱহাৰ আৰম্ভ হ'ল। সামৰিক শক্তিও যিমানে উন্নত হ'ল আমেৰিকাৰ তুলনাত আগবাঢ়িব ধৰিলে। তাৰ পিছত কিন্তু যিকোনো কাৰণতে হওক ছোভিয়েট ৰাছিয়াৰ অৰ্থনীতিত প্ৰবল মন্দা নামি আহিল।

উৎপাদনশীলতা সাংঘাতিক ধৰণেৰে ক্ষতিগ্ৰস্ত হ'ল। পাকঘৰৰ সামাজিকীকৰণ বিষয়টো পূৰ্বৱৰ্তী সময়ৰ চাহিদা অনুসৰি জীয়াই নাথাকিল।

ছোভিয়েট ৰাছিয়াৰ বিপ্লৱৰ পৰৱৰ্তী ব্যৱস্থাত সমাজতান্ত্ৰিক নেতাসকলে অনুভৱ কৰিছিল যে লিঙ্গবৈষম্য দূৰ কৰিবলৈ হ'লে পাকঘৰৰ সামাজিকীকৰণৰ

বিষয়টো বাস্তৱায়িত হ'ব লাগিব। আকৌ ছোভিয়েট ৰাছিয়াৰ নেতৃবৃন্দই জনসাধাৰণক বুজাবলৈ সক্ষম হ'ল যে নাৰীসকলক জনহিতকাৰী কামৰ লগত যুক্ত কৰিবলৈ ৰাজনৈতিক জীৱনলৈ লৈ অনাৰ বাবে গৃহকৰ্মৰ পৰা ঘাইকৈ পাকঘৰৰ দায়িত্বৰ পৰা পৰিত্ৰাণ পাব লাগিব।

স্বাধীনতা নাইবা গণতন্ত্ৰ প্ৰতিষ্ঠাৰ প্ৰথম চৰ্তই হ'ল সামাজিক কাম-কাজত গুৰুত্ব প্ৰদান কৰা। অস্বীকাৰ কৰাৰ উপায় নাই সমগ্ৰ বিশ্বত য'তেই সমাজতান্ত্ৰিক বিপ্লৱৰ পৰিৱেশ সৃষ্টি হৈছিল, নাৰীয়েই তুলনামূলকভাৱে স্বাধীন জীৱন অতিবাহিত কৰিবলৈ সক্ষম হৈছিল। পৰিয়ালৰ শ্ৰম সামাজিক শ্ৰমৰ স্বীকৃতি পোৱাৰ বাবে নাৰী বহুতখিনি মুক্ত জীৱনৰ অভিজ্ঞতা অৰ্জন কৰিবলৈ সক্ষম হ'ল।

ইয়াৰ পিছত সমাজতান্ত্ৰিক দেশৰ পতন হ'ল, মুক্ত অৰ্থনীতিৰ ধাৰণা জয়ী হ'ল। মাৰ্কিন জীৱনযাত্ৰাৰ প্ৰতি আকৰ্ষিত হ'ব ধৰিলে সমগ্ৰ বিশ্বৰ মানুহেই। মাৰ্কিন পুঁজিবাদে সগৌৰৱেৰে ঘোষণা কৰিবলৈ সক্ষম হ'ল— 'আমাৰ জীৱনযাত্ৰা উন্নত জীৱনযাত্ৰা'। সেই সময়খিনিত সমগ্ৰ বিশ্বত দুটা প্ৰশাসনৰ সংঘাত আৰম্ভ হ'ল। ëThere is no alternative' (TINA) মাৰ্গাৰেট থেচাৰে উল্লেখ কৰা সেই বাক্যখিনি আছিল যে পুঁজিবাদৰ কোনো বিকল্প নাই। সমাজবাদৰ প্ৰতি আস্থাশীল জননেতাসকলে শ্লোগান দিলে, ëSocialism is the alternativeí (SITA) সেই বিতৰ্ক চলি থাকিল। এটা সময়ৰ পিছত বিশ্বৰ পুঁজিবাদে প্ৰমাণ কৰিবলৈ চেষ্টা কৰিলে খাদ্য প্ৰাকৃতিক সম্পদ নহয়, বজাৰৰ পণ্য সামগ্ৰীহে। খাদ্য প্ৰক্ৰিয়া ব্যক্তিৰ নিজস্ব বিষয়। খাদ্য গ্ৰহণ আৰু বৰ্জনৰ প্ৰক্ৰিয়াৰ সম্পূৰ্ণ নেতৃত্ব দিবলৈ আগবাঢ়ি আহিল মুক্ত বজাৰ। খাদ্য-সামগ্ৰীৰ প্ৰকৃতি নিৰ্ভৰতাৰ পৰা পেকেট নিৰ্ভৰ হৈ উঠাৰ মাত্ৰা সাম্প্ৰতিক বিশ্বৰ এক গুৰুত্বপূৰ্ণ বিতৰ্কিত বিষয়। ◈

নতুন পাকঘৰৰ সন্ধানত

দুই বছৰে হ'ল আইতা গুচি যোৱা। আইতাজনী নাই বুলি ভাবিবলৈ এতিয়াও নোৱাৰে তাই। যেতিয়াই মৰমৰ নাতিনীজনীয়ে আইতাকৰ মুখখন মনত পেলাব বিচাৰে, চকুহাল একেবাৰে সজল হৈ উঠে। বিশেষকৈ গাঁৱলৈ ফুৰিবলৈ আহিলেই তেনেকুৱা হয়। সৰ্বত্ৰই যেন আইতাকৰ উপস্থিতি অনুভৱ কৰে। তাই ঘৰৰ ভিতৰলৈ সোমাই আহি পোনে পোনে আইতাকৰ পাকঘৰলৈ গৈ থিয় হয় আৰু তাৰ পিছৰ পৰাই স্মৃতিবোৰে একেৰাহে আমনি কৰিব ধৰে।

চোতালৰ এমূৰে আইতাকৰ ৰান্ধনীঘৰ, আনটো মূৰত আছিল তেওঁৰ শোৱনি কোঠা। তাই সৰু থাকোঁতে গৰম বন্ধৰ দিনকেইটা মাক-দেউতাকৰ লগত আইতাকৰ ওচৰলৈ আহিছিল। ইচ্! কি মধুৰ স্মৃতি! এতিয়া মনত পৰিলে কিবা যেন চিনেমাৰ দৰে লাগে। চাকিৰ পোহৰতে আইতাই বঠি পাৰি লৈ বহি বহি চবজি কাটিছিল। ইমান যে নিপুণভাৱে কাটিব পাৰিছিল। হাড়িত যেতিয়া ভাত উতলে কি যে ধুনীয়া এটা গোন্ধ! আইতাই সদায় কৈছিল— "কম জুইতেই ভাত সিজে ভাল।" কম জুইতেই সিজিলে বোলে আঞ্জাৰো সোৱাদ ভাল হয়।

চকুৰ আগেৰে ছবিবোৰ যেন ভাহি ভাহি গৈ থাকে। এখন পৰিপূৰ্ণ সংসাৰত যেন মহীৰুহৰ দৰে বিৰাজ কৰিছিল আইতাকে। এতিয়া আইতাকৰ অনুপস্থিতিত পৰিয়ালৰ শিপাই যেন থৰক-বৰক হ'ব ধৰিছে। আইতাকৰ পাকঘৰৰ মানচিত্ৰও সলনি হ'ব ধৰিছে। তাই অনুভৱ কৰে, সেয়া ব্যক্তিগত বিষয় নহয়। সকলো আইতাৰ পাকঘৰ এতিয়া অতীত আৰু বৰ্তমানৰ সন্ধিক্ষণত থিয় হৈ আছে। পাকঘৰৰ ৰূপ, ৰং সলনি হোৱাৰ অৰ্থই হ'ল এটি বিশেষ আৰ্থ সামাজিক আৰু সংস্কৃতিৰ পৰিৱৰ্তন। অকল খাদ্য উপাদানৰ পৰিৱৰ্তন নহয়, পাকঘৰক কেন্দ্ৰ কৰি এই নিৰ্দিষ্ট ভূখণ্ডৰ জাতীয় বৈশিষ্ট্য সলনি হ'ব ধৰে। গাখীৰত ডুব যোৱাকৈ চিৰা, হুৰুম নাইবা পিঠাগুৰিৰ জলপান সলনি হ'ল, অৰ্থাৎ খাদ্য সংস্কৃতিৰ পৰিৱৰ্তন। এতিয়া গাঁৱৰ ঘৰতেই আৰু আগৰ দৰে জুহালৰ গুৰিত পীৰা পাৰি বহি ভাত খোৱাৰ দিন নাই। ডাইনিং টেবুল এতিয়া গাঁৱৰ ঘৰতো শ্ৰেণী অৱস্থানৰ

প্ৰতীক। আহল-বহল টেবুলত অসমীয়া জলপানৰ প্ৰশ্নই নুঠে। ব্ৰেড-মাখন, জেলি, বিধে-বিধে পেকেটত থাকে ফলৰ ৰস, গাঁৱৰ ভাই-ভনীসকলেও মচলা ওটছৰ জুতি ল'ব শিকিলে। কেলগছ কোম্পানীৰ মচ্মচীয়া মুছৌলি এতিয়া গাঁৱৰ ঘৰতো জিলিকি থাকে। এই পৰিৱৰ্তনবোৰ অতি দ্ৰুতগতিত হৈ আছে। খাদ্য-সামগ্ৰী এতিয়া অকল প্ৰকৃতিপ্ৰদত্ত সম্পদ নহয়। মুক্ত বজাৰৰ ৰঙা-নীলা পেকেটৰ বন্দী উপাদান।

সময় যিমানেই বাগৰিছে, প্ৰযুক্তিয়ে আনি দিয়া সুখ-স্বাচ্ছন্দ্যৰ প্ৰতি যেনেদৰে আন্তৰিকভাৱে আকৃষ্ট হ'ব ধৰিছে মানুহ, মুক্ত বজাৰৰ আগ্ৰাসনৰ প্ৰতিও দায়বদ্ধ হ'ব ধৰিছে সময়। নিত্য নতুন উপাদান মেলি দিয়া হৈছে বজাৰত আৰু আগৰ উপাদানখিনি ব্যৱহাৰৰ অযোগ্য প্ৰমাণ কৰাৰ প্ৰতিযোগিতা চলিছে। আইতাকৰ নিজস্ব টেমাবোৰ চালেই তাইৰ এতিয়া মনটো গধুৰ হৈ যায়। কি যে পৰিপাটিকৈ থৈছিল আইতাকে। এতিয়াও একেদৰে ৰখা আছে। আইতাই সদাই ভাগ-ভাগ কৰি সৰু টেমা, ডাঙৰ টেমাবোৰ সজাই থৈছিল আৰু টেমাবোৰত থকা খাদ্য উপাদানবিলাকো বিশেষ ধৰণৰ। চেংমৰা, শিলিখা, লেটাগুটি, বাঁহৰ চুঙাত ভৰাই থোৱা শুকান মাছ। আইতাকে সৰু-সৰু মাছ, পুঠি, জুইত পুৰি শুকুৱাই জলকীয়া আৰু নিমখ দি চুঙাত ভৰাই থৈছিল। বাৰিষাৰ দিনত সেই মাছেৰে পিটিকা তৈয়াৰ কৰা হৈছিল। নতুন যিখন পাকঘৰ তৈয়াৰ হ'ব, সেয়া হ'ল আধুনিক সময়ৰ 'মডুলাৰ কিচ্চেন', তাত আইতাই থৈ দিয়া প্ৰাকৃতিক উপাদানবিলাকে স্থান নাপাব। এয়াৰ টাইট টেমাবোৰত থাকিব বিস্কুট, ভুজিয়া, মুছৌলি, মেগি আৰু বহুতো নতুন ধৰণৰ পেকেট সামগ্ৰী।

স্মৃতিৰ আতসীকাঁচত চকু ফুৰাই তাই দেখা পায় আইতাকৰ পিছে পিছে কেনেদৰে ঘূৰি ফুৰিছিল, আইতাকে সাধুকথাৰ দৰে কৈ গৈছিল এসময়ত গাঁও অঞ্চলত থকা খাদ্য-সামগ্ৰীৰ কথা। উভৈনদী হৈ থকা সামগ্ৰীবোৰ বনৰীয়া বুলি কোৱা হৈছিল। যেনে— মাটি কাদুৰী, খুতুৰা, মচুন্দৰী, লাই-লফা, ঢেঁকীয়াৰ দৰে খাদ্য-সামগ্ৰী অৰ্থাৎ প্ৰকৃতিপ্ৰদত্ত, গতিকে বনৰীয়া সামগ্ৰী। এসময়ত খেতিপথাৰত আছিল ডাঙৰ-ডাঙৰ পুখুৰী, ধান দাই শেষ কৰাৰ পিছত তাত ভাৰে ভাৰে মাছ ওলাইছিল। ককাই যেতিয়া নাঙল লৈ পথাৰত গৈছিল, তেতিয়া আছিল বিভিন্ন ধৰণৰ ধান। ধুনীয়া-ধুনীয়া নাম। বীজ তেতিয়ালৈকে কোম্পানীৰ বীজ হৈ উঠা নাছিল। দুখীয়া খেতিয়ক পৰিয়ালে আটাইকেইটা ধানৰ পৰা চাউল

তৈয়াৰ কৰা নাছিল, কিছু পৰিমাণ ধান অতি যতনেৰে সংৰক্ষণ কৰিছিল। আচলতে তাহানিৰ বৰ অসমত ককা-আইতাসকলে নিজস্ব পৰিচয় কৃষিজীৱী সম্প্ৰদায় বুলি দিওঁতে কুণ্ঠাবোধ কৰা নাছিল। কৃষি আছিল জীয়াই থকাৰ একমাত্ৰ সাধন। গাঁৱৰ সকলোৱে মিলি যি ধৰণেৰে ন-খোৱাৰ অনুষ্ঠান পাতিছিল, সেয়াৰ গুৰিত আছিল পথাৰ আৰু কৃষক সম্প্ৰদায়ৰ মাজত থকা সুন্দৰ সম্পৰ্ক।

খাদ্য হ'ল মানুহৰ বাবে এক অমূল্য প্ৰাকৃতিক সম্পদ। এই ভাৱনাই আছিল অতি প্ৰাচীন ভাৱনা। সভ্যতাৰ প্ৰাথমিক পৰ্যায়ত নাৰীসকলেই সূক্ষ্ম নিৰীক্ষণৰ মাজেদি প্ৰকৃতিৰ কাষ চাপিছিল। অনুভৱ কৰিছিল যে প্ৰকৃতিয়েই হ'ল খাদ্যৰ ভঁৰাল। খাদ্য সংগ্ৰহৰ মাজতেই আছিল প্ৰকৃতিনিৰ্ভৰ জীৱনৰ ঠিকনা। পাকঘৰ আৰু সন্তানৰ সুস্বাস্থ্য যেন সমাৰ্থক আছিল।

আধুনিক এই সময়ৰ কেনভাছত নতুন ধৰণৰ চিন্তাৰ সমাৱেশ ঘটিছে। বিশেষকৈ নব্বৈ দশকৰ পিছৰ পৰাই মুক্ত বজাৰ অৰ্থনীতিৰ যি প্ৰক্ৰিয়া, সেয়া পাকঘৰ সম্পৰ্কীয় ধ্যান-ধাৰণাবোৰ সম্পূৰ্ণৰূপে সলনি কৰি দিলে। বৰ্তমান এই জীৱনচৰ্যাত পাকঘৰ বুলি ক'লে পৰিয়ালৰ সন্তান-সন্ততিসকলেও বুজি পায় এটি সৰু কামৰা, য'ত পেকেট খাদ্য থাকে। এগৰাকী শিক্ষিকাই শ্ৰেণীকোঠাত প্ৰশ্ন কৰিছিল— হোৱাট ইজ কিচ্চেন? এজনী সৰু ছোৱালীয়ে ধুনীয়াকৈ উত্তৰ দিছিল। 'কিচ্চেন হ'ল সৰু কামৰা, য'ত ড্ৰয়াৰ খুলিলেই দেখিবলৈ পাওঁ বিভিন্ন ধৰণৰ খাদ্য-সামগ্ৰীৰ পেকেট। মোৰ মন পছন্দ খাদ্য বস্তুবিলাক মোৰ মায়ে ভালকৈ সজাই থয়। তাত থাকে ধুনীয়া ৰঙীন পেকেটত ক্ৰানচি স্ন্যাকছ, চকলেট, মেগি ইত্যাদি। সম্পূৰ্ণভাৱে পেকেট খাদ্যৰ বিৱৰণ। আধুনিক মডুলাৰ কিচ্চেনৰ বাবে সেইবিলাকেই উপযুক্ত উপাদান। আইতাকৰ দিনত পাকঘৰত স্থান পাইছিল প্ৰাকৃতিক উপাদানবোৰে। বনৰীয়া শাক-পাচলিৰ পৰা ফল-মূললৈ। এতিয়া সেয়া সাধুকথাৰ দৰে হৈছেগৈ।

খাদ্য বিশেষজ্ঞসকলৰ বক্তব্য হ'ল ল'ৰা-ছোৱালীৰ খাদ্যাভ্যাস অথবা 'ফুড হেবিট' একেবাৰে সৰু কালতেই গঢ় লৈ উঠে। তেতিয়াই ঘৰৰ পাকঘৰৰ চৰিত্ৰৰ প্ৰসঙ্গখিনি আহি পৰে। আইতাই কিম্বা এগৰাকী আইয়ে ঠিক কৰি দিয়ে সন্তানৰ খাদ্যৰুচি। এই 'খাদ্যাভ্যাস' শব্দখিনি সংস্কৃতিৰ মূল শব্দ 'অভ্যাস'ৰ পৰাহে আহিছে। আকৌ 'অভ্যাস' শব্দখিনিৰ উৎসস্থল হ'ল 'অভ্যছন্'। অৰ্থাৎ বাৰে বাৰে একেখিনি কাম কৰি যোৱাৰ প্ৰক্ৰিয়া। এটা বিশেষ অঞ্চলৰ মানুহৰ খাদ্যাভ্যাস

গঢ় লৈ উঠে স্থানীয় জলবায়ু, মাটিৰ প্ৰকৃতি, গছ-গছনিৰ চৰিত্ৰ, নদী-পুখুৰী, জঙ্গলৰ পৰা। অসম এখন নদীমাতৃক ৰাজ্য। অসংখ্যবিধৰ মাছ, ধান আছিল এই ৰাজ্যৰ মূল সম্পদ। খাদ্য-সামগ্ৰীৰ নিজস্ব কোনো ধৰণৰ জাতি-ধৰ্ম-বৰ্ণ বিভেদ নাই। খাদ্য নিজেই এক অনন্য ধৰ্ম। গতিকে খাদ্য প্ৰক্ৰিয়াক লৈ অহেতুক ৰাজনীতি কৰাৰ প্ৰবৃত্তিক কেতিয়াও সমৰ্থন কৰিব পৰা নাযায়। অথচ যুগ-যুগান্তৰৰ পৰাই খাদ্য সৃষ্টি আৰু খাদ্য গ্ৰহণ এই দুটা বিষয় ৰাজনীতিৰ হাতিয়াৰ হৈ উঠিছে। আমাৰ পুৰাণশাস্ত্ৰ মহাভাৰতৰ পৃষ্ঠাত উল্লেখ কৰা হৈছে যে শ্ৰীকৃষ্ণই যেতিয়া পাণ্ডৱ আৰু কৌৰৱৰ মাজত শান্তি ৰক্ষাৰ বাবে আগবাঢ়ি গৈছিল, তেতিয়া তেওঁ কিন্তু কাৰো গৃহতেই আহাৰ গ্ৰহণ কৰা নাছিল। শেষত গৈ বিদুৰৰ ঘৰতেই শাক আৰু ভাত গ্ৰহণ কৰিলে। বিদুৰে যিখন শাক পৰিৱেশন কৰিছিল, তাৰ নামেই আছিল 'বিদুৰ শাক'। বিদুৰে নিজেও কৌৰৱসকলৰ মাটিত উৎপাদিত শাক-পাচলি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। নিজ গৃহৰ চাৰিওপিনে শাক-পাচলি উৎপাদন কৰিছিল। পুৰাণৰ মাজেদি খাদ্য সংস্কৃতি সম্পৰ্কীয় অনেক তথ্য জানিবলৈ পোৱা যায়। ৰামায়ণৰ সীতা আৰু মহাভাৰতৰ দ্ৰৌপদীয়ে খাদ্য প্ৰস্তুত কৰাৰ ক্ষেত্ৰত যথেষ্ট পাকৈত আছিল। তেওঁলোকে বিভিন্ন ধৰণৰ আঞ্জা প্ৰস্তুত কৰি ভাল পাইছিল। আকৌ জনা যায় যে পঞ্চপাণ্ডৱৰ মাতৃ কুন্তীয়ে কেতিয়াও নিজৰ পাকঘৰৰ বৈশিষ্ট্য মুকলিকৈ বেলেগৰ আগত কোৱা নাছিল। আনকি নিজৰ পুত্ৰবধূ দ্ৰৌপদীৰ লগতো নহয়। দ্ৰৌপদীয়ে কিন্তু নিজৰ বুদ্ধিৰ বলেৰে সুঘ্ৰাণৰ যোগেদিহে বুজাৰ চেষ্টা চলাই গৈছিল যে কুন্তীয়ে আঞ্জাবিলাক ইমান সুস্বাদুকৈ কেনেকৈ প্ৰস্তুত কৰিব পাৰে! তেওঁৰ পুত্ৰসকলে ইমান পৰিতৃপ্ত হৈ আহাৰ গ্ৰহণ কৰে! ভাৰতীয় সভ্যতাত পৌৰাণিক কাহিনীৰ যোগেদি পাকঘৰৰ দায়িত্ব পালন নাৰীৰ একচেটিয়া কৰ্তব্য বুলি প্ৰচাৰ কৰা হৈছে। তাৰ বাবেই হয়তো পাশ্চাত্যৰ নাৰীবাদৰ দৰ্শন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ভাৰতীয় মহিলাসকলৰ যথেষ্ট দ্বিধা-দ্বন্দ্ব থাকি গৈছে। আনকি দাৰ্শনিক, সমাজবিদ্ এঙ্গেলছৰ বক্তব্য— পৰিয়াল সৃষ্টি আৰু ব্যক্তিগত মালিকানাই নাৰীৰ প্ৰতি শোষণৰ প্ৰথম ঢাপ, সেয়াও ভাৰতীয় নাৰীৰ বাবে গ্ৰহণযোগ্য বিশ্লেষণ হৈ উঠা নাই। এঙ্গেলছে তেওঁৰ 'পৰিয়াল, ব্যক্তিগত মালিকানা আৰু ৰাষ্ট্ৰৰ উৎপত্তি' গ্ৰন্থত উল্লেখ কৰিছে যে আদিম সাম্যবাদী অৱস্থাত খাদ্য আহৰণ, সন্তান লালন-পালন সামাজিকভাৱে প্ৰয়োজনীয় বৃত্তি বুলি গণ্য কৰা হৈছিল। পিতৃপ্ৰধান পৰিয়াল সৃষ্টিৰ লগে-লগে অৱস্থাৰ

সলনি হ'ল। গৃহস্থালিৰ কাম-কাজৰ সামাজিক বৈশিষ্ট্য নোহোৱা হ'ল। সামাজিক উৎপাদনৰ ক্ষেত্ৰৰ পৰা বহিষ্কৃত হৈ নাৰীয়ে যেতিয়া ঘৰত থাকিবলগীয়া হ'ল, নাৰীৰ সামাজিক অৱস্থানৰ অৱনতি ঘটিল। সেয়ে নাৰীমুক্তি সম্পৰ্কে এঙ্গেলছে স্পষ্টকৈ কৈছে— সামাজিক উৎপাদনৰ মাজলৈ সমগ্ৰ স্ত্ৰীজাতিক লৈ অনাই হ'ল নাৰী মুক্তিৰ প্ৰথম চৰ্ত। ইয়াৰ বাবেই প্ৰয়োজন সমাজৰ অৰ্থনীতিত একক হিচাপে ব্যক্তিগত পৰিয়ালৰ গুণটোৰ বিলুপ্তি সাধন। এতিয়ালৈকে সমগ্ৰ বিশ্বত এই ব্যক্তিগত পৰিয়ালৰ বিলুপ্তিৰ প্ৰক্ৰিয়া সম্পন্ন হোৱা নাই, কিন্তু মুক্ত অৰ্থনীতিৰ দৰ্শনে মানুহক একক জীৱন অতিবাহিত কৰাৰ প্ৰতি উৎসাহ প্ৰদান অৱশ্যেই কৰিছে। সংযুক্ত পৰিয়াল প্ৰথাৰ পৰা, অণু পৰিয়াললৈ গুচি যোৱাৰ প্ৰৱণতাক বিজ্ঞানসন্মত প্ৰক্ৰিয়া বুলি কোৱা হৈছে। ভাৰতীয় সংস্কৃতিত পৰিয়াল হ'ল এটি পবিত্ৰ প্ৰতিষ্ঠান। আজিৰ পৰা তিনি-চাৰি দশকলৈকে সেই মানসিকতাই আছিল। এগৰাকী আইতাই যেতিয়া প্ৰতিদিনেই নিজৰ বাৰীৰ পৰা এমুঠি জিলমিল, খুতুৰা, ধুন্দুলী, জিকা আনি আঞ্জা প্ৰস্তুত কৰিছিল, বাৰীৰ চাৰিওফালে গজি উঠা নাইবা নিজে লগোৱা গছ-গছনিৰ পৰা কলডিল, পচলা, লাই-লফা গোটাই লৈ নিতৌ দুপৰীয়া আৰু গধূলি ঘৰৰ সকলোৰে বাবে লগতে হঠাৎ আহি উপস্থিত হোৱা আলহীৰ বাবে খাদ্য প্ৰস্তুত কৰিছিল, তেতিয়া কিন্তু আইতাই কল্পনাও কৰিব নোৱাৰিছিল যে সেই কামৰ বাবে এটা নিৰ্দিষ্ট পৰিমাণ শ্ৰমমূল্য আইতাই পাব লাগে। আজিও এই ভাৱনা অৰ্থহীন। পৰিয়ালৰ কাম যে মৰ্যাদাসম্পন্ন কাম, সেয়া বুজোৱাটোও টান। এতিয়াও, গৃহাশ্ৰম হ'ল সম্পূৰ্ণভাৱে পৰিপূৰক প্ৰকৃতিৰ (Supplementary nature) শ্ৰম। এই সমাজ ব্যৱস্থাত দেশৰ জাতীয় জনগণনাৰ জৰীপৰ মাজতো এই ধৰণৰ কাম-কাজৰ বাবে স্বীকৃতি প্ৰদান কৰা নহয়। বৰঞ্চ বৈষম্যৰ আধাৰত গঢ় লৈ উঠা সমাজ ব্যৱস্থাই প্ৰমাণ কৰিবলৈ চেষ্টা কৰে যে গৃহাশ্ৰম হ'ল নাৰীৰ বাবে এক ধৰণৰ প্ৰাকৃতিক চৰিত্ৰৰ শ্ৰম (Natural female work)। এটি সুন্দৰ পৰিয়াল গঢ় দিয়াৰ বাবে এগৰাকী মাতৃৰ বিশাল ভূমিকা থাকে, কিন্তু সেয়া অকল সমাজৰ বাবে লুকুৱাই থৈ দিয়া অৰ্থনীতিৰ (Hidden Economy) বিষয় হৈ থাকি যায়।

আধুনিক, শিক্ষিতা নাতিনীজনীয়ে যেতিয়াই আইতাকৰ সহজ-সৰল, হাঁহিমুখীয়া, শ্ৰমমুখী স্বভাৱৰ কথা চিন্তা কৰিব ধৰে, লিঙ্গ সমতা সম্পৰ্কীয় চিন্তা-ভাৱনাবোৰে তাইক গভীৰভাৱে ভবাই তোলে। বিশ্বত সমাজতান্ত্ৰিক দেশবিলাকৰ

আৰ্থ-সামাজিক ব্যৱস্থাই যেতিয়া ভাঙিবলৈ আৰম্ভ কৰিলে, প্ৰধানতঃ সমাজতান্ত্ৰিক দেশ ছোভিয়েট ৰাছিয়া টুকুৰা-টুকুৰ হ'লগৈ, তেতিয়া বিশ্বৰ পুঁজিবাদৰ মহা শক্তিশালী দেশ আমেৰিকাই অতি সুকৌশলেৰে পাকঘৰৰ বিষয়খিনি লৈ ৰাজনীতি কৰা আৰম্ভ কৰিলে। এফালে লিংগবৈষম্যৰ সংগ্ৰামক উৎসাহিত কৰা, আনফালে খাদ্য বিষয়টোক প্ৰাকৃতিক সম্পদৰ পৰা বজাৰৰ পণ্য সামগ্ৰীলৈ পৰিৱৰ্তিত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। দুয়োটা বিপৰীতমুখী বিষয় একেলগে আগবাঢ়ি যাব ধৰিলে। বিশ্ব ৰাজনীতিৰ কেনভাছত দেখা গ'ল এক ধৰণৰ ভিন্ন সমীকৰণ, সেয়া হ'ল— বিশ্বৰ উন্নত দেশবিলাকে উন্নয়নশীল অথবা কম বিকশিত দেশৰ পৰা কৃষিজাত খাদ্য-সামগ্ৰী আমদানি কৰে। অৰ্থাৎ তেওঁলোকৰ নিজস্ব পাকঘৰত আমাৰ দেশৰ বিভিন্ন উৎপাদিত খাদ্য-সামগ্ৰী থাকে, ধনী দেশবিলাকে অতি সহজতেই সেইবোৰ খাদ্য গ্ৰহণ কৰাৰ ক্ষেত্ৰত অভ্যস্ত হৈ পৰে। কম উন্নত দেশবিলাকৰ কৃষিভূমিত উন্নত দেশৰ বাবে খাদ্যশস্য উৎপাদন কৰা হয়, বিপৰীতে তেওঁলোকৰ দেশৰ পেকেট খাদ্যবোৰ আমাৰ দেশলৈ আহে। খাদ্য সাৰ্বভৌমত্বৰ প্ৰশ্ন আহি যায় তেতিয়াই। এটা সময়লৈকে যেতিয়া সম্পূৰ্ণভাৱে গ্ৰামীণ সভ্যতাৰ সময় আছিল, কৃষিজীৱী মানুহৰ ঘৰতে বীজ বছা, বীজ সংৰক্ষণ কৰা, জমিত বীজ ছটিওৱা, কঠীয়া তোলা, পথাৰত জলপান, ভাত লৈ যোৱা, পিছত ফচল উঠিলে ধান কটা, ধান চপোৱা আদি সকলো কাম লৈ বছৰটোৰ সৰহভাগ সময় ব্যস্ত হৈ থাকিছিল নাৰী-পুৰুষ উভয়েই। মূল উদ্দেশ্য আছিল নিজ নিজ পৰিয়ালৰ বাবে গোটেই বছৰটো খাদ্য যোগানৰ দায়িত্ব বহন কৰা, উৎপাদন ব্যৱস্থাৰ লগত প্ৰত্যক্ষভাৱে যুক্ত হৈ থকা। নাতিনীজনীৰ মনৰ কেনভাছত জিলিকি থাকে এটি সুন্দৰ দৃশ্য। আঘোণ-পুহ মাহত ধান কাটি আবেলি পৰত কান্ধত মেটমৰা ধানৰ ভাৰ লৈ অনা, লগতে চোতালত মৰণা মৰাৰ দৃশ্য। তাৰ পিছতেই আহে ন-খোৱা উৎসৱ। এতিয়া সেই দৃশ্য বেছিভাগ ঘৰতেই দেখিবলৈ পোৱা নাযায়। কৃষিকাৰ্য এতিয়া কৃষি প্ৰযুক্তিৰ পিনে আগবাঢ়ি আছে। কৃষিক্ষেত্ৰত আধুনিক ধান কটা যন্ত্ৰ কম্বাইন হাৰ্ভেষ্টাৰ আহিছে। এই যন্ত্ৰৰ জৰিয়তে কৃষকে কম কষ্টত সোনকালে ধান চপাব পাৰিব। এই মেচিন হ'ল অত্যাধুনিক শস্য চপোৱা আৰু মৰণা মৰাৰ যন্ত্ৰ। কৃষি যান্ত্ৰিকীকৰণ হ'লে কৃষকসকলে অতি কম সময়ৰ ভিতৰত অধিক উৎপাদন কৰি বাৰ্ষিক আয় দুগুণ কৰিব পাৰে বুলি প্ৰচাৰ কৰা হৈছে। কৃষিক্ষেত্ৰত ড্ৰ'নৰ ব্যৱহাৰ আৰম্ভ হৈছে। গ্ৰামীণ অঞ্চলত কৃষিভিত্তিক উদ্যোগ

স্থাপন (Startup), কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগ কৰাৰ পৰিকল্পনা লোৱা হৈছে। কৃষিভিত্তিক উদ্যোগ স্থাপনৰ পৰিকল্পনা চলি আছে। পৰম্পৰাগত যি চিন্তা, সেয়া আছিল গাঁও উৎপাদনৰ ভঁৰাল। খাদ্য-সামগ্ৰীৰ লগত সংস্কৃতিৰ সম্পৰ্ক আছিল গ্ৰামীণ জীৱনৰ পৰিচয়। গাঁও অঞ্চলে চহৰৰ বাবে খাদ্য সৰবৰাহ কৰিছিল। এতিয়া আধুনিক কৃষি প্ৰযুক্তিৰ লক্ষ্য হ'ল বিদেশৰ চাহিদা পূৰণ। আঞ্চলিক চাহিদাই গুৰুত্ব বহন নকৰে। কিন্তু কিছুমান খাদ্য-সামগ্ৰীৰ চৰিত্ৰ সম্পূৰ্ণভাৱে আঞ্চলিকধৰ্মী হয়। অসমৰ চুকে-কোণে তেনেকুৱা প্ৰাকৃতিক সম্পদৰ বিশাল ভাণ্ডাৰ আছে। অসমীয়া সমাজৰ নিজস্ব ফল-মূল, শাক-পাত, থলুৱা মাছৰ যি বিশাল ভাণ্ডাৰ আছিল, এতিয়া লাহে-লাহে নাইকিয়া হ'ব ধৰিছে। গাঁও অঞ্চলৰ প্ৰতি এক ধৰণৰ অৱহেলা দেখিবলৈ পোৱা যায়। নাতিনীজনীয়ে গভীৰভাৱে ভাবিবলৈ ধৰে যে ভাৰতবৰ্ষৰ নিচিনা কৃষিপ্ৰধান দেশৰ বাবে কৃষিক্ষেত্ৰত প্ৰযুক্তিকৰণৰ বিশেষ প্ৰয়োজনীয়তা আছে নে? গাঁওবিলাক আত্মনিৰ্ভৰ হ'বলৈ হ'লে গ্ৰাম্য অৰ্থনীতি শক্তিশালী হ'ব লাগিব। আঞ্চলিক জলবায়ু, আঞ্চলিক খাদ্যাভ্যাস অনুসৰি কৃষিকৰ্ম কৰিলে গ্ৰামীণ মানুহৰ জীৱন বৈভৱপূৰ্ণ নহ'লেও স্বচ্ছলভাৱে চলি যাব। কিন্তু স্থানীয় কৃষিৰ সলনি বৈদেশিক মুদ্ৰাৰ বাবে বিদেশৰ চাহিদা পূৰণৰ লক্ষ্যত কৃষকে কৃষি কৰিবলৈ বাধ্য হয়, তেন্তে কঠিন সময়ৰ মুখামুখি হ'বলগীয়া হয়। ব্ৰিটিছ শাসকসকলে আমাৰ দেশত ধান খেতিৰ পৰিৱৰ্তে নীল খেতি কৰিবলৈ কৃষকসকলক বাধ্য কৰাইছিল। তাৰ মূল কাৰণ আছিল অধিক ৰাজহ সংগ্ৰহ কৰা। আকৌ এতিয়া অসমত পাম খেতিৰ যি আয়োজন কৰা হৈছে, সেয়াও দেশত ব্যক্তিগত নাইবা চৰকাৰীভাৱে বৈদেশিক মুদ্ৰাৰ প্ৰাপ্তিৰ হকে। পৰিৱেশ বিজ্ঞানীসকলে পাম খেতিৰ অপকাৰিতাৰ বিষয়ে বাৰে-বাৰে সঁকীয়াই দিয়াৰ পিছতো পাম খেতিৰ আয়োজন কৰা হৈছে। পাম খেতিয়ে পৰিৱেশ নষ্ট কৰে। প্ৰথম বিশ্বৰ দেশসমূহৰ বজাৰৰ প্ৰসাধন সামগ্ৰী, ঔষধ তথা জৈৱ ইন্ধনত ব্যৱহৃত হয় পাম তেল। এই তেল উৎপাদনৰ বাবে অৰণ্য ধ্বংস হয়, ভূমিৰ তলৰ জল প্ৰদূষণ সৃষ্টি হয়। বিষাক্ত মিথেন গেছ নিৰ্গত কৰাৰ বাবে বায়ু প্ৰদূষণ তৈয়াৰ হয়। পাম খেতি কৰা স্থানত অন্যান্য প্ৰাকৃতিক গছ-গছনিৰ মৃত্যু হয়, লগতে ধ্বংস হয় জৈৱ বৈচিত্ৰ্য। তথাপি কিয় ধানৰ সলনি পাম খেতিৰ বাবে ইমান আয়োজন? এইখিনিতেই খাদ্য সাৰ্বভৌমত্বৰ

লক্ষ্য আৰু পৰিকল্পনাৰ বিষয়টো গুৰুত্বপূৰ্ণ হৈ উঠে। ইয়াৰ লগতে আৰু কিছুমান ভাবিবলগীয়া বিষয় হ'ল—

* অসম এখন কৃষিপ্ৰধান ৰাজ্য। কৃষি, পশুপালন, মীন পালনৰ বিষয়টোৱে এতিয়াও ৰাজ্যখনৰ আৰ্থ-সামাজিক ক্ষেত্ৰখনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই ৰাজ্যৰ কৃষকে উৎপাদনৰ প্ৰতি উৎসাহী নোহোৱাকৈ যদি অনুৎপাদনশীল আঁচনিৰ জৰিয়তে হিতাধিকাৰী হৈ গৈ আছে, সেয়া কিন্তু ভয় লগা কথা। নিজৰ বাবে, গাঁৱৰ বাবে, আঞ্চলিকভাৱে খাদ্য উৎপাদন কৰাৰ দায়িত্ব সকলোৰে আছে।

* খাদ্য হ'ল জাতীয় পৰিচয়। পৰিশ্ৰমী স্বভাৱ, ভৌগোলিক পৰিৱেশৰ লগতে যুক্ত হৈ থাকে মানুহৰ খাদ্য সম্পৰ্কীয় চিন্তা-ভাৱনা। খাদ্য-সামগ্ৰী যেতিয়া অকল বজাৰৰ পৰা ক্ৰয় কৰি অনা পণ্য সামগ্ৰী হৈ পৰে, তেতিয়াই আৰম্ভ হয় খাদ্য ৰাজনীতি আৰু খাদ্য নীতিৰ পৰিকল্পনাৰ প্ৰসঙ্গ। যেনে— আইতাহঁতৰ দিনৰ লোভনীয় জলপান আছিল আখৈ, পিঠাগুড়ি, সান্দহগুড়ি, হুৰুম, কোমল চাউল, বৰা চাউল, চুঙা চাউল, সুতুলি পিঠাৰ দৰে সামগ্ৰী। আইতাসকলে দিনটো শ্ৰমৰ যোগেদি খাদ্য উৎপাদনৰ বাবে প্ৰকৃতিৰ পৰা সংগ্ৰহ কৰি নাইবা উৎপাদন কৰিহে খাদ্য প্ৰস্তুত কৰিছিল। এতিয়া খাদ্য উৎপাদন কৰাৰ যি শ্ৰম, তাৰ পৰা মুক্ত হৈ বজাৰনিৰ্ভৰ হৈ থকাৰ বাবে খাদ্য উৎপাদন আৰু গ্ৰহণৰ স্বাধীনতাৰ পৰা ক্ৰমান্বয়ে দূৰলৈ যাবলগীয়া হৈছে। বৰ্তমান সময়ত নতুন প্ৰজন্মৰ বাবে দক্ষ কৃষক হোৱাটো গৰ্ব কৰিবলগীয়া বিষয় নহয়, বৰঞ্চ মুক্ত বজাৰৰ সুগ্ৰাহক হৈ উঠাৰ বাসনাই হ'ল সুখী জীৱনৰ লক্ষ্য।

আইতাকৰ পাকঘৰৰ পৰম্পৰা আৰু ঐতিহ্য ৰক্ষা কৰাৰ বাবে আমি অতীতমুখী হৈ উঠিব নোৱাৰোঁ। খাদ্য সংস্কৃতি বুলি ক'লে বহুত্ববাদৰ দৰ্শন সংহতিৰ মাজেদি গঢ় লৈ উঠা যি সংস্কৃতি, সেয়া সুৰক্ষা কৰাৰ দায়িত্ব আমাৰ। খাদ্য সংস্কৃতি বুলি ক'লৈ সেয়া অকল বিশেষ এটা জাতি-ধৰ্ম-বৰ্ণৰ ৰন্ধন প্ৰণালী নুবুজায়, বহুত্ববাদৰ দৰ্শন। সংহতিৰ মাজেদি গঢ় লৈ উঠা ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত থকা জনজীৱনৰ যি সাংস্কৃতিক মূল্যবোধ, তাৰ লগতেই যুক্ত হৈ আছে কৃষি ব্যৱস্থা সম্পৰ্কে আমাৰ দৃষ্টিভংগী। কৃষকশ্ৰেণী বুলি ক'লৈও শ-শ বিঘা মাটিৰ মালিক যিসকলে নিজে খেতি নকৰে, মালিকী স্বত্বৰ বলত উৎপাদিত ফচলৰ বেছি ভাগখিনি লয়, তেওঁলোকেই ধনী কৃষক। আকৌ পুৱাৰ পৰা গধূলিলৈকে শ্ৰম খৰচ কৰি খেতিপথাৰৰ মাটি চহ কৰা, শস্য গোটোৱাৰ বাবদ পাৰিশ্ৰমিক

লয়, কিন্তু নিজৰ মাটি নাই, কৃষি সঁজুলিও নাই, তেওঁলোকেই কৃষি মজদুৰ কিন্তু নিঃস্ব কৃষক। দুই শ্ৰেণীৰ কৃষক সম্প্ৰদায়ৰ নিজস্ব পাকঘৰৰ বৈশিষ্ট্য ভিন্ন। নিঃস্ব কৃষি মজদুৰ সৃষ্টি হোৱাৰ প্ৰক্ৰিয়া ঘাইকৈ গঢ় লৈছিল ব্ৰিটিছ শাসিত ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত ভিন্ন ভিন্ন ভূমি ব্যৱস্থা গঢ় দিয়াৰ বাবে। ভূমিহীন কৃষক মজদুৰৰ ছবিখন পৰিৱৰ্তিত হ'ল। যোৱা কেইটামান দশকত কৃষক পৰিয়ালৰ ল'ৰাবোৰে পৰ্যায়ী শ্ৰমিক হ'বলৈ বাধ্য হ'ল। দুই-চাৰি বিঘা মাটি থকা খেতিয়কে নিজৰ মাটিত খেতি কৰি কোনোমতে চলা চহা জীৱনবিলাক এতিয়া ভয়ঙ্কৰভাৱে অনিশ্চিত হৈ পৰিছে। কাৰণ নতুন উদাৰনীতিৰ অৰ্থনৈতিক পৰিকাঠামোত ক্ৰমান্বয়ে গ্ৰামীণ অঞ্চলত বিনিয়োগ হ্ৰাস পাব ধৰিলে। ১৯৯১ চনৰ পৰৱৰ্তী সময়ছোৱাত ভাৰতীয় কৃষি ব্যৱস্থা আন্তৰ্জাতিক বণিকগোষ্ঠীৰ হাতলৈ কুক্ষিগত হ'ব ধৰিছে। বহুজাতিক কোম্পানীবোৰৰ হাতৰ মুঠিত অহাৰ লগে-লগে কৃষিৰ বাবে প্ৰয়োজনীয় বীজ, সাৰ আৰু কীটনাশক দ্ৰব্যৰ বজাৰখনো তেওঁলোকৰ হাতলৈ গুচি যাব ধৰে। কৃষি ব্যৱস্থাত প্ৰৱল বৈষম্য গঢ় লৈ উঠে। এফালে কৃষিখণ্ডত ধনী শ্ৰেণীৰ বিনিয়োগ, আনফালে সাধাৰণ কৃষকৰ লোকচানৰ পৰিস্থিতি। তেওঁলোকৰ জীৱন-জীৱিকাৰ প্ৰতি তীব্ৰ ভাবুকি সৃষ্টি হয়। কৃষিভূমিৰ পৰা আৰম্ভ কৰি সকলো সঁজুলি বিক্ৰী কৰি কায়িক শ্ৰমিক হৈ গাঁও এৰি যোৱাৰ প্ৰৱণতা বাঢ়িব ধৰে। যোৱা কেইটামান দশকত দেশত কিমান লক্ষ কৃষকে যে আত্মহত্যা কৰিলে। ১৯৪২-৪৩ চনত মহাত্মা গান্ধীয়ে 'হৰিজন' পত্ৰিকাত বিকল্প কৃষি চিন্তা সম্পৰ্কীয় কেইটামান প্ৰবন্ধ লিখিছিল। যাৰ কাৰণে ব্ৰিটিছ চৰকাৰে পত্ৰিকাৰ সংখ্যাবিলাক নিষিদ্ধ কৰি পেলাইছিল। গান্ধীজীয়ে লিখিছিল যে খাদ্য সমস্যা হ'ল সম্পূৰ্ণভাৱে ৰাজনৈতিক সমস্যা। সঠিক ৰাজনীতি অবিহনে সেয়া সমাধান সম্ভৱ নহয়। দ্বিতীয়তে আমাৰ দেশৰ খাদ্য উৎপাদনৰ পৰিমাণ বঢ়াব লাগিব নিজস্ব উপায়ৰ মাজেৰে আৰু উপকৰণৰ যোগেৰে। নহ'লে খাদ্য-সামগ্ৰীৰ ক্ষেত্ৰত আত্মনিৰ্ভৰতা নাইবা খাদ্য সংকট দূৰ নহ'ব। কিন্তু বীজ যদি কৃষক সম্প্ৰদায়ৰ নিজস্ব সম্পদ নহয়, বহুজাতিক কোম্পানীৰ হাতত থাকে, তেন্তে কৃষক সম্প্ৰদায়ৰ বিলুপ্তি ঘটিব। চৰকাৰী সহায় অবিহনে কৃষি পদ্ধতি জীয়াই থাকিব নোৱাৰে। এনে পৰিস্থিতিত আইতাসকলৰ পাকঘৰৰ অস্তিত্ব থাকিবনে? খাদ্য অকল কেইটামান নিৰ্দিষ্ট উপকৰণ-প্ৰকৰণ প্ৰণালীত চলি থকা প্ৰক্ৰিয়া নহয়। পাকঘৰ বুলি ক'লে ছুৰী-কটাৰী, কেৰাহী, গেছ-ফ্ৰীজতেই বিষয়টো শেষ হৈ নাযায়।

ভৌগোলিক অৱস্থান, নৃগোষ্ঠীয় আত্মপৰিচয়, চৌপাশৰ আঞ্চলিক সম্পদ, জলবায়ু আৰু কিছুমান উপাদানে মানুহৰ জীৱনত খাদ্য প্ৰণালী নিৰ্ধাৰণ কৰে। খাদ্য বিষয়টো হ'ল এটি নিৰ্দিষ্ট ভূখণ্ডৰ জনজীৱনৰ আৰ্থ-সামাজিক-সাংস্কৃতিক অস্তিত্বৰ পৰিচয়। এটি বিশেষ অঞ্চলৰ বুৰঞ্জী, ভূগোল, জলবায়ু, সংস্কৃতিৰ স্পৰ্শ পাকঘৰত পোৱা যায়।

সভ্যতাৰ জখলাৰে মানৱ সমাজ বহুত ওপৰলৈ উঠিল। অজস্ৰ পৰিৱৰ্তন আহিল মানৱ সমাজ আৰু সংস্কৃতিলৈ। জীৱন যাপনৰ মানৰো প্ৰতিনিয়ত সাল-সলনি ঘটিল। প্ৰকৃতিৰ বুকুত পোৱা খাদ্য-সামগ্ৰী ক্ৰমান্বয়ে বজাৰৰ পণ্য সামগ্ৰীত পৰিৱৰ্তিত হ'লগৈ। প্ৰযুক্তিগত উন্নতিৰ বাবে এতিয়া পুতি পেলোৱাৰ উপক্ৰম হৈছে অসংখ্য পথাৰ, খাল-বিল। গাঁও অঞ্চলৰ গৃহস্থ ঘৰৰ বিয়া অনুষ্ঠানৰ বিয়া নামত বোধকৰোঁ আগৰ দৰে শুনা নাযায়—

'আগবাৰী শুৱনি/কাকিনী-তামোল/পিছবাৰী শুৱনি পাণ/বৰঘৰ শুৱনি জীয়ৰী ছোৱালী, উলিয়াই দিবলৈ টান'...।

মানৱ সভ্যতা অতীতমুখী হ'ব নোৱাৰে, আগপিনলৈ আগুৱাই যাবলৈ হ'লে কিছু এৰা-ধৰা লাগিবই। এইখিনিতেই প্ৰশ্ন উদয় হয়— কিধৰণৰ পৰিৱৰ্তন হ'ব লাগে আৰু সেই পৰিৱৰ্তনৰ পৰা কোন শ্ৰেণীৰ মানুহৰ লাভ হ'ব।

আজি প্ৰযুক্তিৰ যুগত থিয় হৈ কল্পনা কৰিবলৈ অসুবিধা হয় যে সভ্যতাৰ প্ৰাথমিক পৰ্যায়ৰ যি শিক্ষা, সেয়া প্ৰযুক্তিৰ যোগেদি হোৱা নাছিল। প্ৰকৃতিৰ সৈতে হোৱা অহৰ্নিশ সংগ্ৰামৰ মাজেদিহে হৈছিল। মানুহে নিজস্ব সৰু-ডাঙৰ সকলো অভিজ্ঞতা সংগ্ৰহ কৰিছিল প্ৰকৃতিৰ পৰাই। সম্পদৰ সমবণ্টনৰ প্ৰক্ৰিয়ালৈকে সাংস্কৃতিক মূল্যবোধৰ যি জীৱনধাৰা, পৰৱৰ্তী সময়ত সম্পদৰ অসম বণ্টন কিন্তু সমাজত সাংস্কৃতিক মূল্যবোধৰ পৰিভাষাও সলনি কৰি পেলালে। সংস্কৃতিৰ লগতে অপসংস্কৃতিয়েও গজালি মেলিব ধৰিলে। জ্যোতিপ্ৰসাদে 'আইদেউৰ জোনাকী বাট'ত স্পষ্টকৈ উল্লেখ কৰিছে— 'যি কথাই, যি কামে, যি চিন্তাই, যি প্ৰয়াসে, যি প্ৰচেষ্টাই মানুহক আৰু মানুহৰ বাস্তৱ জীৱনক সুন্দৰ আৰু মহান কৰে, মানুহক বৰ্বৰ প্ৰকৃতিৰ পৰা মানুহক তাৰ আদিম পৰিৱেশৰ পৰা ওপৰলৈ তুলি নি মানুহক দিব্য প্ৰকৃতি দিয়ে, এই পৃথিৱীৰ বাস্তৱ জীৱন ধুনীয়া কৰি, মোহময় কৰি মানুহক সুখ-শান্তি আৰু আনন্দ পাবলৈ যোগান ধৰি আনন্দৰ পৰা আনন্দলৈ লৈ যায়, সেয়াই হৈছে সংস্কৃতি। মানুহৰ সেই কথাই, সেই কামেই,

সেই চিন্তাই, সেই জীৱনৰ সকলো প্ৰচেষ্টা আৰু প্ৰয়াসেই হৈছে সংস্কৃতি। মানৱ জীৱনৰ সংঘাত-বিঘাতৰ সাৰথি হৈছে সংস্কৃতি। আনফালে যিবোৰ কথাই-কামে, চিন্তাই-প্ৰয়াসে আৰু প্ৰচেষ্টাই মানুহক তলৰ খাপলৈ নমাই নি মানুহৰ জীৱনক দুখময়, ব্যাধিময়, দুৰ্নীতিময় কৰি নিৰানন্দময় কৰি তোলে, মানুহক মানুহ গুচাই পিশাচ কৰে, অসুৰ কৰে, সিয়েই দুষ্কৃতি'।

(ব্যক্তি আৰু চেতনা, প্ৰসঙ্গ ঃ জাতীয়তা, সাম্প্ৰদায়িকতাৰ গো মাংস ইত্যাদি- ড° পৰমানন্দ মজুমদাৰ , পৃষ্ঠা ২০)

মানুহৰ প্ৰকৃত চিনাকি হ'ল তাৰ শ্ৰম। পৰিশ্ৰম অবিহনে খাদ্য সংগ্ৰহ আৰু খাদ্য প্ৰস্তুত কৰাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ নহয়। সেই কাৰণেই কলাগুৰু বিষ্ণু ৰাভাই উপলব্ধি কৰিছিল যে সংস্কৃতিৰ বাহক হ'ল ৰাইজ, হালোৱা, হজুৱা, শ্ৰমজীৱী ৰাইজ। কিমান কষ্ট কৰি তেওঁলোকে দুমুঠি ভাত মোকোলায়, তেওঁলোকৰ মূৰৰ ঘামবোৰ মাটিত পৰি বসুমতী জকমকাই উঠে, শস্য নদন-বদন হয়। প্ৰাকৃতিক দুৰ্যোগ আহে তেওঁলোকক মষিমূৰ কৰিবলৈ। শোষক-শাসক আহে তেওঁলোকক চুহি খাবলৈ। কিন্তু তাৰ মাজতেই তেওঁলোক জীয়াই থাকে। কৃষ্টি-সংস্কৃতিক বুকুত বান্ধি তেওঁলোক জীয়াই থাকে। কৃষি সংস্কৃতিৰ বাহক এই জনতাক জীয়াই ৰাখিব লাগিব। এইসকলৰ গধুৰ দুখ-দৈন্যৰ বোজাবোৰ আঁতৰ কৰিব লাগিব। এওঁলোকক প্ৰকৃত মানুহৰ আসনত প্ৰতিষ্ঠিত কৰিব লাগিব।'

(—বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি ঃ তিলক দাস, পৃষ্ঠা-১৮০)

পৰিশ্ৰম অবিহনে খাদ্য সংগ্ৰহ আৰু খাদ্য উৎপাদনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ নহয়। সময়ৰ লগে লগে এই ভাৱনাখিনি ক্ৰমান্বয়ে ভিন্ন হ'ব ধৰিলে। সমাজত শ্ৰেণী বৈষম্য যিমান তীব্ৰ হ'ব ধৰিলে, এক শ্ৰেণীৰ মানুহে শ্ৰম কৰে আৰু আন এটা শ্ৰেণীৰ মানুহে তাৰ লাভ উপভোগ কৰে, সেয়াই যেন সমাজৰ নিয়মলৈ পৰিণত হ'ল। শ্ৰদ্ধেয় হেমচন্দ্ৰ বৰুৱা ৰচিত এটি নিবন্ধ 'পৰিশ্ৰমৰ সুগুণত' তেওঁ উল্লেখ কৰিছিল 'মানুহৰ লাগতিয়াল বস্তুখিনিক পৰিশ্ৰমৰ দ্বাৰা উৎপন্ন কৰিবলগীয়া নহৈ অন্যান্য জন্তুৰ দৰে অনায়াসে পাব পৰা হোৱা হ'লে তেওঁৰ বুদ্ধি ইমান চোকা নহ'লহেঁতেন। এতেকে পৰিশ্ৰমে মানুহক ইতৰ জন্তুতকৈ শ্ৰেষ্ঠ কৰিছে।' (পাঠশালা, পৃষ্ঠা-২৭-২৮)

আত্মনিৰ্ভৰ ভাৰতবৰ্ষৰ ধাৰণা প্ৰাচীন। কিন্তু এতিয়া লাহে লাহে শ্ৰমবিমুখ সমাজ এখন গঢ় লৈ উঠিছে। লক্ষ-লক্ষ মানুহক আজি বিনামূলীয়া চাউল বিতৰণ

কৰা হৈছে। জনবহুল উন্নয়নশীল এখন দেশৰ সংখ্যাগৰিষ্ঠ নাগৰিকে যদি ভিক্ষাৰ জোলোঙা হাতত তুলি লৈয়ে বিনামূলীয়া চাউল গ্ৰহণ কৰে, আনফালে পুতি পেলাবৰ উপক্ৰম হৈছে পথাৰ, খাল-বিল। কৰ্মহীনতা, অপুষ্টি, ভোকাতুৰ মানুহৰ সংখ্যা বৃদ্ধি পাইছে, শ্ৰেণীবৈষম্য তীব্ৰ হৈছে, পাকঘৰৰ ধাৰণায়ো লৈছে নতুন ৰূপ। প্ৰযুক্তিয়ে আনি দিয়া সুখ-স্বাচ্ছন্দ্যক আমি আন্তৰিকতাৰে গ্ৰহণ কৰিছোঁ, ধনতন্ত্ৰই মেলি ধৰা বজাৰখনেই এতিয়া আমাৰ জীৱন। সেয়া ভুল পথৰ ঠিকনা। পুৰণি আৰু নতুনৰ চাকনৈয়াত থিয় হোৱা এই সমাজ ব্যৱস্থাৰ গতিপথ বাৰে বাৰে মনত পেলাই দিয়ে। এই ধৰিত্ৰীৰ মাটি, পানী, বায়ু, নৈ-বিল, পাহাৰ, অৰণ্য কাৰো ব্যক্তিগত সম্পদ নহয়। জাক-জমক শ্বপিংমল হৈছে, চালে চকু চাট মাৰি ধৰে, নগৰায়নৰ প্ৰক্ৰিয়াক সমৰ্থন কৰিলেও গ্ৰামীণ সমাজ সংৰক্ষণ কৰাৰ প্ৰয়োজন আছে। সুস্থ পৰম্পৰাৰ সংৰক্ষণৰ প্ৰয়োজন। পৰিৱৰ্তনৰ অৰ্থ অকল মুক্ত বজাৰৰ আগ্ৰাসন হ'ব নোৱাৰে। পথাৰৰ কাষে কাষে থকা পথটোৰেদি নাতিনীজনী আগুৱাই যাব ধৰে। সৰুতে এনেদৰে আইতাকৰ লগতে ঘূৰি ফুৰিছিল। বিনন্দীয়া প্ৰকৃতিৰ গছে-বনে সেউজীয়া হৈ থকা আইতাকৰ গাঁও। মাজে মাজে বতাহত আইতাকৰ গোন্ধ যেন ভাহি আহে। কবিতা পঢ়ি ভাল পাইছিল আইতাকে। তেওঁৰ প্ৰিয় কবি আছিল নীলমণি ফুকন। আইতাকে নাতিনীজনীক অসংখ্যবাৰ পঢ়ি শুনাইছিল এটি কবিতা, এতিয়াই যেন তাই কবিতাৰ শৰীৰত আইতাকৰ স্পৰ্শ অনুভৱ কৰিলে,

তাই মাতিব ধৰিলে;

আইতা, 'ৰজঃস্বলা পথাৰখন পাৰ হৈ তুমি চাগে

'এতিয়া বহুদূৰ পালাগৈ/সজাত ভৰাই থোৱা আছে তোমাৰ চিঞৰটো/ খেতিয়কসকলৰ মাজত কিবা এটা হুলস্থূল/আৰু এই মাত্ৰ যেন কিবা এটা ঘটি গ'ল/ফুলি থকা গোলাপ ফুলবোৰত/চকিত নীৰৱতা।...'

(ৰজঃস্বলা পথাৰখন পাৰ হৈ তুমি চাগৈ)

— নীলমণি ফুকন ♦

গ্ৰন্থপঞ্জী

- বেদৰ যুগে ভোক ও খাদ্য - সুকুমাৰী ভট্টাচাৰ্য- চিৰায়ত প্ৰকাশন
- অসমৰ জনগোষ্ঠীয় লোকখাদ্য - সম্পাদনা ড° অংশুমান দাস, প্ৰকাশ- আঁক-বাঁক
- Indian Food, A Historical Companion - K.T. Achaya, Oxford University Press.
- অসমৰ জনজাতি-সম্পাদক ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য, - অসম সাহিত্য সভা
- সমাজ সংস্কৃতি ইতিহাস- প্ৰসেনজিৎ চৌধুৰী - অসম প্ৰকাশন পৰিষদ
- দৰ্শন আৰু পথ অন্বেষণ - ড° ৰীনা কলিতা - ৰৌদ্ৰ কামনা প্ৰকাশন
- বিষুৱাভা এতিয়া কিমান ৰাতি - তিলক দাস, চন্দ্ৰ প্ৰকাশ
- অসমৰ মৎস্য সংস্কৃতি - ড° অসমী গগৈ, অসম প্ৰকাশন পৰিষদ
- সহজলভ্য বন দৰৱৰ গুণ ঃ ড° গুণাৰাম খনিকৰ, বিদ্যাভৱন
- উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় লোকসংস্কৃতি - সম্পাদক দেৱজিৎ বৰা, এম আৰ পাব্লিকেচন
- ৰান্ধনী বা ৰন্ধন প্ৰণালী - ধনদা কুমাৰী শইকীয়া - লয়াৰ্ছ বুক ষ্টল
- ৰাজ বাড়িৰ রান্না - কবিতা চৌধুৰী - আনন্দ
- নিৰ্বাস - সুধীৰ চক্ৰবৰ্তী - গাঙচিল
- নুনেতে ভাতেতে - সম্পাদনা - ৰামকৃষ্ণ ভট্টাচাৰ্য, স্যান্যাল অনাৰ্থ তাপস - দ্য কাফে টেবুল
- কিংবদন্তিৰ খনা ও খনাৰ বচন
- ঔপনিবেশিক ভাৰতেৰ ৰাষ্ট্ৰীয় অৰ্থনীতি - ৰনেশ ৰায়, প্ৰগ্ৰেসিভ পাব্লিচাৰ্শ
- ভোকৰ বিশ্বায়ন কৃষি খাদ্য, দাৰিদ্ৰ - হৰিলাল নাথ - ন্যাশনাল বুক এজেঞ্চি প্ৰা. লিমিটেড
- সমাজবাদ থেকে পুঁজিবাদে উত্তৰণ, ৰজনি হিলটন ভাবান্তৰ - নীহাৰ ৰঞ্জন বাগ
- ৰাষ্ট্ৰ পৰিচালনায় অৰ্থনীতিৰ গুৰুত্ব - ড° এছ এম জাহাঙ্গীৰ আলম
- ঠাকুৰ বাড়িৰ ৰান্না - পূৰ্ণিমা ঠাকুৰ
- জেণ্ডাৰ প্ৰসঙ্গ - গ্ৰন্থনা ও সম্পাদনা - শাহীন ৰহমান
- পাশ্চাত্যে নাৰী আন্দোলন - উৰ্মি ৰহমান

পুৰণি সংবাদপত্ৰ, আলোচনী, পুস্তিকা

- অসমীয়া প্ৰতিদিন (২০২১-২০২৩ জুলাই)
- আমাৰ অসম (২০২০-২০২৩ মাৰ্চ)
- সংবাদ প্ৰতিদিন, বাংলা (২০০৫-২০১৮)
- নন্দিনী (২০২০-২০২২ জুন)
- এককমাত্ৰা (২০১৮-২০২২ এপ্ৰিল)
- ৰোৱনী, নতুন পদাতিক, নতুন পৃথিৱী
- গৰীয়সী, দেশ, সাতসৰী, সদিচ্ছাৰ (আড্ডা) বছৰেকীয়া মুখপত্ৰ
- ইণ্টাৰনেট, বিভিন্ন ব্লগাৰসকলৰ লেখনী
- বিভিন্ন জনজাতীয় ৰেস্তোঁৰাত কৰ্মৰত মানুহৰ লগত কথাবাৰ্তা

“পৰম্পৰা আৰু আধুনিকতাৰ দোমোজাত আইতাৰ পাকঘৰ” পুথিখনৰ লেখিকা সুপৰ্ণা লাহিড়ী বৰুৱা যোৱা ত্ৰিছ বছৰ ধৰি মানৱীবিদ্যা বিষয়ক (Women Studies) অধ্যয়নৰ লগত যুক্ত হৈ আছে। ১৯৯৭ চনৰ পৰা বৈবাহিকসূত্ৰে অসমত নিগাজিকৈ তেওঁ থাকিবলৈ লয়। তেখেতে বাংলা আৰু অসমীয়া দুটা ভাষাতেই সাহিত্য চৰ্চা কৰে। তেওঁ বিভিন্ন বাতৰি কাকত, যেনে-- ‘অসমীয়া প্ৰতিদিন’, ‘আমাৰ অসম’, ‘দৈনিক অসম’, ‘যুগশঙ্খ’ ইয়াৰ উপৰি বিভিন্ন প্ৰগতিশীল আলোচনীত নিয়মীয়াকৈ লিখা-মেলা কৰে।

ইতিমধ্যে কলকাতা, বাংলাদেশ আৰু অসমৰ পৰা মুঠ পোন্ধৰখন গ্ৰন্থ প্ৰকাশিত হৈছে। তেওঁৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ’ল-- ‘ডাইনী হত্যাৰ উৎস সন্ধানে’, ‘মনিপুৰেৰ মেয়েৰা’, ‘শিকড়েৰ খোঁজে বাংলাদেশ’, ‘বদলে যাচ্ছে খাসি মায়েদেৰ গল্প’, ‘লাল সবুজেৰ ঝাৰখণ্ড তখন আৰ এখন’, ‘বদলে যাওয়া বিয়েৰ ফুল’।

ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত থকা জনজাতীয় সমাজৰ আৰ্থ-সামাজিক-সাংস্কৃতিক অৱস্থান আৰু পৰিবৰ্তন হ’ল লেখিকাৰ অধ্যয়নৰ কেন্দ্ৰবিন্দু। তেখেত অসম লেখিকা সংস্থাৰ “মনিকা বৰুৱা সোঁৱৰণী বঁটা-২০১২” সন্মানেৰে সন্মানিত। ইয়াৰ উপৰি “তোৰ্যা সাহিত্য স্মাৰক সন্মান (২০১৯)”, কাৰবি আংলং জিলা মহিলা সমিতিৰ সোণালী জয়ন্তী (২০১৯) সম্বৰ্দ্ধনা লাভ কৰিছে।

ISBN : 978-93-85230-26-4
9 789385 230264
Price : ₹ 220/-

এন এল পাব্লিকেশ্বনছ
পাণবজাৰ, গুৱাহাটী-৭৮১০০১